# Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**

| | |
|---|---|
| Record No: 2006/ 109 | Language of work: Assamese |
| Author (s) / Editor (s): ✓ Pareekhit Hajorika | |
| Title: অসম সাহিত্য সভা পত্ৰিকা | |
| Transliterated Title: Asama Sahaitya Sabhaa Patraikaa | |
| Translated Title: Magazine of Asam Sahitya Sabha. | |
| Place of Publication: Jorhat. | Publisher: Asam Sahitya Sabha – Jorhat |
| Year: 1979 | Edition: |
| Size: 23 1/2 cms. 8+90+8+73+7+96+4+8+129+11+78 pages | Genre: Magazine |
| Volumes: 36 – 4 issues | Condition of the original: Good. |
| Remarks: Good. 1s. vol. published in the year 1927 and has been continuing | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| Microfilm Roll No: | From gate: | To gate: |
|---|---|---|

৩ (৩)
১২/১/৮০

গোস্বামী ... সাহিত্য সভা,
নং ২৪৮১
তাং ২৩/৩/

ষট্‌ত্ৰিংশ বছৰ | ঊনৈছ শ ঊনাশী | প্ৰথম সংখ্যা

# অসম সাহিত্য সভা পত্ৰিকা

সম্পাদক ঃ

ড° [illegible]

# অসম সাহিত্য সভা পত্ৰিকা

ষট্‌ত্ৰিংশ বছৰ : প্ৰথম সংখ্যা

সম্পাদক

ড° পৰীক্ষিত হাজৰিকা

অসম সাহিত্য সভা পত্রিকা

ষট্‌ত্রিংশ বছৰ

প্ৰথম সংখ্যা

মাৰ্চ-এপ্ৰিল- মে, ১৯৭৯

সম্পাদক

ড° পৰীক্ষিত হাজৰিকা

বেড ক্ৰছ ৰোড,

ডিব্ৰুগড়

প্ৰকাশক

শ্ৰীলীলা গগৈ

প্ৰধান সম্পাদক, অসম সাহিত্য সভা

চন্দ্ৰকান্ত সন্দিকৈ ভৱন

যোৰহাট-১



২৪৮১-৮৪/৫০


মূল্য

তিনি টকা


ছপাশাল

ভাৰতী প্ৰেছ

যোৰহাট-১


# অসম সাহিত্য সভা পত্ৰিকা

ষট্‌ত্রিংশ বছৰ : প্ৰথম সংখ্যা

এই সংখ্যাত আছে :


সম্পাদকীয়

সাম্প্ৰতিক কালৰ সাহিত্যৰ গতিপথ, ইয়াৰ স্বৰূপ আৰু অসমীয়া সাহিত্যৰ ভৱিষ্যত ॥ শ্ৰীৰমণীকান্ত শৰ্মা ॥ ১ ॥ আহোম-কোঁচৰ ৰাজনৈতিক সম্বন্ধ আৰু নামনি অসম ॥ ড° সদানন্দ বেজবৰুৱা ॥ ৭ ॥ অসমৰ চেমা নগাসকলৰ বাসভূমি আৰু জীৱিকা ॥ শ্ৰীকিশোৰকুমাৰ শৰ্মা ॥ ১৬ ॥ যোগিনী তন্ত্ৰত বিষ্ণু উপাসনা ॥ ড° হৰিনাথ শৰ্মা দলৈ ॥ ২০ ॥ পচ্নৈ সমাজ গঢ়ি তোলাত পুথিভঁৰালৰ ভূমিকা ॥ শ্ৰীৰাম গোস্বামী ॥ ২৩ ॥ দৈয়াং-ধনশিৰি উপত্যকাৰ প্ৰাচীন সভ্যতাৰ নিদৰ্শন ॥ ড° পৱনচন্দ্ৰ শইকীয়া ॥ ৩১ ॥ অসমীয়া সাহিত্য-সংস্কৃতিলৈ মুছলমান-সকলৰ বৰঙনি ॥ ড° হেমন্তকুমাৰ শৰ্মা ॥ ৩৬ ॥ আহোম পুথি-পৰিচয় ॥ শ্ৰীবিমলাকান্ত বৰুৱা ॥ ৪৪ ॥ অভিধান প্ৰণয়নৰ আধুনিক চিন্তাধাৰা ॥ ড° ফণীন্দ্ৰনাৰায়ণ দত্তবৰুৱা ॥ ৪৭ ॥ অসম সাহিত্য সভাৰ ভিতৰ চ'ৰা ৫২ ॥ পুথি-পৰিচয় ॥ ৮৭ ॥

# অসম সাহিত্য সভা পত্ৰিকাৰ

## *নিয়মাৱলী*

১। 'অসম সাহিত্য সভা পত্ৰিকা' অসম সাহিত্য সভাৰ মুখপত্ৰ।

২। এই পত্ৰিকাত ভাষা-সাহিত্য-সংস্কৃতি বিষয়ক মৌলিক চিন্তামূলক আৰু গৱেষণামূলক প্ৰবন্ধাদিয়ে যাইকৈ ঠাই পাব।

৩। পত্ৰিকা প্ৰতি তিনিমাহৰ মূৰে মূৰে প্ৰকাশিত হ'ব।

৪। পত্ৰিকালৈ পঠোৱা প্ৰবন্ধ-পাতি 'ড° পৰীক্ষিত হাজৰিকা, ৰেড ক্ৰছ ৰোড, ডিব্ৰুগড়'—এই ঠিকনাত পঠাব লাগিব। সমালোচনাৰবাবে পঠোৱা গ্ৰন্থৰ প্ৰতিখনৰ—দুখনকৈ পঠালেহে সমালোচনা প্ৰকাশ কৰাৰ সুবিধা হয়।

৫। পত্ৰিকাৰ বৰঙনি, বিতৰণ সম্পৰ্কীয় চিঠি-পত্ৰাদি 'প্ৰধান সম্পাদক' অসম সাহিত্য সভা, চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট-১—এই ঠিকনাত পঠাব লাগিব।

৬। প্ৰতি সংখ্যা পত্ৰিকাৰ মূল্য তিনি টকা আৰু বছৰেকীয়া বৰঙনি বাৰ টকা।

৭। বছৰেকীয়া গ্ৰাহকসকলে বছৰৰ প্ৰথম সংখ্যাৰপৰা পত্ৰিকা পাব।

৮। অসম সাহিত্য সভাৰ শাখাসভাসমূহে এখনকৈ পত্ৰিকা আধা বেচত পাব।

৯। দহখনতকৈ বেছি পত্ৰিকা নিওঁতাই শতকৰা পঁচিশ টকা কমিছন পাব।

১০। ডাকযোগে এজেন্ট বা গ্ৰাহকে নিব খুজিলে পত্ৰিকাৰ মূল্য মনিঅৰ্ডাৰ কৰি আগতে পঠাব লাগিব।

**পত্ৰিকা সম্পাদনা সমিতি**

১। শ্ৰীঅতুলচন্দ্ৰ বৰুৱা
২। শ্ৰীলীলা গগৈ
৩। শ্ৰীনগেন শইকীয়া
৪। ড° সত্যেন্দ্ৰনাৰায়ণ গোস্বামী
৫। শ্ৰীপ্ৰফুল্লচন্দ্ৰ ভট্টাচাৰ্য
৬। শ্ৰীডিম্বেশ্বৰ চলিহা
৭। ড° পৰীক্ষিত হাজৰিকা

## সম্পাদকীয়

॥ তৰ্পণ ॥

অসম জননীৰ সুযোগ্য সন্তান, অসমীয়া সংস্কৃতিৰ একনিষ্ঠ সাধক, অসম সাহিত্য সভাৰ সপ্তত্ৰিংশতম অধিৱেশনৰ সভাপতি আৰু ভাৰতীয় বৈষ্ণৱ দৰ্শনৰ সুবিজ্ঞ অধ্যাপক শ্ৰীউপেন্দ্ৰচন্দ্ৰ লেখাৰু,

উচ্চস্তৰৰ শংকৰী কলা-সংস্কৃতি আৰু বৰগীতৰ ওজা শ্ৰীদয়ালচন্দ্ৰ সূত্ৰধৰ,

অসমীয়া সাহিত্যৰ নীৰৱ সাধক, ভাৰতীয় মুক্তি আন্দোলনৰ অক্লান্ত যুঁজাৰু শ্ৰীচন্দ্ৰকান্ত বৰকাকতি

আৰু

সাম্প্ৰতিক যুগৰ অসমীয়া বোলছবি নিৰ্মাতাসকলৰ অন্যতম বিশিষ্ট শিল্পী শ্ৰীদ্বিজেন্দ্ৰনাৰায়ণ দেৱৰ

অবিনশ্বৰ আত্মাই স্বৰ্গীয় শান্তি লাভ কৰক।

## ৰাজ্য-ভাষাবৰ্ষ

ভাৰত চৰকাৰে উনৈছ শ উনাশী চনটো ৰাজ্য-ভাষাবৰ্ষ হিচাপে উদ্‌যাপন কৰিছে। ইয়াৰ মূল উদ্দেশ্য হ'ল ভাৰতীয় সংবিধান স্বীকৃত ভাষাকেইটাক সৰ্বভাৰতীয় দৃষ্টিভংগীৰে সন্মান প্ৰদৰ্শন কৰা আৰু নিজ নিজ ৰাজ্যত সেই সেই ভাষাসমূহৰ সামগ্ৰিক বিকাশ আৰু কাৰ্যকৰী ব্যৱহাৰৰ খতিয়ান লোৱা। ভাৰতৰ বিভিন্ন ৰাজ্যত সংবিধান-স্বীকৃত ভাষাসমূহে কেবাবছৰো আগৰেপৰাই পূৰ্ণমৰ্যাদা লাভ কৰিছে, সিবিলাকৰ ভাষিক আৰু সাহিত্যিক বিকাশ যথেষ্ট ঘটিছে আৰু জনসাধাৰণে সেই বিকাশৰ ফল উপভোগ কৰিছে; কিন্তু অসমৰ ৰাজ্য-ভাষা 'অসমীয়া' সম্পৰ্কে পৰ্যালোচনা কৰিলে দেখা যায় যে অসমীয়া ভাষাই সৰ্বভাৰতীয় সন্মান লাভ কৰা দূৰৰে কথা, আনকি অসম ৰাজ্যতে ই প্ৰাপ্য মৰ্যাদা পোৱা নাই। ৰাজ্যিক ভাষা হিচাপে অসমীয়া ভাষা আজি সঞ্চিত গ্ৰহণী ৰোগত আক্ৰান্ত; অথচ ৰাজ্যৰ দৰে শাসন-প্ৰক্ৰিয়া অনুযায়ী এই ৰোগ নিৰাময় কৰা বেজ অসমত আজিকোপতি নোলাল। ইয়াতকৈ পৰিতাপৰ বিষয় অসমীয়াৰ বাবে আৰু কিবা হ'ব পাৰেনে?

ভাৰতীয় সংবিধানৰ ৮ম তপচিল অনুসৰি প্ৰত্যেক ৰাজ্যৰ প্ৰধান ভাষাটোক ৰাজ্যভাষা হিচাপে স্বীকৃতি দিছে। সংবিধানৰ ৩৪৫ ছেদমতে অসম সাহিত্য সভাই ১৯৫০ চনৰ একবিংশ অধিৱেশনৰপৰাই অসমীয়া ভাষাক অসমত ৰাজ্যিক ভাষা কৰিবলৈ দাবী জনাই আহিছিল; ১৯৫৯ চনত নগাঁও চহৰত বহা অসম সাহিত্য সভাৰ সপ্তবিংশ অধিৱেশনত এই দাবী পুনৰুত্থিত হৈছিল আৰু সেই দাবী-প্ৰস্তাৱত কোৱা হৈছিল যে ১৯৬০ চনৰ ভিতৰতে অসম চৰকাৰে অসমীয়া ভাষাক অসমৰ ৰাজ্যিক ভাষা বুলি ঘোষণা কৰিব লাগে। আচলতে এই সংবিধানসন্মত প্ৰস্তাৱটো ১৯৫৬ চনত ৰাজ্য পুনৰ গঠন কৰাৰ সময়তে কাৰ্যকৰী কৰিব লাগিছিল; কিন্তু অসমৰ গাদীলোভী চতুৰ ৰাজনীতিবিদ আখ্যাধাৰী জননেতাসকলে সৰলমতি অসমীয়াৰ প্ৰাণৰ প্ৰস্তাৱটি অৱজ্ঞাভৰে এৰি চলিছিল। এনে এটি ভাৱপ্ৰৱণ জটিল সমস্যা সমাধা কৰি থলে পিছত কিজানিবা অসমৰ জনসাধাৰণে আৰু বিভিন্ন সমস্যা (যেনে, খাদ্য সমস্যা, মাটিৰ সমস্যা, শিক্ষাৰ সমস্যা, নিবনুৱা সমস্যা, শিল্পোদ্যোগ সমস্যা, চাকৰিৰ সমস্যা, বহিৰাগতৰ সমস্যা ইত্যাদি) উত্থাপন কৰি নেতাসকলক জুৰুলা কৰে! গতিকে থাই সমস্যাটোৰেই অসমীয়া জনগণক জোলোকা-জোলোকে পানী খুৱাই থাকক বুলি আমাৰ জাতীয় নেতাসকলে নিশ্চিন্তমনে অসম শাসন কৰি আছে।

'অসমীয়া' অসমৰ ৰাজ্যভাষা হ'ল; কিন্তু ই পূৰ্ণমৰ্যাদাপ্ৰাপ্ত নহ'ল। ১৯৬০ চনতেই 'অসম শাসকীয় ভাষা অধিনিয়ম' প্ৰণয়ন কৰা হ'ল। অসম চৰকাৰে শাসকীয় ভাষা-প্ৰয়োগ সমিতিও গঠন কৰি দিলে। ১৯৬৪ চনৰ আগষ্টৰপৰা পঞ্চায়ত উন্নয়নখণ্ড আৰু উপপ্ৰতি-সমাহৰ্তা মণ্ডল পৰ্যায়লৈকে আৰু ১৯৬৫ চনৰ চেপ্তেম্বৰ মাহৰপৰা মহকুমা পৰ্যায়লৈকে অধিনিয়মখনি বলবৎ কৰা হৈছিল; কিন্তু ইয়াৰ পূৰ্ণ প্ৰয়োগ আজিলৈকে নহ'ল। অসমত ৰাজ্যিক ভাষা সকলো চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান বা কাৰ্যালয়ত পূৰ্ণপ্ৰয়োগ নোহোৱাৰ মাই কাৰণ হ'ল— ৰাজ্য চৰকাৰৰ ভাষা সংশ্লিষ্ট বিভাগবোৰৰ মূৰব্বী বিষয়া তথা কৰ্মীসকলৰ উদাসীনতা, অসমীয়া বিৰোধীসকলৰ সময়-সাপেক্ষ ষড়যন্ত্ৰমূলক তৎপৰতা আৰু অসমৰ জনসাধাৰণৰ আৱশ্যকীয় জাতীয় চিন্তাশূন্যতা।

ৰাজ্যিক ভাষা আইন যে পূৰ্ণপৰ্যায়ত প্ৰয়োগ হৈ উঠা নাই সেই কথা কেন্দ্ৰীয় চৰকাৰৰ অবিদিত নহয়। ১৯৭৮ চনৰ মাৰ্চ মাহত দিল্লীত অনুষ্ঠিত সৰ্বভাৰতীয় ভাষা সন্মিলনৰ পৰামৰ্শাৱলীয়েই তাৰ সাক্ষী। সেই কাৰণেই এই বছৰটো 'ভাষা-বৰ্ষ' হিচাপে উদ্‌যাপন কৰিবলৈ লৈ কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰসমূহলৈ কিছুমান অতি গুৰুত্বপূৰ্ণ নিৰ্দেশ দিছে। তাৰ ফলস্বৰূপেই অসম চৰকাৰে উপায়ুক্ত, মহকুমাধিপতি প্ৰভৃতিক ৰাজ্যিক ভাষা প্ৰয়োগৰ কাৰ্যকৰী ব্যৱস্থা ল'বলৈ আদেশজাৰী কৰিছে। ইয়াৰ বাবে অসমৰ জনতা চৰকাৰ বাহাদুৰৰ ধন্যবাদৰ পাত্ৰ; কিন্তু উৎসৱ উদ্‌যাপনৰ শুভদিনত আশীৰ্বাদ দি পিছলৈ যাতে বাইজৰ অভিশাপৰ সন্মুখীন হ'বলগীয়া নহয় তাৰে নিৰ্মল আন্তৰিকতাৰ পটন্তৰ প্ৰতিষ্ঠা কৰাটোও ৰাইজে কামনা কৰে।

যোৱা ৯ জুনৰ দিনা অসম সাহিত্য সভাৰ আহ্বানক্ৰমে শাখা সাহিত্য সভা আৰু স্বীকৃতিপ্ৰাপ্ত সভাসমূহে ৰাজ্যিক ভাষা অসমীয়াৰ পূৰ্ণপ্ৰয়োগৰবাবে দাবী দিৱস পালন কৰিছে। এই দিৱসৰ তাৎপৰ্য হ'ল অসম শাসকীয় ভাষা অধিনিয়ম অনুসৰি ৰাজ্যিক ভাষা অসমীয়া সন্চালনিকৈ প্ৰয়োগ কৰি ভাষা-আইনৰ মৰ্যাদা ৰক্ষা কৰা, অসমত থকা চৰকাৰী আৰু বেচৰকাৰী কাৰ্যালয়বিলাকৰ কাম-কাজ অসমীয়া ভাষাত চলাই প্ৰশাসক আৰু ৰাইজৰ মাজত আন্তৰিক যোগসূত্ৰ স্থাপন কৰা আৰু অসমীয়া-অনা-অসমীয়াৰ মাজত সংহতিসুলভ মনোভাৱ গঢ়ি তোলা। তদুপৰি কেন্দ্ৰ-ৰাজ্যৰ মাজত থকা ভাষা আইনৰ ঐক্য-শৃংখলা দৃঢ়তৰ কৰি তোলাও এই উদ্‌যাপিত দিৱসৰ অন্তৰ্নিহিত লক্ষ্য।

সকলো কাম-কাজ বা চিন্তা-চৰ্চাৰ সফলতা নিৰ্ভৰ কৰে আন্তৰিকতাৰ ওপৰত; সেই আন্তৰিকতাত নিহিত থাকিব লাগে সৎসাহস, ধৈৰ্য, ত্যাগ, মনোবল আৰু সময়োচিত চেতনাবোধ। সেয়ে নহলে, সকলো আশা-আকাংক্ষা কল্পনাত জাহ যায়। অসমত অসমীয়া ভাষা ৰক্ষা কৰা, ইয়াৰ বিকাশ ঘটোৱা বা ইয়াক পূৰ্ণমৰ্যাদা দিয়াৰ ক্ষেত্ৰতো থাকিব লাগিব সমগ্ৰ অসমীয়া আৰু অসমীয়া ভাৱাপন্নলোকৰ আন্তৰিক অৱিহণা। কোনো ৰকমৰ কৃত্ৰিমালিয়ে কোনো ভাষা বা জাতি নাইবা দেশ ৰক্ষা কৰিব নোৱাৰে। সমভাৱাপন্ন অসম-বাসিন্দা সহিতে আমি থলুৱা অসমীয়াই আন্দোলন কৰি, আন্দোলনত আত্মাহুতি দি, কাগজে-কলমে, বক্তৃতাই-আলাপে আৰু দাবী-প্ৰস্তাৱেৰে অসমীয়াক ৰাজ্যভাষা হিচাপে চৰকাৰে পূৰ্ণমৰ্যাদা দিব লাগে বুলি টেঁটু ফালিলে নহ'ব, আমি প্ৰত্যেকেই ঘৰুৱা জীৱনত, সামাজিক পৰিৱেশত আৰু চৰকাৰী পৰ্যায়ত অসমীয়া ভাষা প্ৰয়োগ কৰি ব্যৱহাৰিক দিশত ইয়াৰ ঔচিত্য-গুণ দেখুৱাব লাগিব, অনা-অসমীয়াসকলক ইয়াৰ প্ৰতি আকৰ্ষিত কৰিব পাৰিব লাগিব। এয়া আমাৰ জাতীয় দায়িত্ব আৰু নৈতিক কৰ্তব্য।

শ্ৰীৰমণীকান্ত শৰ্মা

# সাম্প্ৰতিক কালৰ সাহিত্যৰ গতিপথ, ইয়াৰ স্বৰূপ আৰু অসমীয়া সাহিত্যৰ ভবিষ্যত

[ক]

সাম্প্ৰতিক কালৰ অসমীয়া সাহিত্য পঢ়ি উঠাৰ পিছত অধিকাংশ ক্ষেত্ৰতেই চিত্ত প্ৰসন্ন হৈ নুঠে, তাত যেন কিবা ডাঙৰ বস্তু এটা নাই, এনে এটা ভাব মনলৈ আহে। অসমীয়া সাহিত্যিকসকলৰ সৰহ ভাগৰেই সত্যদৰ্শনৰবাবে প্ৰয়োজনীয় গভীৰ ধ্যান আৰু অন্তঃপ্ৰজ্ঞাৰ অভাৱ। ফলত তেওঁলোকে মানৱ জীৱনৰ গভীৰত থকা অন্তঃস্থ সত্যৰ, তথা মানৱ জীৱনৰ অন্তঃস্থ স্বচ্ছ ৰূপৰ দৰ্শন নাপায়। মনীষী ৰাধাকৃষ্ণণনৰ ভাষাত ক'বলৈ হলে "তেওঁলোক আত্মাৰ ওপৰৰ কোলাহল লৈয়েই ব্যস্ত, তাৰ গভীৰতালৈ যোৱা নাই।" গভীৰ ভাৱ, অনুভূতি আৰু অন্তৰ্জ্ঞান নাথাকিলে, অকল বুদ্ধি আৰু কল্পনাৰ বলত কালজয়ী সাহিত্যৰ সৃষ্টি কৰিব নোৱাৰি। শ্ৰেষ্ঠ সাহিত্যই পঢ়োঁতাৰ মনত এটা ছাপ থৈ যায় আৰু পাঠকৰ মন নিৰ্মল, পবিত্ৰ আৰু সুন্দৰ কৰি তোলে। মহৎ বিষয় বস্তুক অৱলম্বন কৰিহে মহৎ সাহিত্য সৃষ্টি কৰিব পাৰি; কিন্তু মানৱ জীৱন সম্বন্ধে সংকীৰ্ণ আৰু অগভীৰ ধাৰণা কৰি লোৱাৰ সপক্ষে কোনো বৈজ্ঞানিক যুক্তি আজি নাই। আইনষ্টাইন প্ৰমুখ বিশ্ব-বিশ্ৰুত বৈজ্ঞানিকসকলৰ আৱিষ্কাৰৰ ফলত আজি বিশ্বত কোনো জড় পদাৰ্থ নাই, দৃশ্যমান সকলো বস্তু চৈতন্য শক্তিৰ লীলা বা ঘটনা প্ৰবাহ মাথোন। বস্তু বা বাস্তৱতাৰ আগৰ সেই সংজ্ঞা আৰু নাই। এটা সংস্থিতিমূলক বস্তুৰ ধাৰণা আজি বিজ্ঞানসন্মত নহয়। আধুনিক বস্তুবাদীসকলে ইন্দ্ৰিয়গ্ৰাহিতাৰ ওপৰত আগৰদৰে গুৰুত্ব দিয়াৰ কোনো কাৰণ নাই। আজি বস্তুসত্তা আৰু ভাৱ-সত্তাৰ মাজত পাৰ্থক্য নাইকিয়া হৈছে। বস্তু আৰু বাস্তৱতাৰ সংজ্ঞা অকল দাৰ্শনিকসকলেই নহয় বৈজ্ঞানিকসকলেও বিভিন্ন ধৰণে দিছে; কিন্তু বৈজ্ঞানিকসকলৰ এই সংজ্ঞাবিলাকত ক'তো বস্তুক জড়-পদাৰ্থ বুলি ধৰা নাই। এই কথাটোও সঁচা যে 'বৈজ্ঞানিক' বা 'বিজ্ঞান সন্মত' এই বিশেষণটোৱে কোনো কথাৰ অপৰিবৰ্তনীয় সত্যতাক নুবুজায়। এই বিশেষণটোৱে কোনো এটা সময়ৰ বিশুদ্ধ মত বা চিন্তাকেই বুজায় আৰু কালক্ৰমত অইন এটা সময়ত সেই বিশুদ্ধ মতবো সংশোধন হ'ব পাৰে বা সংশোধন হোৱা দেখা গৈছে।

সাম্প্ৰতিক কালৰ নাস্তিক্যবাদীসকলৰ মত এয়ে যে যিহেতুকে আত্মা আৰু ঈশ্বৰৰ অস্তিত্ব

বিজ্ঞানাগাৰত প্ৰমাণ কৰিব নোৱাৰি, সেইবাবে আত্মা আৰু ঈশ্বৰৰ অস্তিত্ব নাই ; কিন্তু বিজ্ঞানৰ প্ৰমাণ পদ্ধতিত এনে অন্ধ-বিশ্বাস কিয় ? বৈজ্ঞানিক প্ৰমাণ পদ্ধতি অথবা বৈজ্ঞানিক যৌক্তিক বা বৌদ্ধিক বিচাৰেই জানো কোনো সত্তাৰ অস্তিত্ব প্ৰমাণিত কৰাৰ একমাত্ৰ অথবা নিশ্চিত উপায় ? মানুহৰ জ্ঞানেন্দ্ৰিয়সমূহেই জানো জ্ঞান আহৰণৰ একমাত্ৰ অথবা নিশ্চিত উপায় ? যি বস্তুবাদৰ ওপৰত নাস্তিক্যবাদে নিৰ্ভৰ কৰিছিল ; সেই বস্তুবাদৰ 'সত্তাযুক্ত জড়পদাৰ্থ'ৰ অস্তিত্বকে আধুনিক পদাৰ্থ বিজ্ঞানৰ আৱিষ্কাৰে ধূলিস্যাৎ কৰি দিছে। অন্তঃপ্ৰজ্ঞাৰ গভীৰ ধ্যানত আৱিষ্কৃত সত্য-সমূহ আৰু মনোজগতৰ তথ্যসমূহ অনুবীক্ষণ যন্ত্ৰত ধৰা নপৰে বুলিয়েই অসত্য বুলি উকৰাই দিব নোৱাৰি। মন এটাৰ অস্তিত্বক আমি তাৰ লক্ষণ-সমূহৰপৰাই স্বীকাৰ কৰোঁ। মনৰ গৰাকী অহংমৰ অস্তিত্ব আমাৰ প্ৰত্যক্ষ অভিজ্ঞতা। ফৰাছী দাৰ্শনিক দেকাৰ্তেই কৈছিল, cogito ergo sum। 'মই চিন্তা কৰোঁ, সেই দেখি মোৰ অস্তিত্ব বিদ্যমান।' অন্তঃ-প্ৰজ্ঞা বা সমাধিৰ গভীৰ ধ্যানৰ স্তৰত জীৱৰ আত্ম-সাক্ষাৎকাৰ লাভ হয়। যি বস্তুবাদীয়ে অন্তঃপ্ৰজ্ঞা (Intuition)ৰ সহায়ত এই অভিজ্ঞতা লাভ কৰাটো ভাববাদীবিলাকৰ মিথ্যা কল্পনা বুলি ভাবি সেই চেষ্টা নকৰে তেওঁ জীৱনৰ পৰম সত্যদৰ্শনৰ পথ পৰিহাৰ কৰে আৰু জীৱনৰ পৰম পুৰুষাৰ্থৰপৰা বঞ্চিত হয়। তেওঁক সুধিব পাৰি, কি প্ৰমাণৰ-দ্বাৰা তেওঁ 'আত্মা আৰু ঈশ্বৰ নাই,' এই সিদ্ধান্তত উপনীত হৈছে ? আত্মা আৰু ঈশ্বৰৰ অস্তিত্ব যদি মানুহৰ বৌদ্ধিক বিচাৰে প্ৰমাণিত কৰিব পৰা নাই তেন্তে আত্মা আৰু ঈশ্বৰ নাই বুলিও বৌদ্ধিক বিচাৰে প্ৰমাণিত কৰিব পৰা নাই। বৌদ্ধিক বিচাৰৰ এনেকাৰ বিষয় এইটো নহয়েই। বৌদ্ধিক বিচাৰৰ ওপৰত একান্ত নিৰ্ভৰশীল আৰু সীমিত ক্ষমতাৰ ভৌতিক বিজ্ঞানৰ পক্ষে আত্মা আৰু ঈশ্বৰৰ অস্তিত্ব বিচাৰি পোৱাটো সম্ভৱ নহয়। আত্মা আৰু ঈশ্বৰৰ অস্তিত্ব উপলব্ধি কৰিবলৈ মানুহক লাগে অন্তঃ-প্ৰজ্ঞাৰ সাহায্য। অন্তঃপ্ৰজ্ঞা বৈজ্ঞানিক যুক্তিবাদৰ বিৰোধী নহয়, ই বৌদ্ধিক বিচাৰৰ সহায়কহে, ইয়াক অতিপ্ৰজ্ঞা বুলিও ক'ব পাৰি। সত্যৰ অন্বেষণত এতিয়া ভৌতিক বিজ্ঞান দৰ্শনৰ প্ৰতিদ্বন্দ্বী নহয়, সহযোগীহে। আধুনিক পদাৰ্থ বিজ্ঞানে বিশ্বখন চৈতন্য শক্তিৰ লীলা বা ঘটনা প্ৰবাহ মাথোন বুলি আৱিষ্কাৰ কৰাৰ পিছত আত্মা আৰু ঈশ্বৰক মানৱ মনৰ কল্পনা বুলি ভৱাটো অবৈজ্ঞানিক মনোবৃত্তিহে হ'ব। এনে ক্ষেত্ৰত বিশ্বৰ বিভিন্ন দেশৰ বিভিন্ন যুগৰ জ্ঞানী সাধকসকলে অন্তঃপ্ৰজ্ঞাৰ সহায়ত গভীৰ ধ্যানত আৱিষ্কাৰ কৰা একৰূপ ( Uniform ) আধ্যাত্মিক অভিজ্ঞতাসমূহক যথোচিত গুৰুত্ব দিয়াটো হে উচিত হ'ব। বস্তুতঃ মানৱ প্ৰকৃতিয়ে বিশ্বস্ৰষ্টা ঈশ্বৰক স্বীকাৰ নকৰি নোৱাৰে। বিশ্ব ৰচনাত অসীম শক্তি, অসীম বুদ্ধিমত্তা, অতুলনীয় পৰিকল্পনা আৰু নিয়ম-শৃঙ্খলা বিদ্যমান। বিশ্বখনক এক আৰু অদ্বিতীয় স্বয়ম্ভু আৰু জ্ঞানময় চৈতন্য শক্তিৰ আত্মপ্ৰকাশ বুলি সিদ্ধান্ত নকৰি নোৱাৰি। এই বিশ্ব চৈতন্য শক্তিৰ লগত মানৱৰ কি সম্বন্ধ তাক জানিব নোৱাৰিলে মানৱ জীৱনৰ ৰহস্য বা সৌন্দৰ্য উদ্ঘাটিত নহয় আৰু যি সাহিত্যত মানৱ জীৱনৰ এই ৰহস্যময় সৌন্দৰ্য উদ্ঘাটিত নহয়, সি প্ৰকৃতাৰ্থত সাহিত্য হ'ব নোৱাৰে। সাহিত্যত নাস্তিক্যবাদ সম্পৰ্কে ওপৰত কিছু আলোচনা কৰাৰ তাৎপৰ্য এয়ে যে সাম্প্ৰতিক কালৰ অধিকাংশ সাহিত্যিকে বস্তুবাদ বা যথাৰ্থবাদ ( Realism ) আৰু অস্তিত্ববাদ ( Existentialism) ৰ বোকোচাত অহা নাস্তিক্যবাদৰদ্বাৰা বহুল পৰিমাণে আক্ৰান্ত হোৱাৰ ফলত, মানৱ জীৱনৰ ৰহস্য বা সৌন্দৰ্য উপলব্ধি কৰিব নোৱাৰা হৈছে। আধুনিক সাহিত্যিকে মানৱ জীৱনৰ সীমাহীন আকাশ আৰু অতল সমুদ্ৰৰ ৰূপটো দেখা নাপাই মানৱ



জীৱনক সীমাবদ্ধ সংকীৰ্ণ খাল এটাত বিচাৰি সৌন্দৰ্য সৃষ্টিৰ বিফল প্ৰয়াস কৰিছে। মাৰ্ক্সীয় চিন্তাধাৰাৰ অন্যতম শ্ৰেষ্ঠ বাহক স্বয়ং মাও ছে টুঙে এটা কবিতাত প্ৰকাশ কৰিছে,

> বৰফ গোটমৰা আকাশৰ তলত অযুত প্ৰাণীৰ
> স্বাধীন লীলা
> এই বিপুলত্বৰ চিন্তাৰে আচ্ছন্ন হৈ মই ভাবোঁ
> এই সীমাহীন পৃথিবীত
> মানুহৰ ভাগ্য নিয়ন্তা কোন ?
> ( অচিনাকী চীন, পৃঃ ২৭৮— )

মাও ছে টুঙৰ কবি মনতো ভূমা বা অসীমৰ পৰশ লাগিছে।

[খ]

কোনো জাতিৰ সাহিত্যই সেই জাতিৰ সাংস্কৃতিক উৎকৰ্ষৰ মান নিৰ্ণয় কৰে। তদুপৰি, সাহিত্য জাতি এটাৰ সাংস্কৃতিক উন্নয়নৰ প্ৰধান আহিলাও। সৎ সাহিত্য পাঠ কৰিলে পঢ়োঁতাৰ চিত্ত নিৰ্মল, পবিত্ৰ, মহান আৰু সুন্দৰ হয়। সাহিত্যত জাতি এটাৰ সামাজিক জীৱনৰ ছবি প্ৰতিফলিত হয়, সাহিত্যই সামাজিক জীৱনতো প্ৰভাৱ বিস্তাৰ কৰে। আনহাতে সামাজিক জীৱ-নেও সাহিত্যৰ ওপৰত প্ৰভাৱ বিস্তাৰ নকৰাকৈ নাথাকে। উদাহৰণস্বৰূপে, মধ্যযুগত যেতিয়া উত্তৰ ভাৰতত ভক্তি আন্দোলনৰ ঢৌ বিয়পি পৰিছিল তেতিয়া ভক্ত তুলসীদাসৰ 'ৰামচৰিত্ৰ মানস'ৰ নিচিনা ভক্তিমূলক মহান গ্ৰন্থৰ সৃষ্টি হৈছিল।

কালজয়ী সাহিত্যই জাতি এটাক কালৰ গৰ্ভত বিলীন হোৱাত বাধা প্ৰদান কৰে। যি জাতিৰ অমৰ সাহিত্য আছে, সেই জাতি সোনকালে কালৰ গৰ্ভত জাহ নাযায়। গতিকে দেখা গৈছে - সাহিত্য জাতি এটাৰ অমূল্য সম্পদ। এই হেতুকে, জাতীয় সাহিত্যৰ চৰ্চা কি ব্যক্তিগত জীৱনত, কি সামাজিক জীৱনত মানুহৰ অপৰিহাৰ্য কৰ্তব্য। সাহিত্য চৰ্চাৰ ভিতৰত সাহিত্যৰ অধ্যয়ন আৰু সাহিত্য ৰচনা দুয়োটাকেই ধৰা হৈছে।

সৎ সাহিত্যৰ সৃষ্টি সাধনাসাপেক্ষ। সৎ সাহিত্যৰ স্ৰষ্টা সাহিত্যিকৰ গভীৰ অন্তৰ্দৃষ্টি থাকিব লাগিব যাতে তেওঁ মানৱ জীৱনৰ অভিজ্ঞতাত সত্য আৱি-ষ্কাৰ কৰিবলৈ সমৰ্থ হয়। এই উদ্দেশ্যে সাহিত্যিকৰ স্বকীয় অভিজ্ঞতাৰ উপৰিও গভীৰ আৰু বহল অধ্যয়নৰো প্ৰয়োজন আছে। এই অধ্যয়নে মানৱ জীৱনৰ অভিজ্ঞতাৰ অৰ্থ বিচাৰি উলিওৱাত সাহি-ত্যিকক সহায় কৰে।

[গ]

কোনো জাতিৰ জীৱনত সাহিত্য অমূল্য সম্পদ, আৰু সাহিত্যসৃষ্টিৰ সাধনা অপৰিহাৰ্য কৰ্তব্য, এই সিদ্ধান্ত কৰাৰ পিছত প্ৰকৃতাৰ্থত সাহিত্যই কেনে ৰূপ লোৱা উচিত সেই সম্পৰ্কে বহলাই আলোচনা কৰাটো আৱশ্যক। সাহিত্যই কেনেকৈ সৌন্দৰ্য সৃষ্টি কৰি মানুহক আনন্দ দিব পাৰে ? সাহিত্যিকে গভীৰ অন্তৰ্দৃষ্টিৰ সহায়ত জীৱনৰ অভিজ্ঞতাৰ মাজেদি মানৱ-জীৱনৰ স্বৰূপ দেখিবলৈ পায় আৰু সত্যৰ আলোকত দেখা মানৱ-জীৱনৰ ছবিত অপূৰ্ব সৌন্দৰ্য ফুটি উঠে। সাহিত্যিকে বাস্তৱ অভিজ্ঞতাৰপৰা আহৃত মানৱ জীৱনৰ উপাদানসমূহক সাহিত্যৰ কলা কৌশলৰ সহায়ত পুনৰ বিন্যস্ত কৰি জীৱনৰ ছবি ৰূপায়িত কৰে। এই পুনৰ বিন্যাসত মানৱ-জীৱনৰ স্বৰূপ প্ৰকাশিত হয়, বিবিধ ৰসৰ সৃষ্টি হয় আৰু সেইবোৰৰ উপভোগে মানুহৰ চিত্ত নিৰ্মল, পবিত্ৰ আৰু সুন্দৰ কৰে আৰু শীৰ্ষস্তৰত ভগৱত প্ৰেমৰ সদৃশ চৰমানন্দ দান কৰে। শ্ৰুতিত ভগৱানক ৰস বুলি কোৱা হৈছে অৰ্থাৎ তেওঁ আনন্দ স্বৰূপ। ["ৰসোবৈসঃ"। আৰু এই ৰস "ব্ৰহ্মাস্বাদ সহোদৰঃ"] এই দেখি সাহিত্যিকে কলা-কৌশলৰ প্ৰয়োগৰদ্বাৰা চমৎকাৰিত্ব সৃষ্টি কৰি পাঠকৰ চিত্ত

বিনোদন কৰাই সাহিত্য সৃষ্টিৰ বা সাহিত্য কলাৰ ঘাই উদ্দেশ্য নহয়; নিখুঁত সৌন্দৰ্য্য সৃষ্টিৰ মাজেদি নিৰ্মল ৰস পৰিবেশন কৰি মানুহৰ সামাজিক আৰু সাংস্কৃতিক জীৱনক উন্নততৰ স্তৰলৈ নিয়াটোহে সাহিত্য-কলাৰ মুখ্য উদ্দেশ্য।

মানুহৰ সাৰ্বজনীন ভাৱ আৰু অনুভূতি সাহিত্যৰ উপাদান; এই উপাদানসমূহ সামাজিক পৰিস্থিতিত মানুহৰ জীৱনত প্ৰকাশিত হয়। এইবোৰৰ স্বৰূপ প্ৰকাশিত কৰিব লাগিলে সাহিত্যিকৰ সত্যম্, শিৱম আৰু সুন্দৰমৰ ধাৰণা বা বোধ থকাটো অপৰিহাৰ্য; কিয়নো, মানৱ জীৱন ৰসময় ঈশ্বৰ অৰ্থাৎ সত্যম্, শিৱম আৰু সুন্দৰমৰেই প্ৰতিচ্ছায়া। সাহিত্য-কলাৰ সহায়তহে এই স্বৰূপ যথাযথভাৱে প্ৰকাশ কৰিব আৰু তেনেকৈ প্ৰকাশ কৰোঁতে মানুহৰ জীৱনৰ অন্তৰ্নিহিত সৌন্দৰ্য ৰস-ৰূপত পৰিণত হয়। তেতিয়া কাব্যং ৰসাত্মকং বাক্যম্ হয় আৰু ৰসস্বৰূপ ভগৱানৰ অতীন্দ্ৰিয় সৌন্দৰ্যৰ অনুভূতি লাভ হয়, ভক্তিভাৱ বা ভক্তিৰসত ইয়াৰ পৰাকাষ্ঠা দেখা যায়। কিয়নো সৌন্দৰ্য্য দেৱতা ভগৱানেই হৈছে সংস্কৃত সাহিত্যত উল্লিখিত সকলো ৰসৰেই উৎপত্তি কেন্দ্ৰস্বৰূপ, আৰু ভক্তিৰস এই ৰসবিলাকৰ মধ্যমণি, যিহেতু, ভগৱদ্ প্ৰেমৰ অনুপম অনুভূতি ভক্তিৰসৰপৰা প্ৰত্যক্ষভাৱে লাভ হয়।

এই সাহিত্য মানুহৰ বাস্তৱ জীৱনৰ ঘটনাৰ ভিত্তিত ৰচিত; কিন্তু বাস্তৱ জীৱনৰ যথাযথ বৰ্ণনা নহয়, কোনো ব্যক্তি বিশেষ বা বিশেষ কিছুমান লোকৰ কাহিনীও নহয়। ঘাইকৈ জীৱনৰ গভীৰ আৰু সাৰ্বজনীন ভাৱ আৰু অনুভূতিসমূহ এই সাহিত্যত ৰূপায়িত হয়। মানৱ জীৱনৰ এন্ধাৰ আৰু পোহৰ দুয়োটা দিশৰেই ছবি ইয়াত অংকিত হয়, যিহেতু জীৱনৰ তথাকথিত এন্ধাৰ দিশটোও জীৱনৰ সত্য তথা সৌন্দৰ্য ৰূপায়ণৰ সহায়ক, আৰু প্ৰকৃততে জীৱনৰ এন্ধাৰ দিশটোও অখণ্ড সত্যৰেই বিভিন্ন প্ৰকাশ।

সাহিত্যশিল্পীয়ে জীৱনৰ ছবি আঁকে, এই ছবি জীৱনৰ আলোক চিত্ৰ ( Photo ) নহয়। বাস্তৱ অথচ ভাৱবাদী সাহিত্যত নৈতিক বা আধ্যাত্মিক আদৰ্শৰ কোনো প্ৰচাৰ চেষ্টা নাথাকে; কিন্তু এই সাহিত্য পঢ়ি এই আদৰ্শ অনুসৰণ কৰিবলৈ পঢ়োঁতাই প্ৰেৰণা পায়। প্ৰকৃত সাহিত্য নৈতিকতাবিহীন হ'ব নোৱাৰে। নৈতিকতাবিহীন হলে ই মানৱ জীৱনৰ সহায়ক হ'ব নোৱাৰে, ই মানুহক বিমল আনন্দ দিব নোৱাৰে। সৎসাহিত্য সৃষ্টিৰ আধাৰ ভূমিত নৈতিকতা যেনিবা অলক্ষ্যে দ্ৰবীভূত অৱস্থাত থাকে। প্ৰকৃত সাহিত্যত মানুহৰ কাল্পনিক আৰু অবাস্তৱ অৰ্থাৎ অস্বাভাৱিক বা মানৱ প্ৰকৃতি বিৰোধী জীৱনৰ আদৰ্শ এটা ৰূপায়িত কৰা নহয়। প্ৰকৃত সাহিত্য পাঠ কৰি মানুহৰ আদৰ্শ জীৱন কেনে হোৱা উচিত সেই সম্পৰ্কে পঢ়োঁতাৰ বোধ জন্মিব লাগে, আৰু সেই দেখি এনে সাহিত্যত মানৱ জীৱনৰ বাস্তৱ আৰু স্বাভাৱিক পটভূমিত চৰিত্ৰসমূহ অংকিত হ'ব লাগে। আনহাতে বাস্তৱতাৰ নামত, সত্যৰ আলোকৰ বিপৰীতে দাঙি নধৰাকৈ, জীৱনৰ অকল এন্ধাৰ দিশটো সাহিত্যত ৰূপায়িত কৰাও সমাজৰ বাবে অহিতকৰ। কৰিলে, মানৱ জীৱনত কল্যাণকৰ কোনো মহৎ সাহিত্যৰ সৃষ্টি হ'ব নোৱাৰে। অকল সাহিত্য কলাৰ প্ৰদৰ্শনেই সাহিত্য-কলাৰ লক্ষ্য হ'ব নোৱাৰে। সাহিত্যকলাৰ লক্ষ্য হ'ব লাগিব মানৱ জীৱনৰ ৰহস্য উদ্‌ঘাটিত কৰি মানৱ জীৱনৰ অন্তৰ্নিহিত সত্যৰ সৌন্দৰ্য প্ৰকাশ কৰাটোহে।

নতুন যুগৰ অধিকাংশ অসমীয়া সাহিত্যিকে মানৱ জীৱন সম্বন্ধে শুদ্ধ আৰু সম্যক ধাৰণা ল'ব নোৱাৰাৰ ফলত তেওঁলোকে মানৱ চৰিত্ৰ



ৰূপায়ণৰ ক্ষেত্ৰত প্ৰকৃত মানৱতাক এৰাই গৈছে। মানৱৰ আধ্যাত্মিক সত্তা আৰু বিশ্বসৃষ্টিৰ কাৰণ ঈশ্বৰৰ অস্তিত্বক ভাববাদীসকলৰ মনৰ কল্পনা বুলি ধৰি সেইবিলাকত গুৰুত্ব দিয়া নাই, মনুষ্যত্বৰ বিকাশকাৰী ধৰ্মকো পুৰোহিতসকলৰ যান্ত্ৰিক ধৰ্মৰ লগতে জাৱৰৰ দমত পেলাই ৰাখিছে। তেওঁলোকে অন্তঃপ্ৰজ্ঞা সঞ্জাত মুক্ত কল্পনাক বৈজ্ঞানিক যুক্তিবাদ বিৰোধী কল্পনাবিলাস মাথোন বুলি বৰ্জন কৰিছে, ভগৱদ্‌প্ৰেমৰ লগতে নৰ-নাৰীৰ নিস্বাৰ্থ প্ৰেমকো অন্তঃসাৰশূন্য সত্তাবিহীন ভাৱাবেগ বুলি পৰিহাৰ কৰিছে। ফলস্বৰূপে, মানুহৰ তৃষ্ণাৰ্ত হৃদয়ে অসমীয়া সাহিত্যত অকৃত্ৰিম প্ৰেম বা অতীন্দ্ৰিয় আনন্দৰ অমৃতময় উৎস হেৰুৱাইছে। চিত্ত নিৰ্মল, সুন্দৰ আৰু মহান কৰিবলৈ অসমীয়া সাহিত্যৰ পঢ়ুৱৈসকলে সাম্প্ৰতিক কালৰ অসমীয়া সাহিত্যৰ পৰা ব্ৰহ্মানন্দস্বৰূপ ৰস নাপায়। ইয়াৰ পৰিবৰ্তে পাঠক সমাজে পাইছে আধুনিক অসমীয়া সাহিত্যত চিত্ত বিনোদনৰ নিকৃষ্ট সমলস্বৰূপে আবিলতাময় খোৰাক, পাইছে সাহিত্যৰ নামত বহু সময়ত মানৱ মনক নিম্নগামী কৰা যৌন জীৱনৰ অশ্লীল আৰু কদৰ্য বৰ্ণনা। সাহিত্যিকৰ মনত মানৱ হিতৈষণা নাথাকিলে, সাহিত্যিকে উচ্চমানৰ সাহিত্য সৃষ্টি কৰিব নোৱাৰিব। সাম্প্ৰতিক অসমীয়া সাহিত্যৰ গতিপথ পৰিৱৰ্তিত নহলে, অসমীয়া সাহিত্যৰ ভৱিষ্যত যে উজ্জ্বল নহয় তাক নিঃসন্দেহে ক'ব পাৰি। সাহিত্যিকে মানৱ জীৱন সম্বন্ধে স্থূল বস্তুবাদী দৃষ্টিভংগী লোৱাৰ ফলত যে প্ৰকৃত সাহিত্যৰ সঞ্জীৱনী শক্তি নিঃশেষিত হয় তাৰ প্ৰমাণ অকাদেমী পুৰস্কাৰ বিজয়িনী শ্ৰীমৈত্ৰেয়ী দেৱীয়ে চীন দেশতো দেখি আহিছে।

গতিকে, সামৰণিত এই কথাকেই চমুকৈ ক'ব পাৰি যে সাম্প্ৰতিক কালৰ সাহিত্যৰ স্ৰষ্টাসকলে যদি মানুহৰ আধ্যাত্মিক সত্তাক স্বীকাৰ নকৰে, মানুহ আৰু মানুহৰ স্ৰষ্টা ঈশ্বৰৰ মাজত থকা প্ৰেমৰ সম্বন্ধক অস্বীকাৰ কৰে, তেনেহলে তেওঁলোকে অমৃতময় অমৰ সাহিত্য ৰচনা কৰিবলৈ সক্ষম নহ'ব। তেওঁলোকে সাহিত্যৰ সৃষ্টিত বৈজ্ঞানিক যুক্তিৰ অবিৰোধী অন্তঃপ্ৰজ্ঞাৰপৰা পোৱা মুক্ত কল্পনাক আৰু সকলো ৰসৰেই উৎপত্তি স্থান ৰস স্বৰূপ ভগৱানৰ প্ৰতি অনুৰাগৰূপ ভক্তিৰসক উপযুক্ত স্থান দিবলৈ সক্ষম হ'ব লাগিব। অসমীয়া সাহিত্যিকসকলে উপলব্ধি কৰিব লাগিব যে এই মুক্ত কল্পনা আৰু অতীন্দ্ৰিয় ৰহস্যবাদ বৈজ্ঞানিক যুক্তিৰ বিৰোধী নহয়; কিয়নো এইবিলাক মানুহৰ বৌদ্ধিক জ্ঞানৰ পৰিপূৰকহে। কবি ওৱাৰ্ডচ্‌ওৱাৰ্থৰ ভাষাত কবলৈ গলে, এই মুক্ত কল্পনা হৈছে,

"I's but another name for absolute power
And clearest insight, amplitude of mind,
And Reason in her most exalted mood"

মানুহৰ বুদ্ধিয়ে যেতিয়া সত্যক চুকি নাপায়, তেতিয়া অন্তঃপ্ৰজ্ঞা (Intuition) ৰ সহায়ত সাহিত্যিকে মুক্ত কল্পনা (Romantic imagination) ক আগবাঢ়িবলৈ এৰি দিয়ে। এই মুক্ত কল্পনাই সাহিত্যিকক সত্যৰ ধাৰণা কৰাত সহায় কৰে আৰু পাঠকক আনন্দময় অনুভূতি দান কৰে। এইদৰে অন্তঃপ্ৰজ্ঞাৰপৰা লাভ কৰা মুক্ত-কল্পনাৰ অতীন্দ্ৰিয় ভক্তি ৰূপে পঢ়োঁতাক অনুপম অমৃত তুল্য ভগৱদ প্ৰেম পৰিবেশন কৰে। ইয়াৰ ফলত সাহিত্যৰ ৰহঘৰা অমৃতোপম ৰসেৰে পূৰ্ণ হয় আৰু পাঠকৰ হৃদয় অতুলনীয় আনন্দেৰে ভৰি পৰে। অন্তঃপ্ৰজ্ঞা আৰু মুক্ত কল্পনাৰপৰা ওপজা ভক্তি ৰসেই সাহিত্যৰ ৰহস্যবাদৰ ভিত্তি। সাহিত্যিকে অন্তঃপ্ৰজ্ঞা আৰু মুক্ত কল্পনাৰ বলত কেনে অমৃতোপম ৰসৰ সৃষ্টি কৰিব পাৰে তাৰ প্ৰমাণস্বৰূপে আমি চন্দ্ৰকুমাৰ আগৰৱালা, লক্ষ্মীনাথ

বেজবৰুৱা, অম্বিকাগিৰি ৰায়চৌধুৰী, বাগ্মীবৰ নীলমণি ফুকন, নলিনীবালা দেৱী, যতীন্দ্ৰনাথ দুৱৰা, জ্যোতিপ্ৰসাদ আগৰৱালা প্ৰভৃতি সু-সাহিত্যিকৰ ৰচনাৱলীলৈ আঙুলিয়াব পাৰে'। ভক্তি ৰসৰ অমিয়া কিদৰে সাহিত্যত প্ৰবাহিত হ'ব পাৰে তাক শংকৰী যুগৰ বৰগীত, কীৰ্ত্তন-ঘোষা, নাম-ঘোষা প্ৰভৃতি ভক্তিমূলক অমূল্য ৰচনাৱলীৰপৰা দেখিবলৈ পাওঁ।

মুঠৰ ওপৰত এযাবতে ক'ব লাগিলে, অসমীয়া সাহিত্যৰ স্ৰষ্টা সাহিত্যিকসকলে মানৱ জীৱনৰ আকাশৰদৰে মুক্ত আৰু উদাৰ, সমুদ্ৰৰদৰে গভীৰ আৰু বিশাল আধ্যাত্মিক স্বৰূপৰ সন্ধেদ পালেহে অমৰ সাহিত্য সৃষ্টি কৰিবলৈ সক্ষম হ'ব।


## অসম সাহিত্য সভাৰ আসন্ন প্ৰকাশন

[১] আধুনিক অসমীয়া কবিতাঃ ড° চন্দ্ৰ কটকী
[২] এৰিষ্টটলৰ পয়েটিক্স : সম্পাদনাঃ যজ্ঞেশ্বৰ শৰ্মা
[৩] শ্ৰীহস্ত মুক্তাৱলী : সম্পাদনা : ড° মহেশ্বৰ নেওগ


ড° সদানন্দ বেজবৰুৱা

# আহোম-কোঁচৰ ৰাজনৈতিক সম্বন্ধ আৰু নামনি অসম

আহোম ৰজাসকলে ইন্দ্ৰ দেৱতাৰ বংশজাত বুলি কোৱাৰদৰে কোঁচ ৰজাসকলেও নিজক মহাদেৱ বা শিৱবংশী বুলি কৈ গৌৰৱ অনুভৱ কৰে। 'স্বৰ্গদেৱ' আৰু 'নাৰায়ণ' শব্দ দুটা দুয়ো ৰাজবংশৰ মাজত সেইবাবেই প্ৰচলিত যেন লাগে। তথাপি, এই ক্ষেত্ৰত দুয়ো ৰাজবংশৰ প্ৰথম কাহিনী কিম্বদন্তীমূলক। যিয়েই নহওক, ত্ৰয়োদশ শতিকাৰ তৃতীয় দশকত পূব অসমত আহোম ৰাজত্বৰ আৰম্ভণিৰ বহুত পিছত ষোল শতাব্দীৰ দ্বিতীয় দশকতহে কোঁচবেহাৰত কোঁচ ৰাজবংশৰ প্ৰতিষ্ঠা হয়। অসমৰ পশ্চিম প্ৰান্তত বিভিন্ন ৰাজবংশৰ উত্থান-পতনত ছিন্ন-ভিন্ন হৈ থকা সৰু সৰু ৰাজ্যবোৰক একগোট কৰি কোঁচ ৰাজশক্তিয়ে বিশ্বসিংহৰ তলত মূৰ দাঙি উঠে। সময়ৰ লগে লগে পৰাক্ৰমী হৈ উঠা আহোম ৰাজশক্তিয়ে নিজ বাহুবলেৰে মুছলমানক খেদি কৰতোৱাত খাওা পখালি উলটি আহোঁতে লগ পোৱা বিশ্বসিংহক স্থাপিত সক্তি[১] কৰি থৈ আহে। এইয়াই হ'ল আহোম-কোঁচৰ সম্বন্ধৰ সূত্ৰপাত।

সেইবাবেই ১৫৩৭ খৃঃত বিশ্বসিংহই ভাতৃসহ গড়গাঁৱত উপস্থিত হৈ উপঢৌকণ দি দিহিংগীয়া ৰজাৰপৰা ব'টা-প্ৰসাদ লৈ উলটি আহে[২]। ইয়াৰ আগতে 'তলতীয়া' ৰজাৰ অপবাদ গুচোৱাৰ আশাৰে আহোম ৰাজ্য আক্ৰমণ কৰিবলৈ গৈ বিশ্বসিংহই শিঙৰিৰ পৰা খাদ্য যোগানৰ বিজুতিৰবাবে নিজ ৰাজ্যলৈ ওডটে। তথাপি, সেই কম সময়ৰ ভিতৰতে কৰতোৱাৰপৰা বৰনদী পৰ্যন্ত ৰাজ্য বিস্তাৰ কৰা বৰ সহজ কথা নাছিল। কোঁচ ৰাজ্যৰ ভেঁটি দৃঢ় কৰি যোৱাৰ কৃতিত্ব বিশ্বসিংহই নিশ্চয় দাবী কৰিব পাৰে। এখন বুৰঞ্জীত উল্লেখ আছে যে বিশ্বসিংহই উজনি অসমৰ ভূঞা, নেপালৰ ৰজা আদিক বশ কৰি স্বৰ্গদেৱৰ তলতীয়া কৰাৰবাবে ১৫৩৪ খ্ৰীঃত গড়গঞা মহাৰাজে কামৰূপৰ মানাহ পৰ্যন্ত শাসন কৰিবলৈ বিশ্বসিংহক অনুমতি দিয়ে।[৩]

আনন 'স্থাপিত' শব্দত অপমানিত বোধ কৰি বিশ্বসিংহই মৃত্যুৰ সময়ত পুত্ৰেক নৰনাৰায়ণ-চিলাৰা-

(১) কামৰূপৰ বুৰঞ্জী, পৃ. ১১
(২) Gait ; A History of Assam ; 3rd Edn. Reprint, পৃ. ৯৮
(৩) J. P. Wade. An Account of Assam : পৃঃ ২০৬। কিন্তু, গড়গঞা ৰজাৰ সময় (১৫৩৯—১৫৫২ খ্ৰী:)। পণ্ডিতে তেওঁৰ পিতৃ দিহিংগীয়া ৰজাৰ (১৪৯৭—১৫৩৯ খ্ৰী:) দিনত বিশ্বসিংহই এই সুবিধা ভোগ কৰে।

ষক ইয়াৰ প্ৰতিবিধান কৰিবলৈ কোৱাৰ পৰি-প্ৰেক্ষিতত আহোমৰ লগত যুদ্ধৰ সূচনা হয়। তথাপি, ৰাজপাটত উঠিয়েই আহোম ৰজালৈ পূৰ্বৰ সম্বন্ধ অনুসৰি খটানন্দ, ৰামেশ্বৰ নামৰ দুই কটকীৰ হাতত ধনু-কাড়, ছুটা ছাগলী, এটা চেঙা মাছ, এখন কুচন দি পঠিয়ায়। আহোম ৰজাৰ বিচক্ষণ মন্ত্ৰী পৰ্বতীয়া বুঢ়াগোঁহায়ে বস্তু কেইবিধৰ বিবৰণ প্ৰমাণসহ দাঙি ধৰি কোঁচ কটকীক কয় যে নৰনাৰায়ণে পঠিওৱা প্ৰথম ছবিধ বস্তুহে উপহাৰৰ যোগ্য, আনবোৰ নহয়। এই সময়তে কটকীহঁতে কোঁচ ৰজা নৰনাৰায়ণে কমতেশ্বৰ স্বৰ্ণভেন্দ্ৰক জয় কৰাৰ অভিলাস ব্যক্ত কৰে।[৪]

সৌহাৰ্দৰ ভিতৰেদি নকৰা আহোম-কোঁচৰ সম্বন্ধত ত্যক্ত হৈ পিতৃবাক্য শিৰোধাৰ্য্য কৰি কোঁচৰ বিখ্যাত ৰজা নৰনাৰায়ণে ইয়াৰ প্ৰতিকাৰ কৰিবলৈ মনস্থ কৰে। গতিকে, ৰাজপাটত উঠাৰ (১৫৪০ খ্ৰীঃ) ৬ বছৰৰ পিছত অৰ্থাৎ ৫৪৬ খ্ৰীঃত নৰনাৰায়ণে আহোম ৰাজ্য আক্ৰমণ কৰিবলৈ দিকৰাই পায়গৈ। অপ্ৰস্তুত আহোম পৰাজিত হৈ কলিয়াবৰলৈ হুইকি আহে; তাতো কোঁচ কাড়ী সৈন্যৰ পৰাক্ৰমত থাকিব নোৱাৰি সলাত পিছুৱাই বয়। এইবাৰো আহোম সেনাপতিৰ পতনত ঘাটি খাবলগীয়া হয়। অৱশ্যে আহোমৰ হাতীৰ আক্ৰমণত কোঁচবো পৰাজয়ে দেখা দিয়ে। ১৫৪৭ খ্ৰীঃত নাৰায়ণপুৰৰ ওচৰৰ পিচলা নদীৰ পাৰত হোৱা যুদ্ধত আহোমে অসীম সাহসেৰে যুঁজি কোঁচক ভালকৈ এশিকনি দিয়ে। বহুতো পলৰীয়া কোঁচ সৈন্যৰ মৃত্যু হয়। এই বিষম পৰাজয়ৰ মূল কাৰণ আছিল খাদ্য সৰবৰাহ বন্ধ কৰা। নৰনাৰায়ণৰ ভাতৃ গোঁহাই কমলে তৈয়াৰ কৰা 'গোঁহাই কমল আলি' তেতিয়াই সম্পূৰ্ণ হয়। যুদ্ধক্ষেত্ৰৰপৰা উলটি অহা পথৰ অভাৱত কোঁচ সৈন্যই এনেদৰে পৰাজয় বৰণ কৰে।

কোঁচসকলে বহুত দিনলৈকে আহোম ৰাজ্য আক্ৰমণ কৰিবলৈ সাহ কৰা নাছিল। তেওঁলোকে পুনৰ ১৫৬২ খ্ৰীঃত টিপু নামৰ সেনাপতিৰদ্বাৰা আহোম ৰাজ্য আক্ৰমণ কৰোৱায়। হাতিয়া যুদ্ধত আহোমৰ পৰাজয় হয়।[৫] তাৰ পিছৰ বছৰত অৰ্থাৎ ১৫৬৩ চনত পদাতিক আৰু নৌ-বাহিনীৰ বিপুল বহৰ লৈ কোঁচ সেনাপতি চিলাৰায়ে দিহিং নদীৰ যুদ্ধত ভালদৰে আহোমক পৰাজিত কৰে। বাধ্য হৈ আহোম ৰজাই নগা পৰ্বতৰ খোৰোঙলৈ পলাই যায়। মন্ত্ৰীসকলৰ পৰামৰ্শমতে কোঁচ ৰজালৈ সন্ধিৰ প্ৰস্তাৱ পঠিওৱা হয়। সন্ধিৰ চৰ্তানুসৰি ১৫৬৩ খৃঃত সোন্দৰ গোঁহাই প্ৰমুখ্যে বুঢ়াগোঁহাই, বৰপাত্ৰ গোঁহাইৰ পুত্ৰসকলক জামিনদাৰ হিচাপে লৈ কোঁচে হাতী, কাপোৰ, সোণ, ৰূপ আদি বস্তুৰে নিজ দেশলৈ ওলটে। এই যুদ্ধৰ সম্পূৰ্ণ কৃতিত্ব নৰনাৰায়ণৰ ভাতৃ চিলাৰায় ওৰফে সংগ্ৰাম সিংহৰ।

নৰনাৰায়ণে আহোম ৰজাক কৰ দিবলৈ বাধ্য কৰোৱাত ওচৰ-চুবুৰীয়া মণিপুৰ, হিড়িম্বাপুৰ, কাছাৰ, ডিমৰুৱা, খৈৰাম প্ৰভৃতি দেশেও নৰনাৰায়ণৰ প্ৰভুত্ব স্বীকাৰ কৰে। অৱশ্যে, পিছৰ বছৰতে আহোমে হেৰোৱা সন্মান উদ্ধাৰ কৰে; তদুপৰি কোঁচক যুদ্ধত ঘটুৱাই নামনিলৈ ঠেলি পঠায়। ইতিমধ্যে অতি উৎসাহেৰে গৌড় দেশ জয় কৰিবলৈ যোৱা চিলাৰায় গৌড়ৰ নবাবৰ হাতত বন্দী হৈ প্ৰৱল পৰাক্ৰমী আহোমৰ লগত মিলেৰে থাকিবলৈ নৰনাৰায়ণলৈ ইংগিত দিয়াত পাশা খেলত হৰাৰ অজুহাত লৈ নৰনাৰায়ণে লগৰ মানুহেৰেসৈতে সোন্দৰ গোঁহাইক এৰি দিয়ে। আহোমৰ লগত মিত্ৰতা সূত্ৰত আৱদ্ধ নাথাকিলে চিলাৰায়ৰ অবৰ্তমানে কোঁচৰ পৰাজয় হোৱাৰ সম্ভাৱনা নথকা নহয়। পুনৰ সৌহাৰ্দ স্থাপন হ'ল।

ভৱিষ্যতে কোঁচবিহাৰৰ ৰজা হ'বলৈ পাতি থকা চিলাৰায়-পুত্ৰ যুৱৰাজ ৰঘুদেৱ নৰনাৰায়ণৰ লক্ষ্মী-নাৰায়ণ নামে পুত্ৰ এটি ওপজাত হতাশ হয়। তেওঁ সাধাৰণ কথাতে লাগি ৰাজ্যত অশান্তিৰ সৃষ্টি কৰিবলৈ ধৰিলে; আনকি এবাৰ তেওঁ নৰনাৰায়ণৰ ৰাজ্য আক্ৰমণ কৰিলে; তেতিয়া ১৫৮১ চনত নৰনাৰায়ণে ৰাজ্য দুভাগ কৰি দিয়ে। তেতিয়াৰে পৰা সোণকোষৰ পশ্চিমে কোঁচবেহাৰ আৰু পূবে কোঁচ-হাজো নামে দুই ৰাজ্য স্থাপিত হ'ল। ১৫৮১ চনত ৰঘুদেৱে তেওঁৰ ছোৱালী মংগলদৈক[৬] খোৱা ৰজালৈ বিয়া দি ৰাজনৈতিক সম্বন্ধৰ সূত্ৰপাত কৰে। ৰঘুদেৱৰ প্ৰতি বিৰূপ মনোভাৱ পোষণ কৰা লক্ষ্মীনাৰায়ণ বিক্ষুব্ধ হয়, আহোমৰ বিপক্ষে থাকিবলৈ প্ৰয়াস কৰে। দুয়ো ৰাজশক্তিৰ শত্ৰুতাত মধ্যস্থতা কৰিবলগীয়া হয় আহোমে। স্বাভাৱিকতে, প্ৰথম বৈবাহিক সূত্ৰত আৱদ্ধ আহোম ৰজাই কোঁচ-হাজো বা পিছলৈ খিলা-বিজয়পুৰৰ কোঁচ-ৰজাৰ পৃষ্ঠপোষকতা কৰিছিল। আনহাতে, দূৰদৰ্শী ৰঘুদেৱে মোগলৰ শত্ৰু বংগৰ শক্তিশালী পাঠান বীৰ ইচা খানক বন্ধুত্বৰ জৰীৰে বান্ধি লক্ষ্মীনাৰায়ণৰ ভিতৰুৱা ৰাজ্যত অত্যাচাৰ কৰিবলৈ লৈছিল। তেতিয়া লক্ষ্মীনাৰায়ণে মোগলৰ সহায় ভিক্ষা কৰে। ১৫৯৫ চনত মোগলৰ সেনাপতি মানসিংহলৈ ভনীয়েক প্ৰভাৱতীক বিয়া দি লক্ষ্মীনাৰায়ণ মোগলৰ তলতীয়া হয়।

কোঁচহাজোৰ লগত বৈবাহিক সম্বন্ধৰ জেৰ ধৰিয়েই পিছৰ আহোম ৰজা প্ৰতাপ সিংহই ১৬০৮ চনত ছোৱালী দাবী কৰি ৰজা পৰীক্ষিতলৈ কটকী পঠিয়ায়। সেইমতেই ৰঘুদেৱৰ পুত্ৰ পৰীক্ষিতে প্ৰতাপ সিংহলৈ জীয়েকক বিয়া দি পূৰ্বৰ সম্বন্ধ দৃঢ় কৰে। তথাপি তেওঁ ১৬১০ চনত আহোম ৰজাৰ বিদ্ৰোহী সেনাপতি ইখেক গোঁহাইক আশ্ৰয় দি আহোমৰ অসন্তুষ্টি আনে। আনহাতে পৰীক্ষিতৰ বিদ্ৰোহী ভায়েক মানসিংহক[৭] আহোমে আশ্ৰয় দি পৰীক্ষিতৰ মনত কষ্ট দিয়ে। সেই একে সময়তে পৰীক্ষিতে আহোম ৰজালৈ আগন্তুক মোগলৰ আক্ৰমণৰ বিষয়ে জনাইছিল যে মোগলে পৰীক্ষিতৰ ৰাজ্য আক্ৰমণ কৰাৰ পিছত আহোম ৰাজ্যও আক্ৰমণ কৰিব[৮]। সঁচাকৈয়ে মোগলৰ আক্ৰমণত পৰীক্ষিতৰ ৰাজ্য খণ্ড-বিখণ্ড হ'ল। জলে-স্থলে পৰাজিত হৈ পৰীক্ষিতে আহোম ৰাজ্যলৈ পলাবলৈ খুজিছিল; কিন্তু তেওঁ ভাবিলে যে বৰনদীৰ মুখত মোগলৰ বেহু পাৰ হ'ব নোৱাৰি লাজত পৰিব-লগীয়া হোৱাতকৈ আগতে মোগলৰ সেনাপতি মকৰম খাঁৰ তলত শৰণাগত হৈ সন্মান ৰখোৱা ভাল। সেই উদ্দেশ্যে পৰীক্ষিতে গোটেইবোৰ হাতী মানাহ পাৰ কৰি দি আশ্ৰয় বিচৰাত মকৰম খাঁ[৯] আৰু চেখ কমলে পৱিত্ৰ কোৰাণত হাত বাখি শপত খাই তেওঁক বংগৰ চুবাদাৰ কাছিম খানৰ ওচৰলৈ লৈ গ'ল। কাচিম খানে পৰীক্ষিতক নজৰ বন্দী কৰি দিল্লীলৈ পঠিয়ালে। ঢাকালৈ যোৱা লক্ষ্মীনাৰায়ণ ৰজাৰো একে অৱস্থা হ'ল। অৱশ্যে লক্ষ্মীনাৰায়ণে নিজ ৰাজ্য পায়; কিন্তু পৰীক্ষিতৰ

(৪) J. P. Wade, An Account of Assam, পৃ. ২১০।

(৫) Ahom Buranji, পৃঃ ৮৫

(৬) Gait, A History of Assam: পৃ ১০৪ৰমতে ৰঘুদেৱৰ ছোৱালীৰ নাম শচীকলা; পুৰণি অসম বুৰঞ্জীৰমতে (পৃঃ ৫৫) মংগলদৈ।

(৭) পৰীক্ষিতৰ ভায়েক ইন্দ্ৰনাৰায়ণ, তাৰ ভায়েক মানসিংহ গোঁহাঞি—পুৰণি অসম বুৰঞ্জী, দ্বিতীয় প্ৰকাশ (১৯৭৭), পৃঃ ৫৫।

(৮) পুৰণি অসম বুৰঞ্জী, পৃ ৬২।

(৯) Baharistan—I-Ghaybi, Part I, পৃঃ ২৫২

মৃত্যুত তেওঁৰ ৰাজ্য মোগলৰ অধীন হয়।

পৰীক্ষিতৰ ভায়েক বলিনাৰায়ণে বংগালৰ (মোগল) ভয়ত পলাই আহি স্বৰ্গ মহাৰজাৰ শৰণাপন্ন হ'ল। তেওঁ স্বৰ্গদেৱক কৈছিল "আমাৰ বংশে গৰিয়া সাগৰত মজিলে। স্বৰ্গদেৱ, তুমি ৰক্ষা কৰা"[১০]। আহোম ৰজাই বলিনাৰায়ণক নিৰ্ভয় দিলে। ৰজাই পৰীক্ষিতৰ বিষয়ে কৈছে "মন্ত্ৰি মানুহ পঠাই কহিবাক দিলোঁ। ককাই ৰাজ্য মোৰ ঠাইক ভাঙ্গি আগোক; মন্ত্ৰি দক্ষিণে থাকিম, ককাই উত্তৰে থাকিব, বঙ্গালক মাৰিম।" ককায়ে বুলিলে, 'দেৱ কুটুম্বত কৰি, মন্ত্ৰি কেঁচা কাম নকৰোঁ, পকা কামহে কৰোঁ। এখন মন্ত্ৰি পাংসাৰ ঠাই-কহে যাম। তেবেসে মোৰ বৈৰীক উচ্ছেদ কৰিব পাৰিম'। এতিয়া সকলো কাৰ্য-কাম সিদ্ধি হ'ল। মই তোমাক ৰক্ষা কৰিব পাৰিম। আৰু বঙ্গালকো মাৰিম'।[১১] পৰীক্ষিতৰ লগত একগোট হ'ব পৰা হ'লে হয়তো বুৰঞ্জীয়ে নতুন কথা ক'লেহেঁতেন। যিয়েই নহওক, ইয়াৰ পিছৰপৰাই আহোম স্বৰ্গ-দেৱসকলে দৰং ৰজাৰ প্ৰতি সক্ৰিয় সহায়-সহানুভূতি দেখুৱাই তেওঁলোকৰ ভিতৰুৱা ৰাজনীতিত আগ ভাগ লৈ আহিছে। তাৰ প্ৰথম পদক্ষেপ বলি-নাৰায়ণক ৰজা পতাৰ সময়ত প্ৰকাশ পায়। আহোম ৰজাই ১৬১৬ চনত কণ্যা, দাস-দাসী, বস্ত্ৰ-বস্তুৰে বলিনাৰায়ণক "ধৰ্মনাৰায়ণ"[১২] নাম দি দৰঙত ৰজা পাতে। পিছৰ কালত বলি-নাৰায়ণে আহোমৰ লগত লগ হৈ বিভিন্ন সময়ত মোগলক ব্যতিব্যস্ত কৰিছিল। পৰীক্ষিতৰ দুই পুত্ৰ চন্দ্ৰনাৰায়ণ আৰু ৰূপনাৰায়ণেও মহাৰজাৰ সহানু-ভূতি পায়।

কোঁচবেহাৰৰ লক্ষ্মীনাৰায়ণে পৰীক্ষিতৰ লগত সমানে জেদ ৰাখি চলিছলি। এই জেদৰ বশৱৰ্তী হৈ লক্ষ্মীনাৰায়ণে পৰীক্ষিতৰ বিপক্ষে থকা মোগলক অকল সহায় কৰাই নহয়, নিজেও আগবাঢ়ি পৰীক্ষিতক শলঠেকত পেলাবলৈ খুটাখাট পৰগণা আক্ৰমণ কৰে।[১৩] ইতিমধ্যে ধুবুৰী দুৰ্গ মোগলৰ হাতলৈ যায়। মোগল সৈন্যই অৱৰুদ্ধ লক্ষ্মীনাৰায়ণক সহায় কৰাত বাধ্য হৈ পৰীক্ষিত গিলা (ঘিলা) লৈ ঘূৰি আহে। আহোম ৰজাই পৰীক্ষিত-লক্ষ্মীনাৰায়ণৰ কাজিয়া, মোগলৰ সাম্ৰাজ্যগ্ৰাসী মনোভাৱৰ সময়ত নীৰৱ দৰ্শকৰ ভূমিকা ললেও মাজে-সময়ে সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

সকলো প্ৰকাৰে মোগলক সহায় কৰা প্ৰতিশ্ৰুতিৰে লক্ষ্মীনাৰায়ণে মৃত্যুৰ আগ ডোখৰত তেওঁৰ মন্ত্ৰী বিক কাজীৰ জৰিয়তে মোগলৰ চেখ কমল আৰু আহোম ৰজা প্ৰতাপ সিংহৰ মাজত শান্তি স্থাপনৰ চেষ্টা কৰিছিল। সেইবাবেই ১৬১৮ চনত নবাবৰ অনুমোদন লৈ বিক কাজীয়ে ধৰাদ্ধৰ কটকীৰ জৰিয়তে ফুকনৰ ওচৰত প্ৰস্তাৱ দিয়ে। গড়গাঁৱত "কাৰ্জি এখন থাকক, মোকে বঙ্গালকে মিলাৱ নোৱাৰে মানে"[১৪] বুলি মহাৰজাই ঘৰলৈ যাবলৈ নিদি বাঘচোৱাত ৰাখিলে। ইয়াৰ পিছতো স্বৰ্গদেৱৰ ইচ্ছানুসৰি লক্ষ্মীনাৰায়ণে জীয়াৰী এজনীৰদ্বাৰা বৈবাহিক সম্বন্ধ স্থাপন

(১০) কামৰূপৰ বুৰঞ্জী, পৃঃ ২৪ ; বাঁহগৰীয়া বুঢ়াগোহাঁইৰ, বুৰঞ্জী পৃঃ ১০০

(১১) কামৰূপৰ বুৰঞ্জী, পৃঃ ২৪।

(১২) কামৰূপৰ বুৰঞ্জী, পৃঃ ২৪।

(১৩) Baharistan-I- Ghaybi, Vol I, পৃঃ ২৪২।

(১৪) কামৰূপৰ বুৰঞ্জী, পৃঃ ২৫ ; পুৰণি অসম বুৰঞ্জী, পৃঃ ৭১ ; বাঁহগৰীয়া বুঢ়াগোহাঁইৰ বুৰঞ্জী, পৃঃ ১০৮।



কৰিব বুলি কোৱা কথা কোঁচ ৰজাৰ মৃত্যুত অসম্পূৰ্ণ হৈ ৰ'ল।[১৫] অকল সেয়েই নহয়, মহাৰাজে সেই উদ্দেশ্যে কোঁচ ৰজা বীৰনাৰায়ণলৈ উপঢৌকন পঠিয়াই ছোৱালী খোজাত কোঁচ ৰজাই অমান্তি প্ৰকাশ কৰে। স্বাভাৱিকতে ইয়ে স্বৰ্গদেউৰ মনত বিৰক্তি ওপজায়। তাৰ পিছত তেওঁ কোঁচ ৰজাৰ ছোৱালী বিয়া কৰোৱাৰ মনোভাৱ একেবাৰে ত্যাগ কৰে। এই সুবিধাতে ১৬৩৩ চনত বিক কাজীয়ে প্ৰতাপসিংহৰ আগত নিজৰ ছোৱালী এজনীক বিয়া দিয়াৰ প্ৰস্তাৱ দিয়ে— "বীৰনাৰায়ণে ভনীয়েকক নিদিয়ে, তেবে দেৱতাৰ কি হানি হ'ল? মোৰ বন্দীৰ জী এটি আছে তাকে দিম; স্বৰ্গদেৱৰ পুত্ৰ ত্যাওঙ্গি গোহাঁইদেৱলৈ মই বন্দীৰ নাতিনীক দিম"।[১৬] হাজোৰ আব্দুল ইছলাম, সত্ৰাজিত ৰজাৰ লগত বিক কাজীয়ে আলোচনা কৰি জীয়েক লক্ষ্মীপুৰীয়া, নাতিনীয়েক হেমপুৰীয়াক স্বৰ্গদেৱ আৰু তেওঁৰ পুত্ৰলৈ বিয়া দিয়ে। এই বিয়াত ইছলাম, সত্ৰাজিতেও যৌতুক দি সৌহাৰ্দ স্থাপন কৰে।

সময়ৰ লগে লগে কোঁচবেহাৰৰ ৰজাও সলনি হয়; কিন্তু মোগলৰ তলতীয়া হৈ থকা কোঁচ ৰজাই আহোম ৰজাৰ প্ৰতি বিৰূপ ভাৱ পোষণ কৰি চলে। সেই কাৰণে প্ৰাণনাৰায়ণে ১৬৩৮ খ্ৰীঃত[১৭] মোগল সৈন্যৰ লগ হৈ ব্ৰহ্মপুত্ৰইদি উজাই ভৰলী নদীৰ পাৰত যি যুদ্ধ কৰে তাত আহোমৰ পৰাজয় হয়। আহোমে স্বৰ্গদেউৰ লগত আলোচনা কৰাৰ অজুহাতত সময় লয়। দুয়ো দলে যুদ্ধ কৰি কৰি ভাগৰি পৰাত সন্ধি কৰিবলৈ মন মেলে। আহোমৰ ফালৰপৰা সন্ধিৰ চৰ্তত আগ ভাগ লোৱা মোমাই তামুলী বৰবৰুৱাৰ ইচ্ছানুসৰি মোগলে বৰনদী আৰু অসুৰৰ আলিলৈকে সীমা বঢ়াবলৈ সুযোগ পায়।

আনহাতে বৈবাহিক সম্বন্ধ বা যুদ্ধ-বিগ্ৰহ চলি থকাৰ সময়ত দৰঙৰ ৰাজকুমাৰসকলে স্বৰ্গদেৱৰ তলতীয়া হৈ বিভিন্ন অঞ্চলত শাসন কৰাৰ উপৰিও আহোমৰ ফলীয়া হৈ মোগল সৈন্যক বাধা দিছিল।

কোঁচ ৰজা বলিনাৰায়ণৰ মোমায়েক বেলতলাৰ মামো গোবিন্দই আহোমৰ লগ হৈ কবৈবাৰী পৰ্যন্ত সীমা কৰি দক্ষিণ কোলৰ ৰজা হ'ল[১৮]। আহোমৰ দুই হাজাৰ কাঁড়ী সৈন্যৰ ভয়ত মোগলৰ তলতীয়া ভূৱণাৰ ৰজা সত্ৰাজিতে মামো গোবিন্দক পৰাজিত কৰিব নোৱাৰি মহাৰজাৰ পুত্ৰ হ'বলৈ বাঞ্ছা কৰে। আহোমৰ লোণ, পানী খাই ৰজা সত্ৰাজিত মহাৰজাৰ পালিত পুত্ৰৰূপে পৰিগণিত হয়। এনেতে, স্বতন্ত্ৰ হৈ থকা বুলি মামোৰ পুতেকক বলিনাৰায়ণে মৰাত মামো গোবিন্দ ভয়তে লুকাৰ পৰা নাহে, পলাই ফুৰে। সত্ৰাজিতে আহোম ৰজালৈ মামোক ধৰি দিয়াম বুলি গাত লৈ আব্দুলা ইছলামৰ ভয়ত বংগাললৈ দি পঠায়। অথচ এই মামো গোবিন্দই আহোমৰ সৈন্যৰ লগ লাগি বং-জুলি, পাণ্ডু অঞ্চলত মীৰ্জা নাথনক ব্যতিব্যস্ত কৰি তুলিছিল[১৯]।

যি চন্দ্ৰনাৰায়ণক মহাৰাজে জ'ৰাজীত স্থাপন

(১৫) Ahom Buranji, পৃঃ ১১২।

(১৬) Ahom Buranji, পৃঃ ১১২ ; দেওধাই অসম বুৰঞ্জী, পৃঃ ৬৫—৬৬।

(১৭) Gait : A History of Assam, 3rd Edition, পৃঃ ১২০।

(১৮) কামৰূপৰ বুৰঞ্জী, পৃঃ ৩০ ; পুৰণি অসম বুৰঞ্জী, পৃঃ ৭৩।

(১৯) Baharistan-I-Ghaybi II, পৃঃ ৪৩৯, ৫৭৯, ৫৮০।

কৰিছিল সি আহোম ৰাজ্যৰপৰা পলাই আহি মোগলৰ আশ্ৰয় লয়। মোগলে চন্দ্ৰনাৰায়ণক [২০] কৰৈবাৰী অঞ্চলত থাকিবলৈ নিৰ্দেশ দিয়ে। মোগলৰ পৰাজয় হোৱাৰ লগে লগে আকৌ আহোম ৰাজ্যলৈ উলটি অহা চন্দ্ৰনাৰায়ণক শ'লমাৰিত থাকিবলৈ দিয়া হ'ল। ইতিমধ্যে কৰৈবাৰীৰ প্ৰজাই মোগলৰ অত্যাচাৰৰ বিষয়ে জনোৱাত তেওঁ মোগলক খেদি কৰৈবাৰী অঞ্চলৰ শাসন ভাৰ লয়। এনেদৰে, পাণ্ডুৰপৰা কৰৈবাৰী, হাতীচলা পৰ্যন্ত এই গোটেই দক্ষিণ অঞ্চল আহোমৰ তলতীয়া হ'ল। ৰজা প্ৰাণনাৰায়ণে চন্দ্ৰনাৰায়ণক খেদি যোৱাত আক্ৰমণৰ আগতেই কৰৈবাৰীৰপৰা পলাই যায় আৰু ১৬৪০ চনত বসন্ত ৰোগত মৃত্যু মুখত পৰে। ১৬৩৯ চনৰ আহোম-মোগলৰ সন্ধিৰ পিছত প্ৰায় ২০ বছৰ কাল দেশত শান্তি আছিল বুলিব পাৰি।

মোগল সম্ৰাট চাহজাহানৰ মৃত্যুত সিংহাসন লৈ পুত্ৰেকইতৰ ভিতৰত হোৱা কাজিয়াৰ সময়তে প্ৰাণনাৰায়ণে নিজকে স্বাধীন বুলি ঘোষণা কৰিবলৈ উঠি-পৰি লাগিল। সেই উদ্দেশ্যে উত্তম নাৰায়ণৰ পুতেক দুৰ্লভ নাৰায়ণক মোগলৰ শিকলি দলিয়াই পেলাবলৈ যি প্ৰস্তাৱ পঠিয়াইছিল তাক আওকাণ কৰাত ভৱনাথ কাৰ্জিক দুৰ্লভ নাৰায়ণক ধৰি আনিবলৈ আদেশ দিয়ে। ইয়াতেই ভয় খাই দুৰ্লভ নাৰায়ণে জয়ধ্বজ ৰজাৰ শৰণাপন্ন হ'বলৈ বাধ্য হয়। এই কাৰ্যত বেলতলাৰ কোঁচ ৰজা মহীত নাৰায়ণে সহায় কৰে। জয়ধ্বজ ৰজাই দুৰ্লভ নাৰায়ণক বেলতলা শাসন কৰিবলৈ পঠায় [২১]। নবাব মীৰ্জা নাথুলাই প্ৰাণনাৰায়ণক দুৰ্লভ নাৰায়ণৰ ৰাজ্য দখল কৰিবলৈ বাধা দিয়াত দুয়ো দলৰ ভিতৰত যি যুদ্ধ হয় তাত মোগলে পৰাজয় বৰণ কৰে। সেই একে সময়তে আহোমেও কলঙৰ ওপৰত দুখন দলং সাজি যুঁজাৰ মনোবৃত্তিৰে আগবাঢ়ি অহাত আৰু কোঁচৰ ভৱনাথ কাৰ্জি হাজোত থকাত গুৱাহাটীৰ নবাবে ভয় খাই ঢাকা পালেগৈ। আহোমে পাণ্ডু দখল কৰি আগবাঢ়ি আহিবলৈ ধৰে। তেতিয়া, প্ৰাণনাৰায়ণে উত্তৰ কোল আৰু মহাৰজাই দক্ষিণ কোল লোৱাৰ যি প্ৰস্তাৱ দিছিল তাক অগ্ৰাহ্য কৰি আহোমে ভৱনাথক খেদি হাজো অঞ্চল নিজৰ হাতলৈ আনে [২২]। কিন্তু তাতো সন্তুষ্ট নহৈ আহোমে কোঁচ সৈন্যক মানাহৰ সীমালৈ ঠেলি পঠিয়ায়। সেই সময়তে, চন্দ্ৰনাৰায়ণৰ পুতেক জয়নাৰায়ণে বংগদেশৰপৰা আহি মহাৰাজৰ শৰণাগত হোৱাত খিলা-বিজয় পুৰত তেওঁক থাকিবলৈ দিয়ে। ভৱনাথ কাৰ্জিয়ে মানাহৰ ওচৰলৈ আগবাঢ়ি অহাত জয়নাৰায়ণে নদীৰ পূব পাৰত থকা আহোম সৈন্যক আহিবলৈ নিদি ভৱনাথ কাৰ্জিৰ লগত তেওঁলোকক মিল কৰাই দিম বুলি গাত ল'লে; কিন্তু ইয়াত অকৃতকাৰ্য হোৱাৰবাবে বৰফুকনৰপৰা গৰিহণা পাই জয়নাৰায়ণ পুনৰ বংগদেশলৈ পলাই যায়। আনহাতে সেই সময়ত ভৱনাথ কাৰ্জিনৈসেতে আহোমসকলৰ যুদ্ধ হয়, তাত তেওঁ তিষ্ঠিব নোৱাৰি পলাই যায়; আহোমে ধুবুৰী মাৰি সোণকোষলৈ সীমা বঢ়াই শেহত মানাহ নদীক সীমা কৰি থাকিবলৈ লয় [২৩]।

এই সময়তে ভূতৰ ওপৰত দানহ ওলোৱাৰদৰে ওলাই মিৰজুমলাই কোঁচবেহাৰ অধিকাৰ কৰি কম আয়াসেৰে পাণ্ডু-শৰাইঘাট দখল কৰে; আহোম সৈন্যই হুইকি চামধৰাত ৰয়গৈ। কোৱা হৈছে যে এই যুদ্ধত "কাণ্ড-কাঠীয়ো মাৰিব নোৱাৰিলে পাণ্ডু-শৰাইঘাটত।"[২৪] ক্ৰমে ক্ৰমে আহোম সৈন্যক পৰাভূত

(২০) L. Devi, Ahom-Tribal Relations। পৃঃ ২৩৪।

(২১) কামৰূপৰ বুৰঞ্জী, পৃঃ ৫২; Ahom Buranji, পৃঃ ১৫৮।

(২২) কামৰূপৰ বুৰঞ্জী, পৃঃ ৫৩। ২৩) কামৰূপৰ বুৰঞ্জী, পৃঃ ৫৪। (২৪) কামৰূপৰ বুৰঞ্জী, পৃ. ৬২।



কৰি প্ৰায় ৯ মাহ কাল গড়গাঁৱত থাকি মিৰজুমলাই নগা পৰ্বতলৈ পলাই যোৱা স্বৰ্গদেউ জয়ধ্বজ সিংহক সন্ধি কৰাবলৈ বাধ্য কৰোৱায়। ৰজাৰ ছোৱালী, টকা, সোণ, ৰূপ, হাতী আদি বিভিন্ন সামগ্ৰী লৈ মিৰজুমলাই ১৬৬৩ চনত অসম দেশ এৰি গ'ল। আহোমৰ পৰাজয়ৰ ক্ষেত্ৰ একমাত্ৰ নিজ সৈন্যৰ বিশ্বাসঘাতকতাই দায়ী বুলিব পাৰি। কোঁচবেহাৰৰ ৰজা প্ৰাণনাৰায়ণেও মিৰজুমলাৰ ভয়ত ভূটানলৈ পলাইছিল।

এনে এটা ভাণ্ডৰ দুৰ্যোগ যোৱাৰ পিছতহে সমবেদনা উথলি উঠিল। প্ৰাণনাৰায়ণে মোগলৰপৰা নিজ ৰাজ্য উদ্ধাৰ কৰি মহাৰাজ জয়ধ্বজ সিংহলৈ, পিছত চক্ৰধ্বজ সিংহলৈ সমবেদনা জ্ঞাপন কৰি পত্ৰৰ আদান-প্ৰদান কৰিছিল। চক্ৰধ্বজ সিংহৰ মনোবল বেছি। অকল ৪ বছৰৰ ভিতৰতে মোগলৰ তলতীয়া নাম তুলি দি অসমক স্বাধীন কৰাই নহয়, যুদ্ধত মোগলক ভালকৈ এশিকনি দিলে। পিছৰ ৰজা উদয়াদিত্য, ৰামধ্বজ আৰু গদাধৰ সিংহৰ দিনত অসম ৰাজ্যত মোগলৰ পৰাক্ৰম জয় পৰি যায়। আনহাতে, কোঁচবেহাৰৰ লগত ভালদৰে সম্বন্ধ গঢ়ি তুলিবলৈ পত্ৰৰ জৰিয়তে যি আদান-প্ৰদান চলিছিল তাত বাধাপ্ৰাপ্ত হোৱাত এটা নতুন বিকল্প পথৰবাবে চিন্তা কৰিছিল। ইয়াতেই প্ৰাণনাৰায়ণে চিঠিত লিখা কথা প্ৰণিধানযোগ্য—"এতেকে আমাৰ মনে দৰঙ্গক পোচচাড়া দিয়া পাহাৰ বুলি দিয়া যদি পথ গোট চালাইবাক পাৰেণ ঝাৰে-জঙ্গলে, তেবে নিসন্দেহ হৱা মানুহ গতাগত কৰিবাক পাৰে।"[২৫] ইমানবোৰ চিঠি-পত্ৰৰ আদান-প্ৰদান, বন্ধুত্ব স্থাপনৰ ইচ্ছা থকা সত্বেও প্ৰাণনাৰায়ণৰ পিছৰ ৰজা মোদ নাৰায়ণে ৰামসিংহৰ লগত ১৫,০০০ হাজাৰ কাঁড়ী সৈন্য পঠিয়াই দিয়াত স্বাভাৱিকতে আহোম-কোঁচৰ সম্বন্ধত কেৰোণ লাগে। দুখৰ বিষয়, প্ৰাণনাৰায়ণে ১৬৬৪ চনত বাধ্য হৈ মোগলৰ বশ্যতা স্বীকাৰ কৰি ১৬৬৬ চনত মৃত্যু-মুখত পৰে।

দৰং ৰজা ধৰ্মনাৰায়ণে আহোমৰ লগত লগ হৈ মোগলক মাজে সময়ে হাৰাশাস্তি কৰিলেও হাজোৰ যুদ্ধত তিষ্ঠিব নোৱাৰি মোগলৰ খেদা খাই শিঙৰি পৰ্বত পায়গৈ; তাতে দুই পুত্ৰসহ মৃত্যুমুখত পৰে।[২৬] তেওঁৰ মৃত্যুত পুতেক মহেন্দ্ৰ (মহীন্দ্ৰ)? নাৰায়ণক [২৭] কৰতলীয়া ৰজাপাতি বৰফুকনৰ পৰামৰ্শ ল'বলৈ আদেশ দিয়ে। তেতিয়াৰপৰাই দৰং স্বতন্ত্ৰ ৰাজ্য নহয়। ১৬৩৯ চনৰ সন্ধি অনুসৰি বৰনদীৰ পূবৰপৰা কাজলীমুখলৈ কামৰূপৰ এই অঞ্চল আৰু দৰং জিলা মহেন্দ্ৰ নাৰায়ণৰ তলত ৰাখিবলৈ আহোম ৰজাই নিৰ্দেশ দিয়ে। সেই সময়ত দৰং ৰাজ্যত বহুত চুটিয়া মানুহে বসতি কৰিছিল। এইজনা কোঁৱৰে এই চুটিয়া মানুহবোৰক সততে অত্যাচাৰ কৰিছিল, গাঁও লুটিছিল আৰু ভূটানৰ লগত যুদ্ধ কৰি কৰ আদায় কৰিছিল। এইবোৰৰ সম্ভেদ পায়ো সদ বংশৰ কোঁৱৰ বুলি স্বৰ্গদেৱে দৰং ৰজাক ক্ষমা কৰিছিল।[২৮] এনেদৰে কোঁচ ৰজাৰ এটা ফৈদে দৰঙত নিগাজিকৈ ৰহি স্বৰ্গদেৱৰ ছত্ৰছায়াত চলি আছিল। আনহাতে, কোঁচবেহাৰে আহোমৰ লগত এৰা-ধৰা মনোভাৱেৰে সম্বন্ধ ৰাখি চলিব লগা হৈছিল, বোধকৰোঁ মোগলৰ তলতীয়া হোৱাবাবেই। শেষত ১৬৮৪ চনত নাজিৰ যজ্ঞনাৰায়ণে মোগলক খেদি

(২৫) কামৰূপৰ বুৰঞ্জী, পৃঃ ৮২ (২৬) Gait;A History of Assam : পৃঃ ৭০, ১২০।

(২৭) Gait : A History of Assam : পৃঃ ৭০ ত দৰং কোঁৱৰক সুন্দৰ নাৰায়ণ বুলিছে। Dr. J. P. Wade ৰ An Account of Assam ত (পৃঃ ২৪১) সুন্দৰ নাৰায়ণ আছে, কিন্তু, প্ৰাচীন বাঙ্গালা পত্ৰ সংকলন (সুকুমাৰ সেন সম্পাদিত) ৰ ৩৯-৫০ পৃষ্ঠা আৰু ১৬ পৃঃত (P. II) মহীন্দ্ৰ নাৰায়ণ নাম আছে।

(২৮) J.P.Wade : An Account of Assam : পৃঃ ২৬৩।

পঠিয়ায় ; কিন্তু সিংহাসন লৈ খোৱা-কামোৰা লগাত ১৭৭২ চনত কোঁচবেহাৰ ইষ্ট ইণ্ডিয়া কোম্পানীৰ হাতলৈ যায়। ইয়াৰ আগতে গৃহ বিবাদৰ সুবিধা লৈ ভূটানেও কিছুদিন প্ৰভুত্ব চলালে।

সেই তুলনাত দৰং ৰাজ্য সুস্থিৰ। এজনৰ পিছত এজনকৈ দৰঙী কোঁৱৰ ৰাজপাটত উঠে। কিন্তু, কোঁৱৰসকলৰ ভিতৰুৱা মনোমালিন্যৰবাবে শেষলৈ মংগলদৈ অঞ্চল দুই ভাগত বিভক্ত হৈ যায়। মহেন্দ্ৰ নাৰায়ণৰ নাতি সূৰ্যনাৰায়ণৰ পিছৰপৰাই ৰাজ্যত খেলিমেলি লাগি বৰ বা বুঢ়া ৰজা আৰু সৰু বা ডেকা ৰজাৰ সূত্ৰপাত হয়। সূৰ্যনাৰায়ণৰ ভায়েক ইন্দ্ৰনাৰায়ণৰ পুত্ৰসকলৰ ভিতৰত সন্তান নথকাত ডাঙৰ পুত্ৰ মোদ নাৰায়ণে সিংহাসন পোৱাৰ সময়তে তেওঁৰ ভাতৃ ধৃৰ্জনাৰায়ণে আহোম ৰজাৰ পৰা সৰুৰজা ৰাব লৈ কিছুকাল শাসন কৰে। গৌৰীনাথ সিংহৰ দিনত মোৱামৰীয়াৰ ভয়ত আশ্ৰয় লৈ থকা অসমীয়া বিষয়াই দৰঙীয়া প্ৰজাক অত্যাচাৰ কৰা প্ৰতিবাদত ডেকা ৰজা কৃষ্ণনাৰায়ণে বংগদেশৰপৰা বৰকান্দাজসকলক আনি ৰজাক দিগদাৰী দিয়াত কৃষ্ণনাৰায়ণক পৰাভূত কৰি ৰজাৰ ওচৰলৈ আনি বছৰি ৫৮ হাজাৰ টকাৰ কৰ সোধোৱাৰ ভিত্তিত দৰঙৰ ৰাজপাট দিয়া হয়। গৌৰীনাথ সিংহৰ দিনত শান্তভাৱে থকা কৃষ্ণনাৰায়ণে পিছৰ আহোম ৰজা কমলেশ্বৰ সিংহৰ বিপক্ষে বিদ্ৰোহত লিপ্ত হোৱাত তেওঁৰ সলনি সম্বন্ধীয়া সমুদ্ৰ নাৰায়ণক দৰঙৰ ৰজা বুলি আদেশ জাৰী কৰা হয়। আহোম ৰজাই প্ৰত্যক্ষভাৱে দৰঙৰ ৰজাৰ ভিতৰুৱা কথাত হস্তক্ষেপ কৰাত তলে তলে এচাম দৰঙীয়া প্ৰজাই বিদ্ৰোহ কৰি সম্পূৰ্ণ স্বাধীন হোৱাৰ সপোন দেখিছিল। তথাপি, আহোমে দৰঙৰ ওপৰত থকা শাসনৰ বাঘজৰীদাল এৰি নিদিছিল। স্নিমান দূৰ পাৰে সৌহাৰ্দপূৰ্ণ সহ অৱস্থান ৰখাৰবাবে দুয়ো পক্ষই চেষ্টা কৰা দেখা যায়।

আহোম মোগলৰ সংঘৰ্ষৰ আগতেও ওচৰ-চুবুৰীয়া দেশ বুলি কমতা, কোঁচবেহাৰৰ লগত আহোমৰ সম্বন্ধ আছিল। যুদ্ধ বা বাহিৰা শত্ৰুৰ আক্ৰমণত দুয়ো দেশে নিজৰ নিজৰ স্বা-সুবিধা চাই মিত্ৰতা সূত্ৰত আৱদ্ধ হ'বলৈ চেষ্টা কৰিছিল। প্ৰায়বোৰ ক্ষেত্ৰতেই দেখা গৈছে যে অনুকূল অৱস্থাতো কোঁচবেহাৰে আহোমৰ লগলগাতকৈ প্ৰবল পৰাক্ৰমী মোগলৰ অনুকূলে থকাই শ্ৰেয় বুলি ভাবিছিল। কোঁচ ৰজাই সক্ৰিয়ভাৱে মোগলক সহায় নকৰিলে দেশখনৰ অপকাৰ হ'ব বুলি ধৰি প্ৰথমে পৰোক্ষভাৱে পিছত প্ৰত্যক্ষভাৱে আহোমৰ লগত সংগ্ৰামত লিপ্ত হৈছিল। পূব-পশ্চিমৰ দূৰত্বয়ো এনে কৰাৰ সুবিধা দিছিল। তাতোকৈ ডাঙৰ কথা হ'ল কোঁচ-হাজোৰ লগত আহোমৰ মিত্ৰতা ; কিন্তু, কোঁচ-হাজোৰ পিছৰ বংশধৰসকলে অদমনীয় মনোভাৱেৰে মোগলক শত্ৰু বুলি ভৱাই নহয়, তাৰ বিৰুদ্ধে আহোমৰ শক্তি বৃদ্ধি কৰাত যি সহায় কৰিছিল সি সঁচাকৈয়ে প্ৰশংসনীয়। অৱশ্যে পিছলৈ কোঁচবেহাৰও সহায় কৰাৰ মনোভাৱেৰে আগবাঢ়ি আহিছিল। বিজয়পুৰৰ কোঁচৰজাৰ বংশধৰসকলেই দৰঙত ৰাজ্য স্থাপন কৰি আহোমৰ তলতীয়া বন্ধু ৰাজ্য হৈ থাকিল।

অসমৰ পূব আৰু পশ্চিম প্ৰান্ত যুদ্ধ ক্ষেত্ৰত লিপ্ত হৈ থকাৰ সময়ত ইয়াৰ সৰ্বসাধাৰণৰ অৱস্থা যে শোচনীয় হৈ পৰিছিল সি সহজে অনুমেয়। দুয়োদলৰ যুদ্ধত উত্থান-পতনৰবাবে কোনো এটা দলকে তেওঁলোকে সম্পূৰ্ণ বিশ্বাস বা সক্ৰিয় সহযোগ কৰিব নোৱাৰিছিল। সৰ্বসাধাৰণ যুদ্ধৰ সৈন্য হোৱাৰ পৰা খাদ্য যোগাৰলৈকে (দুয়োদলৰ) সমানভাৱে অংশ গ্ৰহণ কৰিব লগীয়া হোৱাত তেওঁলোকৰ সামাজিক জীৱন যে পংগু হৈ পৰিছিল তাত কোনো সন্দেহ নাই। ইয়াৰ উপৰিও, মোগল সৈন্যই কেতিয়াবা ঘৰ-বাৰী পুৰি ল'ৰা-তিৰোতাৰ ওপৰত অত্যাচাৰ কৰিলে তেওঁলোকে প্ৰাণ লৈ দিহিঙে-



দিপাঙে ঘূৰিব লাগিছিল। বৈষ্ণৱ মঠ-মন্দিৰৰ দুই এজনৰ বাহিৰে বেছি ভাগ শিষ্যই সঘনে ঠাই সলাবলগীয়া হৈছিল। সেই সময়ত মানুহৰ প্ৰাণবো সংশয় হৈছিল। উত্তৰ কোল, দক্ষিণ কোলৰ মানুহবোৰে বিভিন্ন ৰজাৰ অনুৱৰ্তী হৈ শত্ৰুৰ গতিবিধিৰ বা-বতৰা দিয়াৰপৰা খাদ্য যোগনীয়াৰৰ বিভিন্ন কাম কৰি কেতিয়াবা হয়তো নিজৰ প্ৰাণটোও হেৰুৱাইছিল।

এনেকুৱা পৰিস্থিতিত সাহিত্য-সংস্কৃতিৰ শ্ৰীবৃদ্ধিৰ আশা কৰাটো টান। বহিৰাগতৰ প্ৰভাৱত সাময়িকভাৱে হলেও সংস্কৃতিয়ে বেলেগ ৰূপ ল'বই। পশ্চিমৰ বহুতো সৈন্যই স্থায়ীভাৱে অসমত বৈ যোৱাত তেওঁলোকৰ কৃষ্টি, সংস্কৃতিয়ে অসমৰ থলুৱা সংস্কৃতিকো চুই গৈছে সেই বিষয়ে নিঃসন্দেহ। বিশেষকৈ অসমৰ পশ্চিম অঞ্চলৰ সংস্কৃতিৰ ওপৰত বেলেগ প্ৰভাৱ তেতিয়াৰপৰাই যে পৰিছে সেই বিষয়ে বোধকৰোঁ সকলোৱে একমত হ'ব। নামনি অসমত যুঁজ-বাগৰ আৰু বিদেশী জাতিৰ প্ৰভাৱ পৰা হেতুকে অন্য নহ'লেও পৰগণা আদি মাটি পিয়লৰ নিয়ম মোগলৰদৰে হ'ল ; মাটিৰ পৰিমাণৰ হিচাপো তেনেদৰে ৰ'ল। ক'বলৈ গ'লে, বঙালী জমিদাৰ বা বঙালীসকলৰ প্ৰভাৱ পৰাৰ আগতেই মোগলৰ বহুত প্ৰভাৱ ইয়াত স্থায়ী হৈ থাকিল। অতীতত নামনি অসমৰ লগত উজনি অসমৰ বৈবাহিক সম্বন্ধ প্ৰায়ে নথটাত আৰু দুয়োটা অঞ্চলৰ মাজত আহ-যাহৰ সঘন সম্পৰ্ক নথকাত অসমীয়া ভাষাৰো এটা সুকীয়া বৈশিষ্ট্য কামৰূপ আৰু গোৱালপাৰা জিলাত বৈ গ'ল।

—•—

## অসম সাহিত্য সভাৰ নতুন প্ৰকাশন
### অসমীয়া গল্পগুচ্ছ

ড° মহেশ্বৰ নেওগ, যোগেশ দাস আৰু নাৰায়ণ শৰ্মাৰদ্বাৰা সম্পাদিত লক্ষ্মীনাথ বেজবৰুৱা, শৰৎচন্দ্ৰ গোস্বামী, নগেন্দ্ৰনাৰায়ণ চৌধুৰী, নকুলচন্দ্ৰ ভূঞা, লক্ষীনাথ ফুকন, মহীচন্দ্ৰ বৰা, ৰমা দাস, বীণা বৰুৱা, হলিৰাম ডেকা, লক্ষীধৰ শৰ্মা, ত্ৰৈলোক্যনাথ গোস্বামী, চৈয়দ আব্দুল মালিক, বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য, যোগেশ দাস, মহিম বৰা, ভবেন্দ্ৰনাথ শইকীয়া, লক্ষীনন্দন বৰা, হোমেন বৰগোহাঞি আৰু সৌৰভকুমাৰ চলিহা—এই উনৈশগৰাকী অমৰ আৰু লব্ধপ্ৰতিষ্ঠ গল্পকাৰৰ বাছকবনীয়া উনৈশটা গল্পৰ সংকলন। চুটি গল্পৰ প্ৰকৃতি আৰু অসমীয়া চুটি গল্প সম্পৰ্কীয় প্ৰায় কুৰি পৃষ্ঠা জোৰা আলোচনা আৰু সুন্দৰ বেটুপাতেৰে ডিমাই আকাৰৰ ২৭৮ পৃষ্ঠাৰ এই গ্ৰন্থখনৰ মূল্য মাত্ৰ দহ টকা॥

শ্ৰীকিশোৰ কুমাৰ শৰ্মা
নৃতত্ত্ব বিভাগৰ গৱেষক, ডিব্ৰুগড় বিশ্ববিদ্যালয়

# অসমৰ চেমা নগাসকলৰ বাসভূমি আৰু জীৱিকা

নগাৰাজ্য ভাৰতবৰ্ষৰ পূৰ্বাঞ্চলত অৱস্থিত এখনি সীমামূৰীয়া পাহাৰীয়া ৰাজ্য। প্ৰায় ১৬,৫২৭ বৰ্গ কিলোমিটাৰ জুৰি থকা বিস্তৃত ভূমিখণ্ড বিভিন্ন নগা জনগোষ্ঠীৰ বাসভূমি। নগাভূমিত বাস কৰা জনজাতিসকল প্ৰধানতঃ চৈধ্যটা গোষ্ঠীত বিভক্ত; আও, আংগামী, চেমা, লোঠা, ৰেংমা, চাখেচাঙ্, চংভাম, কন্যাক, চাঙ, ফোম, য়িমচুংগৰ, খেন-মুনগান জেলিয়াং আৰু কুকি। নৃতত্ত্ব বিজ্ঞানী-সকলৰমতে এই লোকসকল ইণ্ডো-মংগোলীয় গোষ্ঠীৰ। প্ৰত্যেকটো গোটেই সুকীয়া ভাষা-সংস্কৃতিৰে একো একোটা বিশেষ অঞ্চল আগুৰি থকাটো ৰাজ্যখনিৰ অতি তাৎপৰ্য্যপূৰ্ণ দিশ। বিভিন্ন জনগোষ্ঠীৰ মাজত ভাৱৰ আদান-প্ৰদানৰ হেতু তেওঁলোকে এটি সম্পৰ্কৰক্ষী ভাষা ব্যৱহাৰ কৰে যিটো 'নাগামিজ' ( নাগা + আছামিজ ) হিচাপে পৰিচিত। এই ভাষা একালত অসমীয়া আৰু নগাসকলৰ মাজত সংস্পৰ্শ আৰু সাংস্কৃতিক বিনিময়ৰ সুবিধা বৃদ্ধিৰ লগে লগে নগাভূমিত গঢ় লৈ উঠে।

মূৰ চিকাৰীৰ দেশ বুলি খ্যাত বৰ্ত্তমান নগাৰাজ্যৰ সাতোখন জিলাৰ জুন্‌হেবট জিলা-খনেই হৈছে চেমা নগাসকলৰ বাসভূমি। ১৯৭১ চনৰ পিয়লমতে, আংগামী অঞ্চলৰ উত্তৰ-পূব দিশত থকা এই জিলাখনত চেমাসকলৰ মুঠ জন-সংখ্যা ৪৭ হেজাৰৰো অধিক। দৈয়াং, তিজু আৰু তিটা উপত্যকাতে সৰহ সংখ্যক চেমা গাঁও অৱস্থিত। Hutton চাহাবৰমতে চেমাসকলে পোন প্ৰথমে দৈয়াং উপত্যকাইদি নগাৰাজ্যত প্ৰৱেশ কৰিছিল।[1] চেমাসকল কেতিয়া নগাৰাজ্যত প্ৰৱেশ কৰিছিল এই বিষয়ে কোনো সঠিক বিৱৰণ পোৱা নাযায়।

বৈদিক সাহিত্যত নগাসকলে এই অঞ্চলত প্ৰায় তিনি হেজাৰ বছৰ আগৰপৰা বাস কৰি অহাৰ উল্লেখ আছে।[2] জুন্‌হেবট জিলাৰ বাহিৰেও কহিমা জিলাৰ ডিমাপুৰ আৰু কহিমা নগৰৰ আশে-পাশে ভালেমান চেমা লোকে গাঁও পাতি থকা দেখিবলৈ পোৱা যায়।

১ J. H. Hutton ৰ 'The Sema Nagas' গ্ৰন্থ দ্ৰষ্টব্য। ২। M. Alemchiba 'A Brief Historical Account of Nagaland' গ্ৰন্থ দ্ৰষ্টব্য।



চেমাসকলে নিজকে 'চিমি' বুলি পৰিচয় দিয়ে যদিও বাকী নগাসকলৰ মাজত তেওঁলোক 'চেমা' নামেৰেহে জনাজাত। Davis আৰু Waddell য়ে চেমাসকলক 'অতি বৰ্বৰ আৰু অসভ্য জনজাতি' বুলি অভিহিত কৰিছে।* এওঁলোকৰ নিজা উপভাষা আছে। এই উপভাষা তিব্বত-বৰ্মী ভাষা-গোষ্ঠীৰ অসম-বৰ্মী শাখাৰ নগা উপশাখাৰ পশ্চিম নগা গোটৰ অন্তৰ্গত।

উত্তৰ-পূব ভাৰতৰ পাৰ্বত্য জনগোষ্ঠীসকলৰ এটি লক্ষণীয় দিশ হ'ল যে, এওঁলোকৰ বেছিভাগেই এতিয়াও পৰম্পৰাগত নীতি অনুসৰি সুকীয়া গোট হিচাপে নিজা সমাজ গাঁথনিৰে একো একোটা অঞ্চলত থুপ পাতি বাস কৰি আছে। তথাপি বৰ্তমান যুগত কিছু সংখ্যক লোকে তেওঁলোকৰ পূৰ্বৰ বাসস্থান এৰি পাহাৰৰ নামনিত বাস কৰিবলৈ লোৱাটো আমাৰ চকুত পৰে। অৰ্থনৈতিক সমস্যাই এই প্ৰব্ৰজনৰ ঘাই সুঁতি বুলি ক'ব পাৰি। নগাৰাজ্যৰ চেমা নগাসকলৰ মাজতো পাহাৰৰপৰা ভৈয়ামলৈ প্ৰব্ৰজন নোহোৱাকৈ থকা নাই। এই শতিকাতে কেইদশকমানৰ আগতে চেমাগোষ্ঠীৰ কিছুলোকে তেওঁলোকৰ নিজা পৰ্বতীয়া বাসস্থান এৰি অসমৰ ভৈয়াম অঞ্চলত স্থায়ীভাৱে বাস কৰিবলৈ লোৱা দেখা গৈছে। বৰ্তমানে, অসমৰ ডিব্ৰুগড় জিলাৰ অন্তৰ্গত অৰুণাচল প্ৰদেশৰ পাদদেশত অৱস্থিত টিৰাপ অঞ্চলত সাতখন চেমা গাঁও আছে।

গৱেষণা কৰি পোৱা গৈছে যে, চেমাসকলৰ প্ৰব্ৰজন এই শতিকাৰ কুৰি দশকৰপৰা ষাঠি দশকৰ ভিতৰতে সীমাবদ্ধ আৰু এই সোঁতৰ হাৰ দ্বিতীয় মহাসমৰৰ সময়তে আটাইতকৈ বেছি। তেওঁলোকৰ প্ৰব্ৰজন মূলতে ভৈয়ামত চাকৰি নিয়োগ আৰু উপযুক্ত খেতিৰ মাটিৰ সুবিধাৰবাবে হোৱা বুলি ঠাৱৰাব পাৰি। চেমাসকল পোনতে অসমৰ ডিগবৈৰ তেল কোম্পানী, লিডু অঞ্চলৰ ইটাখোলা, কয়লা খনি আদিত আৰু দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত বৃটিছ, আমেৰি-কান চাহাবৰ লগে লগে তেওঁলোকৰ বয়-বস্তু কঢ়িয়াই ফুৰা কামত মকৰল হৈছিল। এই সময়তে তেওঁ-লোকৰ জীৱনলৈ নিত্য-নতুন ঠাই দেখাৰ আৰু এনেদৰে দেশৰ বাহিৰত কাম কৰি থকা নিজ গোষ্ঠীৰ লোকসকলৰ মাজত ভালদৰে চিনা-পৰিচয় হোৱাৰ সুযোগ আহে। যুদ্ধ শেষ হোৱাৰ পিছত এওঁলোকে নিজ দেশলৈ উভটি নগৈ অসমৰ লেখা-পানী টিৰাপ অঞ্চলতে খেতি-পথাৰৰ সুচল দেখি বৃটিছ চাহাবৰ অনুগ্ৰহত গাঁও পাতি স্থায়ীভাৱে বসবাস কৰিবলৈ লয়।

ডিব্ৰুগড় জিলাৰ পূব কোণত প্ৰায় চল্লিশ বৰ্গ কিলো মিটাৰ জুৰি থকা চেমা গাঁওকেইখন হ'ল যথাক্ৰমে, চালকি, লালপাহাৰ, পাহাৰপুৰ, লংটং, বালিজান, টক'পথাৰ আৰু দিহিং চেমা গাঁও। অঞ্চলটি পূৰ্বৰ 'টিৰাপ হস্তান্তৰিত এলেকা' আৰু সাম্প্ৰতিক 'টিৰাপ জনজাতীয় বেল্ট'ৰ অন্তৰ্ভুক্ত। আটাইকেউখন গাঁৱৰ ভিতৰত লংটং গাঁওখনেই সৰাতোকৈ পুৰণি আৰু ইয়াৰ আয়তনো বেছি। প্ৰাকৃতিক দিশৰপৰা চালকি গাঁওখনত পাহাৰীয়া চেমাগাঁৱৰ ছাপ পৰা পৰিলক্ষিত হয়।

ভাৰতৰ পূৰ্বাঞ্চলৰ সীমামূৰীয়া আৰু মনোৰম প্ৰাকৃতিক দৃশ্যৰে মোহনীয় কৰি তোলা টিৰাপ বিভিন্ন জাতি-উপজাতিৰ বৈশিষ্ট্যময় সংস্কৃতিৰ মিলন থলী।

* Census of India 1891, Assam ( Vol. I ) ত প্ৰকাশিত A. W. Davis ৰ 'The Semas in 1891 শীৰ্ষক প্ৰবন্ধ আৰু L. A. Waddell ৰ 'The Tribes of the Brahmaputra Valley' গ্ৰন্থ দ্ৰষ্টব্য।

চেমাসকলৰ বাহিৰেও চিংফৌ, দোৱনীয়া, টাংছা, ফাকিয়াল, খামটি, নেপালী, মজদুৰ আদি বিভিন্ন সম্প্ৰদায়ৰ বাসভূমি হৈ পৰিছে সমগ্ৰ টিৰাপ অঞ্চলটি। ধৰ্মভিত্তিত সম্প্ৰদায়সমূহক তিনিভাগত বিভক্ত কৰিব পাৰি : বৌদ্ধ, খ্ৰীষ্টান আৰু হিন্দু। হিন্দু ধৰ্মাৱলম্বী লোকৰ সংখ্যাই সৰহ। চেমাসকল খ্ৰীষ্টান সম্প্ৰদায়ৰ লোক।

চেমা গাঁওবোৰ চালে চকুৰোৱা। তেওঁলোকে সাধাৰণতে একো একোটা টিলা বা ওখ ঠাইত গাঁও পাতে। টিলাটো চাৰিওকাষে খেতিৰ পথাৰ, জান-জুৰি নাইবা হাবি-জংঘলেৰে আবৰা। তেওঁলোকে ঘৰবোৰ টিলাটোৰ এখন মুকলি ঠাইক কেন্দ্ৰ কৰি বৃত্তাকাৰে সাজে। অৱশ্যে, আটাইকেউখন গাঁও এই নিয়মৰ বশৱৰ্তী নহয়। চাল্‌কি আৰু পাহাৰপুৰ গাঁও দুখন কিছু ওখ ঠাইত অৱস্থিত। চেমাসকলৰ ঘৰবোৰ সাধাৰণতে চাংঘৰ আৰু মাটিৰ-পৰা প্ৰায় পাঁচ ফুট ওখ। অন্য কিছুমান জনজাতীয় ঘৰৰ নিচিনাকৈ ঘৰটোলৈ উঠি যাব পৰাকৈ জখলা লগোৱা থাকে। দীঘলে পঞ্চাশ ফুট আৰু বহলে বিশ ফুটৰ ওচৰা-ওচৰি ঘৰবোৰ খেৰীঘৰ। খেৰৰ পৰিৱৰ্তে কোনো কোনোৱে জেঙ্‌পাত ব্যৱহাৰ কৰে। এওঁলোকৰ গাঁৱত চাংঘৰৰ উপৰিও কিছু অসম-আৰ্হিৰ মাটিৰ ঘৰ আৰু দুই-এটা টিনপাতেৰে তৈয়াৰী ঘৰো দেখা যায়।

খেতি-বাতিয়েই চেমা নগাসকলৰ মুখ্য জীৱিকা। মাত্ৰ কেইজনমান চাকৰিয়ালৰ বাহিৰে সকলো লোকেই কৃষিজীৱী। তেওঁলোকে পাহাৰৰ ঝুম খেতি আৰু ভৈয়ামৰ পানী খেতি (শালি + আহু) অৰ্থাৎ দুয়োটা প্ৰণালীতেই খেতি কৰাটো উল্লেখ-যোগ্য কথা। চাল্‌কি আৰু পাহাৰপুৰৰ বাসিন্দা-সকলে পাহাৰত ঝুম খেতি কৰে। বাকী কেইখন গাঁৱত হাবি-জংঘল কমি অহাত আৰু গাঁৱৰ অৱস্থিতিৰ হেতু পানী খেতিৰ প্ৰচলন আছে। এই কেইখন গাঁৱত তেওঁলোকে ঝুম খেতি নকৰে। অৱশ্যে, পূৰ্বতে সকলোৱেই ঝুম খেতিহে কৰিছিল আৰু নাঙলেৰে খেতি কৰিব নাজানিছিল। কাল-ক্ৰমে, চলিত শতিকাৰ মাজভাগৰপৰা ওচৰ-চুবুৰীয়াৰ বিশেষকৈ, নেপালী লোকৰ সংস্পৰ্শত আহি এওঁলোকে পানী খেতি কৰিবলৈ লয়।

চেমা নগাসকলে পানী খেতি কৰা গাঁৱত ভৈয়ামবাসীৰ নিচিনাকৈ শালি আৰু আহু দুয়োবিধ খেতিয়েই কৰে। হাল এই খেতিৰ মুখ্য আহিলা। বাৰিষা কালত শালি আৰু খৰালি আহু খেতি কৰে। ধান খেতিৰ উপৰিও এওঁলোকে মাকৈ, সৰিয়হ, মিঠা আলু, কচু আদিৰ খেতি কৰে। শাক-পাচলিৰ খেতিও কম-বেছি পৰিমাণে কৰা দেখা যায়। চেমাসকলে ঝুম খেতি আন আন পাৰ্বত্য জনগোষ্ঠীবদৰে একে ধৰণেৰে কৰে। এই খেতিত প্ৰথম অৱস্থাত পাহাৰৰ গছ-বন কাটি এঠাইত দ'মাই শুকাবলৈ দিয়া হয়। এইবোৰ ভালদৰে শুকুৱাৰ পাছত চ'ত বহাগ মাহত প্ৰথম বৰষুণৰ লগে লগে পুৰি পেলায়। ইয়াৰ পিছত পোৰা ছাইৰ ওপৰত শস্যৰ গুটি ছটিয়াই দিয়া হয়। এই খেতিত চেমাসকলে ধান, কণিধান, মাকৈ, কচু, শিমলু আলু, তিল, নগা দাইল, বেঙেনা, জলকীয়া, কোমোৰা, লাউ, জলকীয়া আৰু নানা ধৰণৰ মাহ উৎপন্ন কৰে। শাক-পাচলিৰ ভিতৰত লাই শাক চেমাসকলৰ অতি প্ৰিয়। ঝুম খেতি পানী খেতিৰ তুলনাত বহুত কষ্টকৰ। ঝুম খেতি এটুকুৰা মাটিত একেবাহে দুবছৰলৈকেহে কৰিব পাৰি। কাৰণ, এনে খেতি দুবাৰ কৰাৰ পিছত মাটি টুকুৰাৰ উৰ্বৰতা কমি যায় ; ফলত, শস্যৰ উৎপাদন হ্ৰাস পায়। খেতিৰপৰা উৎপন্ন শস্যৰ সৰহ অংশই তেওঁলোকে জীৱন নিৰ্বাহৰ বাবে ব্যৱহাৰ কৰে আৰু বাকী থকা অংশ ওচৰৰ হাটত বিক্ৰী কৰি অৰ্থ উপাৰ্জন কৰে।



চেমা নগাসকলে পাহাৰৰ ঝুম খেতি এৰি ভৈয়ামৰ পানী খেতি কৰাৰ ফলস্বৰূপে তেওঁলোকৰ সমাজত সামূহিক গোটভাৱৰ ঠাইত ব্যক্তিগত টানটোহে বেছি প্ৰকট হৈ পৰা দেখা গৈছে। ঝুম খেতি কৰা অঞ্চলত বিশেষকৈ, অৰ্থনৈতিক জীৱনত লোকসকলৰ মাজত থকা পাৰম্পৰিক সম্বন্ধ পানী খেতি কৰা অঞ্চলত কিছু হ্ৰাস পোৱাটো বিশেষ মনকৰিবলগীয়া। এই ক্ষেত্ৰত, Verrier Elwin ৰে অৰুণাচলৰ জনগোষ্ঠী সম্পৰ্কে মন্তব্য কৰা এষাৰ কথা প্ৰণিধানযোগ্য : "............the system of jhum cultivation provides an excellent foundation for the co-operative communal farming towards which many parts of the world are moving. The introduction of permanent cultivation, however, is turning the minds of the people more and more to the idea of private ownership." [৪]

চেমাসকলৰ অৰ্থনৈতিক আৰু সামাজিক জীৱনত পশুপালনে এক বিশেষ ভূমিকা গ্ৰহণ কৰিছে। পোহনীয়া জীৱ-জন্তুৰ ভিতৰত গৰু, গাহৰি আৰু কুকুৰাই প্ৰধান। ছাগলীও কোনো কোনোৱে পোহে। পশুপালন চেমাসকলৰ নিজা খাদ্যৰ উপৰিও অৰ্থ উপাৰ্জনৰ আন এটি পথ। কুকুৰ এওঁলোকে ৰাতি গাঁৱত পহৰাদাৰ আৰু চিকাৰৰ সংগী হিচাপেহে বিবেচনা কৰে ; কিন্তু, ইয়াৰ মাংস নাখায়। বলধ গৰু এওঁলোকে অসমীয়াৰ নিচিনাকৈ হাল বোৱা আৰু গাড়ী টনা কামত খটুৱায়। চেমাসকলৰ মাজত মহ পোহা দেখা নাযায়।

অৰ্থনীতি মানৱ সমাজৰ মূল ভেটি। অৰ্থনৈতিক ভেটি সুদৃঢ় নহলে সমাজত বিশৃংখলতাই দেখা দিয়ে। সমাজৰ দুৰ্বল অৰ্থনীতিয়েই প্ৰব্ৰজনৰো উৎস। জনসংখ্যা বৃদ্ধি, শিক্ষাৰ প্ৰসাৰ, চাকৰি-নিয়োগৰ সুবিধা, শিল্পোদ্যোগ, বৃত্তি পৰিবৰ্তন, বিবাহ আদি নানা কাৰণত মানৱ প্ৰব্ৰজন হোৱা দেখা যায় ; সাধাৰণতে ব্যক্তি বিশেষে নতুবা কোনো কোনো ক্ষেত্ৰত গোট হিচাপে।

উত্তৰ-পূব ভাৰতৰ জনগোষ্ঠীসকলৰ ক্ষেত্ৰত অৰ্থনীতিৰ মূল কেন্দ্ৰ হৈছে খেতি অৰ্থাৎ এওঁলোক কৃষিজীৱী। এনে সমাজত সাধাৰণতে, জনসংখ্যা বৃদ্ধি আৰু প্ৰয়োজনীয় খেতি-মাটিৰ অভাৱৰ হেতু প্ৰব্ৰজন হোৱা দেখা যায়। উদাহৰণস্বৰূপে, অৰুণাচল প্ৰদেশৰ ডফলা, আদি, খামটি, চিংফৌ, নক্টে আৰু টাংছাসকল, মেঘালয়ৰ গাৰো আৰু খাছীসকল, নগা ৰাজ্যৰ আও, কন্যাক আৰু চেমাসকল উল্লেখযোগ্য। অসমৰ কাৰবী আৰু লালুং জনগোষ্ঠীৰ মাজতো একে কাৰণতে পাহাৰৰপৰা ভৈয়ামলৈ বাসস্থান স্থানান্তৰিত হোৱাটো বিৰল নহয়।

মানৱ সমাজখন এক বিশেষ শৃংখলাবদ্ধ প্ৰণালীৰে বান্ধখাই থকা বহুতো অংগ-প্ৰত্যংগৰ সমষ্টি। Malinowski, Raymond Firth আদি বিশিষ্ট নৃতত্ত্ব বিজ্ঞানীসকলে কোৱাৰ দৰে ইয়াৰ কোনো এটা অংগৰ কিছু সাল-সলনি ঘটিলেই গোটেই সমাজখনতে আউল লাগে। অসমৰ চেমা নগাসকলৰ জীৱনতো বাসস্থান সলনিৰ হেতু বহুতো পৰিবৰ্তন ঘটিছে। ধৰ্ম, অৰ্থনীতি, ঘৰ-দুৱাৰ, সাজ-পাৰ, খাদ্য, কথা-বতৰা আদিত এই পৰিবৰ্তন বাৰুকৈয়ে প্ৰতিফলিত হোৱা দেখা যায়। অৱশ্যে, ই তেওঁলোকৰ স্বাভাৱিক সমাজ-গাঁথনিত বিশেষ খেলি-মেলিৰ সৃষ্টি কৰা নাই। বৰঞ্চ, সময়ৰ চকৰি ঘুৰাৰ লগে লগে তেওঁলোকে পৰিবৰ্তিত প্ৰাকৃতিক আৰু সামাজিক পাৰিপাৰ্শ্বিকতাৰ লগত খাপ-খুৱাই চলিব পৰাত কৃতকাৰ্য হৈছে। জাতি-ধৰ্ম নিৰ্বিশেষে চুবুৰীয়া সম্প্ৰদায়ৰ লগত চেমাসকলে এক মধুৰ সম্পৰ্ক গঢ়ি তুলিব পাৰিছে। সামৰণিত ক'ব পাৰি যে, অসমৰ চেমা নগাসকল পাহাৰ-ভৈয়ামৰ সম্প্ৰীতিৰ এক জ্বলন্ত নিদৰ্শন।

[৪] Verrier Elwin ৰ 'A Philosophy for NEFA' গ্ৰন্থ দ্ৰষ্টব্য।

ড° হৰিনাথ শৰ্মা দলৈ

## যোগিনী-তন্ত্ৰত বিষ্ণু-উপাসনা

তিনিকুৰি চাৰিখন প্ৰসিদ্ধ তন্ত্ৰ-শাস্ত্ৰৰ ভিতৰত যোগিনী-তন্ত্ৰ অন্যতম। সৰ্বানন্দই সৰ্বোল্লাস-তন্ত্ৰত তিনিকুৰি চাৰিখন প্ৰসিদ্ধ তন্ত্ৰৰ যি উল্লেখ কৰিছে, তাত যোগিনী-তন্ত্ৰৰ নামো পোৱা যায়। এই তন্ত্ৰ খ্ৰীষ্টীয় চতুৰ্দশ শতিকাৰ কোনো ভাগত অসমতে (কামৰূপত) ৰচিত বুলি স্থিৰ কৰিব পৰা যায়।[1] মধ্য-যুগৰ অসমৰ ধৰ্মীয় আৰু সাংস্কৃতিক দিশত আলোকপাত কৰা যি কেইখন প্ৰামাণিক গ্ৰন্থ আছে, তাৰ ভিতৰতে যোগিনী-তন্ত্ৰও এখন প্ৰসিদ্ধ। তন্ত্ৰ-শাস্ত্ৰৰ সকলোবোৰ লক্ষণেৰে এই শাস্ত্ৰ পৰিপুষ্ট। "আগতং শিৱবক্তে্্যু গতং চ গিৰিজাশ্ৰুতৌ"— এই প্ৰধান বৈশিষ্ট্য অনুসৰি যোগিনী-তন্ত্ৰও ভগৱান

(১) যোগিনী-তন্ত্ৰৰ ১ম খণ্ডৰ ১৪শ পটলত সৌমাৰ পীঠত ৰাজত্ব কৰা ইন্দ্ৰবংশী ৰজাৰ জন্মৰ আখ্যান বৰ্ণনা কৰা হৈছে। সৌমাৰ পীঠত এই বংশৰ ৰাজত্ব আৰম্ভ হয় ১২২৮ খৃঃত। গতিকে নিশ্চিতভাৱে বুজা যায় যে, ১৩শ শতিকাৰ আদি ভাগৰ পিছৰ কোনো কালত এই গ্ৰন্থ ৰচিত হৈছে। পুনৰ কামৰূপ ৰাজ্যৰ চাৰিসীমা-বৰ্ণনাৰ প্ৰসংগত যোগিনী-তন্ত্ৰই কৈছে যে, পশ্চিমে কৰতোয়াৰপৰা পূবে দিক্কৰবাসিনী পৰ্যন্ত—"কৰতোয়া, সমাৰভ্য যাৱদ্দিককৰবাসিনীম্" (১।১১।১৭), এই ৰাজ্য বিস্তৃত আছিল। ঐতিহাসিক-তথ্যৰপৰা জনা যায়—কোচ ৰজা নৰনাৰায়ণৰ ৰাজত্বকাললৈ কামৰূপৰ পশ্চিম সীমা আছিল কৰতোয়া। গতিকে এই গ্ৰন্থৰ ৰচনা-কাল ১৫৮৬ খৃঃৰ (নৰনাৰায়ণ ৰজাৰ মৃত্যুৰ সময়) পিছলৈ নিব নোৱাৰি। আন এটা কথা—কামৰূপ, ইয়াৰ কামাখ্যা আৰু আন আন দেৱ-দেৱী আৰু পীঠসমূহৰ মাহাত্ম্যৰ বিস্তৃত বৰ্ণনা দিয়াৰ উপৰিও কামৰূপ ৰাজ্যৰ বিস্তৃত আৰু ঠাই বিশেষে সূক্ষ্ম ভৌগোলিক বিৱৰণো এই গ্ৰন্থই দিছে। ইয়েই প্ৰমাণ কৰে—যোগিনী-তন্ত্ৰৰ ৰচক কামৰূপনিবাসী। আকৌ, আন কথা এই যে, পৰমা শক্তি হিচাপে দেৱীৰ সম্পূৰ্ণ মহিমা প্ৰকাশ কৰাৰ উপৰিও শক্তি সাধনাৰ বিভিন্ন সূক্ষ্ম-পদ্ধতিৰ সুন্দৰ বৰ্ণনা ইয়াত দিয়া হৈছে। ইয়াৰপৰা অনুমান হয়—শাক্ত-ধৰ্ম আৰু শক্তি-সাধনৰ প্ৰবল সোঁত চলি থকা সময়তে শক্তি-সাধনৰ সকলো দিশত নিপুণ কোনো কামৰূপী ব্ৰাহ্মণ-পণ্ডিতে এই গ্ৰন্থ ৰচনা কৰিছে। এই প্ৰসংগত আকৌ মন কৰিবলগীয়া কথা এই যে, সৰ্বানন্দই (১৫শ শতিকা) যোগিনী-তন্ত্ৰৰ উল্লেখ কৰিছে। স্মাৰ্ত পণ্ডিত ৰঘুনন্দন ভট্টাচাৰ্য (১৫শ শতিকাৰ শেষ ভাগ) আৰু পীতাম্বৰ সিদ্ধান্তবাগীশেও (১৬ শতিকা) যোগিনী-তন্ত্ৰৰ শ্লোক উদ্ধৃত কৰিছে। গতিকে বুজা যায়—১৫শ আৰু ১৬শ শতিকাত যোগিনী-তন্ত্ৰই প্ৰসিদ্ধি লাভ কৰি পণ্ডিতসকলৰ দৃষ্টিত প্ৰামাণিক হৈ উঠিছে। কোনো গ্ৰন্থই প্ৰসিদ্ধিলাভ কৰিবলৈ হ'লে ই কাল-বিৱৰ্তনৰ ঘৰ্ষণৰ মাজেদি উত্তীৰ্ণ হ'ব লাগে। এই কাৰণতে অন্ততঃ এশ মান বছৰ ধৰিলে চতুৰ্দশ শতিকাত এই গ্ৰন্থ ৰচিত হোৱা বুলি ক'বলৈ সন্দেহ নাথাকে। যোগিনী-তন্ত্ৰৰ ৰচনাৰ এই সময় ধৰিলে ইয়াত উল্লেখ কৰা সকলোবোৰ কথাৰ সামঞ্জস্য ৰক্ষা হয়।



শিৱৰ মুখনিঃসৃত আৰু গিৰিনন্দিনী পাৰ্বতীৰদ্বাৰা শ্ৰুত। ইয়াৰ উপৰিও, জগতৰ সৃষ্টি, বিনাশ আৰু পুনৰ্সৃষ্টি, তীৰ্থক্ষেত্ৰৰ বৰ্ণনা, চতুৰাশ্ৰমৰ কৰ্তব্য, বিপ্ৰগণ আৰু ভূতগণৰ সংস্থান, দেৱগণৰ উৎপত্তি, যন্ত্ৰনিৰ্ণয়, পুৰাণৰ আখ্যানসমূহৰ বৰ্ণনা, শৌচাশৌচ আৰু নৰক বৰ্ণন, ৰাজধৰ্ম, দানধৰ্ম আৰু যুগধৰ্মৰ বিৱৰণ স্ত্ৰীপুৰুষৰ লক্ষণ-ব্যাখ্যা, ব্ৰতধৰ্মৰ কথা আৰু আধ্যাত্মিক তত্ত্বৰ ব্যাখ্যা আদি সকলোবোৰ তন্ত্ৰ-শাস্ত্ৰৰ লক্ষণ যোগিনী-তন্ত্ৰত বৰ্তমান। যোগিনী-তন্ত্ৰ এইদৰে নিজ গুণ-বৈশিষ্ট্যৰদ্বাৰা সুস্থ আৰু বলিষ্ঠ হোৱা কাৰণে ই এখন প্ৰসিদ্ধ তন্ত্ৰ-শাস্ত্ৰ বুলি পৰিগণিত হ'ব পাৰিছে।

যোগিনী-তন্ত্ৰ পূৰ্ণমাত্ৰাই শাক্ত-তন্ত্ৰ—সন্দেহ নাই। দেৱীৰ নানা মাহাত্ম্য আৰু শক্তি সাধন প্ৰণালীৰ বৰ্ণনাবোৰ সূক্ষ্মভাৱে এই গ্ৰন্থই দাঙি ধৰাৰ উপৰিও ই প্ৰকাশ কৰা দাৰ্শনিক-তত্ত্বটি এই ক্ষেত্ৰত বিশেষ-ভাৱে মন কৰিবলগীয়া। এই তন্ত্ৰমতে, পৰম-সত্য বস্তুটি (Supreme Reality) হৈছে দেৱী (শক্তি)। এই পৰিদৃশ্যমান জগৎখন অসৎ—পৰমাশক্তি মাতৃৰ (দেৱীৰ) মায়াৰ ই বিকাশ মাথোন।[2] ব্ৰহ্মত বাহিৰে সকলো অসত্য;[3] কিন্তু সেই পৰমা শক্তি দেৱীয়েই ব্ৰহ্ম—সচ্চিদানন্দৰূপা, স্ফুৰৎপ্ৰভা।[4] ব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰ তেওঁৰ বিভাৱ—তেওঁলোকে তেওঁৰপৰাই শক্তি আহৰণ কৰি যথাক্ৰমে সৃষ্টি, স্থিতি আৰু বিনাশৰ দিশত শক্তিমান। সৰ্বশক্তিস্বৰূপা দেৱীয়ে ইচ্ছাশক্তি, ক্ৰিয়াশক্তি আৰু জ্ঞানশক্তি যথাক্ৰমে বিষ্ণু, ব্ৰহ্মা আৰু শিৱক দিছে—

ইচ্ছা তু বিষ্ণৱে দত্তা ক্ৰিয়াশক্তিস্তু ব্ৰহ্মণে।
মহ্যং দত্তা জ্ঞানশক্তিঃ সৰ্বশক্তি স্বৰূপিণা।
(যোগিনী-তন্ত্ৰ, ১।১০।১৪)

এই প্ৰসংগতে আকৌ বিশেষভাৱে মন কৰিব-লগীয়া কথা এই যে, যোগিনী-তন্ত্ৰ মতে সৃষ্টি-তত্ত্বৰ মূল-তত্ত্বটি (ব্ৰহ্ম) নাৰীৰূপিণী (Female Being)।

পূৰ্ণমাত্ৰাই যোগিনী-তন্ত্ৰ শাক্ত-গ্ৰন্থ হোৱা সত্ত্বেও ইয়াত বিষ্ণু-উপাসনা সম্বন্ধীয় কেইটামান কথা পোৱা যায়। পূৰণি অসমত বিষ্ণু-পূজা আৰু বিষ্ণু-উপাসনা প্ৰচলনৰ যিবোৰ প্ৰমাণ আছে, তাৰ ভিতৰত যোগিনী-তন্ত্ৰোক্ত এই ধৰণৰ কথাখিনিও বিশেষ মূল্যৱান।

তীৰ্থ-ক্ষেত্ৰাদিৰ বৰ্ণনা-প্ৰসংগত দীঘলীয়া নমস্কাৰ-মন্ত্ৰৰসৈতে পাণ্ডুনাথ-বিষ্ণুৰ অৰ্চন-পদ্ধতিৰ কথা যোগিনী-তন্ত্ৰই এইদৰে দিছে:

পাণ্ডুনাথ নমস্তেঽস্তু নমস্তে মোক্ষকাৰক।
ত্ৰাহি মাং সৰ্ব্বলোকেশ বিষ্ণুৰূপ নমোঽস্তুতে॥
নিৰ্ম্মলানন্দ সংকাশ নমস্তে পুৰুষোত্তম।
নমস্তে পুণ্ডৰীকাক্ষ পাণ্ডুনাথ নমোঽস্তুতে॥
নমস্তে হেমগৰ্ভায় নমস্তে গৰুড়ধ্বজ।
ব্ৰহ্মৰূপ নমস্তেঽস্তু নাৰায়ণ নমোঽস্তুতে॥
নমস্তেঽঞ্জনসংকাশ নমস্তে ভক্তবাৎসল।
পাণ্ডুনাথ নমস্তেঽস্তু ত্ৰাহি ত্ৰাহি নমোঽস্তুতে॥
নমস্তে বিবুধাধাৰবৎস নমস্তে বিবুধপ্ৰিয়।
নাৰায়ণ নমস্তেঽস্তু ত্ৰাহি মাং শৰণাগতম্॥
নমস্তে বিবুধশ্ৰেষ্ঠ নমস্তে কমলোত্তৰ।
চতুৰ্মুখ জগদ্ধাম পাণ্ডুনাথ নমোঽস্তুতে॥
নমস্তে নীলমেঘাভ নমস্তে ত্ৰিদশাৰ্চ্চিত।
ত্ৰাহি বিষ্ণো জগন্নাথ পাণ্ডুৰূপ নমোঽস্তুতে॥
নৰসিংহ মহাবীৰ্য্য ত্ৰাহি মাং দীপ্তলোচন।
বিষ্ণুৰূপ নমস্তেঽস্তু পাণ্ডুনাথ নমোঽস্তুতে॥
(যোগিনী-তন্ত্ৰ, ২/৭/৩৫—৪২)

[2] কিন্তু সৰ্বং হি মিথ্যৈৱ মাতুৰ্মায়া হি কেৱলম্। (যোগিনী-তঃ, ১।১০।৩৪)
[3] মিথ্যৈৱ সকলং দেৱি সত্যং ব্ৰহ্মৈৱ কেৱলম্। (যোগিনী-তঃ, ১।১০।৪৫)
[4] সচ্চিদানন্দৰূপাঽহং ব্ৰহ্মৈৱাহং স্ফুৰৎপ্ৰভম্। (যোগিনী-তঃ, ১।১০।৯)

শংখচক্ৰধাৰী দ্বিভুজ বিষ্ণুৰ ধ্যানবৈসেতে, কেনেকৈ তেওঁক পূজা কৰিব লাগে, এই একে প্ৰসংগতে সেই কথাও স্পষ্টভাৱে কোৱা হৈছে :

> শ্বেতঞ্চ দ্বিভুজং বিষ্ণুং চক্ৰশঙ্খ লসংকৰম্ ।
> সৰ্ব্বলোকেশ বৰদং দেৱগন্ধৰ্ব্বসেৱিতম্ ।
> ধ্যানঃ কৃতাৰ্চ্চয়েদ্ধীমান্ পাত্ৰপূৰ্ব্বাদিতঃ ক্ৰমাৎ ॥
> ( যোগিনী-তন্ত্ৰ, ২/৬/৩০ )

আনকি, দেৱী-গৃহত প্ৰৱেশ কৰাৰ আগতে কৃষ্ণাকৃতি বিষ্ণুৰূপক নমস্কাৰ, স্তুতি আৰু প্ৰদক্ষিণ যে কৰিব লাগে, এই কথাও সুন্দৰভাৱে কোৱা হৈছে :

> নমো নমস্তে দেবেশ মন্ত্ৰবৎ সবিভূষিতঃ।
> লক্ষ্মীকান্ত নমস্তেঽস্তু অনন্তপুৰুষোত্তম ॥
> দেৱদানৱগন্ধৰ্ব্বপাদপদ্মাৰ্চ্চিত শুভ।
> নমো দৰদজিঙ্গায় কমলায় নমো নমঃ ॥
> কৃষ্ণাকৃতিং বিষ্ণুৰূপং নমস্কৃত্বা সমৰ্চ্চয়ে ।
> স্তুত্বা প্ৰদক্ষিণং কৃত্বা ততো দেৱীগৃহং ব্ৰজেৎ ॥
> ( যোগিনী-তন্ত্ৰ, ২/৬/১২১-১২৩ )

বিষ্ণুৰ বিভিন্ন মূৰ্তি কামৰূপৰ বিভিন্ন স্থানত কেনেকৈ অৱস্থিত হৈ আছে, ইয়াৰো সুন্দৰ বৰ্ণনা যোগিনী তন্ত্ৰৰ স্থানান্তৰত পোৱা যায়। যেনে—চন্দ্ৰকূটশৈলত মাধৱ ( মাধৱশ্চন্দ্ৰকূটে—২/৩/৬ ), অশ্বক্ৰান্তত জনাৰ্দ্দন (অশ্বক্ৰান্তে জনাৰ্দ্দনঃ—২/৩/৬) আৰু কল্কিৰূপী জনাৰ্দ্দন অশ্বতীৰ্থত (২/৩/৩০) অৱস্থিত আছে।

যোগিনী-তন্ত্ৰই বিষ্ণুলোকৰ শ্ৰেষ্ঠত্বও বৰ্ণনা কৰিছে। ইয়াৰ উপৰিও, পুণ্য-কৰ্মৰ যোগেদি বিষ্ণুলোকপ্ৰাপ্তিৰ কথাও এই তন্ত্ৰই কেইবা ঠাইতো কৈছে। "বিষ্ণুলোকসৱাপ্নোতি" (২/৩/২১), "বিষ্ণুতুষ্টিপ্ৰদায়কঃ" ২/৩/২২), "বিষ্ণুলোকঞ্চ গচ্ছতি" (২/৫/২৩)—এই শ্লোকাংশবোৰৰ প্ৰাসংগিক অৰ্থই ইয়াৰ সত্যতা প্ৰমাণ কৰে। মন কৰিবলগীয়া এই যে, এই বিষ্ণুপদপ্ৰাপ্তি ধৰ্মৰ মাৰ্গ পৰমপদপ্ৰাপ্তিৰ লেখিয়া। আকৌ, বিষ্ণু জনাৰ্দনৰ পূজা কৰি স্বৰ্গপ্ৰাপ্ত হোৱাৰ কথাও এই তন্ত্ৰই স্পষ্টভাৱে কৈছে :

> যে তু নৰ্ভবিতাত্মানস্তত্ৰ স্নাত্বা জনাৰ্দ্দনম্ ।
> পূজয়ন্তি যথা শক্ত্যা তে প্ৰয়ান্তি ত্ৰিপিষ্টপম্ ॥
> ( যোগিনী-তন্ত্ৰঃ, ২/৩/৫৯ )

বিষ্ণু-মহিমা বা বিষ্ণু-উপাসনাৰ শ্ৰেষ্ঠত্ব দেখুওৱা যোগিনী-তন্ত্ৰৰ উদ্দেশ্য নহয়। শাক্ত-তন্ত্ৰ এখন নিজৰ উদ্দেশ্য পৰিপূৰণৰ কাৰণে শক্তিৰ মাহাত্ম্য আৰু শ্ৰেষ্ঠত্বৰ বৰ্ণনাৰ পথত আগবাঢ়োঁতে প্ৰাসংগিকভাৱে বিষ্ণু উপাসনা বা বিষ্ণু পূজাৰ প্ৰয়োজনীয়তাৰ কথা কৈ গৈছে। ইয়েই কিন্তু প্ৰমাণ কৰে যে, যোগিনী-তন্ত্ৰ ৰচনাৰ আগৰেপৰা দেশত ( কামৰূপত ) বিষ্ণু উপাসনাৰ পৰিসৰো ঠেক হৈ থকা নাছিল।

—×—

ৰাম গোস্বামী

## পঢ়ুৱৈ সমাজ গঢ়ি তোলাত পুথিভঁৰালৰ ভূমিকা

গ্ৰন্থগাৰ বা পুথিভঁৰাল জ্ঞানৰ অসামান্য আধাৰ। প্ৰস্তৰ যুগৰপৰা মহাকাশ বিচৰণৰ যুগলৈকে মানৱ সমাজৰ যিমান উন্নতি হৈছে তাৰ খতিয়ান ইতিহাস পুথিভঁৰালত ৰক্ষিত হৈছে আৰু মানৱ মনৰ মঙ্গলৰ বাবে ব্যৱহৃত হৈছে। অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ মাজত যোগসূত্ৰ স্থাপন কৰি পুথিভঁৰালে দেশ-দেশান্তৰ যুগ-যুগান্তৰ ব্যাপী জ্ঞানৰ অনাবিল আনন্দ বিলাই আছে। মানৱ জীৱনৰ অভিজ্ঞতা লিপিবদ্ধ কৰি দুৰ্গম পৃথিবীৰ সংবাদ পুথিভঁৰালে আমাৰ বাবে কঢ়িয়াই আনিছে, জ্ঞান তপস্যাৰ অমৃতফল সযত্নেৰে ৰক্ষা কৰিছে।

আজি সামাজিক বিবৰ্তনত আধুনিক সমাজৰ গতি অধিক ক্ষীপ্ৰ হোৱাত পুথিভঁৰাল সংগঠনত এক নতুন আন্দোলনে দেখা দিছে। আজিৰ পুথিভঁৰাল কেৱল জ্ঞানৰ উপাসনা বা অধ্যয়নৰ তন্ময়তাৰবাবে আত্মভীয়াকৈ ৰখা নিৰ্জন স্থান নহয়, ই কৰ্ম-চাঞ্চল্যৰ ব্যস্ততাৰে পৰিপূৰ্ণ, বহু মানুহৰ সমাগম ক্ষেত্ৰ। অকল জ্ঞান আহৰণতে ইয়াৰ 'কৰ্মসূচী সীমাবদ্ধ নহয় ; নতুন তথ্য অন্বেষণ, উত্তেজনাপূৰ্ণ সমস্যাৰ সমাধান, ব্যক্তিগত উন্নতি আৰু বিকাশ সাধন আদি এশ এটা কামেৰে আজিৰ পুথিভঁৰাল পৰিপুষ্ট। আজিৰ পুথিভঁৰালত কৰ্মপ্ৰেৰণা নিহিত হৈ থাকে আৰু গ্ৰন্থপাঠৰ জৰিয়তে মানসিক উপলব্ধি লাভ কৰা হয়। পুথিভঁৰালক কেন্দ্ৰ কৰি সামাজিক প্ৰতিষ্ঠান, সাহিত্য সংস্থা গঢ়ি উঠে—যিবোৰৰদ্বাৰা সমাজৰ বৌদ্ধিক বিকাশ দ্ৰুতগতিত অগ্ৰসৰ হ'বলৈ আৰু সামাজিক চেতনা স্বতঃস্ফূৰ্ত্তভাৱে জাগ্ৰত হ'বলৈ প্ৰয়াস পায়।

নানা মাধ্যমৰ যোগেদি জ্ঞানৰ পৰিধি ইমান-ক্ষীপ্ৰ গতিত চলিছে যে গ্ৰন্থাগাৰিকে আপেক্ষাকৃত জটিল পৰিস্থিতিৰ লগত নিজক খাপ খুৱাই লোৱাটো এটা কঠিন সমস্যা হৈ পৰিছে। উন্নত দেশসমূহত বিজ্ঞানৰ বহুল উন্নতিৰ ফলত জন সেৱাৰ আধুনিক কৌশল উদ্ভাৱন হৈছে। স্বয়ংক্ৰিয় যন্ত্ৰৰ সহায়ত সমগ্ৰ-বিশ্বৰ নৱ নৱ তথ্য সংগ্ৰহৰ সুবিধা ওলাইছে। মাইক্ৰোফিল্ম, মাইক্ৰোফিচ্, মাইক্ৰোকাৰ্ড মেগ্‌নেটিক্ টেপ প্ৰভৃতি আৱিষ্কৃত হৈ পুথিভঁৰালৰ তথ্য আৰু গৱেষণাবিভাগ অধিক তৎপৰতাৰে সংগঠিত হৈছে। তাত গ্ৰান্থাগাৰিকে বিশেষজ্ঞসকলক প্ৰয়োজনীয় তথ্য-পাতিৰে তেওঁলোকৰ গৱেষণাৰ বিষয়বস্তু সহজলভ্য কৰি তুলিছে। কিন্তু, ভাৰতবৰ্ষৰ নিচিনা তৃতীয়া দেশ এখনত এনেধৰণেৰে "পুথিভঁৰাল সেৱা" আধুনিক-কৰণৰ কথা এতিয়া চিন্তা কৰিবই নোৱাৰি। হয়তো, আজিৰ পুথিভঁৰালত ইয়াৰ অভাৱ ঘটিছে বুলি কাইলৈৰ পুথিভঁৰালত যে এনে সা-সামগ্ৰীৰ প্ৰয়োজন নহ'ব, তাকো আমি ক'ব নোৱাঁৰো। আমাৰ দেশৰ অধিক পুথিভঁৰাল আকাৰত সৰু। পশ্চিমীয়া দেশৰ

ডাঙৰ ডাঙৰ পুথিভঁৰালসমূহৰ লগত এইবোৰৰ তুলনা নাখাটে। কিন্তু, ক্ষুদ্ৰ পৰ্যায়ৰ হলেও আমাৰ দেশৰ পুথিভঁৰাল বিকাশৰ ভূমিকা উলাই কৰিবপৰা বিধৰ নহয়। আৰ্থিক অনাটন, সাংগাঠনিক অসুবিধা থকা সত্বেও এইবোৰে শিক্ষাৰ সম্প্ৰসাৰণত আৰু সামাজিক ক্ৰমোন্নতিৰ হকে মূল্যবান বৰঙনি আগবঢ়াইছে। আধুনিক সা-সুবিধাত বঞ্চিত হৈও এইবোৰে পঢ়ুৱৈ সমাজৰ চাহিদা পাৰ্যমানে পূৰণ কৰিবলৈ যত্নপৰ হৈছে। ভাৰতবৰ্ষৰ দৰে এখন বিশাল দেশত, য'ত দৰিদ্ৰতা আৰু নিৰক্ষৰতা অত্যন্ত বেছি, সমাজৰ সকলো স্তৰতে পুথিভঁৰাল সেৱা সহজে আশা কৰিব নোৱাৰি। জ্ঞান আৰু শিক্ষাৰ প্ৰয়োজন আছে বুলিয়েই আমাৰ দেশত জন কল্যাণমূলক সকলো আঁচনিত পুথিভঁৰাল সেৱা অন্তৰ্ভুক্ত কৰা হৈছে। বিশেষকৈ শিক্ষাৰ সম্প্ৰসাৰণৰ ক্ষেত্ৰত প্ৰাপ্তবয়স্কলোকৰ পঢ়া-শুনাৰ বাবে যি আঁচনি গ্ৰহণ কৰা হৈছে, তাত পুথিভঁৰালৰ ভূমিকাৰ ওপৰত গুৰুত্ব দিয়া হৈছে। বৰ্তমান জটিল সমাজ ব্যৱস্থাত যাতে আমাৰ জনসাধাৰণে শিক্ষাৰ মাজেদি সাংস্কৃতিক, ৰাজনৈতিক আৰু সামাজিক বৈষম্য গুচাব পাৰে, নিজৰ কৰ্ম সাফল্যৰ ফলত যাতে দৰিদ্ৰতাৰ গধুৰ বোজা পাতলাব পাৰে, সেই উদ্দেশ্যে প্ৰাপ্তবয়স্কসকলৰ শিক্ষাৰ প্ৰয়োজনীয়তা উপলব্ধি কৰা হৈছে। ভাৰতবৰ্ষত শতকৰা ৭৫ জনেই অশিক্ষিত। যিসকলৰ শিক্ষা লাভত কিছু অসুবিধা ওলাইছিল, সেইসকলৰ অনেকেই পিছত শিক্ষাৰ সংব্যৱহাৰ কৰিব নোৱাৰি বা উচ্চ শিক্ষাত উধাব নোৱাৰি অনাভ্যাসৰ ফলত পুনৰ অশিক্ষিতৰূপে পৰিগণিত হৈছে। অনেক ল'ৰা-ছোৱালীয়ে প্ৰাইমেৰী স্কুলতে আৰ্থিক অভাৱৰ বাবে বা আন কাৰণে শিক্ষা এৰিব লগাত পৰে. মাত্ৰ তিনি ভাগৰ এভাগ ল'ৰা-ছোৱালীয়ে আমাৰ দেশত উচ্চ প্ৰাইমেৰী পৰ্যায় সম্পূৰ্ণ কৰিবলৈ সক্ষম হয়। শিক্ষাৰ এয়া অপচয়, দেশৰ বাবে জাতীয় ক্ষতি। শিক্ষা যাতে অবিচ্ছিন্নভাৱে লাভ কৰিব পাৰে, তাৰবাবে ল'ৰা-ছোৱালীৰ বিনামূলীয়া শিক্ষা-ব্যৱস্থা, প্ৰাপ্তবয়স্কৰ বাবে বিশেষ শিক্ষা-ব্যৱস্থা চৰকাৰে হাতত লৈছে। প্ৰাপ্তবয়স্কৰ শিক্ষাৰ ক্ষেত্ৰত পৰিবেশৰ প্ৰয়োজন। অকল স্বাক্ষৰ কৰা প্ৰচেষ্টাৰে এই আঁচনি ফলৱতী কৰিব নোৱাৰি। সামাজিক উন্নয়নৰ লগত ইয়াৰ যি সম্পৰ্ক, সেই বিষয়ে বিশেষ দৃষ্টি ৰখা সকলোৰে কৰ্তব্য। গ্ৰন্থাগাৰিকৰ ভূমিকা নিঃসন্দেহে শিক্ষকৰ ভূমিকা; সমাজসেৱীৰ ভূমিকা। পুথিভঁৰালক সমাজৰ এক অপৰিহাৰ্য্য অংগৰূপে গঢ় দিওঁতে তেওঁ তাৎপৰ্যপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে। প্ৰাপ্তবয়স্কৰ শিক্ষাৰ আঁচনিত তেওঁ মূল্যবান বৰঙনিও আগবঢ়াব পাৰে। অধ্যয়ন-চক্ৰ সংগঠন, গ্ৰন্থ আলোচনা, আবৃত্তি-পাঠ, প্ৰয়োজনীয় বক্তৃতা-পাঠ, সামাজিক উন্নয়নৰ লগত জড়িত বিশেষভাৱে ৰচিত গ্ৰন্থ আলোচনী প্ৰভৃতি সংগ্ৰহ আৰু বিতৰণ, সহজে বুজিবপৰা ভাৰতীয় চিন্তাধাৰাৰ বিস্তীৰ্ণ দিশৰ ওপৰত ৰেখাপাত কৰি প্ৰণয়ন কৰা সুলভ মূল্যৰ কিতাপ-পত্ৰৰ যোগান প্ৰভৃতি কাম তেওঁ কৰিব পাৰে। শিক্ষাৰ লগত সাহিত্যৰ সম্পৰ্ক জোন-বেলিৰ সম্পৰ্ক। শিক্ষাৰ যোগেদি জ্ঞান অৰ্জনৰ ভেঁটি সুদৃঢ় হয়। অসমত জন-শিক্ষাৰ ক্ষেত্ৰত শতকৰা ৭০ জন মানুহ শিক্ষাৰপৰা বঞ্চিত। বিশেষকৈ পিছপৰা গাঁও অঞ্চল, চাহ-বাগিচাৰ বনুৱা, হৰিজন, তপচিলভুক্ত লোকসকল, আৰু চৰ-অঞ্চলত বস-বাস কৰা পমুৱাসকলৰ মাজত এতিয়াও শিক্ষাৰ কাৰিকৰি ব্যৱস্থা নাই। অ'ত ত'ত থাকিলেও সেইবোৰৰ অৱস্থা নিচেই নিম্ন খাপৰ জ্ঞানৰ অবিহনে এওঁলোকৰ সামাজিক উন্নতি সম্ভৱপৰ নহয়। জনসাধাৰণৰ নিজস্ব এক ঐতিহ্য আছে, এক সংস্কৃতি আছে; যাৰদ্বাৰা এওঁলোকৰ মন, আবেগ, আত্মা সক্ৰিয় হৈ উঠে। এই সাংস্কৃতিক ভেঁটি সুদৃঢ় কৰি তেওঁলোকৰ নিজ বুদ্ধিগত আশা-আকাংক্ষাক সমস্যাৰ লগত জড়িত কৰিব পাৰিলে আমাৰ উন্নয়নৰ আঁচনি কাৰ্যকৰী হোৱাৰ থল আছে। শিল্প উৎপাদনৰ বিভিন্ন পৰ্যায়ত



শ্ৰমিকসকলৰ যি গুৰুত্বপূৰ্ণ অবদান, সেই সম্পৰ্কে চেতনা জাগ্ৰত কৰিবলৈ মানসিকতাক স্বীকৃতি দিব লাগিব। জ্ঞানৰ জৈৱিক প্ৰয়োজন আছে। শ্ৰমৰপৰা উৎপাদনৰ বাঞ্ছিত ফল লাভ কৰিবলৈ জ্ঞানৰ প্ৰয়োজন কেতিয়াও নুই কৰিব নোৱাৰি। জ্ঞান-বিতৰণত সুফল লাভ কৰিবলৈ গ্ৰন্থাগাৰিকে এইবোৰ সমস্যাৰ প্ৰতি সজাগ দৃষ্টি ৰাখিব লাগিব। দেশৰ উন্নয়ন আৰু উৎপাদনৰ প্ৰধান অৱলম্বন হ'ল দেশৰ কৃষক, বনুৱা, শ্ৰমিকসকল। তেওঁলোকৰ দৈনন্দিন জীৱন যাত্ৰাৰ মান উন্নত কৰিবলৈ, দেশৰ উন্নয়ন কাৰ্য-সূচীত নতুন জ্ঞানৰ সংযোগ কৰিবলৈ, বৈজ্ঞানিক সা সুবিধা গ্ৰহণত কাৰ্যকৰী স্বাক্ষৰত ফলৱতী কৰিবলৈ গ্ৰন্থাগাৰিকে তেওঁৰ জ্ঞান আৰু কৰ্মৰ সমন্বয় ঘটাব লাগিব। তেওঁৰ ব্যক্তিগত প্ৰচেষ্টাই জ্ঞান-অৰ্জনৰ প্ৰতি জনসাধাৰণক আগ্ৰহী কৰি তুলিব পাৰে। নিৰুৎসুকজনক কিতাপ পঢ়াত উৎসাহ দিয়া, উৎসুকজনক বেছি পৰিমাণে জ্ঞান আহৰণত সহায় কৰা গ্ৰন্থাগাৰিকৰ অন্যতম ভূমিকা।

পঢ়ুৱৈ সমাজ এখন গঢ়ি তুলিবলৈ গ্ৰন্থাগাৰিকৰ দূৰদৃষ্টিৰ প্ৰয়োজন। তেওঁৰ দৈনন্দিন কাৰ্যসূচীত আভ্যন্তৰীণ সংগঠন আৰু বহিৰ্জগতৰ লগত যোগাযোগ স্থাপন নিঃসন্দেহে গুৰুত্বপূৰ্ণ ব্যৱস্থা। তেওঁৰ চিন্তা-ভাৱনা, কাৰ্য-পৰিকল্পনাত পঢ়ুৱৈসমাজৰ প্ৰতি সচেতন আৰু সহৃদয়পূৰ্ণ মনোভাৱ পৰিলক্ষিত হ'লে পুথিভঁৰালক নিজৰ বুলি ভৰা স্পৃহা আনৰ মনত সহজে জাগি উঠিব। পঢ়ুৱৈসমাজৰ মনোভাৱ আৰু ৰুচিৰ প্ৰয়োজনীয়তাৰফালে গ্ৰন্থাগাৰিকৰ লক্ষ্য থাকিব লাগিব। সাহায্যদান পদ্ধতি যিমান দূৰ সম্ভৱ খৰতকীয়া কৰিব পাৰিলে পঢ়ুৱৈৰ সময় হানি হোৱাৰ শংকা নাথাকে। তেওঁৰ পুথিভঁৰাললৈ অধ্যাপক, ছাত্ৰ, লেখক, শিল্পী, নাট্যকাৰ, গৱেষক প্ৰভৃতি বুদ্ধিজীৱীসকল আহে; প্ৰকাশক, পৰিচালক, আইনজ্ঞ, ব্যৱসায়ী আদি লোকৰ সমাবেশ ঘটে। এওঁলোকৰ সময় কম, দৈনন্দিন কাম-কাজৰ কৰ্মসূচী ব্যস্ততাৰে ভৰা। এই লোকৰ জ্ঞানৰ কৌতূহল পূৰণ কৰিবলৈ, অনুসন্ধিৎসু মানসিক বৃত্তি প্ৰখৰ কৰিবলৈ গ্ৰন্থাগাৰিকে সচেতন দৃষ্টি ৰাখিব লাগে। বিভিন্ন ৰুচি-অভিৰুচি আৰু চাহিদাৰ প্ৰতি লক্ষ্য ৰখা মানে পুথিভঁৰালৰ সেৱাৰ উপযোগিতা স্বীকাৰ কৰি লোৱা। আজি উত্তৰণমুখী পুথিভঁৰাল সংগঠনৰ ব্যৱস্থাত পুথিভঁৰাল বিজ্ঞানৰ প্ৰতি অধিক গুৰুত্ব দিয়া হৈছে; আৰু প্ৰশিক্ষণপ্ৰাপ্ত গ্ৰন্থাগাৰিকৰ পুথিভঁৰাল পৰিচালকৰ কামত নিয়োগ কৰা নিয়ম হৈছে। তেওঁৰ শিক্ষা, সংস্কৃতি আৰু সাধনাই পুথিভঁৰালক এটি সৰ্বাংগ সুন্দৰ অনুষ্ঠানৰূপে গঢ় দিয়াত সহায় কৰে, জ্ঞান বিস্তাৰৰ পৱিত্ৰ দায়িত্ববাহী মাধ্যমস্বৰূপে পুথিভঁৰালে তেওঁৰ বৃত্তিৰ মাজেদি প্ৰসাৰতা লাভ কৰে।

এজন ভাল গ্ৰন্থাগাৰিক প্ৰথমতে গ্ৰন্থজগতৰ এজন পৰিচিত মানুহ। এওঁ বজাৰত ওলোৱা হেজাৰবিজাৰ কিতাপৰ খবৰ ৰাখে, কিতাপ পঢ়ে, কিতাপক আদৰ কৰে। যিজন গ্ৰন্থাগাৰিকে কিতাপ ভাল নাপায় আৰু কিতাপ নপঢ়ে তেনে গ্ৰন্থাগাৰিক কেতিয়াও ভাল গ্ৰন্থাগাৰিক হ'ব নোৱাৰে। অধ্যয়নশীল গ্ৰন্থগাৰিকে পঢ়ুৱৈ সমাজক সহজে আকৃষ্ট কৰে আৰু বিভিন্ন বিষয়ত ওলোৱা নতুন নতুন গ্ৰন্থৰ প্ৰতি এওঁলোকৰ দৃষ্টি আকৰ্ষণ কৰাত কৃতকাৰ্য হয়। গ্ৰন্থজগতৰ লগত প্ৰত্যক্ষ যোগাযোগ নাথাকিলে গ্ৰন্থাগাৰিকে যথোচিতভাৱে পুথিভঁৰাল সেৱা কাৰ্যকৰী কৰি তুলিব নোৱাৰে। আমি বিজ্ঞানৰ যুগত বাস কৰিছোঁ। আমাৰ দৈনন্দিন জীৱন-যাত্ৰাত বিজ্ঞানৰ চমকপ্ৰদ আৱিষ্কাৰে অনেক সুবিধা দিছে। গ্ৰন্থ এখন ছপোৱাৰ ক্ষেত্ৰত মুদ্ৰা যন্ত্ৰৰ বাহিৰেও অন্য উপায় আৱিষ্কৃত হৈছে; কিন্তু গ্ৰন্থ পাঠৰ ধৰণ-কৰণ তেনেকৈ সলনি হোৱা নাই। অতি প্ৰাচীন যুগৰে

পৰা কিতাপ অধ্যয়নৰ যি সাধাৰণ প্ৰথা, সেই প্ৰথা এতিয়াও বৰ্ত্তি আছে। ব্যক্তিগত ৰুচি-অভিৰুচিৰ ওপৰত গ্ৰন্থপাঠৰ জনপ্ৰিয়তা বহুতো পৰিমাণে নিৰ্ভৰ কৰে। একে বিধৰ গ্ৰন্থই সকলো পঢ়ুৱৈক আকৃষ্ট নকৰে বা কৌতূহলো পূৰণ নকৰে। সেইবাবে, গ্ৰন্থ অধ্যয়ন কাৰ্যত মান নিদ্ধাৰ্যকৰণ (Standard-ization) কোনেও ভাল নাপায়। নিজাকৈ ব্যক্তিগত ৰুচি আৰু প্ৰয়োজনৰ ওপৰত ভিত্তি কৰি গ্ৰন্থ পাঠ কৰাটো আজি প্ৰবলভাৱে অভ্যাসত পৰিণত হৈছে।

বিজ্ঞান আৰু কাৰিকৰি জ্ঞানৰ বিৰাট সাফল্যৰ লগত জ্ঞান অৰ্জনৰ অনেক উপায় উদ্ভাৱন হৈছে যদিও গ্ৰন্থই সমাজৰ প্ৰগতিত আজিও উল্লেখযোগ্য বৰঙনি যোগাই আছে। গ্ৰন্থ উৎপাদন, পুথিভঁৰাল আৰু পুথি-পাঠৰ ভিতৰত পাৰস্পৰিক সম্পৰ্ক অত্যন্ত গভীৰ। গ্ৰন্থ উৎপাদনৰ ক্ষেত্ৰত উন্নত দেশসমূহে চমকপ্ৰদ অগ্ৰগতি লাভ কৰিছে। সমগ্ৰ বিশ্বত বছৰি ছপোৱা কিতাপৰ সংখ্যা ৫ লাখতকৈও বেছি বুলি গম পোৱা গৈছে। অকল বিজ্ঞান আৰু কাৰিকৰি জ্ঞানত ১৯৭৮ চনত ওলোৱা কিতাপৰ সংখ্যা এক লাখ হৈছেগৈ। সেইদৰে, সমগ্ৰ বিশ্বত আলোচনীৰ সংখ্যাও এক লাখৰ কম নহয়। এইবোৰত প্ৰায় তিনি মিলিয়ন প্ৰবন্ধ বছৰি প্ৰকাশ পায়। ইয়াৰ বাহিৰেও বছৰি অনুষ্ঠিত হোৱা সম্মিলন, মেল-মিটিং, আলোচনা অধ্যয়ন, গৱেষণা চক্ৰসমূহৰপৰা হেজাৰ-বিজাৰ মুখপত্ৰ অভিজ্ঞান-পত্ৰ, বাৰ্ষিক-পত্ৰ ওলাই আছে। এইবোৰৰ সামগ্ৰিক বোজাই জ্ঞান জগতত অভূতপূৰ্ব বিস্ফোৰণ ঘটাইছে।

কিন্তু, সেইবোৰৰ তুলনাত ভাৰতীয় ভাষাত ছপাহোৱা কিতাপৰ সংখ্যা অনেক কম। কলিকতা নেচনেল লাইব্ৰেৰীৰ খবৰত প্ৰকাশ যে ভাৰতবৰ্ষত ১৯৭৭-৭৮ চনত মুঠ ১৯,৬৫১খন গ্ৰন্থ বিভিন্ন ভাষাত ছপা হৈ ওলাইছে। ইয়াৰ আগৰ বছৰত অৰ্থাৎ ১৯৭৫-৭৬ চনত ২১,৮৫৩ আৰু ১৯৭৬-৭৭ চনত ২১,৯২২খন গ্ৰন্থ ছপা হৈছিল। ১৯৭৭-৭৮ চনত ছপা হোৱা পুথিৰ সংখ্যা কম হোৱাৰ গুৰিতে যোৱা বছৰৰ মাজ ভাগৰপৰা কাগজৰ মূল্য বৃদ্ধি আৰু কাগজৰ অনাটন বুলি উল্লেখ কৰা হৈছে। ছপা হোৱা পুথিৰ অধিক সংখ্যক হৈছে ইংৰাজী ভাষাত ওলোৱা গ্ৰন্থ। বছৰটোত ৯,৯২২ খন ইংৰাজী গ্ৰন্থ, ২৩৮২খন হিন্দী গ্ৰন্থ, ১৩১৯খন তামিল গ্ৰন্থ, ১১১৮খন মাৰাঠী গ্ৰন্থ, ১১০৪খন বঙালী গ্ৰন্থ, ৮৮৮খন কানাড়া গ্ৰন্থ, ৬৭৩খন গুজৰাটী গ্ৰন্থ, ৬০৭খন মালায়ালম গ্ৰন্থ, ৫৪০খন তেলেগু গ্ৰন্থ, ৩৮০খন পঞ্জাবী গ্ৰন্থ, ২৪৫খন উৰীয়া গ্ৰন্থ, ১৫৪খন উৰ্দ্দু গ্ৰন্থ, ১৪৮খন অসমীয়া গ্ৰন্থ, ১২৯খন সংস্কৃত গ্ৰন্থ আৰু আন আন ভাষাত ৫০খন প্ৰকাশ হোৱাৰ খবৰ পোৱা গৈছে। তামিল, তেলেগু আৰু পঞ্জাবী ভাষাত আগৰ বছৰতকৈ ছপা হোৱা গ্ৰন্থৰ সংখ্যা বেছি; কিন্তু আন ভাষা-সমূহত আপেক্ষিকভাৱে কম। ৰাজ্যিক ভিত্তিত দিল্লীত মুঠ ছপা হোৱা গ্ৰন্থৰ সংখ্যা বছৰত ৪২৬৭ খন। নেচনেল বুক ট্ৰাষ্টৰ ১২২খন গ্ৰন্থ ইয়াৰ অন্তৰ্গত। ১৯৭৭-৭৮ চনত পশ্চিম বংগত ২১৭৮খন, তামিলনাডুত ১৮৬৩ খন, মহাৰাষ্ট্ৰত ১৫৩১ খন, কৰ্ণাটকত ১৩২০ খন, মধ্যপ্ৰদেশত ১৩০৯ খন, উত্তৰ প্ৰদেশত ১৩০৩ খন আৰু অন্ধ্ৰ প্ৰদেশত ১০১৫ খন গ্ৰন্থ ছপা হৈছে। আন ৰাজ্যসমূহৰ ভিতৰত গুজৰাটত ৮৭৫, কেৰালাত ৮৭০, পঞ্জাবত ৫১৮, উৰিষ্যাত ৩৮৮, বিহাৰত ৩০৭, অসমত ২৩১, হাৰিয়ানাত ১২১, হিমাচল প্ৰদেশত ৮৪, জম্মু আৰু কাশ্মীৰত ৪৪, মেঘালয়ত ৫৫, ত্ৰিপুৰাত ১৭ আৰু ছিকিমত ৫ খন গ্ৰন্থ ছপা হৈছে। কেন্দ্ৰীয় শাসিত অঞ্চল দিল্লীক বাদ দি পণ্ডিচেৰীত ছপাহোৱা গ্ৰন্থৰ সংখ্যা ১৩খন, চণ্ডীগড়ত ৪১খন, গোৱাত ৬৫, মিজোৰাম আৰু অৰুণাচলত প্ৰত্যেকতে



১২খনকৈ, আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জত ২খনকৈ গ্ৰন্থ ছপা হৈছে। ভাৰতবৰ্ষত ১৯৭৭-৭৮ চনত সমাজ বিজ্ঞান, ৰাজনীতি, গণনা বিজ্ঞানত ওলোৱা পাঁচহাজাৰ তিনিশখন, ইতিহাস, ভূগোল, ভ্ৰমণ আদি বিষয়ত ২১৩২খন, চিকিৎসা বিজ্ঞানত ১৩৭৮ খন, অংকশাস্ত্ৰ আৰু বিজ্ঞান বিষয়ত ১৩১৩খন গ্ৰন্থ প্ৰকাশ হৈছে। সাহিত্য বিষয়ত প্ৰকাশ হোৱা গ্ৰন্থৰ সংখ্যাৰ ভিতৰত তামিলনাডুত ৭৬১খন, মাৰাঠীত ৫১০খন আৰু বঙালীত ৫৩০ খন উল্লেখযোগ্য। ইংৰাজী ভাষাত সমাজ শিক্ষা বিজ্ঞান প্ৰভৃতি বিষয়ত বেছি সংখ্যক কিতাপ ওলাইছে। ১৯৭৭-৭৮ চনত প্ৰকাশ হোৱা সৰ্বমুঠ শিশু সাহিত্যৰ ৪৭৩খন গ্ৰন্থৰ ভিতৰত অকল হিন্দী ভাষাতে ২০৭ খন শিশু সাহিত্য প্ৰকাশ হৈছে। ইংৰাজী ভাষাত আমাৰ দেশত অধিক সংখ্যক কিতাপ ছপা হোৱাটোৱে ইংৰাজী ভাষাৰ লগত আমাৰ কিমান সম্বন্ধ, তাক দাঙি ধৰিছে। ভাৰতীয় বুদ্ধিজীৱীসকলে ইংৰাজী ভাষাত ওলোৱা গ্ৰন্থ পঢ়িবলৈ বেছি ভাল পায়। আন্তৰ্জাতিক ভাষা এটাৰ লগত নিজৰ আদান-প্ৰদান সজীৱ কৰি ৰখাটো বেয়া নহয়। আমাৰ ধাৰণা, এজন বুদ্ধিজীৱীৰ জ্ঞানৰ গভীৰতা ইংৰাজী ভাষাত থকা তেওঁৰ ব্যুৎপত্তি আৰু দক্ষতাৰ ওপৰত প্ৰধানকৈ নিৰ্ণয় হয়। এজন শিক্ষিত লোকে ইংৰাজী ভালকৈ নাজানিলে বা ক'ব নোৱাৰিলে আমি তেওঁৰ জ্ঞান সীমিত বুলি ধৰি লওঁ। এনে এটা পৰিৱেশৰ সুবিধা লৈ ইংৰাজী কিতাপৰ শতকৰা ৯৫ ভাগ গ্ৰন্থ অকল আমেৰিকা আৰু ইংলণ্ডৰপৰা আমাৰ দেশলৈ আমদানি হয়। ভাৰতৰ ল'ৰা-ছোৱালীৰবাবে বিদেশৰপৰা হেজাৰে-বিজাৰে সস্তীয়া কাগজৰ 'কমিক', জাতীয় কিতাপ, যৌন কদৰ্যৰেভৰা সস্তীয়া পেপাৰবেক আজি ভাৰতৰ দোকানত ভৰি গৈছে। কিন্তু, কথা হ'ল, আমাৰ দেশৰ অধিক সংখ্যক লোকে ইংৰাজী নাজানে। মাতৃভাষাৰ জৰিয়তে জ্ঞান অৰ্জন নকৰিলে তেওঁলোকৰ উপায় নাই। মাতৃভাষাৰ আলম লৈহে জাতীয় চেতনা গঢ়ি উঠে। আনফালে, এজন লেখকে মাতৃভাষাতহে তেওঁৰ চিন্তা, জ্ঞান, বুদ্ধি আৰু অভিজ্ঞতা পানী যেন কৰি প্ৰকাশ কৰিব পাৰে। ইংৰাজী ভাষাৰ লগতে আঞ্চলিক ভাষাসমূহৰ উন্নতি নহ'লে আমাৰ দেশৰ সাহিত্য সংস্কৃতি উদ্ধাৰ নোৱাৰে। জনসাধাৰণৰ ভাষাৰ মাধ্যমেৰেহে তেওঁলোকৰ হৃদয়ৰ বাতৰি গম পাব পাৰি। নহ'লে ভাৰতীয় মূল সুঁতিৰপৰা বিছিন্ন হোৱাৰ ভয় থাকে। অন্য এখন পৃথিবীত বাস কৰি নিজৰ পৃথিবীখনৰ লগত আত্মীয়তা ৰক্ষা কৰা সম্ভৱ নহয়।

অসমীয়া ভাষা আৰু সাহিত্যৰ বিকাশ ঘটোৱা অসমৰ পুথিভঁৰাল আন্দোলনৰ অন্যতম উদ্দেশ্য; প্ৰচাৰ ধৰ্মী মনোভাৱ নহয়। ভাষা-সাহিত্যৰ যোগে এক গণ-চেতনা জাগ্ৰত কৰাই আমাৰ পুথিভঁৰালসমূহৰ উদ্দেশ্য। ৰাজ্য চৰকাৰে ৰাজহুৱা পুথিভঁৰাল চৰকাৰী খণ্ডত স্থাপন কৰি অসমীয়া ভাষা-সাহিত্যত ওলোৱা বিভিন্ন বিষয়ৰ কিতাপ-পত্ৰৰ যোগান ধৰিছে, অসমীয়া লেখকসকলক যথাসম্ভৱ উদগনি যোগাইছে। শিক্ষাৰ মাধ্যম যাতে ভাৰতীয় ভাষালৈ ৰূপান্তৰিত কৰিব পাৰি; ল'ৰা-ছোৱালীয়ে যাতে প্ৰাইমেৰী পৰ্যায়ৰপৰা বিশ্ববিদ্যালয় পৰ্যায়লৈ মাতৃভাষাৰ জৰিয়তে শিক্ষা লাভ কৰিব পাৰে সেই উদ্দেশ্যে ৰাষ্ট্ৰীয় নীতি ঘোষিত হৈছে। ইমান চিন্তা কৰা সত্বেও ইংৰাজী ভাষাৰ অসীম প্ৰভাৱ আমাৰ জ্ঞান-জগতৰ লগত এতিয়াও বৰ্দ্ধিত হাৰত বৰ্ত্তি আছে। পুথিভঁৰালৰ বিৰাট আকাৰৰ ৰেকবোৰত বছৰৰ পিছত বছৰ ধৰি ইংৰাজী সাহিত্য সম্ভাৰে আধিপত্য বিস্তাৰ কৰিছে। অসম ৰাজ্যিক পৰ্যায়ত এটা কেন্দ্ৰীয় পুথিভঁৰাল, জিলা পৰ্যায়ত ৮ টা আৰু মহকুমা পৰ্যায়ত ১৪ টা পুথিভঁৰাল আছে।

ইয়াৰ বাহিৰেও উন্নয়ন খণ্ড সমূহত ৰাজ্যিক বিভাগৰ তত্বাৱধানত শতাধিক গাঁৱলীয়া পুথিভঁৰাল আছে। কেন্দ্ৰীয় পুথিভঁৰালৰ অধীনত থকা জিলা আৰু মহকুমা পুথিভঁৰালসমূহত বাৰ্ষিক ১৫ লাখৰপৰা ২০ লাখ টকালৈকে আৰ্থিক মঞ্জুৰী দিয়া হয়। সেই অনুপাতে গাঁৱলীয়া পুথিভঁৰালসমূহতো দুই লাখৰ আৰ্থিক মঞ্জুৰী খৰচ কৰা হয়। বৰ্তমান বছৰত প্ৰাপ্ত বয়স্কৰ শিক্ষা প্ৰদানৰ ক্ষেত্ৰত গ্ৰহণ কৰা আঁচনিত বহুতো উন্নয়ন সম্ভাৱনা আছে। গাঁৱৰ পুথিভঁৰালসমূহ যাতে শৃংখলাবদ্ধভাৱে সংগঠন কৰিবপৰা যায় সেই উদ্দেশ্য ৰাজ্য চৰকাৰে পৰিকল্পনা যুগুত কৰিছে। অন্ততঃ পঞ্চায়ত পৰ্যায়লৈকে ৬৬৩ টা গাঁৱলীয়া পুথিভঁৰালক আঁচনিৰ অন্তৰ্ভুক্ত কৰাৰ ওপৰত গুৰুত্ব দিয়া হৈছে। এনেক্ষেত্ৰত আৰ্থিক নাটনি নোহোৱাটোকে আমি কামনা কৰোঁ। আৰু জ্ঞান বিতৰণৰ মহৎ উদ্দেশ্য সফলকৰণত এনে আঁচনি কাৰ্যকৰী হ'ব বুলি বিশ্বাস কৰোঁ।

জিলা আৰু মহকুমা পুথিভঁৰালসমূহত বৰ্তমান থকা গ্ৰন্থৰ সংখ্যক এনে ধৰণৰ : ইংৰাজী ১,৬৫,২২২ খন, অসমীয়া ২,৬৪ ৮৩৩ খন, বঙলা ১,১০১২৮ খন, হিন্দী, সংস্কৃত আৰু আন আন ভাষাৰ ১,০৫,৬৮ খন। মুঠ কিতাপৰ সংখ্যা ৫৫০৭৪৯। এই হিচাপত বন্ধাবলৈ যোৱা বা উৱলি যোৱা কিতাপসমূহ আৰু ৰাজ্যিক গ্ৰন্থাগাৰত থকা ১৩০৭৯ দুষ্প্ৰাপ্য আৰু মূল্যবান অনুলয় গ্ৰন্থ ধৰা হোৱা নাই। যোৱা বছৰৰ তথ্য মতে জিলাৰ আৰু মহকুমা পুথিভঁৰালসমূহত ঘৰলৈ কিতাপ পঢ়িবলৈ নিয়া সক্ৰিয় পঢ়ুৱৈৰ সংখ্যা ৩৪১৮৬ জন। নিৰ্ধাৰিত নীতি অনুযায়ী এই পুথিভঁৰালবিলাকলৈ গ্ৰন্থ কিনা হয় আৰু বছৰি চাৰি-পাঁচ লাখ টকা এইক্ষেত্ৰত ব্যয় হয়। অসম প্ৰকাশন পৰিষদ, অসম সাহিত্য সভা, অসম বিজ্ঞান সমিতি প্ৰভৃতি বে-চৰকাৰী প্ৰতিষ্ঠান, প্ৰায় ২০/২৫ খন পুস্তক প্ৰকাশক, পুস্তক বিক্ৰেতা আৰু লগতে স্থানীয় লেখকৰপৰা পুথিভঁৰালসমূহলৈ গ্ৰন্থ ক্ৰয় কৰা হয়। ইয়াৰ উপৰিও ভাৰত চৰকাৰৰ পাব্লিকেচন ডিভিজন, সাহিত্য অকাডেমী, নেচনেল বুক ট্ৰাষ্ট, এন, চি, ই, আৰ, টি, হিন্দী গ্ৰন্থ অকাডেমী, কলিকতা, দিল্লী, বোম্বে, মাদ্ৰাজ প্ৰভৃতি ঠাইত থকা ডাঙৰ ডাঙৰ কিতাপ প্ৰকাশক আৰু বিক্ৰেতা অনেকৰপৰা ৰাজ্যিক কেন্দ্ৰীয় পুথিভঁৰালে সমূহীয়াভাৱে বছৰি ভালেমান টকাৰ কিতাপ কিনে আৰু অসমৰ জিলা আৰু মহকুমা পুথিভঁৰালসমূহত পুথিৰ যোগান ধৰে। সংগৃহীত তথ্য অনুযায়ী যোৱা বছৰটোত ৩৪১৮৬ জন ৰেজিষ্টাৰভুক্ত পঢ়ুৱৈৰ ভিতৰত অধিক সংখ্যকে উপন্যাস জাতীয় গ্ৰন্থ ঘৰলৈ নি পঢ়িছিল। কোনো কোনো ক্ষেত্ৰত শতকৰা ৮০ ভাগে বাৰখনৰপৰা ২৮ খনলৈ উপন্যাস তিনি মাহৰ ভিতৰত পঢ়ি শেষ কৰিছিল আৰু শতকৰা ২০ জনে সেই বছৰটোত তিনি মাহৰ ভিতৰত একোখনকৈ উপন্যাস পঢ়িছিল। অন্য গ্ৰন্থৰ ভিতৰত ৰাজনীতি, অৰ্থনীতি, ইতিহাস, সমাজবিজ্ঞান আৰু সাহিত্য বিষয়ক গ্ৰন্থৰ পঢ়ুৱৈৰ সংখ্যা শতকৰা ১০ জন। সাধাৰণতে দেখিবলৈ পোৱা যায় যে বিশ্ববিদ্যালয় আৰু কলেজৰ ছাত্ৰ-ছাত্ৰীসকলৰ অধিকাংশই ৰাজহুৱা পুথিভঁৰাললৈ পাঠ্যপুথি, সহায়ক পুথি, সাধাৰণ তথ্যপাতিৰ সমৃদ্ধ অনুলয়-গ্ৰন্থ পঢ়িবলৈ আৰু ব্যৱহাৰৰ বাবে ঘৰলৈ নিবলৈ পুথিভঁৰালসমূহলৈ আহে। জুনিয়ৰ অধ্যাপকসকলৰ কোনো কোনো আহে ডক্টৰেটৰ বাবে প্ৰস্তুত কৰিব লগা থিছিছৰ তথ্যপাতি সংগ্ৰহ আৰু অধ্যয়নৰ বাবে। কোনো আহে সৰ্বভাৰতীয় প্ৰতিযোগিতামূলক পৰীক্ষাত থিয় দিওঁতে প্ৰয়োজনীয় জ্ঞান-বুদ্ধিৰ আহৰণৰ বাবে। উপন্যাস নপঢ়াসকলৰ ভিতৰত সাহিত্য বিষয়ত গ্ৰন্থৰ চাহিদা শতকৰা ১১·২ ভাগ। ধৰ্মীয় গ্ৰন্থৰ চাহিদা প্ৰায় ৬·৪২ ভাগ বুলি ঠাৱৰাব পাৰি। বাত্তৰি কাকতত আৰু সাম্প্ৰতিক আলোচনীৰ জনপ্ৰিয়তা মন কৰিবলগীয়া। উদাহৰণস্বৰূপে ক'ব পাৰি যে যোৱা বছৰটোত গুৱাহাটী জিলা



পুথিভঁৰালৰ সাধাৰণ অধ্যয়ন-চক্ৰলৈ দিনো গড় হিচাপে ৪০০-৪৫০ জন পঢ়ুৱৈ আহিছিল আৰু শতকৰা ৮০ জনেই খবৰ কাগজ, আলোচনীপত্ৰ পঢ়া-শুনা কৰিছিল। কোনো কোনোৱে এখন, কোনোৱে বা দুই-তিনিখন খবৰ কাগজ দিনো পঢ়ি দেশ-বিদেশৰ বা-বাতৰিৰ লগত যোগাযোগ ৰাখিছিল। ডেকা চামৰ পঢ়ুৱৈসকলে Illustrated Weekly of India, Sunday, Star and Style, Eve's weekly, Sports weekly, বিস্ময়, নীলাচল, সাম্প্ৰতিক সাময়িকী আদি আলোচনী কৌতুহলেৰে পঢ়িছিল। চিনিয়াচ পঢ়ুৱৈসকলৰবাবে বিদেশী আলোচনী যোগান ধৰোতে গ্ৰন্থাগাৰিক সচেতন থাকিব লগাত পৰিছিল। "প্ৰকাশ", "আমাৰ প্ৰতিনিধি", "অসম সাহিত্য সভা পত্ৰিকা"ৰ সমাদৰ উঠি অহা সাহিত্যিকৰ মাজত দেখিবলৈ পোৱা গৈছিল। ৰাজনীতি-পৰিস্থিতি আৰু সামাজিক প্ৰয়োজনীয়তাৰ সম্পৰ্কে ওলোৱা গ্ৰন্থ পঢ়া পঢ়ুৱৈৰ সংখ্যা জিলা পুথিভঁৰালত কম নহয়। নতুন জ্ঞানৰ উত্তেজনাপূৰ্ণ গ্ৰন্থ পঢ়িবলৈ ছাত্ৰসমাজৰ মেধাৱী ল'ৰা-ছোৱালী প্ৰায়েই পুথিভঁৰাললৈ আহে। অনেকৰ আপত্তি, আমাৰ পুথিভঁৰালসমূহত জীৱিত লেখক-গোষ্ঠীৰ ৰচনা সম্ভাৱতকৈ প্ৰাচীন লেখকৰ গ্ৰন্থৰাজিহে অধিক আদৰ লাভ কৰিছে। আধুনিক লেখকৰ প্ৰতি বিশেষকৈ নতুন চামৰ লেখকৰ প্ৰতি পুথিভঁৰালৰ সহৃদয়তা থকা নিতান্ত দৰকাৰ বুলি তেওঁলোকে মত প্ৰকাশ কৰে। "পৃথিৱীখন জীয়াই থকা মানুহৰ বাবে।" মৃত সাহিত্যিকসকলৰ ৰচনাসম্ভাৰে ইতিমধ্যে কিতাপৰ ৰেকবোৰ ওপচাই পেলাইছে। আধুনিক লেখকৰ সাহিত্য-সমালোচনা, চিন্তা-ভাৱনা, কবিতা, নাটক আদি অধিক পৰিমাণে পঢ়ুৱৈসমাজৰ আগত দাঙি ধৰিবলৈ গ্ৰন্থাগাৰিকক ডেকা চামে পৰামৰ্শ দিছে। অকল আধুনিক সাহিত্যতে নহয়, অনেক বিষয়ত আমাৰ ভাষাত কিতাপৰ অভাৱ আমি লক্ষ্য কৰিছোঁ। এই অভাৱৰ কাৰণ নোহোৱা নহয়। অসমীয়া সাহিত্যিত ভাল সাহিত্যিকগোষ্ঠী এটা এতিয়াও স্থায়ী আৰু নিৰাপদ অৱস্থাত গঢ়ি উঠিব পৰা নাই। নতুন লেখকৰ সন্ধানত আমি প্ৰায়েই হতাশ হৈছোঁ। শিক্ষাৰ ব্যাপক প্ৰচলন নোহোৱাৰবাবে অনুসন্ধিৎসু পঢ়ুৱৈসমাজ এটাই গা টঙাব পৰা নাই। যি কেইজন মুষ্টিমেয় সাহিত্যিক আছে তেওঁলোকেও উৎসাহজনক সঁহাৰি কাৰোপৰা তেনেকৈ পোৱা নাই। পুথিভঁৰাল-সেৱা গাঁৱলৈ প্ৰণালীবদ্ধভাৱে এতিয়াও সম্প্ৰসাৰিত হোৱা নাই। বৰ্তমান থকা পুথিভঁৰালসমূহতো পঢ়ুৱৈ সমাজ এটাক গঢ়ি তোলাত সহায় কৰিব পৰা বিভিন্ন গ্ৰন্থৰাজিৰ আমাৰ অভাৱ। অনেক গ্ৰন্থ তালিকাভুক্ত কৰিও পুথিভঁৰালৰ বাবে সংগ্ৰহ কৰিব নোৱাৰি। সদ্যহতে চকু কি পোৱা কিতাপৰ বজাৰখন আমাৰ নাই। অনেক ক্ষেত্ৰত লেখক, প্ৰকাশকৰ নাম-ঠিকনা বিচাৰি উলিয়াওতে আমাৰ সময় নষ্ট হয়। কিতাপৰ দাম কমাব নোৱাৰিলে অধিক সংখ্যক কিতাপ কিনা সম্ভৱো নহয়। কাছাৰ জিলাত থকা পুথিভঁৰালকেইটাৰ বাহিৰে বাকী পুথিভঁৰালসমূহত অসমীয়া কিতাপৰ চাহিদা যথেষ্ট বাঢ়িছে। কিন্তু, সেই অনুপাতে আমি কিতাপৰ যোগান ধৰিবপৰা নাই।

গ্ৰন্থৰ উদ্দেশ্য যদি জনসাধাৰণৰ মানসিক উৎকৰ্ষ সাধনত সহায় কৰা, লেখকৰ সৃজনী প্ৰতিভাৰে বিকশিত হোৱা বাণী,প্ৰতিশ্ৰুতি বিলাই দিয়া, তেনেহলে আমি আমাৰ সমস্যাক আগত দেখা দিয়া হেঙাৰ অতিক্ৰম কৰি হলেও সমাধান কৰিব লাগিব। অসমীয়া কিতাপৰ লেখক, প্ৰকাশকক উৎসাহ-উদ্দীপনা, সুযোগ-সুবিধা দিব পাৰিলে কিতাপৰ অভাৱ কিছু আঁতৰিব। প্ৰকাশৰ ক্ষেত্ৰত কিতাপৰ বজাৰখনলৈ আমি সচেতন দৃষ্টি ৰাখিব লাগিব। পঢ়ুৱৈ সমাজৰ অবিহনে এখন গ্ৰন্থৰ বজাৰ আশা কৰিব নোৱাৰি। অসমীয়া কিতাপ

এখন যিমানেই ভাল নহওক লাগিলে, সেইখনৰ ছপা ১১০০ বা ২০০০ কপিতকৈ অধিক নহয়। পঢ়ুৱৈৰ সংখ্যা আপেক্ষিকভাৱে বাঢ়িলেহে কম মূল্যত কিতাপ ছপোৱা সম্ভৱ হৈ উঠে। অৱশ্যে, সামগ্ৰিকভাৱে অসমীয়া কিতাপৰ দাম অনাৰ তুলনাত যথেষ্ট কম। কিতাপ লেখি ধনী হোৱা বাসনা অসমীয়া সাহিত্যিকৰ মনত এতিয়াও খেলোৱা নাই।

শিক্ষাৰ ক্ষেত্ৰত সংশ্লিষ্ট বিভাগবোৰে অসমীয়া কিতাপৰ বহুল প্ৰচাৰৰ হকে চিন্তা কৰিলে বহুতো উপায় পোৱাৰ থল আছে। 'গাঁৱত পুথিভঁৰাল সংগঠন, স্কুলীয়া পুথিভঁৰাল স্থাপন, আন আন শিক্ষা আৰু সমাজ উন্নয়নৰ লগত জড়িত অনুষ্ঠানৰ মাজত পুথি প্ৰচলনৰ সজ ব্যৱস্থা আদি কৰিব পাৰিলে কিতাপৰ প্ৰচলন অধিক হ'ব। অসমীয়া কিতাপ সহজ মূল্যত পাবলৈ আৰু সৰহ সংখ্যক ক্ৰয় কৰাত সুবিধা দিবলৈ "পেপাৰ বেক'ৰ প্ৰশ্নটো এবাই যোৱা টান। পুথিভঁৰালসমূহত লাইব্ৰেৰী এডিচনৰ কটকটীয়া নীতি এৰি সৰহ সংখ্যক পঢ়াৰ উপযোগী "পেপাৰ বেক" কিনিব পাৰিলে বিতৰণৰ ক্ষেত্ৰ বহল হ'ব, সস্তীয়া কিতাপ কিনিবলৈ সাধাৰণ পঢ়ুৱৈয়ে শংকা নকৰিব। আন্তৰ্জাতিক শিশুবৰ্ষত ঠায়ে ঠায়ে শিশুৰ উপযোগী পুথিভঁৰাল, যাদুঘৰ আদি স্থাপন হোৱাটো আমি বিচাৰোঁ।

—

> **অসম সাহিত্য সভাৰ আসন্ন প্ৰকাশন**
>
> [১] অসম জনজাতি ( পৰিবৰ্দ্ধিত সংস্কৰণ )
> সম্পাঃ ড° প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য :
>
> [২] বিংশ শতাব্দীৰ অসমীয়া সাহিত্য ( পৰিবৰ্দ্ধিত সংস্কৰণ)
> সম্পাঃ শ্ৰীনগেন শইকীয়া :

ড° শৰৎচন্দ্ৰ শইকীয়া

## দৈয়াং-ধনশিৰি উপত্যকাৰ প্ৰাচীন সভ্যতাৰ নিদৰ্শন

[১৯৭৯ চনৰ মাৰ্চ মাহত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ নৃতত্ত্ব-বিভাগৰদ্বাৰা চলোৱা পুৰাতাত্ত্বিক অনুসন্ধানৰ কামত গৈ দৈয়াং-ধনশিৰি অঞ্চলত প্ৰাচীন অসমীয়া সভ্যতাৰ কিছুমান চিহ্ন চাবলৈ সুবিধা পাইছিলোঁ। কেইডোখৰমান ঠাইত খনন কাৰ্যও চলোৱা হৈছিল আৰু বহুতো আপুৰুগীয়া সমল পোৱা গৈছিল। তাৰে আভাস প্ৰবন্ধাকাৰে আগবঢ়োৱা হ'ল : লেখক]

ভাৰতবৰ্ষৰ একেবাৰে উত্তৰ-পূবকোণত থকা অসম ৰাজ্য পুৰাতাত্ত্বিক, জীৱাশ্ম-নৃতাত্ত্বিক আদি দিশত চহকী হলেও এইবোৰৰ বিষয়ে অধ্যয়ন হোৱা নাই। অসমখন সঁচাকৈয়ে নানা জাতি, জনজাতি আৰু নানা ধৰ্মৰ মানুহৰ কলা-সংস্কৃতিৰে ভৰা এখনি বৈচিত্ৰ্যময় দেশ। এই মানুহবিলাকৰ ভিতৰত যাইকৈ মংগোলীয়, ইণ্ডো-আৰ্য আদি জনগোষ্ঠিকেইটা পোৱা যায়। আদিম অধিবাসী হিচাপে উজনি অসমত চুতীয়া আৰু মাজভাগত কছাৰী ৰাজ্য আৰু ভাটিত বৰ্মনৰাজ্য থকাটো বুৰঞ্জীয়ে কয়।

চুতীয়া আৰু কছাৰীসকলৰ পূৰ্বপুৰুষসকল কোন শতাব্দীত অসমত সোমাল সেই বিষয়ে নিখুঁত তথ্য-পাতি এতিয়াও আমাৰ হাতত পৰা নাই। প্ৰাক্-ঐতিহাসিক যুগৰ শিলৰ অস্ত্ৰ-শস্ত্ৰ যিবোৰ এই লেখকে ইতিমধ্যে ডিব্ৰুগড়ৰ কিছুমান অঞ্চলৰপৰা সংগ্ৰহ কৰিছে সেইবোৰ সামগ্ৰীৰপৰা এইটো ন-দি ক'ব পাৰি যে এসময়ত পাহাৰত বসবাস কৰা চুতীয়াসকলৰ পূৰ্বপুৰুষসকল আৰ্থিক সংকট আৰু যুদ্ধ-বিগ্ৰহৰ ফলত ক্ৰমান্বয়ে অসমৰ ভৈয়ামলৈ নামি আহিছিল।

চুতীয়া আৰু কছাৰীসকলৰ পিছত ১৩শ শতাব্দীত আহোমসকল অসমত সোমায়। অসমৰ পশ্চিমেদি ভাৰতীয় আৰ্য (যেনে ব্ৰাহ্মণ, কায়স্থ, কলিতা আদি) লোকসকলৰ প্ৰব্ৰজন হয়। একালত বসবাস কৰা উপৰোক্ত গোষ্ঠীৰ লোকসকলৰ প্ৰাচীন সভ্যতাৰ নিদৰ্শন এতিয়া অসমৰ বাহিৰেও অৰুণাচল, নাগালেণ্ড আদিত য'ত-ত'ত সিঁচৰতি হৈ মাটিৰ তলত পোত খাই আছে বুলি ধাৰণা হয়। এই প্ৰবন্ধত মাত্ৰ গোলাঘাট মহকুমাৰ বৰপথাৰ অঞ্চলৰ ধনশিৰি-দৈয়াঙৰ প্ৰাচীন কৃতিচিহ্ন সম্বন্ধে পঢ়ুৱৈসকলৰ আগত দাঙি ধৰা হ'ল।

উজনি অসমৰ ভিতৰত গোলাঘাটৰ বৰপথাৰ অঞ্চল বিশেষকৈ ধনশিৰি-দৈয়াং নদীৰ উপত্যকাৰ বৃহৎ অঞ্চলটো কিছুমান গুৰুত্বপূৰ্ণ পুৰাতাত্ত্বিক সমলেৰে ভৰি আছে। সেই অঞ্চলৰ বয়সস্থ বাসিন্দাৰ মুখত হাবিয়ে-বননিয়ে ধ্বংস স্তূপত

পৰিণত হৈ থকা পৌৰাণিক মঠ-মন্দিৰ, ৰাজবাৰী, আলি-পদূলি আৰু হিন্দুৰ বিভিন্ন দেৱ-দেৱী ( যেনে শিৱ, পাৰ্বতী, গণেশ, বিষ্ণু ) আদিৰ মূৰ্তি সিঁচৰতি হৈ থকা বুলি শুনা যায়।

১৯৭৪ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ নৃতত্ত্ব বিভাগৰ দল এটিৰ সৈতে গোলাঘাট অঞ্চলত অনুসন্ধান চলোৱা হৈছিল। সেই সময়ত কৰ্দৈগুৰিৰ বুঢ়াগোঁহাইৰ পৰিয়াল এটিয়ে দুবৰণিত পোৱা এটি শিলত খোদিত ময়ূৰ (?) চৰাইৰ মূৰ্তি নৃতত্ত্ব বিভাগক উপহাৰ দিয়ে। তাৰ পিছত ১৯৭৮ চনৰ মাৰ্চ মাহত এই লেখকে নৃতত্ত্ব বিভাগৰ কামত গোলাঘাটৰ বিভিন্ন অঞ্চললৈ যাওঁতে বৰপথাৰ কৰ্দৈগুৰিত দুটা ওচৰ-ওচৰিকৈ থকা ডিম্বাকৃতিৰ গাঁতৰ চিহ্ন দেখিবলৈ পায়। ইতিমধ্যে "নগাজৰী খনিকৰ গাঁও প্ৰস্তৰ খণ্ডলিপি"[1] আৱিষ্কৃত হোৱাৰ পিছত গোলাঘাট অঞ্চল জনাজাত হৈ পৰে।

(১) **কৰ্দৈগুৰি স্থলী :** -এই থলী বৰপথাৰ ৰেলৱে ষ্টেচনৰপৰা পশ্চিমলৈ ৩ কিঃ মিঃ দূৰত অৱস্থিত। ওপৰত উল্লিখিত ডিম্বাকৃতিৰ গাঁত দুটা ১২০ চেঃ মিঃ মানকৈ খন্দা হ'ল। গাঁত দুটা পোৰামাটিৰে পকা কৰা। গৃহস্থৰ মতে ১৯০৩ চনত বৰ্ত্তমান স্থানত ঘৰ সাজে। তাৰ আগতে সেই অঞ্চলটো বোলে অৰণ্যৰে ভৰা আছিল। ১৯৬২ চনত গৃহস্থই প্ৰথম গাঁত থকা ঠাইডোখৰ দেখে। গাঁত দুটা উৎখনন কৰি নিম্নোল্লিখিত সামগ্ৰীবোৰ উদ্ধাৰ কৰা হ'ল : যেনে (১) মৃৎপাত্ৰৰ খোলাকটি (২) ছাই আৰু (৩) এঙাৰ। খোলাকটিবোৰৰ আকাৰ আৰু বনোৱা পদ্ধতিলৈ চাই সেইবোৰ গুৱাহাটীৰ আমবাৰীৰ সামগ্ৰীসমূহতকৈ বেছি পুৰণি বুলি অনুমান হয়। অৱশ্যে ছাই আৰু এঙাৰৰ নমুনা 'ৰেডিঅ' কাৰ্বন্ ডেটিঙৰ কাৰণে আহমেদাবাদলৈ পঠোৱা হৈছে।

প্ৰথম উৎখনন স্থলীৰপৰা প্ৰায় ১ কিঃ মিঃমান আঁতৰত পশ্চিমফালে এঘৰ মানুহৰ মজিয়াৰ পৰা ক্ৰমান্বয়ে ওপৰলৈ উঠি আহিছে বুলি গৃহস্থই কয়। উক্ত ওখ ঠাইখিনি কৰ্দৈগুৰিত উৎখনন কৰা ডিম্বাকৃতিৰ গাঁতৰ নিচিনাই দেখা গ'ল। অৱশ্যে উৎখনন কাৰ্য নকৰা পৰ্যন্ত একো খাটাংকৈ ক'ব নোৱাৰি।

(২) **দুবৰণি স্থলী :** এই ঠাইখন বৰপথাৰ ৰেলৱে ষ্টেচনৰপৰা উত্তৰ-পূবে ৩ কিঃ মিঃমান দূৰত অৱস্থিত। স্থানীয় ৰাইজৰ মুখত এই ঠাইখনৰ নাম দুবৰণি বুলি শুনা যায়। ড° শইকীয়াৰ মতে ইয়াৰ নাম দুবৰিয়ণি[2]। কৰ্দৈগুৰিৰ ৺ কেশৱ বুঢ়াগোঁহাইৰ পৰিয়ালৰ মানুহে দুবৰণিৰ ৰাজবাৰী বোলা ঠাইত কিছুবছৰৰ আগৰপৰা বসতি কৰি আছে। ৰাজবাৰীখন প্ৰায় ৪০ বিঘামান মাটিৰ হ'ব। ৰাজবাৰীৰ চাৰিওফালে এটা ইটাৰ গড়ৰ ভগ্নাৱশেষ পোৱা যায়। ইয়াৰ ভিতৰত ২টা ঘৰৰ ভেঁটিৰ নমুনা আছে। গড়টোৰ বাহিৰত দক্ষিণফালে এটা দুবিঘামান মাটিৰে আগুৰা পুখুৰী আছে। এইবোৰ সমলে দুবৰণি ঠাইডোখৰৰ ঐতিহাসিক গুৰুত্ব বঢ়াইছে। প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে ১৯৩০ চন মানৰ আগলৈকে দুবৰণিৰ গোটেই অঞ্চলটোৱেই অটব্য অৰণ্যৰে ঢাকখাই আছিল।

**দুবৰণিৰ সামগ্ৰীসমূহ :** ৰাজবাৰী বা বজাবাৰীখনৰ ভিতৰত কেইবাঠাইটো উৎখনন কাৰ্য কৰি চাওঁতে এঠাইত ৯০ চেঃ মিঃৰপৰা ১২০ চেঃ মিঃ ভিতৰত এটা দ গাঁতত নিম্নোল্লিখিত সামগ্ৰীবোৰ পোৱা গৈছে : (১) মিহি শিলৰ টুকুৰাত খোদিত ব্ৰাহ্মীলিপিৰ আখৰ, (২) এছটা মিহি শিলত খোদিত এটা ৰাকলিযুক্ত মাছ। উৰ্বৰা শক্তি বৃদ্ধিৰ কাৰণে ৰাকলিযুক্ত মাছ খোদিত কৰাইছিল বুলি অনুমান হয়; তদুপৰি ইয়াত মৎস্য অৱতাৰৰ ধাৰণাও নিহিত থাকিব পাৰে। (৩) শিলৰ কঠা, (৪) শিলত খোদিত নানা ধৰণৰ জ্যামিতিক নক্সা ইত্যাদি। এইবোৰ সমলে এটা পুৰণি উচ্চ সভ্যতাৰ আভাস দিয়ে।

ব্ৰাহ্মীলিপিৰ অ, আ, ই, জ, ব, ৰ আখৰকেইটা ৬ষ্ঠ শতিকাৰ কামৰূপৰ ৰজা ভূতিবৰ্মনৰ বৰগংগাৰ শিলালিপিৰ[3] আখৰৰ সৈতে মিলে। ই, জ, ব আখৰকেইটাৰ আকৃতি ৫ম শতিকাৰ সুৰেন্দ্ৰবৰ্মন বা মহেন্দ্ৰবৰ্মনৰ উমাচল শিলালিপিৰ[4] আখৰৰ আকৃতিৰ নিচিনাও দেখা যায়। দুবৰণিৰ উৎখনন কৰা থলীত ভাস্কৰ্য-শিল্পৰ এটা কাৰখানা (Factory) আছিল বুলি অনুমান হয়। পূৰ্বতে শিলবোৰ কাৰ্বিআংলং পাহাৰৰপৰা ধনশিৰিয়েদি নাৱেৰে আনিছিল বুলি ধাৰণা জন্মে।

বজাবাৰীত পুৰণি ঘৰৰ ভেঁটি এটাৰ কিছু অংশ খান্দোতে প্ৰায় ৩০ চেঃ মিঃ তলত পোৰামাটিৰে নিৰ্মিত এটি সৰু পাত্ৰ পোৱা গৈছে। আন দুঠাইৰপৰা ৪০ চেঃ মিঃ তলত সৰু এযোৰ লোৰ ৬·৩ চেঃ মিঃ জোখৰ খুটিতাল আৰু দীঃ ৬ চেঃ মিঃ ×প্ৰঃ ১৩½ চেঃ মিঃ ৰ এখন শিলৰ পটা কিছুদিনৰ পূৰ্বে পোৱা গৈছিল। এই দুয়োটা সমল খলুৱালোকে আমাক উপহাৰ দিয়ে। তদুপৰি, বজাবাৰীত বিভিন্ন জোখ-মাখৰ ইটা ওলাইছে। ইটাৰ জোখ এইদৰে পোৱা যায়—ক) দীঃ ২১ চে মিঃ× প্ৰঃ ১৮ চেঃ মিঃ, খ) ২০ চেঃ মিঃ, ×২০ চেঃ মিঃ, গ) ২০ চেঃ মিঃ× ১৫ চেঃ মিঃ, ঘ) ২০ চেঃ মিঃ× ১০ চেঃ মিঃ। এই জোখবোৰ অৰুণাচলৰ ভীষ্মক নগৰত থকা ইটাৰ জোখৰ সৈতে প্ৰায় একে। ভীষ্মক নগৰৰ ইটা আৰু আন সমলবোৰ প্ৰাক্-আহোম যুগৰ বুলি অনুমান কৰা হৈছে আৰু সেই হিচাপে দুবৰণিৰ ইটাবোৰ প্ৰাক্-আহোম যুগৰ বুলি ধৰিব পাৰি।

(৩) **ওপৰ লাংথা স্থলী :** বৰপথাৰ ৰেলৱে ষ্টেচনৰপৰা প্ৰায় ১৫ কিঃ মিঃ মান দূৰৈত খ্ৰীষ্টিয়ান গাঁও ওপৰ লাংথা অৱস্থিত। এঘৰ মানুহৰ বাৰীৰ পিছফালে প্ৰায় ৪ মিটাৰমান ওখ আৰু ১ কঠা মান মাটিৰে আগুৰি থকা এটা হাঁফলু আছে। ঠাইখন সৰু হাবিৰে ভৰা। গৃহস্থৰ মতে এবছৰমান আগতে কেইজনমান মানুহে সেই ঠাইৰপৰা শিৱলিংগ এটা লৈ গৈ দুবৰণিৰ ওচৰত থকা শিৱমন্দিৰত জমা দিয়ে।

এই ঠাইখনৰ এটা অংশ খান্দোতে তলত উল্লেখ কৰা পুৰাতাত্ত্বিক সমলবোৰ পোৱা হ'ল : (১) শিৱলিংগৰ লগত জড়িত থকা শিলৰ এটা লোব। ইয়াৰ দীঘ ১৫৫ চেঃ মিঃ আৰু প্ৰস্থ ৫৪ চেঃ মিঃ (২) পোৰামাটিৰে নিৰ্মিত এটা সিংহ। এই সিংহৰ মূৰ্তিটো অসমৰ পুৰাতত্ত্ব ভঁড়াললৈ এটি অতুলনীয় অৱদান। (৩) পোৰামাটিৰে তৈয়াৰী ফুলাম পোছাক পৰিহিতা এগৰাকী নাৰী মূৰ্তিৰ ককালৰপৰা তলৰ অংশ। (৪) নৃত্য ভংগীমাত থকা পোৰামাটিৰে নিৰ্মিত এগৰাকী নাৰীৰ এখন অলংকৃত হাত। উপৰোক্ত পোৰামাটিৰ দুয়োটা অংশ একেগৰাকী নাৰীৰে বুলি অনুমান হয়। (৫) পোৰামাটিৰে নিৰ্মিত ভাঙেমান ফুলবছা ভগ্নাংশ ঠাইডোখৰৰপৰা উদ্ধাৰ কৰা হৈছে।

[1] ডঃ মুকুন্দমাধৱ শৰ্মা, 'নগাজৰী খনিকৰ গাঁও প্ৰস্তৰ খণ্ডলিপি' ( শ্ৰীনগেন শইকীয়া সম্পাদিত 'অধ্যয়ন পৰিচয়,' ১৯৭৮, পৃ ১৬১)।

[2] ড° মোহিনীকুমাৰ শইকীয়া 'গোলাঘাটৰ প্ৰত্নতাত্ত্বিক সমল ' (শ্ৰীহেম বৰা সম্পাদিত ,ধনশিৰি ১৯৭৮, পৃঃ ৩৬)।

[3] Dr. T. P. Verma, Development of script in Ancient Kamrupa, 1976, P 47.

[4] Ibid, P. 46.

উৎখননৰ ফলত পোৱা বিভিন্ন ভগ্নাৱশেষবোৰলৈ লক্ষ্য কৰিলে সেই স্থানত এটা শিৱমন্দিৰ আছিল বুলি ধাৰণা হয়। পোৰামাটিৰে নিৰ্মিত নাচনীৰ ভংগীমাত থকা নাৰীমূৰ্ত্তিৰ অংশবোৰ অৰুণাচলৰ ভীষ্মক নগৰ আৰু তাম্ৰেশ্বৰী মন্দিৰৰ ধ্বংসাৱশেষ সমলৰ লগত কিছু পৰিমাণে মিল থকা দেখা যায়। এইখিনিতে উল্লেখ কৰিব পাৰি যে ভীষ্মক নগৰৰ প্ৰত্নতাত্ত্বিক সমলবোৰ প্ৰাক্-আহোম যুগৰ বুলি ধাৰণা কৰা হৈছে। ওপৰ লাংথাৰ ইটাৰ জোখবোৰ দুবৰণিৰ ইটাৰ জোখৰ লগত প্ৰায় মিল দেখা যায়। গতিকে সেই স্থানো প্ৰাক্ আহোম যুগৰ বুলি ক'ব পাৰি।

(৪) টেঙানি বনাঞ্চল স্থলী: বৰপথাৰ ৰেলৱে ষ্টেচনৰপৰা প্ৰায় ১০ কিঃ মিঃমান উত্তৰ-পূবে এখন বজাবাৰী পোৱা যায়। বাৰীখন প্ৰায় ২০ বিঘামান মাটিৰ হ'ব। ইয়াৰ প্ৰায় চাৰিওফালে বহলে ১০০ মিটাৰমানৰ এটা খালে ঘেৰি আছে। উত্তৰ-পূবফালে জলযাত্ৰাৰ আৰু উত্তৰফালে স্থল-যাত্ৰাৰ কাৰণে দুটা পথৰ চিহ্ন পোৱা যায়।

বজাবাৰী পুৰাতাত্ত্বিক সমলবোৰৰ ভিতৰত এটা শিলৰ মধ্যমস্থানত বিষ্ণুমূৰ্ত্তি, (?) কাষত সোঁফালে গণেশ আৰু বাঁওফালে কাৰ্ত্তিকক (?) খোদিত কৰা হৈছে। তদুপৰি ইয়াৰ চাৰিওফালে পৰীৰ মূৰ্ত্তিও খোদিত কৰা দেখা যায়। মূৰ্ত্তিৰ তলত সাতোটা ঘোঁৰা ধুনীয়াকৈ খোদিত কৰা আছে। সেইকাৰণে কিছুমান দৰ্শকে ইয়াক সপ্তৰথী বোলে। শিলত খোদিত কৰা এটা ডাঙৰ শংখও ঠাইখোৰৰ পোৱা যায়। এই মূৰ্ত্তিটো বৰ্ত্তমান টেঙানি গাঁৱৰ থলুৱা মানুহে এটি ওখ টিলাত প্ৰতিষ্ঠা কৰি বিষ্ণু দেৱতা বুলি মাজে-সময়ে বন্তি জ্বলাই প্ৰাৰ্থনা জনায়। মূৰ্ত্তিবোৰ বোধকৰো প্ৰাকৃতিক দুৰ্যোগৰ-দ্বাৰা পীড়িত হোৱাত সেইবোৰ নিখুঁতভাৱে চিনাক্তকৰণ কৰিব পৰা নহ'ল। এই বজাবাৰীৰ বাহিৰত উত্তৰফালে কেইবাটাও শিল আছে আৰু তাৰ এটাৰ ওপৰত আধৰুৱা হিচাপে মূৰ্ত্তি কটাৰ চিহ্ন আছে।

(৫) তেলিশাল স্থলী: বৰপথাৰ ৰেলৱে ষ্টেচনৰ-পৰা অলপ উত্তৰ-পূবলৈ প্ৰায় ৩০ কিঃমিঃ দূৰৈত দৈয়াং বনাঞ্চলৰ অন্তৰ্গত দৈয়াং নদীৰ পাৰত তেলি-শাল অৱস্থিত। ইয়াত শিলত খোদিত এগৰাকী দেৱীমূৰ্ত্তি, শিৱলিংগ আৰু বহুতো আধৰুৱাভাৱে শিলত কটা পুৰাতাত্ত্বিক সামগ্ৰী পৰি আছে। তেলিশালৰপৰা প্ৰায় ১ কিঃ মিঃমান পূবলৈ বিষ্ণুপুখুৰীৰ ওচৰত বিষ্ণুমন্দিৰ আৰু তাৰপৰা উত্তৰ-পূবলৈ জয়পুখুৰী অৱস্থিত। এই দৈয়াং বনাঞ্চলৰ প্ৰায় সৰহভাগ ঠাইতে গোৱাল-পাৰাৰপৰা ভাগি অহা বড়ো-কছাৰী সম্প্ৰদায়ৰ লোকসকলে নতুনকৈ বসবাস কৰিবলৈ লৈছে। তেওঁলোকে মাজে-সময়ে উপৰোক্ত দেৱ-দেৱীক উপাসনা কৰে।

৬। পাভজান স্থলী: এই থলীটো বৰপথাৰ ৰেলৱে ষ্টেচনৰপৰা পূবলৈ প্ৰায় ১ কিঃ মিঃমান দূৰৈত পাভজান চাহবাগিচাৰ মাজত অৱস্থিত। ইয়াত শিলত খোদিত এগৰাকী ডাঙৰ দেৱীমূৰ্ত্তি পোৱা যায়। ধদ, বৰষুণ, বতাহ আদি প্ৰাকৃতিক দুৰ্যোগত মূৰ্ত্তিটো প্ৰায় নষ্ট হৈছে। থলুৱালোকে মাজে-সময়ে তেওঁলোকৰ উদ্দেশ্য সাধনৰ অৰ্থে দেৱীক প্ৰাৰ্থনা জনায়। থলুৱালোকে কয় যে শিলৰ মূৰ্ত্তি এটা কেইজন-মান ল'ৰাই উঠাই নি ভগৱান চাহ বাগিচাৰ স্কুলৰ ওচৰত এজোপা গছৰ তলত ৰাখি থৈছিল। সেই ঠাইৰ মানুহে শিৱ (?) বুলি পূজাও কৰিছিল। মূৰ্ত্তিটো ভগৱান চাহ বাগিচাৰ মেনেজাৰে আমাৰ দান দিলে। মূৰ্ত্তিটো নষ্ট হোৱাৰ কাৰণে তাৰ প্ৰকৃত পৰিচয় নিৰ্ধাৰণ কৰা টান হৈছে।



এই পুৰাতাত্ত্বিক অসম্পূৰ্ণ সমলবোৰক লৈ এতিয়াও কোনো এটা সঠিক সিদ্ধান্তলৈ অহা কঠিন। তথাপি, ব্ৰাহ্মীলিপিৰ কেইটামান আখৰ ৬ষ্ঠ শতিকাৰ বৰগংগা শিলালিপিৰ আখৰৰ সৈতে মিলে। সেইকাৰণে আমি 'দুবৰণি শিলালিপি' ৬ষ্ঠ শতিকাৰ বুলি ক'ব পাৰোঁ।

এই প্ৰসংগত এটা প্ৰশ্ন উঠে যে উক্ত শতিকাত কোন গোষ্ঠীৰলোকে সেই অঞ্চলত বসতি কৰিছিল আৰু তাত প্ৰাচীন সভ্যতাৰ পাতনি মেলিছিল? এই সম্পৰ্কে ড° শৰ্মাই মন্তব্য কৰিছে: 'যি ক্ষেত্ৰত উমাচল-লিপিয়ে গুৱাহাটী অঞ্চললৈ আৰু বৰগংগালিপিয়ে নগাঁৱৰ ডবকা অঞ্চললৈ আৰ্য সংস্কৃতিৰ বিস্তৃতিৰ কথা সূচনা কৰে সেই ক্ষেত্ৰত বৰ্ত্তমান লিপিখনৰ (নগাজৰী খনিকৰ গাঁও প্ৰস্তৰ খণ্ডলিপি) পৰাই পঞ্চম শতিকাৰ আদিভাগমানতেই উজনি অসমৰ অন্ততঃ সৰুপথাৰ অঞ্চললৈকে আৰ্য সংস্কৃতিৰ প্ৰসাৰ ঘটাৰ বিষয়ে নিশ্চিত প্ৰমাণ লাভ কৰা যায়।' * অৱশ্যে অতি কম সংখ্যক শিলালিপিৰ ওপৰত ভিত্তি কৰি এটা সভ্যতাৰ পৰিচয় পোৱা টান।

আহোম সভ্যতাৰ আগছোৱাত প্ৰধানকৈ উজনি অসমত চুতীয়া আৰু কছাৰী জনগোষ্ঠীৰ সভ্যতা বিস্তৃত হৈছিল বুলি জনা যায়। অৱশ্যে আৰ্যসকলৰ সংস্পৰ্শলৈ যে চুতীয়াসকল আহিছিল সেই কথাও সত্য। পিছে তেওঁলোকৰ মাজত আদান-প্ৰদান কোন শতাব্দীত হৈছিল তাক খাটাংকৈ কোৱা কঠিন। দৈয়াং-ধনশিৰি উপত্যকাত যিবোৰ দেৱ-দেৱীৰ মূৰ্ত্তি পোৱা হৈছে সেইবোৰৰ ভিতৰত শিৱ-পাৰ্বতী, গণেশ-কাৰ্ত্তিক, শিৱলিংগ, বৃষৰ-বিষ্ণু আদিয়ে প্ৰধান। সেইবোৰলৈ লক্ষ্য কৰিলে চুতীয়াসকলৰ ভিতৰত দেউৰী-চুতীয়াৰ দিবঙীয়া ফৈদৰ মানুহে এতিয়াও তেওঁলোকৰ গাঁৱে গাঁৱে দেওশাল পাতি পূজা কৰা দেৱ-দেৱী যেনে—কুণ্ডি মামা(গিৰা গিৰাচি,) আৰচি, কুণ্ডীয়-পিচা চাইগুৰু কুণ্ডি, কৌৱৰ কুণ্ডি, চুণকেতেৰী, নুমলী কুঁৱৰী আদিৰ মিল থকা পৰিলক্ষিত হয়। ইয়াৰ উপৰিও দেউৰী-চুতীয়াসকলে অনেক দেৱ-দেৱীক পূজা-অৰ্চনা কৰে। * দেউৰী-চুতীয়াৰ দেৱ-দেৱীবোৰ কালক্ৰমত আৰ্য-হিন্দুৰ প্ৰভাৱত এনে বুলি ধাৰণা কৰাও লক্ষ্য কৰা যায়।

ওপৰ লাংথাৰ স্থলীৰপৰা সংগ্ৰহ কৰা কেইটামান সামগ্ৰীৰ ছবি অৰুণাচলৰ লোহিত জিলাৰ তাম্ৰেশ্বৰী মন্দিৰৰ সমলৰ লগত কিছু মিল থকা দেখা যায়। মুঠতে গোলাঘাটৰ পুৰাতাত্ত্বিক সমলবোৰ প্ৰাক্-আহোম যুগৰ বুলি ক'ব পাৰি। অৱশ্যে পিছলৈ আহোম যুগৰ সভ্যতা-সংস্কৃতিয়ে সেই অঞ্চলতো প্ৰভাৱ নেপেলোৱাকৈ থকা নাই।

২৪৮১-৮৪/৮৭

উপৰোক্ত পুৰাতাত্ত্বিক তথ্যসামগ্ৰীৰপৰা আমি অন্ততঃ ক'ব পাৰোঁ যে দৈয়াং-ধনশিৰি উপত্যকাৰ সভ্যতা তথা অসমৰ সভ্যতা অতি প্ৰাচীন। এই সভ্যতালৈ জনজাতি-অজনজাতি সকলো জন-গোষ্ঠীৰ (যেনে চুতীয়া, কছাৰী, আহোম, কোঁচ, কলিতা, কায়স্থ, ব্ৰাহ্মণ প্ৰভৃতি) অৱদান বিদ্যমান। আৰ্য সভ্যতা, চুতীয়া সভ্যতা, কছাৰী সভ্যতা আৰু আহোম সভ্যতাৰ ছিন্ন আঁতডাল সদ্য আৱিষ্কৃত দুবৰণি শিলালিপি আৰু অন্যান্য পুৰাতাত্ত্বিক সমল-বোৰে জোৰা লগাব বুলি আমাৰ বিশ্বাস। অৱশ্যে দুবৰণি আৰু দৈয়াং-ধনশিৰি উপত্যকাত ব্যাপক খনন কাৰ্য চলালে অনেক আপুৰুগীয়া পুৰাতাত্ত্বিক সমল যে ওলাব তাত কোনো সন্দেহ নাই।

—০—

* ড° মুকুন্দ মাধৱ শৰ্মা, 'নগাজৰী খনিকৰ গাঁও প্ৰস্তৰখণ্ডলিপি, (অধ্যয়ন পৰিচয়, পৃঃ ১৬৫)।
* Dr. P. C. Saikia, 'The Dibongiya' 1976 PP 53-54.

ড° হেমন্তকুমাৰ শৰ্মা

# অসমীয়া সাহিত্য-সংস্কৃতিলৈ মুছলমানসকলৰ বৰঙনি

অসমত মুছলমানসকলৰ প্ৰথম আগমন হয় ১২০৬ খৃষ্টাব্দত। এই চনতে মহমদ বিন বখ্‌তিয়াৰে অসম আক্ৰমণ কৰি পৰাজয় বৰণ কৰে। ইয়াৰ পিছত ১২২৭ চনৰপৰা ১৬৮২ চনৰ ভিতৰত মুছলমান সৈন্যই যোলবাৰ অসম আক্ৰমণ কৰে। এই আক্ৰমণবোৰৰ ফলস্বৰূপেই বিভিন্ন সময়ত ভালেমান মুছলমান সৈন্য বা বিষয়া হয় বিজেতাৰূপে, নহয় বন্দী-ৰূপে অসমত স্থায়ীভাৱে থাকি অসমৰে জীয়ৰী বিয়া কৰাই অসমৰ জীৱনৰ লগত নিজক মিলাই দিছিল। বহু সময়ত আহোম ৰজাসকলে শিল্প আদিৰ সমৃদ্ধিৰ কাৰণে ভাটীদেশৰপৰা কিছুমান বিষয়ত নৈপুণ্য থকা মুছলমান লোকক অসমলৈ আনি নিগাজীকৈ থাপিছিল। বহু থলুৱা লোক সামাজিক কাৰণত ইছলাম ধৰ্মত দীক্ষিত হৈছিল। অৰ্থনৈতিক কাৰণত ইংৰাজ ৰাজত্বকালত আৰু স্বৰাজোত্তৰ যুগতো বিহাৰ, বিশেষকৈ পূৰ্ববংগৰপৰা (বৰ্তমান বাংলাদেশ) অসংখ্য মুছলমান লোক আহি অসমৰ কৃষি-প্ৰধান অঞ্চলত নিগাজীকৈ বসতি কৰি স্থানীয় লোকৰ সুখ-দুখৰ লগতে নিজৰ সুখ-দুখ মিলাই দিয়ে; স্থানীয় লোকৰ ভাষা-সাহিত্যক নিজৰ ভাষা-সাহিত্য বুলি সাদৰি লয়।

আহোম ৰাজত্বকালত ভালেমান মুছলমানলোকক আহোম ৰজাই বৰা, শইকীয়া, হাজৰিকা, ফুকন, বৰুৱা আদি উচ্চ বিষয়-বাব দিয়াৰপৰা অনুমান কৰিব পাৰি যে মুছলমানসকল হিন্দুসকলৰ দৰে আহোম ৰজাৰ বিশ্বাসভাজন হ'ব পাৰিছিল। উল্লেখযোগ্য যে শৰাইঘাটৰ যুদ্ধত ইচমাইল চিদ্দিকি ওৰফে বাঘ হাজৰিকাই পালী সেনাপতিৰূপে মোগলৰ বিৰুদ্ধে যুঁজি অসমৰ গৌৰৱ ৰক্ষাৰ ক্ষেত্ৰত অৰিহণা যোগাইছিল। ১৮৫৭ চনত দেশৰ স্বাধীনতাৰ কাৰণে প্ৰাণ আহুতি দিয়া মণিৰাম দেৱানৰ লগত মন্ত্ৰণা কৰাৰ ফলস্বৰূপেই বাহাদুৰ গাঁওবুঢ়াই কলীয়াপানীত নিৰ্যাতন ভুগিছিল।

ত্ৰয়োদশ শতিকাৰ আদি ভাগৰপৰা আজি বিংশ শতিকাৰ শেষ ভাগলৈকে প্ৰায় ছশ বছৰৰো অধিক-কাল জুৰি মুছলমান লোকসকলে এফালে যেনেকৈ থলুৱা ভাষা-সাহিত্য, কলা-কৃষ্টি নিজৰ বুলি সাদৰি লৈছে, আনফালে তেনেকৈ তেওঁলোকৰ যোগেদিয়ে ইছলামীয় ভাষা-সাহিত্য আৰু কলা-কৃষ্টিৰ প্ৰভাৱ অসমীয়া ভাষা-সাহিত্য আৰু কলা-কৃষ্টিৰ ওপৰত পৰিছে। ফলত থলুৱা আৰু ইছলামীয় সাহিত্য-সংস্কৃতিৰ সমন্বয়ত আজিৰ অসমীয়া সাহিত্য-সংস্কৃতি নিপোটল আৰু বৰ্ণাঢ্য হৈ পৰিছে।

অসমৰ মুছলমানসকলৰ যোগেদি ভালেমান আৰবী আৰু ফাৰ্চী শব্দ অসমীয়া ভাষাত সোমাই অসমীয়া





ভাষাৰ শব্দ-ভঁৰাল চহকী কৰিছে। অসমীয়া ভাষাত আৰ্‌বী-ফাৰ্চী শব্দ অবাধিতভাৱে ব্যৱহাৰ হোৱাৰ প্ৰধান কাৰণবোৰ হ'ল: আহোম ৰজাসকলে মুছলমান বাদছাহসকলৰ ফাৰ্চী ভাষাত লিখা চিঠি-পত্ৰ পঢ়াৰ কাৰণে বা সিসকললৈ ফাৰ্চী ভাষাত চিঠি লিখি দিবৰ কাৰণে ৰাজদৰবাৰত কিছুমান মুছলমান বিষয়া ৰাখিছিল। ইয়াৰ উপৰি আহোম ৰজা-ৰাণীয়ে মুছলমান বিষয়াৰ হতুৱাই ফাৰ্চী আখৰেৰে মুদ্ৰা মৰোৱাইছিল। মুছলমান বাদছাহ-নবাবৰ লগত সম্বন্ধ অটুট ৰক্ষাৰ অৰ্থে বহু উচ্চ হিন্দুৱে আৰবী-ফাৰ্চী শিকিছিল আৰু আৱশ্যক মতে নিজৰ ভাষাত সেই ভাষাৰ শব্দ প্ৰয়োগ কৰিছিল। অসমত নিগাজীকৈ বাস কৰা মুছলমানসকলেও দৈন-ন্দিন জীৱনত আৰবী-ফাৰ্চী শব্দও ব্যৱহাৰ কৰিছিল।

কালক্ৰমত অজস্ৰ আৰবী-ফাৰ্চী শব্দ অসমীয়া ভাষাত তৎসম আৰু তদ্ভৱৰূপে ঠাই লৈ অসমীয়া ভাষাৰ সৌষ্ঠৱ বৃদ্ধি কৰিছে। এই আৰবী-ফাৰ্চী ভাষাৰ শব্দৰাজি ৰাজকীয় বিষয়াসকলৰ উপৰিও প্ৰাক্-শংকৰী আৰু শংকৰী যুগৰ কবিসকলেও উদাৰভাৱে গ্ৰহণ কৰিছিল। আব্দুছ ছাত্তাৰ ডাঙৰীয়াই "সংমিশ্ৰণত অসমীয়া সংস্কৃতি" গ্ৰন্থত আৰবী-ফাৰ্চী শব্দৰ এখন বিস্তৃত তালিকা দিছে। এই শব্দসমূহক এনেদৰে কেইটামান শ্ৰেণীত বিভক্ত কৰিব পাৰি:

(১) ইছলাম ধৰ্ম সম্পৰ্কীয় শব্দ: আল্লা, ইছলাম, নামাজ, খোদা, মছ্‌জিদ ইত্যাদি।

(২) খাদ্য-বস্তুৰ নাম: পাৰাথা, পোলাও, বৰ্ফি, নকুলদানা, খিচ্‌মিচ, ময়দা, হালোৱা ইত্যাদি।

(৩) বিলাসৰ সামগ্ৰী বুজোৱা শব্দ: আতৰ, আয়না, গোলাপ, মখমল, গাজৰ, কমাল ইত্যাদি।

(৪) সংগীত আৰু বাদ্যযন্ত্ৰ সম্বন্ধীয় শব্দ: চেতাৰ, সৰোদ, তবলা, গজল, ওস্তাদ, ইমন ৰাগ, ইনম ভূপালী ইত্যাদি।

(৫) শিক্ষা-সাহিত্য সম্বন্ধীয় শব্দ: কিতাপ, কাগজ, কলম, তৰ্জমা, মুন্সী, হৰফ ইত্যাদি।

(৬) শাসন আৰু আইন বিষয়ক শব্দ: বাদচাহ, নবাব, উজীৰ, চিপাহী, খাজনা, উকীল, আদালত, আইন, হাকিম ইত্যাদি।

(৭) সাধাৰণ বস্তু আৰু ভাৱ নিৰ্দেশক শব্দ: আন্দাজ, আফচোচ, খবৰদাৰ, খানা, খোৰাক, দোকান, চাদৰ ইত্যাদি।

(৮) গালিৰূপে ব্যৱহাৰ হোৱা শব্দ: জহদ, বজ্জাত, হাৰামজাদা, বেইমান, দগাবাজ ইত্যাদি।

(৯) ভালেমান আৰবী-ফাৰ্চী শব্দ অপভ্ৰংশ হৈ বা আন অসমীয়া ধাতু বা শব্দৰ লগলাগি অসমীয়া যুৰীয়া শব্দ আৰু খণ্ডবাক্যৰ সৃষ্টি হৈছে। যেনে, জোৰ-জুলুম, আদব-কায়দা, নৰম-গৰম, ৰাজ-দৰবাৰ, হাট-বজাৰ, নিমখ হাৰাম কৰা, মছগুল হোৱা ইত্যাদি।

(১০) আৰবী-ফাৰ্চী শব্দ মিহলি কিছুমান প্ৰবাদ-পটন্তৰৰো সৃষ্টি হৈছে। যেনে, (ক) জোৰ যাৰ মুলুক তাৰ। (খ) মোল্লাৰ দৌৰ মচ্‌জিদ পৰ্যন্ত।

উক্ত নিদৰ্শনবোৰৰপৰা এইটোৱে প্ৰতীয়মান হয় যে আৰবী-ফাৰ্চী শব্দই অসমীয়া ভাষা-সাহিত্যক যথেষ্ট চহকী কৰিছে; কিন্তু অসমীয়া ভাষাত কিমান আৰবী-ফাৰ্চী শব্দ সোমাই আছে তাক জনাৰ উপায় নাই। আমি আশাকৰোঁ, এই বিষয়ে জৰীপ হ'ব লাগে। এনে জৰীপে অসমীয়া ভাষাত ব্যৱহৃত আৰবী-ফাৰ্চী শব্দমালাৰ বিতং তালিকা দিয়াৰ উপৰিও ভালেমান তদ্ভৱ শব্দৰ মূল বিচাৰি উলিওৱাত সহায় কৰিব।

অসমীয়া সাহিত্যৰ ক্ষেত্ৰতো মুছলমান সমাজে বুজন পৰিমাণৰ দান আগ বঢ়াইছে। এই প্ৰসংগত পোনতে মনত পৰে আহোম ৰাজত্ব-কালত আজান ফকীৰ, চান্দসাই, ছেখ ফৰীদ, মুনীয়া দেৱান প্ৰমুখ্যে ভালেমান মুছলমান কবিয়ে ৰচনা কৰা জিকিৰ আৰু জাৰীসমূহলৈ। আজান ফকীৰক সপ্তদশ

শতিকাৰ আদি ভাগৰ লোক বুলি অনুমান কৰা হৈছে। অকল আজান চাহাবেই হেনো আঠকুৰি জিকিৰ ৰচনা কৰিছিল। জিকিৰ শব্দৰ অৰ্থ কীৰ্ত্তন। এনে গীতত ইছলাম ধৰ্মৰ ৰীতি-নীতি আৰু জীৱন-মৰণ সম্পৰ্কীয় তত্ত্বসমূহ বৰ্ণিত হৈছে। গীতবোৰত অসমীয়া লোকগীত আৰু বৈষ্ণৱ সাহিত্যৰ অনুকৰণ লক্ষ্যণীয়। জাৰীবোৰ হৈছে কৰুণ ৰসসিক্ত গীত। ইয়াৰ মূল অৰ্থ হৈছে বিলাপ। অন্যান্য লোকগীতৰ দৰে জিকিৰ আৰু জাৰীসমূহো মানুহৰ মুখে মুখে চলি আহিছে। ইয়াৰে কিছুমান চৈয়দ আব্দুল মালিক ডাঙৰীয়াই 'জিকিৰ আৰু জাৰী' গ্ৰন্থত সন্নিবিষ্ট কৰিছে। অনুসন্ধিৎসু ব্যক্তিসকলে অসমৰ বিভিন্ন অঞ্চলত অনুসন্ধান চলালে আৰু কিছুসংখ্যক জিকিৰ-জাৰী সংগ্ৰহ কৰিব পাৰিব বুলি আমাৰ বিশ্বাস। আহোম যুগত ইছলামী প্ৰভাৱযুক্ত তিনিখন কাব্য পোৱা যায়। কাব্য তিনিখন হ'ল : দ্বিজৰামৰ "মৃগাৱতী-চৰিত্ৰ বা চাহাপৰী-উপাখ্যান", অজ্ঞাত কবিৰ 'মধুমালতী' আৰু পশুপতি দ্বিজৰ "চন্দ্ৰাৱলী-বিশ্বকেতু"। 'মৃগাৱতী-চৰিত্ৰ'ৰ কাহিনীৰ লগত জৌনপুৰৰ কবি কুতুবনে ১৫১২ খৃষ্টাব্দত অৱধী ভাষাত ৰচা 'মৃগাৱতী'ৰ কাহিনীৰ সাদৃশ্য আছে। চুফী কবি মঞ্জনৰ 'মধুমালতী'ৰ কাহিনীৰ অৱলম্বনত অসমীয়া 'মধুমালতী' ৰচিত হৈছে। বৈষ্ণৱ কাব্যৰ ঠাঁচত ৰচিত কাব্য তিনিখনে অসমীয়া সাহিত্যত চুফীবাদ তথা ইছলামীয় সাহিত্যৰ প্ৰভাৱৰে ইংগিত দিয়ে। এইদৰে গোৱালপাৰা জিলাত প্ৰচলিত পীৰ-ফকীৰৰ গীত, দেহতত্ত্বৰ গীত, সত্যপীৰৰ গীত আদিত ইছলামীয় প্ৰভাৱৰ লগতে হিন্দু-মুছলমান সংস্কৃতিৰ এটি সুন্দৰ সমন্বয় দেখা যায়।

ঊনবিংশ শতিকাৰ আদি ভাগত আব্দুল জালাল জোলকাদ আলি চুফী চাহেব ( ১৭৯৮-১৮৯১) নামে শিৱসাগৰৰ এজন লেখকে আৰবী লিপিত অসমীয়া গদ্যত "তৰিকুল হক ফি বয়ানে নুৰুল হক" ( অৰ্থ : সত্যৰ পোহৰৰ বৰ্ণনাত সত্যৰ পথ ) আৰু 'বিবি বেমিয়াৰ জীৱনী' নামে দুখন পুথি লিখে। প্ৰথম পুথিখন 'সত্যৰ পথ' নাম দি ১৯৬৭ চনত অসমীয়া হৰফত প্ৰকাশ কৰে লেখকৰ নাতিয়েক মৌলবী ছালেহ কাজিম চাহেবে। 'সত্যৰ পথ' পুথিখন অসমীয়া গদ্য সাহিত্যৰ ক্ৰম-বিকাশৰ ধাৰা আৰু গদ্য-শৈলী নিৰ্ণয়ৰ ক্ষেত্ৰত সহায়ক হ'ব বুলি আমাৰ বিশ্বাস। ইয়াত ঊনবিংশ শতিকাৰ আগ ভাগত কথিত অসমীয়া ভাষাৰ ঠাঁচ আৰু শব্দ পৰিলক্ষিত হয় বুলি অধ্যাপক শ্ৰীযতীন্দ্ৰমোহন ভট্টাচাৰ্যদেৱে মন্তব্য কৰিছে। সুসাহিত্যিক শ্ৰীআব্দুছ ছাত্তাৰ ডাঙৰীয়াই 'সংমিশ্ৰণত অসমীয়া সংস্কৃতি' নামৰ গ্ৰন্থত পুথিখনৰ এটি থূলমূল পৰিচয় দাঙি ধৰিছে। তথাপি গ্ৰন্থখনৰ বিশেষত্বৰ প্ৰতি অসমীয়া ভাষা-সাহিত্যৰ পণ্ডিত-সকলে দৃষ্টিপাত কৰিব বুলি আশা কৰা হ'ল।

অসমীয়া সাহিত্যৰ 'অৰুনোদই' যুগত (১৮৪৬-১৮৮২) মুছলমান লেখকৰ কিবা সাহিত্যিক অৱদান আছে যদি সেই বিষয়ে আমি সবিশেষ জানিব পৰা নাই। অৱশ্যে মুনছী কেফায়ৎ উল্লাই অৰুনোদই কাকতত নীতিকথা, জ্ঞানী-অজ্ঞানীৰ চৰিত্ৰ বৰ্ণনা আদি আলচ লিখিছিল। অসমীয়া সাহিত্যৰ ৰোমাণ্টিক যুগ আৰম্ভ হয় ১৮৮৯ চনৰপৰা। প্ৰায় অৰ্ধ শতিকা ব্যাপী থকা এই কালছোৱা অসমীয়া সাহিত্যৰ এক স্বৰ্ণমণ্ডিত যুগ। এই যুগত পাশ্চাত্য সাহিত্যৰ আদৰ্শত অসমীয়া সাহিত্যত ৰচিত হয় ৰোমাণ্টিক ভাৱধাৰাৰে পৰিপুষ্ট খণ্ড-কবিতা, চুটি গল্প, উপন্যাস, নাটক আদি। জীৱনী, ভ্ৰমণ সাহিত্য, ব্যংগ আৰু সমা-লোচনামূলক গদ্য সাহিত্য, সংবাদ-সাহিত্যও এই যুগৰেই বিশিষ্ট দান। অসমীয়া ৰোমাণ্টিক যুগৰ অন্তত অৰ্থাৎ বৰ্তমান শতিকাৰ পঞ্চম দশকৰপৰা অসমীয়া সাহিত্যত বিষয়বস্তু আৰু ৰচনাৰীতিৰ এক পৰিবৰ্ত্তন



ঘটে। অসমীয়া সাহিত্যত ৰোমাণ্টিক ভাৱধাৰাৰ ঠাই অধিকাৰ কৰিলে মাৰ্ক্সীয় আৰু ফ্ৰয়েডীয় চিন্তা-ধাৰাই। বিবিধ সুৰীয়া ছন্দোবদ্ধ কবিতাৰ সলনি ৰচিত হ'বলৈ ধৰিলে মুক্তক ছন্দৰ কবিতা। নাট্য সাহিত্যয়ো নতুন ৰূপ পৰিগ্ৰহ কৰিলে। ৰোমাণ্টিক যুগৰ কল্পনাপ্ৰৱণ সাহিত্যৰ ঠাইত এই যুগত সৃষ্টি হ'ল বাস্তৱতাবাদী সাহিত্য।

উল্লিখিত ৰোমাণ্টিক আৰু সাম্প্ৰতিক সাহিত্যত মুছলমান কবি-সাহিত্যিকসকলৰ দান-বৰঙনিও প্ৰণিধানযোগ্য। ঊনবিংশ শতিকাৰ শেহ ভাগত মফিজুদ্দিন আহমদ হাজৰিকাই প্ৰাঞ্জল অসমীয়া ভাষাত 'জ্ঞান মালিনী 'আৰু 'তত্ত্ব-পাৰিজাত' কবিতাপুথিৰ যোগেদি আধুনিক অসমীয়া সাহিত্যলৈ চুফীবাদ আমদানি কৰে। এওঁৰ প্ৰায় সমসাময়িক কবি চুলেই-মান খাঁৰ 'কবিতা-পুথি ' অসমীয়া শিশু-সাহিত্যলৈ এক বিশিষ্ট দান। গীত আৰু কবিতা লিখি খ্যাতি অৰ্জন কৰা কেইজনমান কবি হ'ল হেবাচৎ উল্লা, মহমদ ইব্ৰাহীম আলি, জমিৰুউদ্দিন আহমদ, আব্দুছ ছাত্তাৰ, তফজ্জুল আলি, ফাতেমা খাতুন, আলিমুন্নিছা পিয়াৰ, ছৈয়দ্দিন, নুৰুল হক, আনিছ-উজ জামান, এলি আহমেদ ইত্যাদি। প্ৰসিদ্ধ কথা-সাহিত্যিক চৈয়দ আব্দুল মালিকেও 'মই অসমীয়া' প্ৰমুখ্যে কেইবাটিও আগশাৰীৰ কবিতা ৰচনা কৰিছে।

নাট্য-সাহিত্যলৈ বৰঙনি যোগাওঁতা মুছলমান লেখকসকলৰ ভিতৰত চৈয়দ আব্দুল মালিক আৰু পজিৰুদ্দিন আহমদৰ নাম প্ৰথমে উল্লেখ কৰিব পাৰি। মালিকে অসম বুৰঞ্জীৰ প্ৰখ্যাত চৰিত্ৰ সংৰামক কেন্দ্ৰ কৰি 'ৰাজদ্ৰোহী' নাটক ৰচিছে। পজিৰুদ্দিনৰ ঐতিহাসিক নাটক 'গুলেনাৰ' আৰু 'সিন্ধু বিজয়' তৃতীয় দশকত ৰংগমঞ্চত বিশেষভাৱে সমাদৃত হৈছিল। ইয়াৰ উপৰি আব্দুল মজিদৰ 'ৰক্ষিতা', 'চোৰ' আৰু 'ধূলি-মাকতি,' তফজ্জুল আলিৰ 'নেপাতি কেনেকৈ থাকোঁ,' 'ৰেড নম্বৰ ফাইভ,' ইদ্ৰিছ হুছেইনৰ 'আই-ভি-এচ', মণিৰুল হুছেইনৰ 'একতাৰ ন শক্তি,' ইজিমুদ্দিন দেৱানৰ 'ধৃষ্টতা কাৰ?' আদি মধ্যবিংশ শতিকাৰ মনোগ্ৰাহী একাংকিকা।

অসমীয়া সাহিত্যত গল্প-উপন্যাস লিখি সৰ্বভাৰতীয় খ্যাতি লাভ কৰা কথা-সাহিত্যিকসকলৰ ভিতৰত চৈয়দ আব্দুল মালিক অন্যতম। বৰ্তমানলৈকে মালিক ডাঙৰীয়াই তিনিকুৰিৰো ওপৰ গল্প-উপন্যাসৰ পুথি লিখি অসমীয়া সাহিত্যভঁৰাল সমৃদ্ধিশালী কৰিছে। অসমীয়া কথা-সাহিত্যিকসকলৰ ভিতৰত মালিকেই আটাইতকৈ বেছি সংখ্যক গল্প-উপন্যাস ৰচিছে। মালিকৰ লিখিব পৰা শক্তি যেনে অসীম তেনেকৈ চৰিত্ৰসৃষ্টি আৰু ৰচনা-ৰীতিতো তেখেতৰ অনন্যসাধাৰণ দক্ষতাৰ পৰিচয় পোৱা যায়। 'পৰশমণি', 'এজনী নতুন ছোৱালী,' 'ৰঙাগৰা,' 'শিখৰে শিখৰে' আদি গল্প-পুথি আৰু 'সূৰুযমুখীৰ স্বপ্ন,' 'অঘৰী আত্মাৰ কাহিনী,' 'ৰথৰ চকৰি ঘূৰে', 'বনজুই' আদি উপন্যাস মালিক ডাঙৰীয়াৰ নিপুণ হাতৰ সৃষ্টি। আন এগৰাকী লেখক মহমদ পিয়াৰে 'প্ৰীতি-উপহাৰ,' 'সংগ্ৰাম,' 'হেৰোৱা স্বৰ্গ' আদিকৈ কেইবাখনো উপন্যাস লিখি এই শতিকাৰ ৫ম আৰু ৬ষ্ঠ দশকত বিশেষ জনপ্ৰিয়তা অৰ্জন কৰিছিল। বহুদিনৰ আগতে 'সাধনা' কাকতত শিক্ষাবিদ আবুল ফজল চাহেবে 'চখীনা' নামৰ এখনি সামাজিক উপন্যাস ছোৱা ছোৱাকৈ প্ৰকাশ কৰিছিল। ইয়াত মুছলমান সমাজৰ চিত্ৰ পোৱা যায়। এই শতিকাৰ আগ ভাগত লিখা 'মজাৰ গল্প' মোছলেহুদ্দিনৰ এখন ধেমেলীয়া গল্প পুথি। হাৰুণাৰ ৰচিদে 'ৰত্নদ্বীপ' আৰু 'গুড আৰ্থ' ভাঙনি কৰি অসমীয়া অনুবাদ সাহিত্যত বিশেষ বৰঙনি দি গৈছে। গোৱালপাৰাৰ চিৰাজুদ্দিন আহমদে 'নদীৰ নাম শিয়ালদহ' উপন্যাসত নদীৰ গৰাহত পৰি

সৰ্বহাৰা হোৱা লোকৰ চিত্ৰ সুন্দৰভাৱে ফুটাই তুলিছে। ইমৰাণ শ্বাহ আৰু ছাইদুল ইছলাম বৰ্তমান সময়ৰ দুগৰাকী শক্তিশালী গল্প-লেখক। সমালোচক আৰু 'ছেমুৱেল জনছনৰ জীৱনী' অনুবাদক ৰায়হান শ্বাহেও এই শতিকাৰ ৪ৰ্থ আৰু ৫ম দশকত কেইটামান সুন্দৰ গল্প লিখিছিল। চৈয়দা চাকিনা আশ্ৰফৰ 'হাদিচৰ গল্প', চাকিনা খাতুনৰ 'পাঞ্জাবৰ সাধু', আলিমুন্নিছা পিয়াৰৰ 'মাজ নিশা তৰাই উচুপে', 'জীৱনৰ সাগৰত উপকূল নাই,' মুস্তাফিজুৰ ৰহমানৰ 'মৌচুমী' আদি উল্লেখযোগ্য গ্ৰন্থ। জমিৰুদ্দিন আহমদৰ 'অভিযাত্ৰী' আৰু 'চন্দন' দুখন সামাজিক উপন্যাস। চৈয়দা চকিনা আশ্ৰফৰ 'হাদিছৰ গল্প' ইছলাম ধৰ্মৰ পৰশ থকা এখন উপভোগ্য সাধুৰ কিতাপ।

অসমীয়া জীৱনী সাহিত্যতো মুছলমান লেখকৰ অৱিহণা কম নহয়। ইয়াৰ ভিতৰত হাজি ফাইজুদ্দিন আহমদৰ 'হজৰত মহমদ (দঃ)ৰ জীৱনী,' নজিৰুদ্দিন আহমদৰ 'অসমীয়া মৌলুদ শ্বৰিফ', মহিবুল হুছেনৰ 'আদৰ্শ নবী', মোহাম্মদ মফিৰ আলি আৰু মৌলবী মোঃ আব্দুল কৰিমৰ 'মহামনীষী', মোহাম্মদ চাদেৰ আলিৰ 'ইচলাম-ৰবি', 'নবী-কাহিনী', ডাঃ নবাৱ দানিছ মহমদৰ 'বিবি ফাতেমাৰ জীৱনী', 'শান্তিৰ নিজৰা', আব্দুছ ছাত্তাৰৰ 'গান্ধীজীৰ জীৱন-কথা', 'ড° জাকিৰ হুছেন,' 'কৃষ্ণকান্ত সন্দিকৈ' আদি উল্লেখযোগ্য।

সেইদৰে ধৰ্ম আৰু আন আন বিষয়ৰ সমালোচনা-মূলক গ্ৰন্থৰ ভিতৰত কেফায়েৎ উল্লাৰ 'পৰমাৰ্থ দৰ্পণ', আব্দুল মজিদৰ 'মকজ্যোতি', জমিৰুদ্দিন আহমদৰ 'মুছলিম জাতিৰ চমু ইতিহাস', মোহাম্মদ চাদেৰ আলিৰ 'মুক্তিৰ সন্ধান', পবিত্ৰ কোৰআন', তৈয়বুল্লা চাহাবৰ 'উজ্জ্বল কোৰান', মৌলবী আতাউৰ ৰহমান চাহেবৰ কেইবাটাও খণ্ডত অনূদিত 'কোৰ-আন মজীদ', মুহিবুল্লা চাহেবৰ 'খুনিয়াদাৰি' ড° মুহিবুল হকৰ 'ইচলামী জীৱন', ডঃ দানিছ মহমদৰ 'শান্তিৰ নিজৰা', মৌলবী চান্দ মহমদ চৌধুৰীৰ কামৰূপীৰ 'বিবাহ-চিত্ৰ', আব্দুল হেকিমৰ 'বেদ আৰু কোৰান', আব্দুছ ছাত্তাৰৰ 'সাহিত্যিকা', 'সম্প্ৰীতিৰ চানেকি', 'সংমিশ্ৰণত অসমীয়া সংস্কৃতি', প্ৰসংগ-কোষ', চৈয়দা চকিনা আশ্ৰফৰ 'নগালেণ্ড' আৰু 'দৰুদ শ্বৰীফৰ ফজিলত', ইলিয়ুদ্দিন দেৱানৰ 'ইতিহাসৰ বা-মাৰলীত সম্ৰাট-দুহিতা জাহানাৰা', 'মতিভ্ৰষ্ট নবাব চিৰাজ নে বিকাৰগ্ৰস্ত ইংৰাজ', ফানোৱাৰা হাজৰিকাৰ 'তৃপ্তি ভোজন' আদি প্ৰধান। স্বনামধন্য ড° মফিজুল ইচলাম বৰাই ফাৰ্চীত লিখা 'বাহাৰিস্তান ঘাইবি' তৰ্জমা কৰি অসমৰ বুৰঞ্জীপ্ৰেমীসকললৈ এটি ডাঙৰ দান দি গ'ল। তাহানিৰ 'চেতনা'ত শিৱসাগৰৰ মহিবুল হক চাহাবে 'অসমীয়া আৰবী ফাইজ'লজী' নামেৰে এলানি প্ৰবন্ধ লিখিছিল। তাত বহুত অসমীয়া শব্দৰ মূল আৰবী শব্দবোৰ উলিয়াবলৈ যত্ন কৰা হৈছে। প্ৰবন্ধবাজি পুথিৰ আকাৰত ওলালে অসমীয়া ভাষা-বিজ্ঞানীসকলৰ বিশেষ কামত আহিব। অধিবক্তা ৰাজেড আলিয়ে 'সাধনা' (১৯২৪—৩১) কাকতত পাৰ্চী সাহিত্য সম্পৰ্কীয় ভালেমান উপাদেয় প্ৰবন্ধ লিখিছিল। ইয়াৰো আগতে ১৯১৪—১৬ চনত 'বাঁহী' আৰু 'আলোচনী' কাকতত নগাঁৱৰ এম, মোছলেহউদ্দিন আহমদে কবিতা, আলোচনা, জীৱনী, পুথিসমালোচনা, মুছতীয়া কথা, খাছীয়াৰ নৰবলি প্ৰথা সম্পৰ্কে অনেক কথা লিখিছিল। ১৯১৪-১৫ চনত ওলোৱা 'ইচলামৰ সপোন' আৰু 'মিস্বাহোল-ইচলাম' পুথি দুখনৰ লেখক হ'ল যোৰহাট চৰকাৰী হাইস্কুলৰ প্ৰধান মৌলবী চাহ চৈয়দ আব্দুল হক নিজিৰখানী চালেহপিৰী। 'আলোচনী' (১৯১৫ চনৰ) কাকতৰ আন এজন মুছলমান লেখক হ'ল নবাব আব্দুল আজিজ। আজিজুৰ ৰহমান চাহে 'আসাম বান্ধৱ'ত (১৯১৬) 'ইছলাম' শীৰ্ষক এটি দীঘলীয়া আলোচনা দাঙি



ধৰিছিল। হাজি ফাইজুদ্দিন আহমদৰ 'আৰবৰ সাধু' (১৯১৯ খ্ৰীঃ) তেখেতৰ প্ৰথম প্ৰকাশিত পুথি। মহমদ তৈয়বুল্লা চাহেবে 'কাৰাগাৰৰ চিঠি' নামৰ গ্ৰন্থত লেখকৰ জেল-জীৱনৰ সৰস অভিজ্ঞতা আৰু কাৰাগাৰৰ ভিতৰৰা বহুত কথাৰ সম্ভেদ পোৱা যায়। পুথিখনত স্বাধীনতা আন্দোলনৰ ভালেমান তথ্যপাতিও সন্নিবিষ্ট হৈছে। মণ্ডলদৈৰ নজৰ আলি চাহেবৰ 'মোৰ কিছু কথা' নামৰ আত্ম-জীৱনী-মূলক গ্ৰন্থখনত অসমীয়া মুছলমান সমাজৰ ভালেমান ৰীতি-নীতিৰ কথা জানিব পাৰি। এইসকল লেখকৰ উপৰি আহমদ চাহ, চাইফউদ্দিন আহমদ, আব্দুল জেলিল, আমিন খাঁ, আশ্ৰফ আলি, আশ্ৰফুৰ ৰহমান, ড° ইৰ্চাদ আলি, এম, কোবাদ আলি, ইমদাদ উল্লাহ, চৈয়দা আকেলা খানম, মিৰ্জা আটিকুৰ বেগ, চমচেৰ আলি, মহমদ মোছেৰ আলি আদিয়ে পুথি আৰু প্ৰবন্ধাদি লিখি মাতৃভাষা সেৱা কৰিছে।

ভ্ৰমণ-সাহিত্যতো অসমীয়া মুছলমান লেখকসকলে মূল্যৱান বৰঙণি আগবঢ়াইছে। তেনে ভ্ৰমণ-কাহিনীৰ ভিতৰত মুস্তাফিজুৰ ৰহমানৰ 'তুষাৰ মৰুৰ প্ৰান্তৰ', আতাউৰ ৰহমানৰ 'ভাৰত ভ্ৰমিলোঁ', আব্দুছ ছাত্তাৰৰ 'বিদেশত দুদিনমান' আদি প্ৰধান।

সংবাদ-সাহিত্যৰ যোগেদি কেইবাজনো মুছলমান লেখকে অসমীয়া ভাষা-সাহিত্যলৈ অৱিহণা আগ-বঢ়াইছে। তেনে লোকৰ ভিতৰত 'সাধনা'ৰ সম্পাদক মহমদ চালেহ, 'মিনাৰ'ৰ সম্পাদক জমিৰুদ্দিন আহমদ, শিশু আলোচনী 'জঁচিজোন'ৰ সম্পাদক এম, ইব্ৰাহীম আলি, 'পায়গাম'ৰ সম্পাদক চৈয়দ আব্দুল মালিক, 'আজান'ৰ সম্পাদক ইলিয়ুদ্দিন দেৱানৰ নাম উল্লেখযোগ্য। জাহানাৰা শইকীয়াৰ সম্পাদিত 'পায়গামে খাৱাতীন' মুছলিম মহিলাসকলৰ এখন সুন্দৰ আলোচনী।

এই ক্ষুদ্ৰ প্ৰবন্ধত সকলোবোৰ মুছলমান লেখকৰ গ্ৰন্থৰ তালিকা দাঙি ধৰা সম্ভৱ নহয়। তথাপি এই কথা নিঃসন্দেহে ক'ব পাৰি, আধুনিক অসমীয়া সাহিত্য-ভঁৰালৰ এক বিশিষ্ট অংশ হ'ল মুছলমান লেখকসকলৰ দানৰ ফল। লগতে এই কথাটোও উল্লেখ কৰিব পাৰি যে আন ভালেমান অসমীয়া লেখকৰ দৰে প্ৰায়ভাগ মুছলমান লেখকেও জীৱনৰ একোটা সময়ত সাহিত্য চৰ্চা কৰিলেও বা তেওঁলোকৰ সাহিত্য-প্ৰতিভা থাকিলেও কিছুদিনৰ পিছত তেওঁলোকক সাহিত্যিক জীৱনৰপৰা অৱসৰ লোৱা দেখা যায়। ইয়াৰ ফলত সাহিত্যিকৰ প্ৰতিভা অকালতে মৰহি যোৱাৰ লগতে অসমীয়া সাহিত্যলৈ বিপুল ক্ষতি হৈছে। আমি আশাকৰোঁ জাতি-ধৰ্ম নিৰ্বিশেষে সকলো লেখক আগবাঢ়ি আহি সাহিত্য চৰ্চাক সাধনাস্বৰূপে লওক আৰু নিজা ভাষা-সাহিত্যৰ মন্দিৰত এগছিকৈ বন্তি জ্বলাই নিজৰ আৰু ভাষা জননীৰ গৌৰৱ বঢ়াওক।

অসমীয়া ভাষা-সাহিত্যৰ দৰে অসমীয়া সংস্কৃতিলৈকো মুছলমান সমাজে উল্লেখযোগ্য বৰঙণি আগবঢ়াইছে। ব্ৰহ্মপুত্ৰৰ পাৰৰ অসমীয়া সংস্কৃতি হৈছে বাৰেবৰণীয়া ফুলনি বা বিচিত্ৰ ৰঙৰ সূতাৰে বোৱা ফুলাম গামোচা এখনিৰ দৰে বিভিন্ন জাতি-উপজাতি আৰু ধৰ্মাৱলম্বী লোকৰ কলা-সংস্কৃতিৰ সমন্বয়ত গঢ় লৈ উঠা এক বৈচিত্ৰ্যপূৰ্ণ সংস্কৃতি। অসমীয়া সংস্কৃতি বৈদিক আৰ্য-সংস্কৃতি, বিভিন্ন জনজাতিৰ সংস্কৃতি আৰু ইছলামীয় সংস্কৃতিৰ সংমিশ্ৰণত পুষ্ট আৰু বলিষ্ঠ আৰু এনে সংস্কৃতিৰ-দ্বাৰা অসমত স্থায়ীভাৱে বাস কৰা হিন্দু, মুছলমান, বৌদ্ধ, খৃষ্টান আদি সকলো ধৰ্মীয় লোক কম-বেছি পৰিমাণে প্ৰভাৱান্বিত। অসমীয়া মুছলমানৰ সংস্কৃতিৰ সম্পৰ্কত ডক্টৰ ইৰ্চাদ আলিয়ে এইবুলি অভিমত দিছে: "অসমীয়া মুছলমানৰ দৈনন্দিন জীৱনত

ইছলামীয় সংস্কৃতিৰ প্ৰভাৱতকৈ থলুৱা সংস্কৃতিৰ প্ৰভাৱহে বেছি প্ৰকট।" অৱশ্যে এইটোও মানি ল'ব লাগিব যে অসমৰ মুছলমানসকলৰ যোগেদি বৈ অহা ইছলামীয় সংস্কৃতিৰ এটি ধাৰা বৃহৎ অসমীয়া সংস্কৃতিৰ সোঁতৰ লগত মিলি গৈছে। ফলত অসমৰ অনা-মুছলমানসকলেও ইছলামীয় সংস্কৃতিৰ এই ধাৰাটোক স্বতঃস্ফূৰ্তভাৱে গ্ৰহণ কৰিছে।

ধৰ্মৰ ক্ষেত্ৰতো অসম-বংগদেশত প্ৰচলিত সত্যনাৰায়ণৰ পূজাৰ ভোগৰ লগত মুছলমানৰ সত্যপীৰৰ ভোগ (চিন্নি)ৰ সাদৃশ্য দেখা যায়। সেই কাৰণে হৰলা কোনো কোনোৱে কয়—"যাহা সত্যনাৰায়ণ তাহা সত্যপীৰ।" সত্যনাৰায়ণ পূজা হিন্দু-মুছলমানৰ ধৰ্মীয় সংহতিৰ সুফল বুলিব পাৰি।

এসময়ত মাৰৈ পূজাত মুছলমান ওজাপালিয়ে গীত-পদ গাইছিল; মনসা দেৱীৰ প্ৰতীক মণ্ডু মুছলমান শিল্পীয়ে তৈয়াৰ কৰিছিল; ঠায়ে ঠায়ে মুছলমান ঢুলীয়া-কালীয়াই হিন্দুৰ বিয়াই-সবাহে ঢোল-কালি বজাইছিল। এতিয়াও বেমাৰ-আজাৰ গুচোৱা, দেও-ভূত খেদা বা সাপৰ বিষ নোহোৱা কৰাৰ বাবে মুছলমান বেজ নিয়োগ কৰা হয় আৰু সেই বেজ বা মুন্সী-মৌলবীয়ে দিয়া তাবিজ, মাদুলি, দোৱা পঢ়া পানী অসমীয়া হিন্দুসকলে শ্ৰদ্ধাৰে গ্ৰহণ কৰে। সেইদৰে বহু হিন্দুৱে নিজৰ মংগলৰ অৰ্থে দৰ্গাহ আৰু মচ্‌জিদত মমবাতি আগ বঢ়ায়। এনেবোৰ কথাই ইছলামীয় ধৰ্মৰ প্ৰতি হিন্দুৰ শ্ৰদ্ধাৰ কথাকে সূচায়।

আহোম স্বৰ্গদেউ গদাধৰ সিংহই মুছলমান বাদচাহৰ মাটি জৰীপ কৰা প্ৰথাটো অধিক উন্নত বুলি গণ্য কৰি নিজ দেশতো তেনে প্ৰথাৰে মাটি জৰীপ কৰাইছিল। স্বৰ্গদেউ ৰুদ্ৰসিংহই বিশেষ কেইটামান বৃত্তিত পাৰদৰ্শিতা থকা আঠোটা মুছলমান পৰিয়াল ভাটীৰপৰা আনি অসমত নিগাজীকৈ ৰাখিছিল। তাৰে এটা পৰিয়াল আছিল আখৰকটীয়া। এই পৰিয়ালৰ লোকে শিল বা তামৰ ফলিত আখৰ কটাৰ উপৰি ৰজাৰ মোহৰ মাৰিছিল আৰু হাতীদাঁতৰ ফণী, সঁফুৰা আৰু পাটি তৈয়াৰ কৰিছিল। মাজুলীৰ আউনীআটীৰ সত্ৰত এতিয়াও এখন প্ৰকাণ্ড হাতীদাঁতৰ পাটি আছে। অৱশ্যে এই পাটীখনৰ নিৰ্মাতা কোন সেইটো বিচাৰ্য বিষয়।

এই আঠোটা পৰিয়ালৰ এটিয়ে গুণাৰ কাম কৰিছিল। খনিকৰ পৰিয়ালে শিল আৰু কাঠৰ মূৰ্তি গঢ়াৰ উপৰি চিত্ৰও আঁকিছিল। স্বৰ্গদেউ শিৱসিংহৰ পৃষ্ঠ-পোষকতাত অংকিত 'হস্তীবিদ্যাৰ্ণৱ'ৰ দুজন চিত্ৰশিল্পীৰ এজন আছিল মুছলমান: তেওঁৰ নাম দিলবৰ। 'হস্তীবিদ্যাৰ্ণৱ'ৰ চিত্ৰসমূহত মোগল যুগৰ চিত্ৰকলাৰ প্ৰভাৱ লক্ষ্যণীয়। ইয়াৰ উপৰি পুৰণি 'চিত্ৰ-ভাগৱত', 'শঙ্খচূড়-বধ', 'গীতগোবিন্দ' আদি পুথিত অঁকা চিত্ৰসমূহত ৰাজপুত-মোগল চিত্ৰশৈলীৰ প্ৰভাৱ মন কৰিবলগীয়া।

স্বৰ্গদেউ ৰুদ্ৰসিংহই অসমলৈ অনা এটা পৰিয়াল আছিল নেগেৰীয়া ফৈদ। এওঁলোকে নেগেৰা বা নাগাৰা বাদ্য বজাইছিল। আন এটা ফৈদ আছিল দৰ্জি। এওঁলোকে চোগা-চাপকন, কুৰ্তা-পায়জামা চিলাই কৰিছিল। কালক্ৰমত এনেবোৰ সাজ-পাৰ গোটেই অসমতে সমাদৃত হ'ল। সত্ৰীয়া নৃত্যত পৰিধান 'কৰা মোগলাই টুপী'ও ইছলামীয় সংস্কৃতিৰে ফল মাথোন।

ওপৰত আৰবী-ফাৰ্চী ভাষাৰ প্ৰভাৱ প্ৰসংগত অসমীয়া সমাজত ব্যৱহৃত খাদ্য, বিলাসৰ সামগ্ৰী, সংগীত আৰু বাদ্যযন্ত্ৰ সম্বন্ধীয় শব্দসমূহৰ একোটি চমু তালিকা দিয়া হৈছে। এই তালিকাৰপৰা এইটোৱে প্ৰমাণিত হয় যে অসমীয়াৰ খাদ্য, সাজপাৰ, বিলাসৰ সামগ্ৰী,





সংগীত, কলা আদি বিষয়ত কম-বেছি পৰিমাণে ইছলামীয় প্ৰভাৱ পৰিছে।

সংগীতৰ ক্ষেত্ৰত সৰ্বভাৰতীয় খ্যাতি অৰ্জন কৰা গায়িকা পাৰবীন চুলতানা অসমৰ গৌৰৱ স্বৰূপ: পাৰবীনৰ উপৰি সংগীত আৰু অভিনয় জগতলৈ বিশেষ বৰঙনি যোগোৱা কেইগৰাকীমান লব্ধপ্ৰতিষ্ঠ শিল্পী হ'ল আব্দুল মজিদ, ছচন্দুক ইউচুফ, তাৰিকুদ্দিন আহমেদ আদি। উল্লেখযোগ্য যে আহোম স্বৰ্গদেউ কন্দৰ্পেশ্বৰ সিংহৰ ৰজাঘৰীয়া গায়ন-বায়নৰ ওপৰত কমৰ্দ আলি নামে এজন ওজা নিয়োগ কৰা হৈছিল। আগতেই কোৱা হৈছে, অসমীয়া সংস্কৃতি সমন্বয়ৰ সংস্কৃতি। এই সমন্বয়ৰ কাৰণেই অসমত হিন্দু-মুছলমান বা অন্য ধৰ্মাৱলম্বী লোকৰ মাজত ইমান মিলাপ্ৰীতি। এই সমন্বয়ে চিৰদিন অসমীয়াক এক গোট কৰি ৰাখিব; কোনো বিভেদকামী শক্তিয়ে অসমীয়াৰ মাজত ভাঙন আনিব নোৱাৰে। এইজনেই অসম হ'ত 'দিবে আৰ নিবে, মিলাবে মিলিবে, যাবে না ফিৰে।' চৈয়দ আব্দুল মালিকৰ ভাষাত:

"অসমৰ হকে যুঁজি, অসমৰ হকে মৰোঁ,
ধৰ্ম মোৰ, জাতি মোৰ, অসমীয়া প্ৰাণৰ আপোন।
* * *
জীৱনে মৰণে মই চিৰদিন অসমীয়া
অসমীয়া দেহ-প্ৰাণ-মন;
জীয়াই থাকোঁতে মই অসমৰে অসমীয়া
মৰিলেও বৰি ল'ম — অসমৰে অসমীয়া মৰণ।"

শ্ৰীবিমলাকান্ত বৰুৱা

# আহোম পুথি-পৰিচয়

টাই-আহোম পুথিবিলাক কিমান যুগৰপৰা লিখা আৰম্ভ হৈছিল তাক সঠিককৈ যদিওবা কোৱা টান, তথাপি আমি এটা কথা বুৰঞ্জীৰপৰা জানিব পাৰোঁ যে ষষ্ঠ শতিকাত যুগাধিপতি লেঙ্‌দনে খুন্‌লুঙ্‌ আৰু খুন্‌লাইক পৃথিবীত ৰাজত্ব কৰিবলৈ পঠাইছিল আৰু সেই সময়ত পুথি চাই কুকুৰাঠেঙেৰে মংগল চাবলৈ উপদেশ দিছিল। এই মংগলচোৱা পুথি অসমত অসংখ্য পোৱা যায়। এই পুথিবিলাকৰ প্ৰত্যেকখন পাততে বেলেগ বেলেগ ধৰণৰ কুকুৰা ঠেঙৰ ছবি পোৱা যায় আৰু তাৰ লগে লগে তাৰ ব্যাখ্যা কৰা আছে। এইদৰে মংগল চাইছিল কিছুমান কাম আৰম্ভ কৰাৰ আগত যেনে, যুদ্ধলৈ যোৱা, ঘৰ সজা, যাত্ৰা কৰা, বেমাৰ আদি ভাল হবনে নহয় তাক নিৰ্ণয় কৰা ইত্যাদি। এইবিলাকৰ প্ৰতিকাৰ আদিৰ কথাও ইয়াত পোৱা যায়। এই পুথিবিলাকক 'বান্‌ছেঙ্‌' বা 'ছাইকাই' বোলে।

**লিট্‌কাম :** এই পুথিবিলাকৰ আন এটা নাম 'অদ্ভুত'। আধিভৌতিক ঘটনাৰ ফলাফল আৰু তাৰ প্ৰতিকাৰ যেনে, গৰুৱে বাঘ খেদা, বেঙে সাপ খোৱা, ঘৰৰ ভিতৰত সাপ সোমোৱা, ঘৰৰ চালৰ ওপৰত শগুন বা কেঁচা পৰা ইত্যাদিৰ কথা।

**চুৱা পুথি :** এই পুথিবিলাকৰদ্বাৰা হেৰোৱা বস্তুৰ মংগল চোৱা হয় আৰু সপোনৰ শুভাশুভ গণনা কৰা হয়।

**কে বান্‌ :** ইয়াক জ্যোতিষ বুলিব পাৰি। ইয়াত বিবাহ আদিৰ গণনা, ঘৰ সজা, যুদ্ধলৈ যোৱাৰ ফলাফল আৰু কামৰ কাৰণে শুভক্ষণ চোৱাৰ পদ্ধতি লিখা আছে।

**আন্‌-তাও :** ইয়াত গ্ৰহ-তৰা-নক্ষত্ৰ আদিৰ গণনা আৰু প্ৰত্যেক মাহত মানুহৰ ওপৰত কি প্ৰভাৱ পৰিব পাৰে তাৰ গণনা কৰা হয়।

**আপ্‌-লাম্‌ :** ই এখন আমাৰ কৰতি পুথিৰ লগৰ। মন্ত্ৰেৰে গা ধুই শৰীৰ ৰোগমুক্ত কৰিব পাৰে।

**ৰূক্‌-খন্‌-মুঙ্‌-খন্‌ :** ইয়াত আয়ুসতোলা মন্ত্ৰ আছে। কেতিয়াবা বেমাৰ পৰাৰ পাছত নতুবা যুদ্ধৰপৰা ঘূৰি অহাৰ পাছত বা কোনো এটা ঘটনাৰ পাছত এই মন্ত্ৰৰে গা ধুলে আয়ুস বৃদ্ধি হয় বুলি বিশ্বাস। বিশেষকৈ এই পুথিৰ ব্যৱহাৰ কৰিছিল ৰজা, ডা-ডাঙৰীয়া আদিয়েহে।

**চৰাইদেউ ৰৰবিধি :** ইয়াত চৰাইদেউত পূজা-পাতল কৰাৰ বিধি আছে। মন্ত্ৰ, সা-সঁজুলি আৰু



দ্ৰব্যাদিৰ কথা আছে। এই তৰ্পণবিধি কেৱল মৈদামত থকা ৰজাসকলৰ কাৰণেহে কৰা হয়। এই উৎসৱ বৰ্তমান 'মে'দাম্‌-মেফী'ত পৰিণত হৈছে।

**পূজাবিধি :** এনে কিছুমান পুথি আছে তাত কি পূজাত কোনবিধ দ্ৰব্য লাগে, কি ফুলৰ প্ৰয়োজন, কাঠ-বাঁহ আদি আৰু ৰংচং আদিৰ আৱশ্যকতা কি তাৰ বিৱৰণ পোৱা যায়।

**খ্যেক্‌-ফা:** এই পুথিবিলাক কেৱল দেৱ-দেৱীৰ পূজাৰ কাৰণে। 'ফা' শব্দই দেৱ-দেৱী হুয়োকে বুজাই। এনে দেৱ-দেৱী—'চাও-নু-ক' অৰ্থাৎ আমাৰ 'ঘৰ-দেৱতা'। ফ্ৰা-বা ফুৰাক বুদ্ধভগৱান বুজায়। 'ফি-ফাই,' জুইৰ (অগ্নি) দেৱতা, ফি-লুম্‌— বায়ুদেৱতা, ফি-নাম, পানীৰ দেৱতা (এওঁক খাওখাম্‌ বা জল ধিপতিও বোলে)। লাংকুৰি—চৰাইদেউৰ ৰক্ষক অৰ্থাৎ আমাৰ মহাদেৱ শিৱ। লেংদন্‌—ইন্দ্ৰদেৱতা, জান্‌ ছাই হুং— লক্ষ্মী, লাও-খ্ৰি—বিশ্বকৰ্মা, চাও-ছাই-দেত্‌— বদৰ দেৱতা, ফি-ৰেণ— ঘৰজেউতি। পুফিছু— হাবিৰ দেৱতা, টাইলাংবাকুলাং—যমদেৱতা।

**লাইকা মুঙ :** ইয়াত পানীৰপৰা হোৱা প্ৰলয়ৰ কথা আছে। পৃথিৱীৰ সৃষ্টি, চন্দ্ৰ, সূৰ্য, জুই, পানী, জীৱ-জন্তু, মানুহ আদিৰ সৃষ্টিৰ কথা পোৱা যায়।

**চুম্‌-কা-কঙ্‌-ছেঙ্‌-মুাঙ্‌ :** টাইসকলৰ ইষ্টদেৱতাৰ পূজাৰ বিধি। এই পূজা বছৰে বছৰে হয় আৰু সকলোৰে কাৰণে নহয়, কেৱল ৰজাৰ কাৰণেহে। এই মূৰ্তিক ৰজাৰ বাহিৰে আনে চাবৰ অধিকাৰ নাই।

**বাগদান্‌ পুথি :** এইখন এখন মংগল চোৱা পুথি। আমাৰ জ্যোতিষৰ লগত তুলনা কৰিব পাৰি: কিছুমান বুৰঞ্জীমূলক গল্প যেনে, 'দইলাই' ই এখন বৃহৎ বৰপাহি পুথি। তাত চাওফি টাই ৰজা এজনে পৰ্বতৰ ৰাজ্যত ৰাজত্ব কৰাৰ কথা আছে।

**উ-মুত :** এখন বৃহৎ বৰপাহি পুথি। তাত পৃথিৱীৰ ধৰ্মাচাৰ আৰু অনেক নীতিৰ বিষয়ে আলোচনা কৰা হৈছে; কিন্তু তাৰ পাঠ এতিয়াও ভালদৰে উদ্‌ঘাটন হোৱা নাই।

**চাঙ্‌-পাও খাম্‌** বা ৰাম্‌লিং অৰ্থাৎ ৰামায়ণ।

**মালিথা :** ইও এখন গল্পৰ পুথি, যাক টাই-আহোম 'ৰোমাঞ্চ' বুলি আখ্যা দিছে।

**'বুৰঞ্জী' :** সকলো পুথিৰ ভিতৰত বুৰঞ্জী পুথিবিলাকেই অমূল্য সম্পদ। এইবিলাক ধাৰাবাহিক হিচাপে লিখা হৈছিল। আমাৰ হাতত এখন বৃহৎ বৰপাহি বুৰঞ্জী আছে নাম 'লিট্‌ বুৰঞ্জী'। ইয়াত ৭ম শতিকাৰ খুন্‌লুং খুন্‌লাইৰপৰা ১৯ শতিকাৰ স্বৰ্গদেউ পুৰন্দৰ সিংহলৈকে লিপিবদ্ধ কৰা হৈছে। এই বুৰঞ্জীখন সম্পূৰ্ণ হ'লহেঁতেন, যদিহে স্বৰ্গদেউ ৰুদ্ৰসিংহৰ ৰাজত্বৰ কালছোৱা থাকিলহেঁতেন। কিঞ্চিত মাত্ৰহে দিয়া আছে। এই কালছোৱাৰ অন্য এখন বুৰঞ্জী আছে। ইংৰাজ ৰাজত্বৰ দিনত এইখন 'ফ'ট' কৰি একালে টাই আৰু আনফালে ইংৰাজীত প্ৰকাশ কৰিছে Ahom Buranji নাম দি। ইয়াৰ বাহিৰেও অনেক খণ্ড বুৰঞ্জী আছে— এখন খুন্‌লুং খুন্‌লাইৰপৰা চুকাফালৈকে, এখন কেৱল খুন্‌লুং খুন্‌লাই, এখন চুকাফাৰপৰা গদাধৰ সিংহলৈকে, এখন চুকাফাৰপৰা চুৰেম্‌ফা বা ৰাজেশ্বৰ সিংহলৈকে, এখন শিৱসিংহৰপৰা ৰাজেশ্বৰ সিংহলৈকে, এখন 'টুকুলাই' বুৰঞ্জী ৰাজেশ্বৰ সিংহই অসম ভ্ৰমণ কৰি ফুৰাৰ বিষয়ে।

**কেন্‌-ছা :** এইখনত ৰজাসকলক ৰাজনীতিৰ উপদেশ

দিয়া আৰু আশীৰ্বাদ দিয়াৰ মন্ত্ৰাদি পোৱা যায়।

**'লাক্নি' :** এখন টাইসকলৰ শকৰ গণনা কৰা পুথি। ষাঠিটা লাক্নি বা বছৰে এটা 'তাও-চিঙা' হয়। এই তাও-চিঙাবিলাকক (Jovian Cycle) বুলি আখ্যা দিয়া হৈছে। আহোম ৰাজত্বৰ কাল দহোটা (১০) তাওচিঙা অৰ্থাৎ ১০×৬০=৬০০ বছৰ।

**বৰ অভ্ৰ আৰু লতী অভ্ৰ :** এই দুখন আহোম অভিধান। প্ৰথমখন আহোমৰপৰা অসমীয়া আৰু দ্বিতীয়খন অসমীয়াৰপৰা আহোম। উদাহৰণস্বৰূপে 'কা চাম্‌বা কাউউৰাক', কা-চাম্বা মানে, কা-চাম্বা নাচ কৰিবৰ। চাম্বা মানে 'মানে'। আৰু ইখনত 'আভক বুলে খাও, মাহক বুলে প্লা' ইত্যাদি (বুলে=বোলে)। এই দুয়োখন স্বৰ্গদেউ গৌৰীনাথ সিংহৰ দিনত ১৭৮৬ চনত লিখা হৈছিল আৰু 'Ahom Lexicons' বুলি প্ৰকাশ কৰা হৈছে।

অন্য টাইসকলৰ অনেক ধৰ্ম সম্পৰ্কীয় পুথি আছে। প্ৰায়বিলাকেই বৌদ্ধ ধৰ্মীয় জাতকৰ গল্প। কিছুমান ভিক্ষুসকলৰ কাৰণে আৰু কিছুমান সাধাৰণ প্ৰজাৰ কাৰণে। একেধৰণৰ পুথি হৈছে •

**ছুক টান্‌টা কোম্‌পং :** অৰ্থাৎ লোকধৰ্মৰ বিবিধ আখ্যা। এইখন বৌদ্ধ ধৰ্মৰ Reference Book বুলি ক'ব পাৰি। এখন ছুক-জিলা-থান্, এখন অভিধৰ্ম পাঠাগ্‌, এখন বিনে পালিয়া ইত্যাদি।

**লিক্ ধম্মাচাত্ :** এইখন টাই আইন সম্বন্ধীয় (Jurisprundence) পুথি।

**ৱেইছালিছা :** এইখন এখন বুৰঞ্জী। মানবিলাকে আৰু টাইসকলে অসমক বৈছালি বুলি কৈছিল। ইয়াত মানৰ বৈছালি বা অসম আক্ৰমণৰ কথা বিশদ বিৱৰণ দি লিখা হৈছে। দুজন আক্ৰমণকাৰীৰ লগতে অহা আৰু নিজ চকুৰে দেখা ঘটনাবৈসেতে লিখা হৈছে। ইয়াত দুটা খণ্ড আছে (১) বৈছালি ছুকং—অৰ্থাৎ বৰ্মাৰ ৰজাৰপৰা আছে। ইয়াত প্ৰথম আক্ৰমণৰ ঘোষণা কৰাৰপৰা শেষলৈকে ঘটা ঘটনাৰ বৰ্ণনা দিয়া আছে। আৰু লিখিছিল এজন 'চা-অং' নামে প্ৰত্যক্ষদৰ্শীয়ে। দ্বিতীয়খন বৈছালি মুঙ্ ছুন্ ছুন্ থাম, অৰ্থাৎ অসমৰ বিষয়ে। ইয়াত তিনিওটা আক্ৰমণৰ বিষয়ে চমু বিৱৰণ দি লগতে অসমৰ জনজাতিসকলৰ বিষয়ে কোৱা হৈছে। এই দুয়োখন একেলগে 'ৱেইছালিছা' নামত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰপৰা প্ৰকাশ কৰা হৈছে।

---

ড° ফণীন্দ্ৰ নাৰায়ণ দত্তবৰুৱা

# অভিধান প্ৰণয়নৰ আধুনিক চিন্তাধাৰা

অভিধান সাধাৰণতে আমি তিনিটা কাৰণত চাওঁ- (১) শব্দৰ অৰ্থ জানিবলৈ, (২) বানানৰ শুদ্ধতা নিৰ্ণয় কৰিবলৈ আৰু (৩) শব্দৰ ব্যুৎপত্তি সম্বন্ধে অৱগত হ'বলৈ। কোনো কোনো অভিধানে কোনো কোনো ক্ষেত্ৰত শব্দৰ অৰ্থ দিয়াৰ লগতে বাক্যত সেই শব্দৰ ব্যৱহাৰ কৰিও দেখুৱায়। অভিধানৰ দায়িত্ব যে ইয়াতকৈ বহুত বেছি সেই বিষয়ে আধুনিক ভাষাতাত্ত্বিকসকলে আঙুলিয়াই দেখুৱাইছে। আমেৰিকাৰ ভাষাতত্ত্ববিদ নোম চমস্কিৰপৰাই এই ভাৱধাৰাৰ উৎপত্তি বুলি কব পাৰি।

কোনোবাই যদি কয়

১। মেকুৰীয়ে ভুকে।
২। শিল মিঠা।
৩। কুকুৰ উৰে।
৪। গছে বিয়া কৰায়।

যিকোনো অসমীয়া লোকেই এইবিলাক অশুদ্ধ বা অবাস্তৱ বাক্য বুলি সহজেই বৰ্জন কৰিব। কি কাৰণে বাৰু এইবোৰ বাক্য গ্ৰহণযোগ্য নহয়? বাক্য গঠনৰ নিয়ম ভংগ কৰিছে নেকি? নিশ্চয় নহয়। নে সংশ্লিষ্ট পদ গঠনত কিবা ত্ৰুটী আছে? সিও নহয়। উদাহৰণস্বৰূপে (১) বাক্যত কৰ্তা-ক্ৰিয়াৰ সংগতি ঠিক আছে, 'মেকুৰী'ত প্ৰয়োজনীয় কাৰক বিভক্তি যুক্ত হৈছে আৰু 'ভুক' ধাতুতো উপযুক্ত ক্ৰিয়াবিভক্তি যুক্ত হৈছে; কাল আৰু পুৰুষৰো সংগতি আছে। ইয়াত বাক্য গঠন বা পদ গঠনজনিত ভুল নাই। ভুলটো হ'ল শব্দচয়ন-জনিত; 'মেকুৰী' বিশেষ্যৰ লগত 'ভুকে' ক্ৰিয়া অসংগত; একেদৰে (২) বাক্যত 'শিল' শব্দৰ লগত 'মিঠা' শব্দৰ অন্বয় অসমীচীন; তেনেকৈ 'কুকুৰ উৰা' বা 'গছে বিয়া কৰোৱা'টোও অবাস্তৱ। অৰ্থাৎ সকলো শব্দৰ লগত সকলো শব্দ নবহে; বিশেষ বিশেষ শব্দৰ লগত বিশেষ বিশেষ শব্দহে বহে।

আকৌ কোনোবাই যদি কয়

৫। মই খালোঁ যে তেওঁ আহিল।
৬। মই যত্ন মাৰিলোঁ।
৭। ভাই কিতাপ লাগে।
৮। ধূলি মানুহ উৰিছে।

তেতিয়াও এইবিলাক অশুদ্ধ বা অবাস্তৱ বাক্য বুলি দ্বিধাহীনভাৱে দলিয়াই পেলোৱা যাব। কি কাৰণে বাৰু এইবোৰ অসমীয়া বাক্য নহয়? ভুলটো বাৰু কি? ওপৰত কোৱা ধৰণৰ শব্দচয়নজনিত ভুল নিশ্চয় ইয়াত নাই। 'মই'ৰ লগত যেনেকৈ 'খালোঁ' হ'ব পাৰে, তেনেকৈ 'তেওঁ'ৰ লগত 'আহিল' বহিব

পাৰে। একেদৰে (৭) বাক্যৰ 'ভাই'ৰ ওচৰত যেনেকৈ 'কিতাপ' বহিব পাৰে (যেনে ভাই কিতাপ পঢ়ে) তেনেকৈ 'কিতাপ'ৰ ওচৰতো 'লাগে' হ'ব পাৰে (যেনে— এখন কিতাপ লাগে)। এই ক্ষেত্ৰত ভুলটো হ'ল এয়ে যে কিছুমান শব্দ (আমাৰ উদাহৰণত ক্ৰিয়া) কিছুমান বাক্যৰ বান্ধোনত নোসোমায়। যেনে— (৫) বাক্যৰ 'খালোঁ' ক্ৰিয়াই কোনো অভ্যন্তৰস্থিত (=Embedded) বা কৰ্ম হিচাপে কোনো অধীনস্থ বাক্য (=Subordinate) ৰ অস্তিত্ব স্বীকাৰ নকৰে। ওপৰৰ (৫) বাক্যত যদি 'খালোঁ'ৰ ঠাইত 'কলোঁ', 'শুনিলোঁ', 'দেখিলোঁ' আদি হ'লহেঁতেন, তেতিয়াহলে ইয়াৰ অভ্যন্তৰস্থিত বা অধীনস্থ বাক্য হিচাপে 'যে তেওঁ আহিল' হ'ব পাৰিলেহেঁতেন। (৬) বাক্যত যদি কৰ্ম 'মছ' নহৈ 'মাছ', 'সাপ' বা 'চৰাই' হ'লহেঁতেন, বাক্যটো শুদ্ধ হ'লহেঁতেন। (৭) বাক্যত যদি 'লাগে'ৰ পৰিবৰ্তে অন্য ক্ৰিয়া থাকিলহেঁতেন যেনে, চালে, পঢ়িলে, লিখিলে, আনিলে ইত্যাদি বাক্যটো কেতিয়াও অশুদ্ধ নহ'লহেঁতেন। 'লাগে' ক্ৰিয়াই (প্ৰয়োজন অৰ্থত) কৰ্তাপদৰ ৰূপত কোনো বিশেষ্য বা সৰ্বনাম পদৰ অস্তিত্ব স্বীকাৰ নকৰে; ইয়াৰ লগত গ্ৰাহক বা সম্প্ৰদানৰ ৰূপতহে কোনো প্ৰাণীবাচক বিশেষ্য বা সৰ্বনাম বহিব পাৰে। আনহাতে 'কিতাপ' শব্দৰ ঠাইত যদি অনুভূতি বুজোৱা কোনো শব্দ থাকে যেনে, আনন্দ, ভাল, বেয়া, দুখ, লাজ আদি তেতিয়া আকৌ 'লাগে' ক্ৰিয়াৰ লগত কোনো গ্ৰাহক বা সম্প্ৰদান কাৰকৰ ৰূপৰ অন্বয় নহয়; বৰং ইয়াৰ লগত সম্বন্ধ পদৰ ৰূপতহে ব্যক্তিবাচক বিশেষ্য বা সৰ্বনাম বহিব পাৰে। যেনে—

৭। (ক) তাইক কিতাপ লাগে।
(খ) তাইৰ লাজ লাগে।

আকৌ (৮) বাক্যত 'মানুহ' পদ কৰ্ম হিচাপে অপ্ৰযোজ্য। 'উৰিছে' এনে এটা ক্ৰিয়া যিয়ে কৰ্ম হিচাপে কোনো পদ গ্ৰহণ নকৰে; কিন্তু ইয়াৰপৰা উৎপন্ন 'উৰাইছে' পাঁচনী ক্ৰিয়াই কৰ্তাস্থানত 'মানুহ' আৰু কৰ্মস্থানত 'ধূলি' গ্ৰহণ কৰিব পাৰে। অৰ্থাৎ প্ৰতিটো পদৰে সি বিশেষ্যই হওক বা ক্ৰিয়াই হওক প্ৰয়োগগত বিশিষ্টতা বা ব্যৱহাৰিক সীমাবদ্ধতা থাকে।

ওপৰৰ আলোচনাৰপৰা দেখা গ'ল যে শব্দৰ ওপৰত দুই প্ৰকাৰৰ বন্ধন থাকে (১) শব্দৰ সহঅৱস্থানজনিত বা শব্দচয়নজনিত বন্ধন আৰু (২) শব্দৰ ব্যাকৰণগত বন্ধন। কোনো ভাষাই এই দুই বন্ধন বা নিয়মৰ উৰ্ধলৈ যাব নোৱাৰে। সেয়ে অভিধানত শব্দৰ অৰ্থ আৰু বানান নিৰ্ধাৰণ কৰোঁতে শব্দৰ ওপৰত থকা এই দুই প্ৰকাৰ বন্ধনৰ উল্লেখ থাকিব লাগে। আমাৰ পৰম্পৰাগত অভিধান যে এই বিষয়ত সম্পূৰ্ণ উদাসীন সেইকথা ক'ব নোৱাৰি। ধাতুৰ ক্ষেত্ৰত সি সকৰ্মক নে অকৰ্মক, বিশেষ্যৰ ক্ষেত্ৰত কোনটো শব্দ একবচন, কোনটো বহুবচন, অথবা কোনটো পুলিংগবাচক, কোনটো স্ত্ৰীলিংগবাচক অথবা কোনটো পদ বিশেষ্য বিশেষণ দুয়ো প্ৰকাৰে ব্যৱহৃত হ'ব পাৰে, বিশেষণৰ ক্ষেত্ৰত তাৰ মাত্ৰা কি ইত্যাদি কথাৰ ইংগিত থাকে। এই পদ্ধতিৰ প্ৰয়োগ ব্যাপকভাৱে কৰাৰ অৰ্থাৎ শব্দৰ সহঅৱস্থানগত বন্ধন আৰু ব্যাকৰণগত বন্ধনকো অভিধানতে দেখুৱাৰ পৰামৰ্শ আধুনিক ভাষাতত্ত্ববিদসকলে আগবঢ়াইছে।

প্ৰথমে দ্বিতীয় স্তৰৰ বন্ধনলৈ অহা যাওক। ওপৰৰ উদাহৰণত অৰ্থাৎ (৫) বাক্যৰ 'খালোঁ' এটা ক্ৰিয়া আৰু ই সকৰ্মক; ই কৰ্মহিচাপে আগৰফালে এটা বিশেষ্য খণ্ডবাক্য (বহুল অৰ্থত সৰ্বনাম আৰু বিশেষণো বিশেষ্য শ্ৰেণীভুক্ত) গ্ৰহণ কৰে; কিন্তু ই পিছফালে কৰ্ম হিচাপে কোনো অধীনস্থ বা অভ্যন্তৰস্থিত বাক্য গ্ৰহণ নকৰে। আকৌ 'কলোঁ' ক্ৰিয়াপদ সকৰ্মক হোৱাৰ লগে লগে ই অন্য এটা অধীনস্থ বাক্যক কৰ্মহিচাপে পিছফালে ল'ব পাৰে। ইয়াৰ সম্পূৰ্ণ বিপৰীতে 'লাগে' এটা বিশেষ গুণসম্পন্ন ক্ৰিয়া; ই (ক) কেতিয়াবা কৰ্তাহিচাপে কোনো পদ গ্ৰহণ নকৰে, বৰং কৰ্মহিচাপে এটা প্ৰাণীবাচক আৰু এটা অপ্ৰাণীবাচক বিশেষ্য পদ গ্ৰহণ কৰে (যেনে ৭(ক) বাক্য; (খ) আকৌ কেতিয়াবা কৰ্তাহিচাপে কোনো পদ গ্ৰহণ কৰিব পাৰে যদিহে সি সহায়কাৰী ক্ৰিয়াৰূপে অন্য এটা সকৰ্মক বা অকৰ্মক ক্ৰিয়াৰ লগত যুক্ত হৈ সেই ক্ৰিয়াত বাধ্যতামূলক অৰ্থ আৰোপ কৰে। যেনে

৭। (গ) তাই কিতাপ দিব লাগে।
বা
দাসে খৰচ দিব লাগে

আমাৰ অভিধানত এই দিশৰ এটা স্পষ্ট ইংগিত থকা দৰ্কাৰ। অভিধানত ধাতুবোৰ সন্নিৱিষ্ট কৰোঁতে কিছুমান সাংকেতিক চিহ্নৰ সংযোগ কৰি তলত দিয়া ধৰণে উপস্থাপন কৰা বিশেষ কঠিন নহ'ব:

ক—:[ধা (সক), + বিশেষ্য খণ্ডবাক্য —, + — যে 'অধীনস্থ বাক্য']
খা—:[+ধা (সক), + বিশেষ্য খণ্ডবাক্য]
লাগ—:(ক)[ধা (সক), + বিশেষ্য খণ্ডবাক্য ২—, — কৰ্তা —]
(খ)[+ধা (সহা), + কৰ্তা —, + ক্ৰিয়া (সক/অক) —]
উৰ—:[+ধা (অক), + কৰ্তা —]

সাংকেতিক চিনবিলাকৰ অৰ্থ এনে ধৰণৰ:

[+ধা (সক)] মানে সকৰ্মক ধাতুৰ গুণ তাত বিদ্যমান,



[+ধা (অক)] মানে অকৰ্মক ধাতুৰ গুণ তাত বিদ্যমান,

[+ধা সহা)] „ সহায়কাৰী „ „ „ বিদ্যমান,

[+বিশেষ্য খণ্ডবাক্য —] মানে উল্লিখিত ধাতুৱে আগৰফালে এটা বিশেষ্য খণ্ডবাক্য (=Noun phrase) গ্ৰহণ কৰিব পাৰে; (ইয়াত 'খণ্ডবাক্য' শব্দৰ প্ৰয়োগ মনকৰিবলগীয়া, কৰ্মস্থানত এটা বিশেষ্য বা সৰ্বনাম থাকিব পাৰে বা একাধিক বিশেষ্য/সৰ্বনাম পদৰ সমষ্টি হ'ব পাৰে; যেনে— আমি ভাত খালোঁ আৰু আমি এটা বৰ ডাঙৰ ভোজ খালোঁ; খণ্ডবাক্য নিলিখি কেৱল বিশেষ্য/সৰ্বনাম লিখিলে ই এটা বৰ ডাঙৰ ভোজক সামৰিব নোৱাৰিব।)

[বিশেষ্য খণ্ডবাক্য ২—] মানে উল্লিখিত ধাতুৰ আগৰ ফালে দুটা বিশেষ্য খণ্ডবাক্য থাকিব পাৰে; যেনে: আমাৰ কলেজৰ অধ্যক্ষক এখন ভাল অসমীয়া কিতাপ লাগে;

[+ — যে 'অধীনস্থ বাক্য'] মানে উল্লিখিত ধাতুৰ পিছফালে যে'ৰদ্বাৰা সংযুক্ত এটা অধীনস্থ বাক্য থাকিব পাৰে;

[+ কৰ্তা —] উল্লিখিত ধাতুৰ আগফালে কৰ্তা ব্যৱহাৰ হ'ব পাৰে;

[— কৰ্তা —] মানে উল্লিখিত ধাতুৱে আগৰফালে কৰ্তা গ্ৰহণ নকৰে;

[+ ক্ৰিয়া (সক/অক) —] মানে উল্লিখিত ধাতুৰ আগৰফালে সকৰ্মক বা অকৰ্মক ক্ৰিয়া যুক্ত হ'ব পাৰে।

এইবাৰ প্ৰথম স্তৰৰ বন্ধনৰ কথালৈ অহা যাওক। ক্ৰিয়া সকৰ্মক, কৰ্মস্থানত বিশেষ্য খণ্ডবাক্য ল'ব নে অধীনস্থ বাক্য ল'ব ইত্যাদি কথাৰ

উপৰিও কোন ক্ৰিয়াৰ কেনে ধৰণৰ বিশেষ্য পদৰ লগত সহ-প্ৰয়োগ হয় বা নহয় সেই বন্ধনৰ কথাও জানিব লাগিব। আগতে উল্লেখ কৰা হৈছে যে সকলো ক্ৰিয়া সকলো বিশেষ্যৰ ক্ষেত্ৰত নাখাটে ; আন কথাত সকলো ক্ৰিয়াই কৰ্তা বা কৰ্মহিচাপে সকলো বিশেষ্য পদকে গ্ৰহণ কৰিব নোৱাৰে। গতিকে অভিধানত বিশেষ্যাদি পদবোৰৰ বিশেষ গুণাগুণ বা ধৰ্ম সম্পৰ্কেও উল্লেখ থাকিব লাগে। উদাহৰণস্বৰূপে 'খুৱালোঁ' ক্ৰিয়াপদে কৰ্মহিচাপে যি পদ গ্ৰহণ কৰিব যি প্ৰাণীবাচক হ'ব ; কিন্তু সেই প্ৰাণী মানুহ নহ'বও পাৰে (যেনে, গাইজনীক দানা খুৱালোঁ) ; কিন্তু 'পঢ়ুৱালোঁ' ক্ৰিয়াপদে কৰ্মহিচাপে যি পদ গ্ৰহণ কৰিব সি কেৱল প্ৰাণীবাচক হলেই নহ'ব, সি মানুহ বা ব্যক্তিবাচকো হ'ব লাগিব (যেনে-মই ছাত্ৰক পঢ়ুৱালোঁ)। 'খালোঁ' ক্ৰিয়াপদে অমূৰ্ত বা গুণবাচক বিশেষ্যপদক কৰ্মহিচাপে ল'ব নোৱাৰে ('মই সৰলতা খালোঁ' বাক্য অবাস্তৱ) অথবা ব্যক্তিবাচক বিশেষ্যকো কৰ্ম হিচাপে ল'ব নোৱাৰে। কাজেই অভিধানত উক্ত শব্দবোৰৰ ধৰ্ম বা গুণাগুণ সম্পৰ্কে উল্লেখ থাকিব। বিশেষ্য শব্দৰ আভিধানিক উপস্থাপন এনে ধৰণৰ হ'ব পাৰে :

গাই : [+বি (স্ত্ৰী), – গুণ]
ছাত্ৰ : [+বি (পুং), + মানুহ, – গুণ]
সৰলতা : [+বি, – প্ৰাণী, + গুণ]
ৰাইজ : [+বি(বহু), + মানুহ, – গুণ]

ইয়াৰ সাংকেতিক চিনবিলাকৰ অৰ্থ এনে ধৰণৰ হ'ব ;

[+বি(স্ত্ৰী)] মানে উল্লিখিত শব্দ স্ত্ৰীলিংগৰ প্ৰাণীবাচক বিশেষ্য

[+বি(পুং)] মানে উল্লিখিত শব্দ পুংলিংগৰ প্ৰাণীবাচক বিশেষ্য ;

[+মানুহ] মানে উল্লিখিত শব্দ মানুহবাচক বিশেষ্য ;

[+গুণ] মানে উল্লিখিত শব্দ গুণবাচক বিশেষ্য

[–গুণ] মানে উল্লিখিত শব্দ গুণবাচক বিশেষ্য নহয় ;

[–প্ৰাণী] মানে উল্লিখিত প্ৰাণীবাচক নহয় ;

[+বি(বহু) মানে উল্লিখিত বহুবচনবাচক বিশেষ্য।

মন কৰিবলগীয়া যে শব্দক (পুং) বা (স্ত্ৰী) বুলি চিহ্নিত কৰিলেই প্ৰাণীবাচক বুলি বুজা যাব ; গতিকে তাত [+প্ৰাণী] লিখা নিষ্প্ৰয়োজন ; কিন্তু মানুহ বুজোৱা শব্দৰ বিশিষ্টতা আছে ; ২য়া বিভক্তি—ক বা – অক মানুহ বুজোৱা শব্দতহে হয় ; গতিকে [+মানুহ] বুলি যথাস্থানত উল্লেখ থাকিব ; কিন্তু [ – মানুহ] কোনো সংকেতৰ প্ৰয়োজন নাই ; কিয়নো মানুহভিন্ন অন্য প্ৰাণীবাচকৰ কাৰণে কোনো বিশিষ্ট নিয়ম নাই।

প্ৰতিটো বিশেষ্যপদৰে এনে গুণগত উল্লেখ ব্যাকৰণৰ দৃষ্টিকোণৰপৰাও প্ৰয়োজনীয়। আগতেই কোৱা হৈছে যে কৰ্মহিচাপে ব্যৱহৃত মানুহ বুজোৱা পদতহে- ক বা—অক যোগ হয় ; আনঠাইত ϕ হয়, 'ৰাইজ' শব্দ বহুবচন বুলি জনা থাকিলে তাত আকৌ 'সকল' যোগ কৰাৰ প্ৰৱণতা নহয় ; 'মেম' শব্দ স্ত্ৰীলিংগ বুলি জনা থাকিলে তাৰপৰা 'মেমনী' গঠন কৰাৰ প্ৰমাদ নহয় ; 'গাই' শব্দ স্ত্ৰীলিংগ বুলি উল্লেখ থাকিলে তাত 'টো' যোগ কৰাৰ ভুল নহয়।

তেনেদৰে ক্ৰিয়াৰ ক্ষেত্ৰতো ইয়াৰ বৈশিষ্ট্যসমূহৰ উল্লেখ থাকিব ; কিয়নো কোনো কোনো ক্ৰিয়াই বিশেষ বিশেষ গুণসম্পন্ন বিশেষ্যহে কৰ্তা বা কৰ্ম হিচাপে গ্ৰহণ কৰে। সেই দৃষ্টিকোণৰপৰা ক্ৰিয়াবোৰ তলত দিয়া ধৰণে অভিধানভুক্ত কৰিব পাৰি।

গুৱা—:[+ধা, + (—প্ৰাণী) বিশেষ্য খণ্ডবাক্য (+প্ৰাণী)—]



খুৱা—:[+ধা, + (+প্ৰাণী) বিশেষ্য খণ্ডবাক্য (+প্ৰাণী)—]

নচুৱা—:[+ধা, + (+প্ৰাণী) বিশেষ্য খণ্ডবাক্য—]

'গুৱাৰ' (match অৰ্থত) এনে এটা ক্ৰিয়া যিয়ে কৰ্মহিচাপে এটা প্ৰাণীবাচক আৰু কৰণত এটা অপ্ৰাণীবাচক পদ বিচাৰে (কাপোৰ সাজে তেওঁক নুগুৱায়), সেয়ে বিশেষ্য খণ্ডবাক্যৰ প্ৰথমটো অপ্ৰাণীবাচক আৰু দ্বিতীয়টো প্ৰাণীবাচক হ'ব বুলি ইংগিত দিয়া হৈছে ; কিন্তু 'খুৱায়' এনে এটা ক্ৰিয়া, যিয়ে কৰ্তা কৰ্ম দুয়ো ঠাইতে প্ৰাণীবাচক বিশেষ্য বিচাৰে ; সেয়ে বিশেষ্য খণ্ডবাক্যৰ দুয়োমূৰে দুটা প্ৰাণীবাচক পদ থকাৰ সংকেত দিয়া হৈছে। আনহাতে 'নচুৱায়' ক্ৰিয়াপদে কৰ্তাহিচাপে প্ৰাণীবাচক পদ বিচাৰিলেও কৰ্মহিচাপে প্ৰাণীবাচক পদ নিবিচাৰিবও পাৰে (ৰামে পুতলা নচুৱায়) ; গতিকে বিশেষ্য খণ্ডবাক্যৰ আগৰ ফালেহে [+ প্ৰাণী) সংকেত থাকিব।

এনে ধৰণে অভিধানত শব্দৰ অৰ্থ আৰু বানানৰ লগতে প্ৰকৃতি নিৰ্দেশ কৰা থাকিলে ন-শিকাৰুৰ বিশেষ সুবিধা হ'ব আৰু কাৰক বিচাৰত বিশ্বত আলোড়ন সৃষ্টিকাৰী আমেৰিকাৰ প্ৰখ্যাত ভাষাতত্ত্ববিদ চাৰ্লচ ফিলমোৰে উপস্থাপন কৰা গুঢ়াৰ্থভিত্তিক কৰাৰ বিশ্লেষণ সূত্ৰ (এই বিষয়ে আগলৈ আলোচনা কৰাৰ আশা ৰখা হৈছে)ৰ পৰিপ্ৰেক্ষিতত আমাৰ ভাষাৰো কাৰক বিচাৰ সহজবোধ্য হ'ব। ●

—

প্ৰসঙ্গ-গ্ৰন্থ : Frank Palmer, 1976, "Grammar." Noam Chomsky, 1957 "Syntactic Structure." John, Lyons, 1970, "Chomsky." Charles J. Fillmore, "The case for Case" in "Universals in Linguistic Theory, 1968,"

## অসম সাহিত্য সভাৰ ভিতৰ চ'ৰা

### কাৰ্যনিৰ্বাহক সমিতিৰ তৃতীয় অধিৱেশন

**পাঠশালা ঃ বজালী মহাবিদ্যালয়**
**২৭।১০।৭৮ তাৰিখ**
**দিনৰ ১১-৩০ বজা**

**উপস্থিত সদস্যসকল :** শ্ৰীপ্ৰসন্নলাল চৌধুৰী— সভাপতি, শ্ৰীযোগেশ দাস'— উপ-সভাপতি, শ্ৰীনগেন শইকীয়া— কোষাধ্যক্ষ, শ্ৰীলীলা গগৈ— প্ৰধান সম্পাদক, শ্ৰীযোগেন্দ্ৰ নাৰায়ণ ভূঞা- পত্ৰিকা সম্পাদক, মহেশ্ব ভট্টাচাৰ্য— ভাষাজ্ঞান পৰীক্ষা সচিব, শ্ৰীবসন্তকুমাৰ গোস্বামী— সহকাৰী সম্পাদক ( যোৰহাট ), ড° নিশিপদ চৌধুৰী— সহকাৰী সম্পাদক ( গুৱাহাটী ), শ্ৰীপোনাৰাম বৰুৱা, শ্ৰীমতিলাল বৰ্মন, শ্ৰীৰাজেন ৰাভা, শ্ৰীপ্ৰেমেময়ী দাস, শ্ৰীসতীশচন্দ্ৰ চৌধুৰী, আব্দুল মালিক চৌধুৰী, শ্ৰীইন্দ্ৰপ্ৰসাদ শইকীয়া।

**বিশেষভাৱে নিমন্ত্ৰিতসকল :** ড° হেমন্তকুমাৰ শৰ্মা, শ্ৰীনকুলচন্দ্ৰ মহন্ত, শ্ৰীহিৰণ্য বৈশ্য, শ্ৰীসদা মিশ্ৰ, শ্ৰীনগেন ৰায়, শ্ৰীঅমল ৰাজখোৱা, শ্ৰীপ্ৰকাশ গোস্বামী।

১। সভাত সভাপতিত্ব কৰে সভাপতি শ্ৰীপ্ৰসন্নলাল চৌধুৰীয়ে।

২। সভাপতিৰ আসনৰপৰা তলত দিয়া শোক প্ৰস্তাৱটি সৰ্বসন্মতিক্ৰমে গৃহীত হয়।

"অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সমিতিৰ আজি ২৭।১০।৭৮ তাৰিখৰ বৈঠকে তলত দিয়া ব্যক্তিসকলৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰে। সভাই বিদেহ আত্মাৰ সদগতি কামনা কৰি ভগৱানৰ ওচৰত মৌন প্ৰাৰ্থনা জনায় আৰু শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে,।

অসম সাহিত্য সভাৰ আজীৱন সভ্য অৰ্জুনগুৰিৰ সোণাৰাম দত্ত, উদীয়মান সমাজকৰ্মী ৰাজনীতিক দিলীপ ভট্টাচাৰ্য, আজীৱন সভ্য ভদ্ৰেশ্বৰ হাজৰিকা, ঘনকান্ত কলিতা, পূৰ্ণধৰ ৰাজখোৱা, চিন্তাহৰণ পাটগিৰি।

৩। প্ৰধান সম্পাদকে আগৰ বৈঠকৰ কাৰ্য-বিৱৰণি পাঠ কৰে আৰু কয় ঃ ভুলক্ৰমে পৰিযোৱা তলৰ অংশটি কাৰ্য-বিৱৰণিত যোগ হ'ব। 'নীলমণি ফুকন স্মৃতিগ্ৰন্থ' সম্পাদনা কৰিবলৈ শ্ৰীযোগেন্দ্ৰ নাৰায়ণ ভূঞা আৰু 'গিৰিধৰ শৰ্মা স্মৃতিগ্ৰন্থ' সম্পাদনা কৰিবৰ বাবে শ্ৰীৰামচৰণ ঠাকুৰীয়াক ভাৰ দিয়া হয়।

(ক) সভাত আগন্তুক ষট্‌চত্বাৰিংশতম্ অধিৱেশনৰ সভাপতিৰ নিৰ্বাচনৰ ভোট গণনা কৰা হয় আৰু



সৰ্বাধিক ভোট পাই শ্ৰীযুত অতুলচন্দ্ৰ বৰুৱা নিৰ্বাচিত হয় বুলি সভাপতিয়ে ঘোষণা কৰে আৰু কাৰ্যনিৰ্বাহক সভাই শ্ৰীযুত বৰুৱা নিৰ্বাচিত হোৱাত সন্তোষ প্ৰকাশ কৰি অভিনন্দন জ্ঞাপন কৰে।

৪। প্ৰধান সম্পাদকে যোৱা কাৰ্য-বিৱৰণিৰপৰা উৎথিত বিষয়ৰ সম্পৰ্কত জনায় যে ৰঘুনাথ চৌধাৰীৰ গ্ৰন্থাৱলীৰ ছপা কাম আৰম্ভ হৈছে। 'কবি চৌধাৰী আৰু চৌধাৰীদেৱৰ কবিতা' নামৰ পুথিখনি পুনৰ পৰিবৰ্দ্ধনৰ বাবে লেখক শ্ৰীকমলেশ্বৰ শৰ্মাক দিয়া হৈছে। দুৰ্গেশ্বৰ শৰ্মা ৰচনাৱলীৰ ছপা কাম প্ৰায় হৈছে। নগাঁলেও পুথিখনৰ আহিকাকত চোৱাৰ অসুবিধাত আশানুৰূপ অগ্ৰগতি লাভ কৰিব পৰা নাই। কালিকা পুৰাণৰ অনুবাদৰ কাম কৰিবলৈ শ্ৰীযুত বিশ্বনাৰায়ণ শাস্ত্ৰীয়ে সন্মতি জ্ঞাপন কৰিছে। সমিতিয়ে শ্ৰীযুত শাস্ত্ৰীক অনুবাদৰ পাৰিতোষিক হিচাপে ২,০০০'০০ টকা ( দুহেজাৰ টকা ) দিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। কালিৰাম মেধিৰ শতবাৰ্ষিকী কেন্দ্ৰীয়ভাৱে গুৱাহাটীত আৰু শাখাসভাসমূহত উদ্‌যাপন কৰা হৈছে। কালিৰাম মেধিৰ স্মৃতিমালা আৰু ইংৰাজী আৰু অসমীয়া ৰচনাৱলী আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়।

(ক) সভাত ষট্‌চত্বাৰিংশতম্ অধিৱেশনৰ প্ৰস্তাৱিত কাৰ্যসূচী উত্থাপন কৰা হয় আৰু তলত দিয়াৰ দৰে গৃহীত হয়।

(খ) অধিৱেশন ১৯৭৯ চনৰ ফেব্ৰুৱাৰী মাহৰ ৯,১০ আৰু ১১ তাৰিখে বহুৱাবলৈ স্থিৰ কৰা হয়।

#### কাৰ্যসূচী

৯-২-৭৯
আবেলি ২ বজা : প্ৰতিনিধি শিবিৰ মুকলি
" ৩ বজা : বিষয়-বাছনী সভা
সন্ধিয়া ৭ বজা : সাংস্কৃতিক সমাবোহ, শিল্পী সম্বৰ্দ্ধনা
ৰাতি ৮ বজাত : বিষয়-বাছনী সভা

১০-২-৭৯
পুৱা ৮ বজা : পতাকা উত্তোলন
" ৮-৩০ বজা : প্ৰকাশন উন্মোচন
" ৯ বজা : প্ৰদৰ্শনীৰ দুৱাৰ মুকলি
" ৯-৩০ বজা : সাংস্কৃতিক সম্মিলন
" ১১-৩০ বজা : সভাপতিক লৈ শোভাযাত্ৰা
" ১-৩০ বজা : প্ৰথম মুকলি অধিৱেশন
সন্ধিয়া ৬-৩০ বজা : বিষয়-বাছনী সভা
" ৮-৩০ বজা : সাংস্কৃতিক সমাবোহ

১১-২-৭৯
পুৱা ৮ বজা : কবি সম্মিলন
পুৱা ১০ বজা : সাহিত্য আলোচনা
দিনৰ ১-৩০ বজা : ২য় মুকলি অধিৱেশন
সন্ধিয়া ৬ বজা : সাংস্কৃতিক সমাবোহ

তলত দিয়া ব্যক্তিসকলে সভাৰ কাৰ্য সম্পাদনা কৰিবলৈ অনুৰোধ কৰা হওক :

১। প্ৰতিনিধি শিবিৰ মুকলি : শ্ৰীলক্ষ্যধৰ চৌধুৰী

২। বিশিষ্ট অতিথি : ১। ধৰমবীৰ ভাৰতী
২। জৈনেন্দ্ৰ কুমাৰ

৩। সাংস্কৃতিক সম্মিলন :
উদ্বোধক : শ্ৰীনৰহৰি বুঢ়াভকত
সভাপতি : ১। শ্ৰীপ্ৰদীপ চলিহা
২। শ্ৰীচাৰু বৰদলৈ

৪। আধুনিক অসমীয়া সংগীতৰ ধাৰা :
১। শ্ৰীবীৰেন দত্ত

সম্বৰ্ধনা : ১। শ্ৰীগিৰিকান্ত মহন্ত ২। শ্ৰীৰুদ্ৰ বৰুৱা

২। শ্ৰীদয়াল সূত্ৰধাৰ
৩। শ্ৰীনিৰ্মলপ্ৰভা বৰদলৈ

সম্বৰ্দ্ধনা : শ্ৰীগিৰিকান্ত মহন্ত।

৫। সাহিত্য আলোচনা :

বিষয় : আধুনিক অসমীয়া সমাজ বিবৰ্তনত সাহিত্যিকৰ ভূমিকা :

সভাপতি : ১। শ্ৰীমহেশচন্দ্ৰ দেৱগোস্বামী
বক্তা : ২। শ্ৰীযতীন্দ্ৰনাথ গোস্বামী

১। শ্ৰীশশী শৰ্মা
২। শ্ৰীশিৱনাথ বৰ্মন
৩। ড° হীৰেন গোঁহাই
৪। শ্ৰীনলিনীধৰ ভট্টাচাৰ্য

৬। কবি সন্মিলন :

১। শ্ৰীলক্ষ্যহীৰা দাস
২। শ্ৰীনীলিমা দত্ত

৭। প্ৰদৰ্শনী : ১। শ্ৰীনীলকণ্ঠ সিং
২। ড° হেমলেট ৰাবে

(গ) শ্ৰীজীৱন দাসে তেখেতৰ কিতাপ প্ৰকাশৰবাবে অনুমোদিত নোহোৱাত অসন্তুষ্টি প্ৰকাশ কৰি আজীৱন সভ্য পদ ত্যাগ কৰিব বুলি দিয়া চিঠি প্ৰধান সম্পাদকে উত্থাপন কৰে আৰু কাৰ্যনিৰ্বাহকক অৱগত হয়।

(ঘ) ৰাধাকান্ত সন্দিকৈ ভৱন নিৰ্মাণ সমিতিৰ প্ৰতিবেদনত সভাই অনুমোদন জনায়।

(ঙ) ন-প্ৰতিভাৰ সন্ধান প্ৰতিযোগিতাৰ শেষ দিন ৩১ অক্টোবৰলৈ বঢ়াই দিয়া সিদ্ধান্তত সমিতিয়ে অনুমোদন জনায়।

(চ) লক্ষ্মীৰাম বৰুৱা ভৱনৰ যোগাযোগ কৰিবলৈ দিহা কৰা হৈছে বুলি প্ৰধান সম্পাদকে জনায়।

(ছ) গোলাঘাট অধিবেশনৰ মূল প্ৰস্তাৱসমূহ আৰু পৰৱৰ্তী কাৰ্যনিৰ্বাহকৰ প্ৰস্তাৱসমূহ যথাসময়ত চৰকাৰলৈ পঠোৱা হলেও উত্তৰ নোপোৱাত সভাই অসন্তুষ্টি প্ৰকাশ কৰে।

(জ) গৱেষণাৰ মাধ্যম অসমীয়া কৰা সম্পৰ্কে গুৱাহাটী বিশ্ববিদ্যালয়লৈ এটি প্ৰতিনিধি দল গৈ কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰে আৰু কয় যে নীতিগতভাৱে অমত নহলেও কিছুমান অসুবিধা আছে, যাৰ ফলত অতি সোনকালে কাৰ্যকৰী কৰিব নোৱাৰি।

সভাই গুৱাহাটী বিশ্ববিদ্যালয়ৰ উক্ত অসুবিধাসমূহ দূৰ কৰি অতি সোনকালে অসমীয়া মাধ্যম প্ৰৱৰ্তন কৰিবলৈ অনুৰোধ জনায়। গৱেষণা গ্ৰন্থসমূহ অসমীয়ালৈ অনুবাদ কৰি প্ৰকাশ কৰিবলৈ ব্যৱস্থা লোৱা বুলি কৰ্তৃপক্ষই জনোৱাত সন্তোষ প্ৰকাশ কৰে আৰু তত্তকালে কাৰ্যকৰী কৰিবলৈ অনুৰোধ জনায়।

(ঝ) প্ৰধান সম্পাদকে জনায় পৰিভাষা প্ৰণয়ন উপসমিতিৰ বৈঠক আহ্বান কৰা হৈছিল ; কিন্তু উপস্থিতি সংখ্যা সন্তোষজনক নোহোৱাত সভা পাতিব পৰা নহ'ল।

ঞ) লুইত প্ৰিন্টাৰ্চত থকা 'মধ্য এছিয়াৰ শব্দ সম্ভাৰ' পুথিখন ডিচেম্বৰ মাহৰ ভিতৰতে ছপাৰ কাম সম্পূৰ্ণ কৰিব বুলি পুথিৰ প্ৰণেতা চৈয়দ আব্দুল মালিক ডাঙৰীয়াই প্ৰধান সম্পাদক শ্ৰীনগেন শইকীয়াৰ যোগেদি মৌখিকভাৱে জনোৱাৰ কথা শ্ৰীশইকীয়াই সভাক জনায়।

ট) প্ৰাক্তন সভাপতি শ্ৰীযজ্ঞেশ্বৰ শৰ্মাৰপৰা 'পয়েটিক্‌চ'



গ্ৰন্থ সংক্ৰান্তত আশানুৰূপ সঁহাৰি পোৱা নাই বুলি প্ৰধান সম্পাদকে জনায়। ১৫ নৱেম্বৰৰ ভিতৰত উক্ত পুথিৰ পাণ্ডুলিপি দাখিল নকৰিলে শ্ৰীযুত ত্ৰৈলোক্যনাথ গোস্বামীৰ লগত যোগাযোগ কৰিবলৈ প্ৰধান সম্পাদকক দায়িত্ব দিয়ে।

(ঠ) সৰ্বানন্দ ৰাজকুমাৰৰ "যোজনা-ফকৰা" নামৰ গ্ৰন্থখনৰ পুনৰীক্ষণ পৰ্যায়ত আছে বুলি জনায়।
(ড) শ্ৰীবিষ্ণু কিংকৰ কলিতাক তেওঁৰ নিযুক্তিৰ ৩ মাহ কাল পূৰ হোৱাত তেওঁক কামৰপৰা অব্যাহতি দিয়া হয়।

৫। গুৱাহাটীৰ শ্ৰীবদনচন্দ্ৰ বৰুৱা আৰু শ্ৰীপ্ৰশান্ত শৰ্মাই যথাক্ৰমে প্ৰতিবছৰে "জনপ্ৰিয় বিজ্ঞানৰ পুথি" প্ৰতিযোগিতা আৰু 'ন লেখকৰ সন্ধানত' উপন্যাসৰ প্ৰতিযোগিতাত শ্ৰেষ্ঠ বুলি পৰিগণিত প্ৰতিযোগীক ক্ৰমে "গোপালচন্দ্ৰ বৰুৱা বঁটা" আৰু "গিৰিধৰ শৰ্মা বঁটা" দিবৰ বাবে ৩,৫০০ টকাৰ (তিনিহেজাৰ পাঁচশ টকা) একো একোটি ন্যাস গঠন কৰাৰবাবে প্ৰতিশ্ৰুতি দিয়াত সভাই আনন্দেৰে গ্ৰহণ কৰি ধন্যবাদ জনায়।

৬। বিশ্ববিদ্যালয় অনুদান আয়োগক দিবৰ বাবে এখনি বিতং আঁচনি কৰিবৰবাবে ড° মহেন্দ্ৰ বৰা, ড° কেশৱানন্দ দেৱগোস্বামী, ড° সত্যেন্দ্ৰ নাৰায়ণ গোস্বামী, অধ্যাপক নগেন শইকীয়া আৰু শ্ৰীলীলা গগৈক (প্ৰধান সম্পাদক) লৈ এখনি উপসমিতি গঠন কৰা হ'ল।

৭। ১৭ জানুৱাৰীৰপৰা ২৪ জানুৱাৰীলৈ এই বছৰৰ সাহিত্য সভা সপ্তাহ পালন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয়। ২৪ জানুৱাৰী কালিৰাম মেধিৰ মৃত্যু শতবাৰ্ষিকীৰ দিনা মেধিৰ শতবাৰ্ষিকী উদ্‌যাপন কাৰ্যসূচীৰ সামৰণি মাৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

৮। দুৰ্গেশ্বৰ শৰ্মাৰ পুত্ৰসকলে দান দিয়া দুখন ছবি সাহিত্য সভাৰ কাৰ্যালয়ত উন্মোচন কৰিবলৈ অনুমোদন জনোৱা হয়। সুবিধাজনক তাৰিখত একেলগে সভাই প্ৰকাশ কৰা দুৰ্গেশ্বৰ শৰ্মাৰ ৰচনাৱলীৰ উন্মোচন কাৰ্যও সফল কৰাৰ সিদ্ধান্ত কৰা হয়।

৯। কামৰ অতিৰিক্ত হেঁচা পৰাত কেন্দ্ৰীয় কাৰ্যালয়ত ৬ টকা দিন হাজিৰা ভিত্তিত অস্থায়ীভাৱে নিযুক্তি দিয়া শ্ৰীহেম বৰাক ২৪।৯।৭৮ তাৰিখৰপৰা ৩০।১০।৭৮ তাৰিখলৈ বেতন দিবৰ বাবে অনুমোদন জনোৱা হয়।

১০। সাহিত্য সভা পত্ৰিকাৰ এজেন্সী কমিছন শতকৰা ২৫ টকাৰ পৰিবৰ্তে ৩০ টকা কৰিবলৈ সভাই অনুমোদন জনায়।

১১। শ্ৰীনন্দ তালুকদাৰৰ চিঠি উত্থাপন কৰা হয় আৰু এই সংক্ৰান্তত কালিৰাম মেধিৰ শতবাৰ্ষিকী উদ্‌যাপন সমিতিৰ সম্পাদকৰ লগত যোগাযোগ কৰিবলৈ প্ৰধান সম্পাদকক দায়িত্ব দিয়া হয়।

১২। ড° সত্যেন্দ্ৰনাথ শৰ্মাই 'ষ্টাডিজ ইন বৈষ্ণৱাইট লিটাৰেচাৰ এণ্ড কালচাৰ' পুথিখনত কালিৰাম মেধিৰ পুত্ৰ শ্ৰীৰামভদ্ৰ মেধিৰ এটি টোকা সন্নিবিষ্ট কৰিবলৈ জনোৱা পৰামৰ্শ সভাই গ্ৰহণ কৰে।

১৩। গুৱাহাটীৰ নিজবাপাৰ সাহিত্য সভাৰ কাৰ্যাৱলী সম্পৰ্কে আলোচনা কৰি উক্ত সভাই ৰাজহুৱাভাৱে বাতৰি কাকতত বিবৃতি প্ৰচাৰ কৰি সভাৰ ভাৱমূৰ্ত্তি নষ্ট কৰাৰবাবে নিয়মাৱলী অনুযায়ী কিয় ব্যৱস্থা লোৱা নহ'ব সেই বিষয়ে যোগাযোগ কৰিবলৈ প্ৰধান সম্পাদকক ভাৰ দিয়ে।

১৪। সৰ্বেশ্বৰ কটকীৰ 'প্ৰাচীন অসমীয়া লিপি'

নামৰ পুথিখনি পুনৰমুদ্ৰণ কৰিবলৈ শ্ৰীভুৱনেশ্বৰ কটকীয়ে দিয়া চিঠিৰ সন্দৰ্ভত সভাই পুথিখন প্ৰকাশ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে আৰু তাত এখনি পাতনি সংযোজন কৰিবৰ বাবে ড° মহেশ্বৰ নেওগক অনুৰোধ কৰিবলৈ সিদ্ধান্ত লয়।

১৫। জিলা পৰিষদ গঠন, মোহনচন্দ্ৰ শৰ্মা সোঁৱৰণী বঁটা, ৰঘুনাথ চৌধাৰী বঁটা, বনমালী শইকীয়া সোঁৱৰণী বঁটা, হৰিহৰ চৌধুৰী সোঁৱৰণী বঁটা, ডিগবৈ সাহিত্য সেৱা সমিতি বঁটা উপসমিতিৰ কামৰ অগ্ৰগতি সম্পৰ্কে প্ৰধান সম্পাদকে উত্থাপন কৰে আৰু গৃহীত হয়।

১৬। গুৱাহাটীত বহিবলগা উপসমিতিসমূহ আহ্বান কৰিবলৈ গুৱাহাটীৰ সহকাৰী সম্পাদকক ভাৰ দিয়া হয়।

১৭। ডিগবৈ সাহিত্য সেৱা সমিতি বঁটাৰ পুঁজিৰ ধন কম হোৱা হেতুকে ন্যূনতম ৫,০০০'০০ (পাঁচ হেজাৰ) হেজাৰ টকাৰে এটি ন্যাস গঠন কৰিবলৈ সিদ্ধান্ত কৰা হয়।

১৮। শ্ৰীশশীপ্ৰসাদ বৰুৱাৰ চিঠি প্ৰধান সম্পাদকে উত্থাপন কৰে আৰু সভাই নীলমণি ফুকনৰ বাস-ভৱনটি সাহিত্য সংগ্ৰাহলয়ৰূপে স্থাপন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰি শ্ৰীবৰুৱাৰ লগত যোগাযোগ কৰিবলৈ প্ৰধান সম্পাদকক ভাৰ দিয়ে।

১৯। কহিমা সাহিত্য সভাৰ প্ৰতিনিধি শ্ৰীনকুল চন্দ্ৰ মহন্তৰ বক্তব্য শুনাৰ পিছত বিষয়টো বিষয়-বাছনী সভাত উত্থাপন কৰিবলৈ পৰামৰ্শ দিয়া হয়।

২০। অসম সাহিত্য সভাৰদ্বাৰা অনুষ্ঠিত ভাষাজ্ঞান পৰীক্ষা চৰকাৰীভাৱে স্বীকৃতি দিবৰবাবে চৰকাৰক টানি ধৰা হওক।

(ক) আয়ুৰ্বেদিক মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ চিঠি প্ৰধান সম্পাদকে উত্থাপন কৰে আৰু কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰিবলৈ প্ৰধান সম্পাদকক ভাৰ দিয়া হয়।

২১। অসমৰ বিষয়ে সময়ে সময়ে অসমৰ ভিতৰত আৰু প্ৰধানকৈ অসমৰ বাহিৰত কিছুমান বাতৰি কাকত, আলোচনী আদিত ভুল তথ্যপাতি দি অসমৰ ভাৱমূৰ্ত্তি নষ্ট কৰা বাতৰি প্ৰকাশ পাই থকা সত্বেও অসম চৰকাৰৰ জনসম্পৰ্কৰক্ষী বিভাগে প্ৰতিবাদ জনোৱাৰ দিহা নকৰাত সভাই ক্ষোভ প্ৰকাশ কৰে আৰু উপযুক্ত তথ্যপাতিৰে এনে বাতৰি প্ৰকাশৰ লগে লগে প্ৰতিবাদ কৰিবলৈ দাবী জনায়।

২২। গোলাঘাট অধিৱেশনত গৃহীত হোৱা মূল প্ৰস্তাৱসমূহ ২৩।৭।৭৮ তাৰিখে গুৱাহাটীত অনুষ্ঠিত কাৰ্যনিৰ্বাহক সমিতিত গৃহীত প্ৰস্তাৱসমূহ যথাসময়ত চৰকাৰলৈ পঠোৱাৰ কথা প্ৰধান সম্পাদকে জনায়। তদুপৰি উক্তপ্ৰস্তাৱসমূহ শীঘ্ৰে কাৰ্যকৰী কৰিবলৈ বিহিত ব্যৱস্থা গ্ৰহণ কৰিবৰবাবে মুখ্যমন্ত্ৰীক চিঠিৰে অনুৰোধ কৰে। তথাপি চৰকাৰৰ পক্ষৰপৰা বিশেষ তৎপৰতা অৱলম্বন নকৰাত সভাই অসন্তুষ্টি প্ৰকাশ কৰে আৰু পুনৰ দাবী জনায়।

২৩। প্ৰধান সম্পাদক, শ্ৰীঅৰুণ গোস্বামী আৰু শ্ৰীযতীন্দ্ৰনাথ গোস্বামীক লৈ নিয়ৱৰ্গ সহকাৰী নিযুক্তিৰ বাছনী-সমিতি গঠন কৰিবৰবাবে সভাই সিদ্ধান্ত গ্ৰহণ কৰে।

২৪। নিখিল বংগ সাহিত্য সম্মিলনৰ সাহিত্যিক নিৰ্বাচন সম্পৰ্কীয় চিঠিখন প্ৰধান সম্পাদকে উত্থাপন কৰে আৰু এই সংক্ৰান্তত অপাৰগতা প্ৰকাশ কৰি উত্তৰ দিবলৈ প্ৰধান সম্পাদকক ভাৰ দিয়ে।



সভাত সদস্যসকলৰ সহযোগিতাৰবাবে প্ৰধান সম্পাদকে সকলোকে ধন্যবাদ জ্ঞাপন কৰে।

২৫। সমিতিয়ে তলত দিয়া শাখাসভা আৰু আজীৱন সভ্যসকলক স্বীকৃতি দিয়ে:

(ক) **শাখা সভা** : কঁৰৱী গাঁও সাহিত্য সভা, ডিব্ৰুগড় জিলা ২। চেতনা সাহিত্য সভা, ডিব্ৰুগড় জিলা ৩। জিমৌ সাহিত্য সভা, শিৱসাগৰ, ৪। হাজৰিকাপাৰা সাহিত্য সভা, দৰং ৫। আমৃতৰি সাহিত্য সভা, দৰং ৬। উত্তৰ দৰং সাহিত্য সভা, দৰং ৭। মাজবাট সাহিত্য সভা, দৰং ৮। গোৰেশ্বৰ সাহিত্য সভা, কামৰূপ ৯। মিকিৰডেঁটা সাহিত্য সভা, নগাঁও।

(খ) **আজীৱন সভ্য** : শ্ৰীদুৰ্গাধৰ বৰদলৈ, যোৰহাট, শ্ৰীবীৰেন্দ্ৰকুমাৰ বৰুৱা, যোৰহাট, শ্ৰীথানেশ্বৰ বৰদলৈ—যোৰহাট, শ্ৰীগিৰীন্দ্ৰনাথ ডেকা কৰবা, কামৰূপ, শ্ৰীবেণু দত্তবৰুৱা গুৱাহাটী—১১, শ্ৰীকৃষ্ণা বৰ্মন— গুৱাহাটী-১১

স্বাঃ শ্ৰীলীলা গগৈ
প্ৰধান সম্পাদক,
অসম সাহিত্য সভা।
২৮।১০।৭৮

স্বাঃ শ্ৰীপ্ৰসন্নলাল চৌধুৰী
সভাপতি,
অসম সাহিত্য সভা।
২০।১০।৭৮

## কাৰ্যনিৰ্বাহক সমিতিৰ চতুৰ্থ অধিৱেশন
**স্থান ঃ শুৱালকুছি**
**তাৰিখ ৮।২।৭৯**

উপস্থিতসকল :

১। শ্ৰীযোগেশ দাস, ২। শ্ৰীবীৰেন বৰকটকী, ৩। শ্ৰীৰাজেন ৰাভা, ৪। শ্ৰীমতিলাল বৰ্মণ, ৫। শ্ৰীআব্দুল মালিক চৌধুৰী, ৬। শ্ৰীপোনাৰাম বৰুৱা, ৭। শ্ৰীমহেশ ভট্টাচাৰ্য, ৮ শ্ৰীনিশিপদ চৌধুৰী, ৯। শ্ৰীযোগেন্দ্ৰনাৰায়ণ ভূঞা, ১০। শ্ৰীবসন্তকুমাৰ গোস্বামী, ১১। শ্ৰীনগেন শইকীয়া, ১২। শ্ৰীপ্ৰেমময়ী দাস, ১৩। শ্ৰীভৱানীপ্ৰসাদ অধিকাৰী, ১৪। শ্ৰীসতীশ-চন্দ্ৰ চৌধুৰী, ১৫। শ্ৰীলীলা গগৈ।

বিশেষভাৱে নিমন্ত্ৰিতসকল :

১। শ্ৰীলক্ষ্যাধৰ চৌধুৰী, ২। শ্ৰীহৰিণ কলিতা, ৩। শ্ৰীহেমন্তকুমাৰ শৰ্মা, ৪। শ্ৰীনকুলচন্দ্ৰ মহন্ত, ৫। শ্ৰীশ্ৰীমান চক্ৰৱৰ্তী। ৬। শ্ৰীপ্ৰকাশ গোস্বামী

১। অসম সাহিত্য সভাৰ সভাপতি শ্ৰীপ্ৰসন্নলাল চৌধুৰী শাৰীৰিক অসুস্থতাবশতঃ উপস্থিত থাকিব নোৱাৰাত প্ৰধান সম্পাদক শ্ৰীলীলা গগৈয়ে উপসভাপতি শ্ৰীযোগেশ দাসক সভা পৰিচালনা কৰিবৰ কাৰণে অনুৰোধ কৰে। শ্ৰীদাসে আসন গ্ৰহণ কৰে।

২। সভাপতিৰ আসনৰপৰা তলৰ শোক প্ৰস্তাৱটি দাঙি ধৰা হয় আৰু উপস্থিতসকলে এক মিনিট থিয় হৈ মৌন প্ৰাৰ্থনা কৰে।

৩। অভ্যৰ্থনা সমিতিৰ সভাপতি শ্ৰীলক্ষ্যাধৰ চৌধুৰী ডাঙৰীয়াই সাহিত্য সভাৰ ৪৬ তম অধিৱেশন শুৱালকুছিত পাতিবলৈ লোৱাত কৃতজ্ঞতা জ্ঞাপন কৰে আৰু কাৰ্যনিৰ্বাহকৰ সদস্যসকলৰ প্ৰতি স্বাগত সম্ভাষণ জনায়।

৪। প্ৰধান সম্পাদকে পূৰ্ববৰ্তী বৈঠকৰ কাৰ্যবিৱৰণি উত্থাপন কৰে। সমিতিয়ে গ্ৰহণ কৰে।

৫। প্ৰধান সম্পাদকে পূৰ্ববৰ্তী বৈঠকৰপৰা উদ্ভিত বিষয় দাঙি ধৰি জনায় যে :

(ক) প্ৰকাশন আঁচনি, দুৰ্গেশ্বৰ শৰ্মাৰ ৰচনাৱলী, নিবেদন, কালিৰাম মেধিৰ ইংৰাজী ৰচনাৱলী, বৈষ্ণৱাইট্ নিটাৰেচাৰ এণ্ড কালচাৰ অৱ আচাম, হেম বৰুৱা, নলিনীবালা দেৱী, অসম সাহিত্য সভা পত্ৰিকাৰ প্ৰবন্ধ পঞ্জী, অসমীয়া গল্পগুচ্ছ, অসমীয়া লোকগীতি সংগ্ৰহৰ দ্বিতীয় সংস্কৰণ, কালিৰাম মেধি স্মৃতিমালা, অসম সাহিত্য সভাৰ ৰূপৰেখাৰ হিন্দী সংস্কৰণ ছপা হৈ ওলাইছে।

(খ) সৰ্বেশ্বৰ কটকীৰ 'প্ৰাচীন অসমীয়া লিপি',



যজ্ঞেশ্বৰ শৰ্মা অনূদিত 'এৰিষ্টটলৰ পয়েটিক্স', ড° মহেশ্বৰ নেওগ সম্পাদিত 'হস্ত মুক্তাৱলী', শ্ৰীযুতা মালতী নেওগ লিখিত 'নাগালেণ্ড', ড° চন্দ্ৰ কটকীৰ 'আধুনিক অসমীয়া কবিতা সম্পৰ্কীয় আলোচনামূলক গ্ৰন্থ', প্ৰকাশ গোস্বামী সম্পাদিত 'ভাষাজ্ঞান পৰীক্ষাৰ প্ৰাথমিক স্তৰৰ পাঠ্যপুথি পাঠ্যচয়ন' ছপাশালত আছে।

(গ) 'মধ্য এছিয়াৰ শব্দ সম্ভাৰ'ৰ ছপা কৰা ১২ পৃষ্ঠাৰ মুদ্ৰণ সমিতিৰ পূৰ্ববৰ্তী বৈঠকে মনোমত নোহোৱা বুলি মত প্ৰকাশ কৰাত পাণ্ডুলিপি ঘূৰাই অনা হৈছে।

সমিতিয়ে সিদ্ধান্ত কৰে যে পুনৰ ছপাশাললৈ পঠোৱাৰ আগতে গ্ৰন্থখনৰ লেখাৰ আহিঁ আৰু লগতে বিষয়-বস্তুও পুনৰীক্ষণ কৰি দিয়া হওক।

সমিতিয়ে গ্ৰন্থখনি পুনৰীক্ষণৰ কাৰণে অধ্যাপক বিশ্বেশ্বৰ হাজৰিকা, ড° উপেন্দ্ৰনাথ গোস্বামী, অধ্যাপক নাজিমুদ্দিন আহমদক অনুৰোধ কৰিবলৈ প্ৰধান সম্পাদকক পৰামৰ্শ দিয়ে। এই সম্পৰ্কত সমিতিয়ে জনায় যে পুনৰীক্ষণ কৰোঁতে চাব লাগে (১) গ্ৰন্থখনত ব্যৱহৃত সকলো শব্দৰ ব্যৱহাৰ অসমীয়া ভাষাত আছেনে নাই (২) যিবোৰ শব্দ মূল মধ্যপ্ৰাচ্য বোলা হৈছে সেই মূলৰ যথাযোগ্যতা ভাষাতত্ত্বৰ কালৰপৰা সম্পূৰ্ণ গ্ৰহণযোগ্য হয়নে নহয়, সন্দেহযুক্ত শব্দবোৰৰ ক্ষেত্ৰত পুনৰীক্ষকৰ চূড়ান্ত মতামত বিচাৰিব লাগে আৰু লিখাৰ পদ্ধতিসম্পৰ্কতো আহিঁ প্ৰস্তুত কৰি দিবৰবাবে অনুৰোধ জনাব লাগে।

(ঘ) প্ৰধান সম্পাদকে জনায় যে সৰ্বানন্দ ৰাজকুমাৰৰ 'অসমীয়া ফ'কৰা-যোজনা' গ্ৰন্থখন প্ৰকাশ কৰিবলৈ হলে সম্পাদনা কৰাৰ প্ৰয়োজন হ'ব আৰু এই সম্পৰ্কত গ্ৰন্থখনৰ উত্তৰাধিকাৰীসকলৰ সন্মতি পোৱা হৈছে।

সমিতিয়ে প্ৰধান সম্পাদক শ্ৰীলীলা গগৈক উক্ত গ্ৰন্থখনৰ মতান্তৰ থকা ঠাইত পাদটীকা সংযোগ কৰি, ফ'কৰা-যোজনাবিলাকৰ ব্যৱস্থা চমুৱাই সম্পাদনা কৰিবলৈ দায়িত্ব দিয়ে। সম্ভৱ হলে গ্ৰন্থখনত নথকা ফ'কৰা-যোজনাসমূহ সম্পাদকে পৰিশিষ্ট কৰি সংযোগ কৰাৰ যত্ন কৰিব।

(ঙ) ৭ জানুৱাৰী তাৰিখে দুৰ্গেশ্বৰ শৰ্মা ৰচনাৱলী আৰু দুৰ্গেশ্বৰ শৰ্মাৰ প্ৰতিকৃতি কেন্দ্ৰীয় কাৰ্যালয়ত আনুষ্ঠানিকভাৱে যোৰহাট সাহিত্য সভাৰ সহযোগত উন্মোচন কৰা হয়।

(চ) ১৭ জানুৱাৰীৰপৰা ২৪ জানুৱাৰীলৈকে অসম সাহিত্য সভা সপ্তাহ উদ্‌যাপিত হয়।

৬। প্ৰধান সম্পাদকে ৪৬ তম অধিবেশনৰ কাৰ্যসূচী আৰু বিষয়-বাছনী সভাৰ কাৰ্যসূচী উত্থাপন কৰে। প্ৰধান সম্পাদকে জনায় যে মুখ্য অতিথি-স্বৰূপে ধৰমবীৰ ভাৰতী আহিব নোৱাৰে বুলি জনোৱাত আৰু জৈনেন্দ্ৰ কুমাৰৰপৰা উত্তৰ নোপোৱাত এইবাৰৰ জ্ঞানপীঠ বঁটা পাওঁতা বিশিষ্ট হিন্দী সাহিত্যিক শ্ৰীসচ্চিদানন্দ হীৰানন্দ বাৎসায়ন 'অজ্ঞেয়ক' নিমন্ত্ৰণ জনোৱা হয় আৰু তেওঁ আহিব বুলি সন্মতি প্ৰদান কৰিছে। সাহিত্য আলোচনাত অংশ গ্ৰহণ কৰিবলৈ নিমন্ত্ৰণ জনোৱাসকলৰ ভিতৰত অধ্যাপক শশী শৰ্মাৰ বাহিৰে বাকী তিনিজনৰ সন্মতি নোপোৱাত ড° লক্ষীনন্দন বৰা আৰু শ্ৰীনগেন শইকীয়াক অংশ গ্ৰহণ কৰিবলৈ অনুৰোধ জনোৱা হৈছে। তদুপৰি প্ৰথম মুকলি অধিৱেশন উদ্বোধন কৰিবলৈ প্ৰাক্তন সভাপতি অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাদেৱক অনুৰোধ জনোৱা হৈছে। প্ৰধান সম্পাদকে জনায়

যে বাকী সকলো কাৰ্যসূচী পূৰ্বনিৰ্ধাৰিত ক্ৰমে আছে। সমিতিয়ে অনুমোদন জনায়।

৭। প্ৰধান সম্পাদকে জনায় যে প্ৰস্তাৱিত ৰাধাকান্ত সন্দিকৈ ভৱনত প্ৰতিষ্ঠা কৰিবলৈ লোৱা আৰু ভাৰতৰ বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগে স্বীকৃতি দিবলৈ দিহা কৰা অসম সাহিত্য সভাৰ গৱেষণা কেন্দ্ৰটিৰ এটি আঁচনি যুগুত কৰোৱা হৈছে। সমিতিয়ে আঁচনিত অনুমোদন জনায়। লগতে পৰামৰ্শ দিয়ে প্ৰস্তাৱিত গৱেষণা কেন্দ্ৰটিৰ ইংৰাজী নামৰ লগতে অসমীয়া নাম 'অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ কেন্দ্ৰীয় বিদ্যাসদন' বুলিও উল্লেখ থাকিব লাগে।

৮। প্ৰধান সম্পাদকে জনায় অসম ৰাজ্য চৰকাৰে চাকৰিয়ালসকলক চৰকাৰী কাম-কাজ অসমীয়াত চলাব পৰাকৈ অসমীয়া ভাষাৰ প্ৰশিক্ষণ দিবৰ বাবে সাহিত্য সভাক অনুৰোধ জনাইছে। সভাৰ পক্ষৰপৰা এই অনুৰোধ গ্ৰহণ কৰি কেন্দ্ৰ পৰিচালনাৰ আঁচনিসহ ব্যয়ৰ পৰিমাণ ধাৰ্য কৰি দাখিল কৰা হৈছে আৰু ভাষা-জ্ঞান পৰীক্ষা সংসদৰদ্বাৰা আৱশ্যকীয় পাঠ্যক্ৰম প্ৰস্তুত কৰি পঠোৱা হৈছে। সমিতিয়ে আঁচনি আৰু পাঠ্যক্ৰমত অনুমোদন জনায়।

৯। প্ৰধান সম্পাদকে বিভিন্ন বঁটা উপসমিতিসমূহে যুগুতাই দিয়া ফলাফল তলত দিয়াৰ দৰে উত্থাপন কৰে।

(ক) ন-প্ৰতিভাৰ সন্ধান শিতানত উপন্যাস প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰিছে 'নক্ষত্ৰৰ দৰে জাগ্ৰত' নামৰ উপন্যাসৰ বাবে শ্ৰীপ্ৰণৱপ্ৰাণ ভট্টাচাৰ্যই।

(খ) প্ৰেমধৰ দত্ত সোঁৱৰণী বঁটা লাভ কৰিছে 'আমাৰ জ্যোতিপ্ৰসাদ' নামৰ গ্ৰন্থৰ বাবে শ্ৰীযুতীন্দ্ৰ নাথ ফুকনে।

(গ) 'উগ্ৰ তৰা ন্যাস' বঁটা লাভ কৰিছে 'দিনৰ পিছত দিন' নামৰ কাব্য গ্ৰন্থৰ বাবে ড০ নিৰ্মলপ্ৰভা বৰদলৈয়ে।

(ঘ) শৰৎচন্দ্ৰ গোস্বামী বঁটা লাভ কৰিছে 'অসমৰ প্ৰাকৃতিক সম্পদ' নামৰ ৰচনাৰ বাবে শ্ৰীমুনমুন চন্দই।

১০। সমিতিয়ে সিদ্ধান্ত কৰে যে সংশ্লিষ্ট উপসমিতিসমূহৰ পৰামৰ্শ অনুসৰি তলত উল্লেখ কৰা বঁটাসমূহ দিব পৰা নহল —

(ক) ন-প্ৰতিভাৰ সন্ধান (ৰচনা প্ৰতিযোগিতা)

(খ) মোহনচন্দ্ৰ শৰ্মা বঁটা

(গ) হৰিহৰ চৌধুৰী বঁটা

(ঘ) বনমালী শইকীয়া বঁটা

(ঙ) ডিগবৈ সাহিত্য সেৱা সমিতি বঁটা

উল্লেখ থাকে ডিগবৈ সাহিত্য সেৱা সমিতিৰ বঁটা উপসমিতিৰ বৈঠক বহুৱাব পৰা নহল।

১১। প্ৰধান সম্পাদকে জনায় যে ন-প্ৰতিভাৰ সন্ধান শিতানত আহ্বান কৰা উপন্যাস প্ৰতিযোগিতাৰ বাবে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ৺গিৰিধৰ শৰ্মাৰ সোঁৱৰণত তেওঁৰ পুত্ৰ শ্ৰীপ্ৰশান্ত কুমাৰ শৰ্মাই ৩,৫০০·০০ টকাৰ এটি পুঁজি আৰু ৰচনা প্ৰতিযোগিতাৰ বাবে ৺গোপালচন্দ্ৰ বৰুৱাৰ নামত শ্ৰীবদনচন্দ্ৰ বৰুৱাই ৩,৫০০·০০ টকাৰ আন এটি পুঁজি সভাক দান কৰিছে। সমিতিয়ে দুয়োগৰাকী দাতাক ধন্যবাদ জ্ঞাপন কৰে।

১২। প্ৰধান সম্পাদকে শিৱসাগৰৰ শ্ৰীপ্ৰফুল্লচন্দ্ৰ বৰুৱাৰ আৰু শ্ৰীপৰশুৰাম বৰুৱাই তেখেতসকলৰ পিতৃ ৺লক্ষ্মীৰাম বৰুৱাৰ সোঁৱৰণত গুৱাহাটীত এটা ভৱন নিৰ্মাণৰ বাবে এক লাখ টকাৰ দান দিয়াৰ চুক্তি-পত্ৰ দাখিল ধৰে। সমিতিয়ে উক্ত চুক্তি-পত্ৰ গ্ৰহণ কৰে আৰু দাতাসকললৈ ধন্যবাদ জ্ঞাপন কৰে।

১৩। ১৯৮০ চনৰ জানুৱাৰী মাহত হ'বলগীয়া বিপ্লৱী কবি ৰঘুনাথ চৌধাৰীৰ জন্ম শতবাৰ্ষিকী কেন্দ্ৰীয়ভাৱে গুৱাহাটীত আৰু উক্ত চনৰে জুন মাহত হ'বলগীয়া বাগ্মীবৰ নীলমণি ফুকনৰ জন্ম শতবাৰ্ষিকী যোৰহাটত কেন্দ্ৰীয়ভাৱে উদ্‌যাপন কৰিবলৈ সমিতিয়ে সিদ্ধান্ত কৰে। উল্লেখ থাকে সম্ভৱ ক্ষেত্ৰত দুয়োগৰাকীৰে জন্মস্থানত স্থানীয় শাখাৰ সহযোগত একোটি কেন্দ্ৰীয় অনুষ্ঠান কৰিব পাৰিলে ভাল হয়।



ৰঘুনাথ চৌধাৰীৰ শতবাৰ্ষিকী উদ্‌যাপনৰ বাবে গুৱাহাটীত স্থানীয়ভাৱে এখন উছৱ সমিতি গঠন কৰিবলৈ গুৱাহাটী কাৰ্যালয়ৰ সহকাৰী সম্পাদকে আহ্বায়কস্বৰূপে কাৰ্য কৰিব আৰু নীলমণি ফুকন শতবাৰ্ষিকী উদ্‌যাপন কৰিবলৈ যোৰহাটত এখন উছৱ সমিতি গঠন কৰিবৰ বাবে কেন্দ্ৰীয় কাৰ্যালয়ৰ সহকাৰী সম্পাদকে আহ্বায়কস্বৰূপে দায়িত্ব পালন কৰিব। সভাৰ প্ৰধান সম্পাদক দুয়োখন সমিতিৰে দায়িত্বত থাকিব।

১৪। সমিতিয়ে বাগ্মীবৰ নীলমণি ফুকনৰ ৰচনাৱলী শতবাৰ্ষিকীৰ সময়ত প্ৰকাশ কৰিব পৰাকৈ সম্পাদনা কৰি দিবৰ কাৰণে তলত দিয়াৰ দৰে দায়িত্ব ন্যস্ত কৰে।

(ক) প্ৰথম খণ্ড : নীলমণি ফুকনৰ কাব্য সংগ্ৰহ : সম্পাদক শ্ৰীনগেন শইকীয়া।

(খ) দ্বিতীয় খণ্ড : নীলমণি ফুকনৰ গদ্য সম্ভাৰ : সম্পাদক শ্ৰীৰাম গোস্বামী।

(গ) তৃতীয় খণ্ড : নীলমণি ফুকনৰ ভাষণাৱলী আৰু অন্যান্য ৰচনা : সম্পাদক শ্ৰীনন্দ তালুকদাৰ।

সমিতিয়ে তিনিওটা খণ্ডৰ মুখ্য সম্পাদকৰ দায়িত্ব ল'বলৈ অনুৰোধ জনায় ড০ সত্যেন্দ্ৰনাথ শৰ্মাদেৱক।

১৫। বিংশ শতাব্দীৰ অসমীয়া সাহিত্য গ্ৰন্থখনিৰ পৰিবৰ্দ্ধিত সংস্কৰণ সম্পাদনা কৰিবৰ কাৰণে ইতিপূৰ্বে শ্ৰীনগেন শইকীয়াক দায়িত্ব দিয়া হৈছিল। শ্ৰীশইকীয়াই ব্যক্তকৰা মতামত আলোচনা কৰি সমিতিয়ে সিদ্ধান্ত কৰে যে বৰ্তমান দশকলৈকে সাঙুৰিব পৰাকৈ প্ৰবন্ধসমূহ সংশ্লিষ্ট লোকসকলৰদ্বাৰা পৰিবৰ্ধিত কৰা হওক অথবা আন কোনো লেখকৰদ্বাৰা লিখাই সংযোগ কৰা হওক। প্ৰথম সংস্কৰণৰ যিকেইটা প্ৰবন্ধই সকলো দিশ সামৰা নাই বুলি ভৱা হৈছে তেনে প্ৰবন্ধ সংশ্লিষ্ট লেখকসকলৰদ্বাৰা অথবা আন লেখকৰদ্বাৰা নতুনকৈ লিখোৱা হওক। উল্লেখ থাকে প্ৰথম সংস্কৰণৰ সম্পাদকৰ নাম টাইটেল পেইজৰ দ্বিতীয় পিঠিত উল্লেখ থাকিব।

১৬। প্ৰধান সম্পাদকে আখৰ জে'টনি উপ-সমিতিৰ প্ৰতিবেদন উত্থাপন কৰে। সমিতি অৱগত হয়। আখৰ জে'টনি সম্পৰ্কে উপ-সমিতিয়ে যুকিয়াই দিয়া লেখক-শিবিৰৰ সিদ্ধান্তসমূহৰ বাতৰি কাকত আৰু প্ৰচাৰ পত্ৰৰ যোগেদি প্ৰচাৰ কৰি বিভিন্ন ব্যক্তি, অনুষ্ঠান আৰু সভাৰ শাখাসমূহৰপৰা মতামত আহ্বান কৰিবলৈ প্ৰধান সম্পাদকক দায়িত্ব দিয়ে।

১৭। সমিতিয়ে সভাৰ বাঢ়ি অহা কাম-কাজ আৰু দায়িত্বলৈ চাই কেন্দ্ৰীয় কাৰ্যালয়ত এজন কাৰ্যালয় সচিব নিয়োগ কৰাৰ প্ৰয়োজনীয়তা অনুভৱ কৰে আৰু তলত দিয়া অৰ্হতা ভিত্তিত আবেদনপত্ৰ আহ্বান কৰিবলৈ প্ৰধান সম্পাদকক দায়িত্ব দিয়ে।

(১) কলা বিষয়ৰ স্নাতকোত্তৰ ডিগ্ৰী

(২) কাৰ্যালয়ৰ কামৰ অভিজ্ঞতা, সাহিত্য, সাহিত্য সভা, শিল্পকলাৰ প্ৰতি অনুৰাগ

(৩) বয়সৰ ফালৰপৰা ৩০ বছৰৰ ওপৰ

বিশেষ গুণসম্পন্ন হলে শিক্ষাগত অৰ্হতা স্নাতকলৈ কমাই দিবপৰা হ'ব। কাম-কাজৰ দায়িত্ব পূৰ্বে-নিৰ্ধাৰণ কৰা অনুসৰি হ'ব,- লগতে প্ৰস্তাৱিত

গৱেষণা কামো সংযোজিত হ'ব।
মাহেকীয়া বেতন সম্প্ৰতি সকলো সামৰি ৫০০'০০ টকা হ'ব।

১৮। প্ৰধান সম্পাদকে বিষয়-বাছনী সভাত উত্থাপন কৰিবলগীয়া প্ৰস্তাৱ আৰু নিয়মাৱলী সংশোধনী প্ৰস্তাৱসমূহ উত্থাপন কৰে। সমিতিয়ে তলত দিয়া ব্যক্তিসকলক প্ৰস্তাৱসমূহ যুকিয়াই উত্থাপন কৰিব পৰাকৈ প্ৰস্তুত কৰি দিবৰবাবে দায়িত্ব দিয়ে : শ্ৰীনগেন শইকীয়া, ড° হেমন্তকুমাৰ শৰ্মা, শ্ৰীপুনাৰাম বৰুৱা, শ্ৰীবীৰেন বৰকটকী আৰু শ্ৰীযোগেন্দ্ৰনাৰায়ণ ভূঞা।

১৯। সমিতিয়ে সিদ্ধান্ত কৰে যে :

(ক) চন্দ্ৰকান্ত অভিধান প্ৰকাশৰ চৰ্ত গুৱাহাটী বিশ্ববিদ্যালয়ক দিয়াৰ কাকত-পত্ৰাদি সংগ্ৰহ কৰিবৰ কাৰণে প্ৰধান সম্পাদকক দায়িত্ব দিয়া হওক।

(খ) সভাৰ বৰ্তমান জীৱিত আজীৱন সভ্যসকলৰ নাম-তালিকা বেলেগে প্ৰস্তুত কৰা হওক।

২০। প্ৰধান সম্পাদকে ৰাধাকান্ত সন্দিকৈ ভৱনৰ আঁচনিৰ সম্পৰ্কত বাস্তুিক গড় কাম্পানী বিভাগৰ যোগেদি ডিজাইন কেলকুলেচন আৰু স্পেচিফিকেচন্ কৰাবলৈ যোগাযোগ কৰা হৈছে বুলি জনায়। এই সম্পৰ্কত ৰাধাকান্ত সন্দিকৈ ভৱন নিৰ্মাণ সমিতিৰ পৰামৰ্শমৰ্তে প্ৰধান সম্পাদকে উত্থাপন কৰে।

সমিতিয়ে সিদ্ধান্ত কৰে যে উক্ত সমিতিৰ পৰামৰ্শ অনুসৰি ভৱন নিৰ্মাণৰ কামত সহায় কৰিবলৈ নিয়োগ কৰা মহৰি আৰু অংশকালীন হিচাপ ৰক্ষকক নিৰ্মাণৰ কাম আৰম্ভ নোহোৱা পৰ্যন্ত ৩১।৩।৭৯ তাৰিখৰপৰা সাময়িক অব্যাহতি দিয়া হওক। যেহেতু ভৱনৰ বাবে ক্ৰয় কৰা সামগ্ৰিসমূহত চকু ৰখাৰ প্ৰয়োজনীয়তা আছে, গতিকে কেন্দ্ৰীয় কাৰ্যালয়ৰ চকীদাৰক বৰ্তমানৰ দৰেই অংশকালীন পাৰিতোষিক দি দায়িত্ব দি থোৱা হওক।

২১। প্ৰধান সম্পাদকে জনায় যে অসম সীমান্তত নগালেণ্ডৰপৰা দুৰ্বৃত্তই আক্ৰমণ কৰাৰ ফলত উদ্ভৱ হোৱা পৰিস্থিতিৰ সন্দৰ্ভত এনে কাৰ্যক নিন্দা কৰি আৰু শৰণাৰ্থীসকলৰ উপযুক্ত ক্ষতিপূৰণসহ পুনৰ্বাসৰ দাবী কৰি প্ৰধান মন্ত্ৰী আৰু অসমৰ মুখ্য মন্ত্ৰীলৈ তাঁৰবাৰ্তা পঠোৱা হয় আৰু প্ৰধান সম্পাদকৰ ঐছিক পুঁজিৰ সমুদায় ধন ১০০'০০ টকা সাহায্যস্বৰূপে দিয়া হয়। সমিতিয়ে অনুমোদন জনায় আৰু সম্পাদকৰ ১০০'০০ টকাৰ লগত সভাৰ পক্ষৰপৰা অতিৰিক্ত ৪০০'০০ টকা সাহায্যস্বৰূপে আগবঢ়াবলৈ সিদ্ধান্ত কৰা হয়।

২২। প্ৰধান সম্পাদকে সম্পাদকৰ বাৰ্ষিক প্ৰতিবেদন উত্থাপন কৰে। সমিতিয়ে প্ৰত্যেকটো ছেদ আলোচনা কৰে আৰু বিষয়-বাছনী সভাত উত্থাপন কৰিবলৈ অনুমোদন জনায়।

২৩। প্ৰধান সম্পাদকে ১৯৭৭-৭৮ বিত্তীয় বছৰৰ পৰীক্ষিত হিচাপ বিষয়-বাছনী সভাত উত্থাপন কৰিবৰ কাৰণে অনুমোদন জনায়।

২৪। (ক) অধিবেশনৰ সময়ত অতিৰিক্ত কামৰবাবদ সভাৰ কৰ্মীসকলৰ পূৰ্বৰদৰেই বিশেষ পাৰিশ্ৰমিক মুঠ ৮৫০'০০ (আঠশ পঞ্চাছ টকা) মাত্ৰ দিবলৈ প্ৰধান সম্পাদকক দায়িত্ব দিয়া হয়।

| | | |
|---|---|---|
| (ক) | ১) শ্ৰীনন্দ বৰদলৈ | ২০০'০০ |
| | ২) শ্ৰীহেম শইকীয়া | ১৫০'০০ |
| | ৩) শ্ৰীমাখন গগৈ | ১৫০'০০ |
| | ৪) শ্ৰীচেমিৰুদ্দিন আহমেদ | ১০০'০০ |
| | ৫) শ্ৰীঅনন্ত তালুকদাৰ | ৭৫'০০ |
| | ৬) শ্ৰীপ্ৰমোদ হাজৰিকা | ৭৫'০০ |
| | ৭) শ্ৰীদুলাল ডেকা | ৫০'০০ |
| | ৮) শ্ৰীৰাজেন বৰা | ৫০'০০ |



(খ) পুথি সম্পাদনাৰ ব্যয়ৰ বাবদ তলত দিয়া দৰে লেখকসকলক মাননি দিবলৈ সিদ্ধান্ত কৰা হয়।

| | |
|---|---|
| ১) ড° সত্যেন্দ্ৰনাথ শৰ্মা—ষ্টাডিজ ইন দি বৈষ্ণৱ লিটাৰেচাৰ এণ্ড কালচাৰ অৱ আচাম— | ৩০০'০০ |
| ২) শ্ৰীৰামচৰণ ঠাকুৰীয়া গিৰিধৰ শৰ্মা স্মৃতিগ্ৰন্থ | ১৫০'০০ |
| ৩) শ্ৰীযোগেশ দাস—হেম বৰুৱা স্মৃতিগ্ৰন্থ | ১০০'০০ |
| ৪) শ্ৰীহেমন্তকুমাৰ শৰ্মা নলিনীবালা দেৱী স্মৃতিগ্ৰন্থ | ১০০'০০ |
| ৫) শ্ৰীযতীন্দ্ৰনাথ গোস্বামী কালিৰাম মেধি ৰচনাৱলী | ২০০'০০ |
| ৬) শ্ৰীমুৰাৰিচৰণ দাস কালিৰাম মেধি ৰচনাৱলী | ২০০'০০ |
| ৭) শ্ৰীযতীন্দ্ৰনাথ গোস্বামী—প্ৰবন্ধপঞ্জী | ২০০'০০ |

গ) কালিৰাম মেধি ৰচনাৱলী গ্ৰন্থখনৰ সংশোধন, পুনৰীক্ষণ, আদি কাকত চোৱাৰ বাবদ ৩০০'০০ টকা দিবলৈ সমিতিয়ে সিদ্ধান্ত কৰে।

ঘ) অধিৱেশনৰ বাবে হোৱা অতিৰিক্ত কামত সহায় কৰিবলৈ সাময়িকভাৱে নিযুক্তি দিয়া শ্ৰীমিনেশ্বৰ শইকীয়াক ১৫০'০০ টকা পাৰিশ্ৰমিক দিবলৈ সিদ্ধান্ত কৰে।

২৫। প্ৰধান সম্পাদকে ১৯৭৮ চনৰ ১ এপ্ৰিলৰপৰা ৩১ ডিচেম্বৰ পৰ্যন্ত হোৱা আয়-ব্যয়ৰ এটা চমু আভাস দাঙি ধৰে। সমিতি অৱগত হয়।

২৬। সমিতিয়ে সাহিত্য সভাৰ বিষয়ববীয়া নিৰ্বাচনৰ কাম পৰিচালনা কৰিবৰ কাৰণে প্ৰতিনিধিসকলৰ মাজৰপৰা এজন নিৰ্বাচনী বিষয়া বাছিবৰ কাৰণে শ্ৰীনগেন শইকীয়া, ড° হেমন্তকুমাৰ শৰ্মা আৰু উপ-সভাপতি শ্ৰীযোগেশ দাসক দায়িত্ব দিয়া হয়। (উল্লেখ থাকে প্ৰস্তাৱিত ব্যক্তিসকলৰ পৰামৰ্শ অনুসৰি আজীৱন সভ্যৰ প্ৰতিনিধি শ্ৰীকৃষ্ণপ্ৰসাদ বৰুৱাক নিৰ্বাচনী বিষয়াস্বৰূপে মনোনয়ন দিয়া হয়)।

২৭। প্ৰধান সম্পাদকে তলত নাম দিয়া আজীৱন সভ্যৰ প্ৰাৰ্থী আৰু নতুনকৈ গঠিত শাখা আৰু স্বীকৃত সভাৰ তালিকা উত্থাপন কৰে। সমিতিয়ে স্বীকৃতি প্ৰদান কৰে।

(ক) আজীৱন সভ্য :

১) শ্ৰীজগদীশচন্দ্ৰ শৰ্মা, কৰৰা হাইস্কুল, কৰৰা, কামৰূপ। ২) শ্ৰীপ্ৰকৃতি বৰা, কহিমা, নগাভূমি। ৩) শ্ৰীমহাবীৰপ্ৰসাদ জৈন, ডিব্ৰুগড়। ৪) ডা°মাহমুদ আলি চৌধুৰী, ডিব্ৰুগড়। ৫। শ্ৰীবুদ্ধেশ্বৰ দত্ত, দিখৌমুখ, শিৱসাগৰ। ৬। শ্ৰীবীৰেন্দ্ৰনাথ নেওগ, দিখৌমুখ, শিৱসাগৰ। ৭। শ্ৰীপ্ৰসন্নকুমাৰ দত্ত, দিখৌমুখ শিৱসাগৰ। ৮) শ্ৰীললিতচন্দ্ৰ ভড়ালী, দিখৌমুখ, শিৱসাগৰ। ৯) শ্ৰীসভাৰাম সাউদ, দিখৌমুখ, শিৱসাগৰ। ১০) শ্ৰীথানেশ্বৰ শইকীয়া, গোপালপুৰ, শিৱসাগৰ। ১১) শ্ৰীসুৰৰাম বৰা, দিখৌমুখ, শিৱসাগৰ। ১২। শ্ৰীলক্ষী নেওগ, দিখৌমুখ, শিৱসাগৰ। ১৩) শ্ৰীমাণিকচন্দ্ৰ দত্ত, দিখৌমুখ, শিৱসাগৰ। ১৪) শ্ৰীযতিন বায়ন, ওদালগুৰি, দৰং। ১৫। শ্ৰীবাসুদেৱ দাস, ওদালগুৰি, দৰং। ১৬) শ্ৰীকনকেশ্বৰ ফুকন, ওদালগুৰি, দৰং। ১৭) শ্ৰীতীৰ্থ দাস, ওদালগুৰি, দৰং। ১৮) শ্ৰীভৱানন্দ বুঢ়াগোহাঞি, ছৈখোৱাঘাট, ডিব্ৰুগড়। ১৯) শ্ৰীঅজয়কুমাৰ দে, ডিব্ৰুগড়। ২০) শ্ৰীচিৰঞ্জিলাল আগৰৱালা, ডিব্ৰুগড়। ২১) শ্ৰীবিজয়কুমাৰ খেমানি, ডিব্ৰুগড়। ২২) শ্ৰীনগেন বৰা, মৰিয়নী, যোৰহাট। ২৩) শ্ৰীতাৰাপ্ৰসাদ চাংকাকতি, মৰিয়নী। ২৪) শ্ৰীঅৰবিন্দ হাজৰিকা, মৰিয়নী। ২৫) শ্ৰীবিনোদকুমাৰ গগৈ,

মৰিয়ণী, যোৰহাট। ২৬) শ্ৰীদিব্যাপৰন বৰুৱা, মৰিয়ণী। ২৭) শ্ৰীপ্ৰিয়নাথ হাজৰিকা, বৰবৰুৱা, ডিব্ৰুগড়। ২৮) শ্ৰীশৈলেন্দ্ৰনাথ শইকীয়া, বৰবৰুৱা, ডিব্ৰুগড়। ২৯) শ্ৰীসুৰেন্দ্ৰনাথ শেনচোৱা, বৰবৰুৱা। ৩০) শ্ৰীকমলাকান্ত দেব সত্ৰাধিকাৰ গোস্বামী, উত্তৰ কমলাবাৰী সত্ৰ, মাজুলী। ৩১) শ্ৰীবীৰেন্দ্ৰনাথ দত্ত, মৰিয়ণী। ৩২) শ্ৰীবৃন্দেশ্বৰ হাজৰিকা, মৰিয়ণী, যোৰহাট। ৩৩) শ্ৰীপোনাৰাম বৰুৱা, গোলাঘাট। ৩৪) শ্ৰীকমলেশ্বৰ শইকীয়া, গোলাঘাট। ৩৫) শ্ৰীমোহিনী কুমাৰ শইকীয়া, গোলাঘাট। ৩৬) শ্ৰীজগত হুৰবা, গোলাঘাট। ৩৭) শ্ৰীমদন খেতান, গোলাঘাট। ৩৮) শ্ৰীশংকৰলাল বাউৰী, গোলাঘাট। ৩৯) শ্ৰীজয়দেব খাণ্ডেলৱাল, গোলাঘাট। ৪০) শ্ৰীপৱন বৰুৱা, গোলাঘাট। ৪১) শ্ৰীডিম্বেশ্বৰ বৰা, গোলাঘাট। ৪২) শ্ৰীঅগৰীন সিং সেঠি, ডিমাপুৰ। ৪৩) শ্ৰীমহেন্দ্ৰ বৰা, কহিমা। ৪৪) শ্ৰীনকুলচন্দ্ৰ মহন্ত, কহিমা। ৪৫) শ্ৰীভাৰতচন্দ্ৰ মহন্ত, কামৰূপ। ৪৬) শ্ৰীপ্ৰদীপ চন্দ্ৰ শইকীয়া, ৰূপহী নগাঁও। ৪৭) শ্ৰীহেৰম্ব বৰদলৈ, ডিব্ৰুগড়। ৪৮) শ্ৰীপ্ৰফুল্লকুমাৰ বৰুৱা, অধ্যাপক অসম চিকিৎসা মহাবিদ্যালয়। ৪৯) ডাঃ শৈলেন্দ্ৰ কুমাৰ বৰুৱা ডিব্ৰুগড়। ৫০) শ্ৰীমোহন শেনচোৱা, ডিব্ৰুগড়। ৫১) শ্ৰীসিতাংশু কাননগু, ডিব্ৰুগড়। ৫২) হাফিজুদ্দিন আহমেদ, বতাপাৰা, ৫৩) এম ইলিয়উদ্দিন দেৱান, বৰপেটা। ৫৪) শ্ৰীবনপ্ৰভা দাস, বৰপেটা। ৫৫) শ্ৰীৰবিৰাম বৰা, কামপুৰ। ৫৬) শ্ৰীসুবৰ্ণ বৰুৱা, হেলেম, দৰং। ৫৭) শ্ৰীপৃথুৰাম বৰুৱা, ভোলাবাৰী, দৰং। ৫৮) শ্ৰীদেবেন্দ্ৰনাথ বৰুৱা, দিখৌমুখ, শিৱসাগৰ। ৫৯) শ্ৰীলক্ষীকান্ত পাটগিৰী, গোপেশ্বৰ, কামৰূপ।

**খ) শাখাসভা :**

১) পশ্চিম গুৱাহাটী সাহিত্য সভা, আঠগাঁও গুৱাহাটী—১

২) পাথৰি আঞ্চলিক সাহিত্য সভা, মাজপাথৰি, নগাঁও।

৩) কয়াকুছি সাহিত্য সভা, কয়াকুছি, কামৰূপ।

৪) দিছপুৰ যুৱ কল্যাণ পৰিষদ শাখা সাহিত্য সভা, দিছপুৰ, গুৱাহাটী—৬

৫) দেওমৰনৈ শাখা সাহিত্য সভা, পাটি দৰং, মঙলদৈ

৬) দাসপুৰ সাহিত্য সভা, দাসপুৰ, কামৰূপ

৭) হেম বৰুৱা শাখা সাহিত্য সভা—পুৰণি টংলা, দৰং

৮) কল্যাণকামী শাখা সাহিত্য সভা—আমগুৰি, লক্ষীমপুৰ

৯) আমচৈ আঞ্চলিক সাহিত্য সভা

১০) কলংপৰীয়া সাহিত্য চ'ৰা

১১) জুৰীয়া আঞ্চলিক সাহিত্য সভা

১২) আনন্দবাজাৰ সাহিত্য সভা, আনন্দবাজাৰ

১৩) জ্ঞানমালিনী সাহিত্য সভা, বেজেৰা, কামৰূপ

১৪) ন-লেখক-লেখিকা সভা, গুৱাহাটী—৩

১৫) দলগাঁও সাহিত্য সভা, দৰং

**(গ) স্বীকৃত সভা :**

১) সাহিত্য কুঞ্জ—কৃষ্ণাই, গোৱালপাৰা

২) জ্ঞানমালিনী অধ্যয়ন চক্ৰ, ডিব্ৰুগড়।

২৭। সভাপতিৰ আসনৰপৰা শ্ৰীযোগেশ দাসে সদস্যসকলৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰে।

২৮। প্ৰধান সম্পাদকে সভাপতি প্ৰমুখ্যে কাৰ্যনিৰ্বাহক সমিতিৰ সকলো সদস্যলৈ আৰু গুৱালকুছি অধিবেশনৰ অভ্যৰ্থনা সমিতিলৈ সভাৰ পক্ষৰপৰা শলাগ জ্ঞাপন কৰে।

২৯। সভাপতিয়ে কাৰ্যনিৰ্বাহক সমিতিৰ চলিত বছৰৰ শেষ বৈঠকৰ সামৰণি ঘোষণা কৰে।

স্বাক্ষৰ : শ্ৰীযোগেশ দাস,
সভাপতি
৮।২।৭৯

শ্ৰীলীলা গগৈ,
প্ৰধান সম্পাদক
৮।২।৭৯

---

## ষষ্ট চত্বাৰিংশ সম্মিলন : বিষয়-বাছনী সভা
## ফেব্ৰুৱাৰী ৯।২।৭৯
## গুৱালকুছি

অসম সাহিত্য সভাৰ ষটচত্বাৰিংশ সম্মিলনৰ বিষয়-বাছনী সভা ৯।২।৭৯ তাৰিখে সন্ধ্যা ৫ বজাৰপৰা গুৱালকুছিত বহে। বিষয়-বাছনী সভাত মুঠ ৬৩৫ জন প্ৰতিনিধিয়ে যোগ দিয়ে।

এই সভা ১০ তাৰিখে দিনৰ ১০-৩০ বজাৰপৰা ১২ বজালৈ আৰু ৰাতি ৭ বজাৰপৰা পুৱতি ৰাতি ২ বজালৈকে চলে।

১। অসম সাহিত্য সভাৰ সভাপতি শ্ৰীপ্ৰসন্নলাল চৌধুৰী অসুস্থতাবশতঃ উপস্থিত থাকিব নোৱাৰাত প্ৰধান সম্পাদক শ্ৰীলীলা গগৈয়ে নিয়মাৱলীৰ ১০ম ছেদৰ ৪৬ (২) খ অনুচ্ছেদ অনুসৰি উপ-সভাপতি শ্ৰীযোগেশ দাসক সভা পৰিচালনা কৰিবৰ কাৰণে অনুৰোধ জনায়।

শ্ৰীদাসে আসন গ্ৰহণ কৰে।

২। সভাপতিৰ আসনৰপৰা অসম সাহিত সভাৰ সভাপতি শ্ৰীপ্ৰসন্নলাল চৌধুৰীৰ আশু আৰোগ্য কামনা কৰি প্ৰাৰ্থনা জনাবলৈ অনুৰোধ কৰে আৰু প্ৰতিনিধিসকলে এক মিনিট থিয় হৈ শ্ৰীচৌধুৰীৰ প্ৰতি সদইচ্ছা জ্ঞাপন কৰে আৰু আশু আৰোগ্য কামনা কৰে।

৩। সভাপতিৰ আসনৰপৰা তলত দিয়া শোক প্ৰস্তাৱটি দাঙি ধৰে আৰু সমবেত সকলোৱে এক মিনিট থিয় হৈ মৌন প্ৰাৰ্থনা জনায়।

শোক প্ৰস্তাৱ

অসম সাহিত্য সভাৰ আজিৰ বাৰ্ষিক অধিৱেশনে তলত নাম দিয়া ব্যক্তিসকলৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰে আৰু এক মিনিট সময় থিয় হৈ মৌনতা অৱলম্বন কৰি বিদেহ আত্মাৰ সদ্‌গতি কামনা কৰে আৰু শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

সীমান্তৰ আক্ৰমণত নিহতসকল, বৰগোলাইথনিৰ দুৰ্ঘটনাত নিহতসকল, শ্ৰীমান নাৰায়ণ, জি, শংকৰ কুৰূপ, এইচ, এন গোখলে, পংকজ মল্লিক, অনন্তস্বামী আয়েংগাৰ, পণ্ডিত হৃদয়নাথ কুঞ্জুৰু, সুৰেশ গোয়েল, বীৰেন দে, ভিনু মানকাড, ঋত্বিক ঘটক, গহনচন্দ্ৰ গোস্বামী, প্ৰাক্তন সভাপতি গিৰিধৰ শৰ্মা, মঘাই ওজা, অমূল্য বৰুৱা, নবীনচন্দ্ৰ শৰ্মা, গংগাধৰ বায়বৰুৱা, ভদ্ৰেশ্বৰ হাজৰিকা, ডাঃ দীননাথ শৰ্মা, দিলীপ ভট্টাচাৰ্য, সোণাৰাম দত্ত, চেনিৰাম পাচনি, পি, এইছ, মজুমদাৰ, অম্বিকা বৰুৱা, চেনিলট গোঁহাই, মুকুতানাথ বৰঠাকুৰ, টংকেশ্বৰ চলিহা, প্ৰতাপচন্দ্ৰ

দেৱগোস্বামী, গোলাপচন্দ্ৰ মিশ্ৰ, কিশোৰীমোহন পাল, দৰিকানাথ শৰ্মা, মোক্ষদাপ্ৰসাদ বৰুৱা, আব্দুল হক চৌধুৰী, মুৰলীধৰ বৰুৱা, কমলকৃষ্ণ দাস, কামাখ্যা বৰঠাকুৰ, দৌলতচন্দ্ৰ গোঁহাই, পুণ্যধৰ ৰাজখোৱা, চিন্তাহৰণ পাটগিৰি, লংকেশ্বৰ দাস, কিনাৰাম বৰা, ৰামেশ্বৰ শৰ্মা, শৰৎ বৰঠাকুৰ, ধনকান্ত কলিতা, বলাইচাঁদ মুখোপাধ্যায়, চন্দ্ৰপ্ৰভা দাস, ধ্ৰুৱলোচন কলিতা, অনিমা গোস্বামী, প্ৰিয়লতা কাকতি, চন্দ্ৰপ্ৰভা দাস।

৪। প্ৰধান সম্পাদকে ষটচত্বাবিংশ সম্মিলনৰ প্ৰদৰ্শনী উদ্বোধন কৰিবৰ কাৰণে নিমন্ত্ৰিত হৈ অহা বিশিষ্ট অতিথি মণিপুৰৰ ই, নীলকান্ত সিং প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকলৰ পৰিচয় প্ৰদান কৰে আৰু বিভিন্ন শাখাৰ প্ৰতিনিধিসকলে নিজ নিজ পৰিচয় প্ৰদান কৰে।

৫। অভ্যৰ্থনা সমিতিৰ প্ৰধান সম্পাদক শ্ৰীহৰিণ কলিতাই প্ৰতিনিধিসকলক স্বাগতঃ সম্ভাষণ জ্ঞাপন কৰি অসমৰ জাতীয় সমস্যা সমাধানত আৰু অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ বিকাশ, সংৰক্ষণ আৰু প্ৰসাৰৰ ক্ষেত্ৰত অধিৱেশনত সমবেত প্ৰতিনিধিবৰ্গই বিশেষ গুৰুত্ব প্ৰদান কৰিব বুলি আশা প্ৰকাশ কৰে।

৬। প্ৰধান সম্পাদকে ষট্‌চত্বাবিংশ সম্মিলনত কাৰ্য-সূচী উত্থাপন কৰে আৰু সভাই গ্ৰহণ কৰে।

৭। প্ৰধান সম্পাদকে (১) প্ৰস্তাৱনা (২) তৰ্পণ (৩) প্ৰস্তাৱ (৪) ৰাজ্যিক ভাষা (৫) বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম (৬) প্ৰকাশন (৭) শতবাৰ্ষিকী (৮) লেখক-শিবিৰ (৯) সপ্তাহ পালন (১০) ভৱন (১১) দান-অনুদান (১২) বঁটা (১৩) শুভেচ্ছামূলক ভ্ৰমণ (১৪) সাহায্য দান (১৫) বিত্তীয় অৱস্থা (১৬) অভ্যৰ্থনা সমিতিৰ হিচাপ (১৭) শাখা সভা সংগঠন (১৮) জিলা পৰিষদ (১৯) অসম সাহিত্য সভা পত্ৰিকা (২০) নগা সীমান্তৰ অশান্তি শিতানৰ ১৯৭৮-৭৯ চনৰ কাৰ্য-বিৱৰণি দাঙি ধৰে আৰু সভা[ই] আলোচনাৰ অন্তত প্ৰতিবেদন গ্ৰহণ কৰে।

৮। সম্পাদকীয় প্ৰতিবেদন সম্পৰ্কে হোৱ[া] আলোচনাত তলৰ পৰামৰ্শসমূহ ভৱিষ্যতে কাৰ্যকৰ[ী] কৰিবলৈ সভাই পৰামৰ্শ দিয়ে।

(ক) সভাৰ কাৰ্যালয়ৰপৰা পঠোৱা চিঠি-প[ত্ৰ] বিজ্ঞপ্তি, পত্ৰিকা আদি সময়মতে নোপোৱাত [...] নোপোৱাৰ মূলতে ডাক বিভাগৰ বিকৃতি বুলি অনুভৱ কৰা হৈছে। সভাৰ অসন্তুষ্টিৰ কথা জনা[ই] সংশ্লিষ্ট কৰ্তৃপক্ষক বিহিত ব্যৱস্থা ল'বৰ কাৰণে জনাব লাগে। তদুপৰি অসমৰবাবে সুকীয়া ডাক-তাঁৰ চাৰ্কোল স্থাপন কৰিবৰ বাবে দাবী জনা[ই] যোগাযোগ কৰিবলৈ পৰামৰ্শ দিয়া হয়।

(খ) বাতৰি কাকতত প্ৰকাশ পোৱা মতে কোনো ব্যক্তিয়ে বিকল্প সাহিত্য সভা গঠন কৰিব খোজা[ৰ] সম্পৰ্কত সভাই মত প্ৰকাশ কৰে যে সভাৰ কোনো শ্ৰেণীৰ সদস্যৰ কিবা বক্তব্য থাকিলে সভাত উত্থা[পন] কৰিব লাগে। ভৱিষ্যতে সভাৰ বিৰুদ্ধে অপপ্ৰচাৰ[ত] সভাৰ নীতি আৰু উদ্দেশ্য বিৰোধী বা মৰ্যাদা-হানিকৰ কাৰ্যত কোনো সদস্য লিপ্ত হোৱা বুলি প্ৰমাণিত হলে নিয়মাৱলীৰ ৫ম ছেদৰ ২৪ অনুচ্ছে[দ] অনুসৰি ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

সভাৰ বাহিৰৰ লোকে কৰা সমালোচনা চালি-জা[রি] চাই প্ৰয়োজন হলে স্পষ্টীকৰণ দিয়াৰ ব্যৱ[স্থা] কৰিব লাগে।

এখন তিনিদিনীয়া বাতৰি কাকতত অনৈয়ক লেখা[ৰে] লিখা এটা প্ৰবন্ধৰ সম্পৰ্কতো সভাৰ নিয়মাৱলী আৰু বিষয়-বাছনী সভাৰ পৰামৰ্শ অনুসৰি কাৰ্যনিৰ্বাহ[ক] সমিতিয়ে প্ৰয়োজন হলে ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব।



(গ) অসমত অন্যভাষিক সম্প্ৰদায়ৰ লোকে নিজৰ অনুষ্ঠান খোলোঁতে সভাৰ আপত্তি কৰিবলগীয়া নাই; কিন্তু কোনো অনুষ্ঠানে যাতে অসমৰ ভাষিক আৰু সাংস্কৃতিক সংহতি নষ্ট হ'ব পৰা কোনো কাম বা সম্প্ৰসাৰণবাদী কোনো কাম নকৰে তাৰবাবে সভাই সকিয়াই দিব লাগে।

(ঘ) অসম সাহিত্য সভাৰ অধিৱেশনত যোগ দিবৰ বাবে কেন্দ্ৰীয় চৰকাৰ আৰু ব্যক্তিগত অনুষ্ঠান-প্ৰতিষ্ঠান আদিত থকা প্ৰতিনিধিসকলক বিশেষ নৈমিত্তিক ছুটী দিবৰবাবে সংশ্লিষ্ট কৰ্তৃপক্ষসমূহৰ লগত যোগাযোগ কৰিব লাগে।

(ঙ) অসমৰ বিভিন্ন অনগ্ৰসৰ অঞ্চলত, চাহ বাগিচা আদি উদ্যোগ অঞ্চলত অসমীয়া ভাষাৰ শিক্ষা যথোপযুক্তভাৱে কৰিবলৈ, অসমৰ আটাইকেইখন জিলাতে ৰাজ্য ভাষাৰ প্ৰয়োগ বাঞ্ছনীয়ভাৱে কৰিবলৈ চৰকাৰক দাবী জনাব লাগে।

(চ) নগালেণ্ড, মেঘালয় আৰু অৰুণাচলৰ লগত অসমৰ সীমা স্থায়ীভাৱে চিহ্নিত কৰাৰ ব্যৱস্থা কৰিবলৈ ৰাজ্য চৰকাৰক জনাব লাগে।

(ছ) উত্তৰ-পূব ভাৰতৰ আটাইকেউখন ৰাজ্যৰ বাবে উমৈহতীয়া ৰাজ্যপালৰ প্ৰসংগত সভাই অসমৰ স্বাৰ্থৰক্ষা হ'ব পৰাকৈ প্ৰয়োজনীয় ব্যৱস্থা ল'বৰ বাবে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ লগত যোগাযোগ কৰিবলৈ পৰামৰ্শ দিয়ে।

৯। প্ৰধান সম্পাদকে অসম সাহিত্য সভাৰ প্ৰস্তাৱিত ৰাধাকান্ত সন্দিকৈ ভৱনত প্ৰতিষ্ঠা কৰিবলৈ লোৱা অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ কেন্দ্ৰীয় বিদ্যাসদন প্ৰতিষ্ঠা সম্পৰ্কীয় আঁচনি উত্থাপন কৰে আৰু সভাই গ্ৰহণ কৰে।

১০। প্ৰধান সম্পাদকে অসমীয়া ভাষাৰ আখৰ জোঁটনি সম্পৰ্কে ষষ্ঠ লেখক-শিবিৰত হোৱা আলোচনাৰ ভিত্তিত উপসমিতিয়ে আগবঢ়োৱা পৰামৰ্শৰ কথা জনায়। সভা অৱগত হয়।

১১। প্ৰধান সম্পাদকে ১৯৭৮-৭৯ বিত্তীয় বছৰৰ আয়-ব্যয় হিচাপ উত্থাপন কৰে। সভাই গ্ৰহণ কৰে।

১২। কাৰ্যনিৰ্বাহক সমিতিয়ে জুকিয়াই দিয়া প্ৰস্তাৱসমূহ শ্ৰীনগেন শইকীয়াই উত্থাপন কৰে। সভাই বিস্তৃত আলোচনাৰ পিছত তলত দিয়া প্ৰস্তাৱকেইটা মুকলি অধিৱেশনত দাঙি ধৰিবৰ কাৰণে সৰ্বসম্মতিক্ৰমে গ্ৰহণ কৰে।

প্ৰস্তাৱ নং ১, ২ আৰু ৩ সংলগ্ন কৰি দিয়া হৈছে।

১৩। কাৰ্যনিৰ্বাহকে জুকিয়াই দিয়া বিভিন্ন শাখা সভাৰপৰা অহা নিয়মাৱলী সংশোধনী সম্পৰ্কীয় প্ৰস্তাৱসমূহ শ্ৰীনগেন শইকীয়াই উত্থাপন কৰে। সভাই তলৰ সংশোধনীসমূহ গ্ৰহণ কৰে।

নিয়মাৱলী সংশোধনী প্ৰস্তাৱ সংলগ্ন কৰি দিয়া হৈছে।

১৪। সভাপতিৰ আসনৰপৰা নিয়মাৱলীৰ ১১ ছেদ অনুসৰি নতুন বছৰৰ বাবে কাৰ্যনিৰ্বাহক সমিতি গঠন কৰিবৰ বাবে নাম প্ৰস্তাৱ কৰিবলৈ প্ৰতিনিধি-সকলক আহ্বান কৰে।

(ক) তলত নাম দিয়াসকল বিনাপ্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হয়:

(১) উপ-সভাপতি—শ্ৰীৰজনীকান্ত দেৱশৰ্মা

(২) সহকাৰী সম্পাদক, কেন্দ্ৰীয় কাৰ্যালয়—শ্ৰীঅমল ৰাজখোৱা।

(৩) সহকাৰী সম্পাদক, কেন্দ্ৰীয় কাৰ্যালয়— ড° নিশিপদ চৌধুৰী

(৪) ভাষাজ্ঞান পৰীক্ষা সংসদৰ সচিব—শ্ৰীমহেশচন্দ্ৰ ভট্টাচাৰ্য

(খ) তলত দিয়া বিষয়-বাবৰ বাবে সংশ্লিষ্ট নামসমূহ :

| বিষয়-বাব | প্ৰাৰ্থীৰ নাম | | ভোটৰ চিন |
|---|---|---|---|
| প্ৰধান সম্পাদক | শ্ৰীলীলা গগৈ | ডিব্ৰুগড় | |
| | শ্ৰীযতীন গোস্বামী | গুৱাহাটী | |
| | শ্ৰীচিত্ৰ মহন্ত | গুৱাহাটী | |
| কোষাধ্যক্ষ | শ্ৰীপ্ৰফুল্ল ভট্টাচাৰ্য | ডিব্ৰুগড় | |
| | শ্ৰীচৰ্গেশ্বৰ শৰ্মা | গুৱাহাটী | |
| পত্ৰিকা সম্পাদক | শ্ৰীপৰীক্ষিত হাজৰিকা | ডিব্ৰুগড় | |
| | শ্ৰীভূপেন শৰ্মা | পাঠশালা | |
| | শ্ৰীপ্ৰফুল্লপ্ৰাণ মহন্ত | নাৰায়ণপুৰ | |
| | শ্ৰীধৰ্মেশ্বৰ কটকী | বিহপুৰীয়া | |
| কাৰ্যনিৰ্বাহক সমিতিৰ সদস্য | (ক) গোৱালপাৰা জিলা | | |
| | ১। শ্ৰীচিত্তৰঞ্জন চৌধুৰী | কোকৰাঝাৰ | |
| | ২। শ্ৰীগন্ধিয়া ৰায় | কোকৰাঝাৰ | |
| | ৩। শ্ৰীনিবিকান্ত ৰায় | ধুবুৰী | |
| | (খ) কামৰূপ জিলা | | |
| | ১। শ্ৰীপ্ৰভাতচন্দ্ৰ শৰ্মা | পাটাচাৰকুছি | |
| | ২। শ্ৰীলখিমী চৌধুৰী | সৰিতা সভা | |
| | ৩। শ্ৰীনগেন ৰায় | পাঠশালা | |
| | ৪। শ্ৰীশৰৎচন্দ্ৰ ডেকা | ৰামসৰস্বতী সাঃ সঃ | |
| | ৫। শ্ৰীভৱপ্ৰসাদ চলিহা | জালুকবাৰী | |
| | ৬। শ্ৰীধীৰেন্দ্ৰকুমাৰ পাটগিৰী | ধমধমা | |
| | ৭। শ্ৰীদীনবন্ধু ডেকা | সাহিত্য কলা বিকাশ সংঘ | |
| | ৮। এম-ইলিম উদ্দিন দেৱান | চেনিমাৰী | |
| | ৯। শ্ৰীদেবেন্দ্ৰনাথ শৰ্মা | গুৱালকুছি জ্যোতি | |
| | ১০। শ্ৰীসৎচন্দ্ৰ মহন্ত | কপনগৰ | |
| | ১১। শ্ৰীকৈলাসমল্ল বৰুৱা | টিহু | |



| বিষয়-বাব | প্ৰাৰ্থীৰ নাম | | ভোটৰ চিন |
|---|---|---|---|
| | ১২। শ্ৰীপ্ৰেমময়ী দাস | হাজো | |
| | ১৩। শ্ৰীনীলকান্ত মহন্ত | বড়িয়া | |
| | ১৪। শ্ৰীফুলেন বৰ্মণ | বজালী | |
| | ১৫। শ্ৰীপ্ৰণৱকুমাৰ দাস | দিশপুৰ | |
| | ১৬। শ্ৰীযোগেন ৰায়ন | শৰাইঘাট | |
| | ১৭। শ্ৰীখগেন ৰায়ন | বকো | |
| | ১৮। শ্ৰীকুমাৰ কিশোৰ | গুৱাহাটী | |
| | ১৯। শ্ৰীজয়ৰাম নাথ | গামাৰীমুৰী | |
| | (গ) নগাঁও জিলা | | |
| | ১। শ্ৰীযজ্ঞেশ্বৰ নাথ | আঁহতগুৰি | |
| | ২। শ্ৰীমহিম বৰা | নগাঁও | |
| | ৩। শ্ৰীগৌৰীকান্ত কাকতি | লামডিং | |
| | ৪। শ্ৰীহিৰণ্যনাৰায়ণ বৰা | বহা | |
| | ৫। শ্ৰীসত্যহাস দাস | আঁহতগুৰি | |
| | ৬। শ্ৰীকুঁহি বৰা | খিং | |
| | ৭। শ্ৰীবীৰেন্দ্ৰকুমাৰ নাথ | মৰিগাওঁ | |
| | (ঘ) দৰং জিলা | | |
| | ১। শ্ৰীউপেন দাস | টংলা | |
| | ২। শ্ৰীধনপতি কলিতা | মঙলদৈ | |
| | ৩। শ্ৰীকনক শৰ্মা | তেজপুৰ | |
| | ৪। শ্ৰীধনপতি ডেকা | মঙলদৈ | |
| | ৫। শ্ৰীললিতচন্দ্ৰ বৰুৱা | ৰঙাপাৰা | |
| | ৬। শ্ৰীনাৰায়ণচন্দ্ৰ শৰ্মা | ঢোলাবাৰী | |
| | (ঙ) শিৱসাগৰ জিলা | | |
| | ১। শ্ৰীঅতুলা গোঁহাই | যোৰহাট | |
| | ২। শ্ৰীহেম বুঢ়াগোঁহাই | বকতা | |
| | ৩। শ্ৰীভোলা শৰ্মা | তিতাবৰ | |
| | ৪। শ্ৰীজগত চেতীয়া | ৰংপুৰ | |
| | ৫। শ্ৰীপ্ৰফুল্ল বৰদলৈ | যোৰহাট | |
| | ৬। শ্ৰীপোনাৰাম বৰুৱা | গোলাঘাট | |
| | ৭। শ্ৰীনীলকান্ত বৰুৱা | সোণাৰি | |

| বিষয়-বাব | প্ৰাৰ্থীৰ নাম | ভোটৰ চিন |
|---|---|---|
| | (চ) ডিব্ৰুগড় জিলা | |
| | ১। শ্ৰীমেঘ গগৈ নামৰূপ | |
| | ২। শ্ৰীজগত নেওগ বৰবৰা | |
| | ৩। শ্ৰীনাৰায়ণ বৰপূজাৰী ডিব্ৰুগৰ জিলা সাঃ পৰিষদ | |
| | (ছ) লক্ষীমপুৰ জিলা | |
| | ১। শ্ৰীউমেশ চেতিয়া ধেমাজি | |
| | ২। শ্ৰীসুপ্ৰভা মেধি উ: লক্ষীমপুৰ | |
| | (জ) কাৰ্বি আংলং | |
| | ১। শ্ৰীনাৰায়ণ শৰ্মা ডিফু | |
| | (ঝ) কাছাৰ জিলা | |
| | ১। শ্ৰীনৱীনপ্ৰবীণ শৰ্মা গড়েৰ বন্দ | |
| | ২। শ্ৰীউমাৰাম কাকতি হাইলাকান্দি | |
| | ৩। আজিজুৰ ৰহমান বৰভূঞা লক্ষীৰবন্দ | |
| | (ঞ) মেঘালয় | |
| | ১। শ্ৰীপ্ৰবীণচন্দ্ৰ দাস শ্বিলং | |

শ্ৰীকৃষ্ণপ্ৰসাদ বৰুৱা
নিৰ্বাচনী বিষয়া
ষট্‌চত্বাৰিংশ সম্মিলন
অসম সাহিত্য সভা।

গুৱালকুছি
১১ ফেব্ৰুৱাৰী, ১৯৭৯ চন

১৫। সভাপতিয়ে ঘোষণা কৰে যে নিৰ্বাচন পৰিচালনা কৰিবৰ বাবে আজীৱন সভ্যৰ প্ৰতিনিধি, ডিগবৈৰ শ্ৰীকৃষ্ণপ্ৰসাদ বৰুৱাক কাৰ্যনিৰ্বাহকে মনোনীত কৰিছে।
শ্ৰীবৰুৱাই দায়িত্ব গ্ৰহণ কৰে।

১৬। সভাপতিয়ে ঘোষণা কৰে যে ১১।২।৭৯ তাৰিখে নিৰ্বাচনী বিষয়াই ভোট গ্ৰহণ কৰিব আৰু ভোট গণনাৰ অন্তত ফলাফল ঘোষণা কৰিব।

১৭। সভাপতিয়ে পৰৱৰ্তী সম্মিলন নিমন্ত্ৰণৰ পত্ৰসমূহ উত্থাপন কৰিবলৈ প্ৰধান সম্পাদকক পৰামৰ্শ দিয়ে। প্ৰধান সম্পাদকে জনায় যে ---বিহপুৰীয়া, তিনিচুকীয়া, নাহৰকটীয়া, কামপুৰ, মৰিগাঁও, ৰহা, কলিয়াবৰ, গুৱাহাটী, পাঠশালা, গোৱালপাৰা মুঠ ১১ খন শাখা সভাই ষট্‌চত্বাৰিংশ সম্মিলন নিমন্ত্ৰণ কৰিছে।

সংশ্লিষ্ট শাখাসমূহৰ প্ৰতিনিধিসকলে নিজৰ বক্তব্য উত্থাপন কৰি সভা নিমন্ত্ৰণ কৰে।

১৮। সভাপতিয়ে ঘোষণা কৰে যে যিহেতু সকলো



শাখাই সমান আগ্ৰহেৰে সভা নিমন্ত্ৰণ কৰিছে, গতিকে নিমন্ত্ৰণৰ জ্যেষ্ঠতাৰ ভিত্তিত নিমন্ত্ৰণ গ্ৰহণ কৰা হওক।

( নিমন্ত্ৰণৰ জ্যেষ্ঠতাৰ ভিত্তিত নগাঁৱৰ 'ৰহা'ৰ নিমন্ত্ৰণ গ্ৰহণ কৰাৰ কথা ১১।২।৭৯ তাৰিখে ঘোষণা কৰা হয় আৰু ৰহাৰ প্ৰতিনিধিয়ে আনুষ্ঠানিকভাৱে সম্মিলন আমন্ত্ৰণ কৰে। )

১৯। সভাপতিৰ আসনৰপৰা শ্ৰীযোগেশ দাসে প্ৰতিনিধিসকলৰ সহায়-সহযোগিতা, দিহা-পৰামৰ্শৰ বাবে শলাগ জ্ঞাপন কৰে আৰু অসম সাহিত্য সভাক অধিক শক্তিশালী কৰি তুলিবলৈ আহ্বান জনায়।

২০। প্ৰধান সম্পাদক শ্ৰীলীলা গগৈয়ে উপ-সভাপতি শ্ৰীযোগেশ দাস প্ৰমুখ্যে প্ৰতিনিধিসকলৰ প্ৰতি আৰু অভ্যৰ্থনা সমিতিৰ প্ৰতি শলাগ জ্ঞাপন কৰে আৰু জ্ঞাতে বা অজ্ঞাতে হ'ব পৰা ত্ৰুটী প্ৰতিনিধিসকলে ক্ষমা কৰিব বুলি আশা প্ৰকাশ কৰে।

২১। প্ৰতিনিধিসকলৰ পক্ষৰপৰা শ্ৰীহেৰম্ব বৰদলৈয়ে সভাপতি শ্ৰীপ্ৰসন্নলাল চৌধুৰী, উপ-সভাপতি শ্ৰীযোগেশ দাস প্ৰমুখ্যে কাৰ্য-নিৰ্বাহকৰ সদস্যসকলৰ প্ৰতি ধন্যবাদ জ্ঞাপন কৰে।

২২। পুৱতি ৰাতি ২ বজাত সভাপতিয়ে বিষয়-বাছনী সভাৰ সামৰণি ঘোষণা কৰে।

স্বাঃ শ্ৰীযোগেশ দাস,
সভাপতি
বিষয়-বাছনী সভা
ষট্‌চত্বাৰিংশ সম্মিলন
অসম সাহিত্য সভা

স্বাঃ শ্ৰীলীলা গগৈ,
প্ৰধান সম্পাদক
অসম সাহিত্য সভা
১১।২।৭৯

---

১১।২।৭৯ তাৰিখে ৰাতি নিৰ্বাচনৰ ফলাফল নিৰ্বাচনী বিষয়াই ঘোষণা কৰে।
অসম সাহিত্য সভাৰ ১৯৭৯-৮০ চনৰ কাৰ্যনিৰ্বাহক সমিতি :

সভাপতি — শ্ৰীঅতুলচন্দ্ৰ বৰুৱা
উপসভাপতি — শ্ৰীৰজনীকান্ত দেৱশৰ্মা
প্ৰধান সম্পাদক — শ্ৰীলীলা গগৈ
সহকাৰী সম্পাদক— যোৰহাট—শ্ৰীঅমল বাজখোৱা
সহকাৰী সম্পাদক— গুৱাহাটী—ড° নিশিপদ চৌধুৰী
কোষাধ্যক্ষ — শ্ৰীপ্ৰফুল্ল ভট্টাচাৰ্য
পত্ৰিকা সম্পাদক— ড পৰীক্ষিত হাজৰিকা
ভাষাজ্ঞান পৰীক্ষা সংসদৰ সচিব—শ্ৰীমহেশ ভট্টাচাৰ্য
সদস্য — শ্ৰীনিৰ্বিকান্ত ৰায়
শ্ৰীনগেন ৰায়
শ্ৰীপ্ৰবীণ দাস
শ্ৰীকুমাৰ কিশোৰ
শ্ৰীমহিম বৰা
শ্ৰীসুপ্ৰভা মেধি
শ্ৰীআজিজুৰ ৰহমান বৰভূঞা
শ্ৰীনাৰায়ণ শৰ্মা
শ্ৰীচিত্তৰঞ্জন চৌধুৰী

১২।২।৭৯ তাৰিখে ৰহা কাৰ্যনিৰ্বাহকত নিয়মাৱলী ১৭ ছেদ অনুসৰি মনোনীত
শ্ৰীযতীন গোস্বামী (গুৱাহাটী)
শ্ৰীএম, ইলিয়ুদ্দিন দেৱান
শ্ৰীউপেন দাস
শ্ৰীপ্ৰহ্লাদ ডাচা

স্বাঃ শ্ৰীলীলা গগৈ
প্ৰধান সম্পাদক
অসম সাহিত্য সভা
১২।২।৭৯

## শুৱালকুছি অধিৱেশনৰ প্ৰস্তাৱসমূহ

**১ নং প্ৰস্তাৱ :** অসম সাহিত্য সভাই চলিত বছৰৰ জানুৱাৰী মাহৰ প্ৰথম ভাগত নগালেণ্ডৰ সীমান্তৱৰ্তী অসমৰ বাসিন্দাৰ ওপৰত নগালেণ্ডৰ এদল দুৰ্বৃত্তই কৰা অমানুষিক আৰু উৎপীড়নৰ ঘটনাৱলীক অতিশয় অমানৱীয় আৰু দুৰ্ভাগ্যজনক ঘটনা বুলি অভিহিত কৰে আৰু এই সম্পৰ্কত সভাই (ক) দুৰ্বৃত্তই দলৰ এনে কাৰ্যক মুক্তকণ্ঠে নিন্দা কৰে, নিহতসকলৰ সোঁৱৰণত গভীৰ দুখ প্ৰকাশ কৰে আৰু সংশ্লিষ্ট পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে, অত্যাচাৰীসকলৰ প্ৰতি সমবেদনা জ্ঞাপন কৰে আৰু তেওঁলোকৰ নিৰাপত্তা আৰু উপযুক্ত ক্ষতিপূৰণসহ পুনৰ্বাসন দাবী কৰে, দুৰ্বৃত্তসকলৰ চিনাক্তকৰণ আৰু উপযুক্ত শাস্তি দাবী কৰে।

(খ) এই ঘটনাৰ পৰিপ্ৰেক্ষিতত সভাই স্পষ্টভাৱে ক'ব খোজে যে—নগালেণ্ড, অৰুণাচল, মেঘালয়, মিজোৰাম, মণিপুৰৰ জনসাধাৰণৰ প্ৰতি আমাৰ ভাতৃ আৰু বন্ধুসুলভ মনোভাৱ কোনোদিন কমা নাই আৰু নকমে। বৰং আটাইকেউখন ৰাজ্যৰ অৰ্থনৈতিক আৰু সাংস্কৃতিক বিকাশ, পৰস্পৰৰ প্ৰতি পৰস্পৰৰ সহৃদয় ভাতৃত্বৰ আৰু বন্ধুত্বৰ একেডাল ভাগ্যৰেখাৰ ওপৰত নিৰ্ভৰশীল বুলি সভাই অনুভৱ কৰি আহিছে আৰু উত্তৰ-পূব ভাৰতৰ এই আটাই-কেউখন ৰাজ্যৰ ঐক্য আৰু সংহতিয়েহে সীমা মুৰিয়লি ৰাজ্যকেইখনৰ স্থিতাৱস্থাক সবল কৰি তুলিব পাৰিব বুলি সভাই বিশ্বাস কৰে।

তাৰ নিমিত্তে অসমৰ সীমান্তৱৰ্তী ৰাজ্যকেইখনৰ লগত অসমৰ সীমা ঐতিহাসিক তথ্যৰ ভিত্তিত ন্যায়সংগতভাৱে আৰু স্থায়ীভাৱে নিৰ্ধাৰণ কৰিবলৈ প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে সভাই অসমৰ ৰাজ্য চৰকাৰক দাবী জনায় আৰু চুবুৰীয়া ৰাজ্যৰ চৰকাৰসমূহক অনুৰোধ জনায়। লগতে উভয় নাইজ আৰু চৰকাৰক অনুৰোধ জনায় যাতে কোনো কাৰণতে ইখন ৰাজ্যৰ লোক সিখন ৰাজ্যত যাতে সামান্যভাৱেও ভীতিগ্ৰস্ত হৈ থাকিব নালাগে, তাৰবাবে সংশ্লিষ্ট সকলো লোক সজাগ হৈ থাকে আৰু বিহিত ব্যৱস্থা গ্ৰহণ কৰে।

(গ) সভাই শংকা প্ৰকাশ কৰে যে উত্তৰ-পূব ভাৰতৰ জনসাধাৰণক পৰস্পৰৰপৰা পৰস্পৰক বিচ্ছিন্ন কৰি এই অঞ্চলত সামাজিক অস্থিৰতা সৃষ্টি কৰিবলৈ কোনো স্বাৰ্থ জড়িত শক্তিয়ে যত্ন কৰিব পাৰে। সাময়িকভাৱে হ'ব পৰা ব্যক্তিগত বা গোষ্ঠীগত লাভৰ আশা দেখুৱাই দৃশ্য বা অদৃশ্য কোনো শক্তিয়ে যাতে জনসাধাৰণক বিভ্ৰান্ত কৰিব নোৱাৰে আৰু পৰস্পৰৰ প্ৰতি পৰস্পৰৰ বিদ্বেষ জগাই তুলিব নোৱাৰে তাৰ প্ৰতি সতৰ্ক দৃষ্টি ৰখাটো আৰু তেনে কাৰ্যৰ বিৰুদ্ধে প্ৰতিৰোধ গঢ়ি তোলাটো আমাৰ এটা সামূহিক দায়িত্ব বুলি সভাই অনুভৱ কৰিবলৈ সকলোকে অনুৰোধ জনায়।

২ নং প্ৰস্তাৱ : অসম সাহিত্য সভাই, অসম উত্তৰ-পূব ভাৰতৰ বিভিন্ন ভাষাগোষ্ঠী আৰু জন-গোষ্ঠীৰ একমাত্ৰ ব্যৱহাৰিক সংযোগী ভাষা, ভাৰতবৰ্ষৰ সংবিধান স্বীকৃত অন্যতম প্ৰধান আঞ্চলিক ভাষা আৰু অসমৰ সমগ্ৰ ৰাজ্য-ক্ষেত্ৰৰ বাবে ৰাজ্যভাষাৰূপে ১৯৬০ চনত গৃহীত অসমীয়া ভাষাক ৰাজ্যৰ সকলো বিভাগ আৰু স্তৰৰ কাম-কাজত সম্পালনিকৈ প্ৰয়োগ কৰি শিক্ষা, প্ৰশাসন, অৰ্থনৈতিক কাৰ্যক্ৰম, বেপাৰ-বাণিজ্য আইন আদিক এই অঞ্চলৰ জনসাধাৰণৰ কাষ চপাই নিবলৈ দাবী কৰি আহিছে।



কিন্তু সভাই দুখেৰে লক্ষ্য কৰি আহিছে—(ক) যোৱা প্ৰায় দুটা দশকত ৰাজ্য চৰকাৰে মাজে-সময়ে চৰকাৰী বিভাগসমূহলৈ দায়-সৰা বিজ্ঞপ্তি একোখন পঠোৱাৰ বাহিৰে যথাৰ্থতে কোনো কাৰ্য-কৰী ব্যৱস্থা গ্ৰহণ কৰা নাই, (খ) ৰাজ্যভাষা প্ৰয়োগ কৰিবৰ কাৰণে বিভাগসমূহত পৰ্যাপ্ত পৰিমাণৰ মুদ্ৰালিখন যন্ত্ৰ, মুদ্ৰালিখন যন্ত্ৰ ব্যৱহাৰ কৰিব পৰা লোক, লিখন-যন্ত্ৰ বা অন্যান্য সা-সুবিধাৰ ব্যৱস্থা কৰা নাই, (গ) বিভিন্ন স্তৰৰ কৰ্মী, কৰ্মচাৰী, বিষয়াবৰ্গৰ সৰহ সংখ্যকৰ মনত ৰাজ্যভাষা প্ৰয়োগৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব অনুভৱ কৰাবলৈ আৰু তেওঁলোকৰ শংকা, ঔদাসীন্য আৰু অক্ষমতা আঁতৰা-বলৈ কোনো যত্ন কৰা নাই, অথবা তাৰবাবে প্ৰয়োজনীয় প্ৰশিক্ষণ, আলোচনা-চক্ৰ আদিৰ আয়োজনো কৰা নাই।

এই পৰিপ্ৰেক্ষিতত, সম্প্ৰতি কেন্দ্ৰীয় চৰকাৰে ৰাজ্য-সমূহক নিজ নিজ ৰাজ্যভাষাৰ প্ৰয়োগত থকা সকলো প্ৰকাৰৰ অসুবিধা আৰু বাধা আঁতৰাই, চলিত বছৰটোক ৰাজ্যভাষা বৰ্ষৰূপে উদ্‌যাপন কৰি, সৰ্বাধিক গুৰুত্বৰে সকলো স্তৰতে ৰাজ্যভাষা প্ৰয়োগৰবাবে পাঁচোটা ছেদৰ পঞ্চত্ৰিশটা অনুচ্ছেদযুক্ত যি স্পষ্ট নিৰ্দেশাৱলীৰ কথা জনাইছে, অসম



সাহিত্য সভাই অসমৰ ৰাজ্য চৰকাৰক এই নিৰ্দেশা-ৱলীৰ ভিত্তিত দ্বিধাহীনভাৱে, আন্তৰিকতাৰে আৰু খৰতকীয়াকৈ অসমৰ সমগ্ৰ ৰাজ্য ক্ষেত্ৰত কাৰ্যকৰী ব্যৱস্থা ল'বলৈ দাবী জনায়।

সভাই এই সম্পৰ্কত দোহাৰি ক'ব খোজে যে : (১) সভাৰ এই দাবীৰদ্বাৰা অসমৰ থলুৱা জন-গোষ্ঠীৰ ভাষাসমূহৰ বিকাশ যাতে বাধাগ্ৰস্ত নহয় তাৰ প্ৰতি সভাই সতৰ্ক দৃষ্টি ৰখাৰ উপৰিও, থলুৱা ভাষাসমূহৰ বিকাশ আৰু উন্নয়ন কাৰ্যৰ আন্তৰিক সমৰ্থন দি আহিছে আৰু দিব ; কিন্তু উমৈহতীয়া প্ৰধান ভাষাৰপৰা কোনো দৃশ্য বা অদৃশ্য শক্তিয়ে অসমৰ বিভিন্ন জনগোষ্ঠীক বিচ্ছিন্ন কৰি সামূহিক-ভাৱে অসমক যাতে দুৰ্বল কৰিব নোৱাৰে তাৰ প্ৰতি সৰ্তক দৃষ্টি ৰাখিবলৈ সভাই অসমৰ ৰাইজ আৰু চৰকাৰক অনুৰোধ জনায়।

**৩নং প্ৰস্তাৱ :** অসম সাহিত্য সভাই, অসমৰ কাছাৰ জিলাক ৰাজ্যভাষা প্ৰয়োগৰ সীমাৰ বাহিৰত ৰখাৰ প্ৰতিবাদ জনাই আহিছে। এই সম্পৰ্কত সভাই স্পষ্ট কৰি দিব খোজে যে ৰাজ্যভাষা আইনে অসমৰ সমগ্ৰ ৰাজ্যক্ষেত্ৰক সামৰি লোৱা সত্ত্বেও, কাছাৰ জিলাত কেৱল বাংলা প্ৰচলন কৰি ৰখাৰদ্বাৰা ৰাজ্য ভাষা আইন পোনপটীয়াকৈ অৱমাননা কৰা হৈছে আৰু অসমীয়া ভাষা বিচৰা লাখ লাখ থলুৱালোকক ন্যায্য প্ৰাপ্যৰপৰা বঞ্চিত কৰি ৰখা হৈছে। কাছাৰ জিলাৰ বাংলাভাষীসকলৰবাবে অসমীয়া ভাষাৰ অনুসংগয়ৰূপে জিলা পৰ্যায়ত বাংলা প্ৰচলনত সভাই বিৰোধিতা কৰি অহা নাই ; কিন্তু তাৰদ্বাৰা অসমীয়া ভাষাৰ স্থান নোহোৱা কৰা কাৰ্য ভাষা আইন বিৰোধী আৰু জন বিৰোধী কাৰ্যত পৰিণত হৈছে।

এই সম্পৰ্কত সভাই বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ ৰাজ্য চৰকাৰক দাবী জনায় ; লগতে আকাশবাণীৰ

দৰে জনসংযোগ মাধ্যমৰ বেলা শিলচৰ কেন্দ্ৰত অসমীয়া ভাষাৰ অনুষ্ঠান নিয়মীয়া কৰিবৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা ল'বলৈ সংশ্লিষ্ট কেন্দ্ৰীয় মন্ত্ৰণালয়ক প্ৰস্তাৱ নিয়াবলৈও ৰাজ্য চৰকাৰক দাবী জনায়।

ভাৰতৰ কেন্দ্ৰীয় চৰকাৰে বয়স্কসকলক সাক্ষৰ কৰাৰ বাবে লোৱা আঁচনি ঘোষণা কৰাৰ আগতেই, অসম সাহিত্য সভাই অসমৰ বিভিন্ন অঞ্চল আৰু সম্প্ৰদায়ৰ লোকক আৰু বিভিন্ন উদ্যোগ অনুষ্ঠানৰ লগত জড়িত লোকক অসমীয়া ভাষাত সাক্ষৰ কৰি তুলিবৰ বাবে দীৰ্ঘম্যাদী আঁচনি গ্ৰহণ কৰিবলৈ ৰাজ্য চৰকাৰক দাবী জনাইছিল আৰু এনে আঁচনি কাৰ্যকৰী কৰাত সভাই সহযোগিতা দান কৰাৰ কথাও ঘোষণা কৰিছিল।

কিন্তু সভাই লক্ষ্য কৰিছে সম্প্ৰতি অসম চৰকাৰে সাক্ষৰতাৰ অভিযানৰ আঁচনিৰ কথা ঘোষণা কৰিলেও বাস্তৱ কাৰ্যকৰী পন্থা গ্ৰহণ কৰিব পৰাকৈ প্ৰয়োজনীয় প্ৰস্তুতিকে সম্পূৰ্ণ কৰিব পৰা নাই। বৰং এই আঁচনিক চৰকাৰী বিভাগৰ কাগজৰ মাজতেই সীমাবদ্ধ কৰি ৰখা হৈছে। তদুপৰি, সভাই স্বেচ্ছাই সহযোগিতা আগ বঢ়োৱাৰ কথা ঘোষণা কৰা সত্বেও, সভাক এই বিষয়ে কোনো প্ৰকাৰে জড়িত কৰাৰ আগ্ৰহো দেখুওৱা নাই।

সভাই অনুভৱ কৰে এনে আন্তৰিকতাবিহীনভাৱে কৰা কাৰ্যই জনসাধাৰণৰ উপকাৰ সাধন কৰিব নোৱাৰিব। এই ক্ষেত্ৰত ৰাজ্য চৰকাৰক প্ৰয়োজনীয় ব্যৱস্থা খৰতকীয়াকৈ ল'বৰ বাবে দাবী জনায়। লগতে সভাই পুনৰ ঘোষণা কৰে যে—সাক্ষৰতাৰ অভিযানত অংশ গ্ৰহণ কৰিবলৈ অসম সাহিত্য সভা সাজু হৈ আছে।

৬ নং প্ৰস্তাৱ : অসম সাহিত্য সভাই কেন্দ্ৰীয় চৰকাৰে অসমত এটা সুকীয়া ৰেল আয়োগৰ কাৰ্যালয় প্ৰতিষ্ঠা কৰা ব্যৱস্থাক আদৰণি জনায়; কিন্তু লগতে এই দাবী কৰে যে—এই আয়োগৰ যোগে প্ৰত্যেক জিলাত ৰেলবিভাগৰ নিযুক্তিৰ বাবে অসমীয়া মাধ্যমৰ পৰীক্ষা গ্ৰহণ কৰিব লাগে; যাতে থলুৱালোকে নিয়োগৰ সুবিধা লাভ কৰিব পাৰে। তদুপৰি ৰেলবিভাগৰ ওচৰত সভাই আগতে কৰা দাবী দোহাৰি কয় যে অসমৰ ৰেলৰে নগৰীসমূহত অসমীয়া মাধ্যমৰ বিদ্যালয় গঢ়ি তোলাত ৰেল কৰ্তৃপক্ষ আগবাঢ়ি আহিব লাগে আৰু অনাঅসমীয়া মাধ্যমৰ ৰেলৰে বিদ্যালয়সমূহত অসমীয়া ভাষা বাধ্যতামূলক হিচাপে শিকাই এনে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক থলুৱালোকৰ লগত মিলি যোৱাৰ সুযোগ দিব লাগে।

৫ নং প্ৰস্তাৱ : অসম সাহিত্য সভাই অসমৰ থলুৱা ভাষা-সাহিত্য-সাংস্কৃতিক আৰু থলুৱা অসমবাসীৰ অৰ্থনৈতিক স্বাৰ্থ ৰক্ষাৰ প্ৰতি অসমৰ ৰাইজ আৰু চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰি আহিছে। সভাই জনাই আহিছে যে স্বাধীনতাৰ পৰৱৰ্তিকালছোৱাত অসমলৈ কাষৰীয়া বিদেশী ৰাষ্ট্ৰ আৰু ভাৰতৰ ৰাজ্যক্ষেত্ৰৰ ভিতৰৰপৰা মাত্ৰাধিকভাৱে ঘটা প্ৰব্ৰজনে অসম আৰু অসমবাসীৰ বাবে অৰ্থনৈতিক আৰু সাংস্কৃতিক সংকটৰ সৃষ্টি কৰিছে আৰু এই সংকট অধিক ঘনীভূত কৰি তোলাৰ সম্ভাৱনা দেখা গৈছে।

এই পৰিপ্ৰেক্ষিতত অসম সাহিত্য সভাই দাবী কৰে।
(ক) অসমৰ জনসংখ্যা অবাঞ্ছিতভাৱে ঘনীভূত কৰি তোলা বিদেশী প্ৰব্ৰজকসকলক অসমৰ ৰাজ্য ক্ষেত্ৰৰপৰা বহিষ্কাৰ কৰাৰ কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

(খ) ভাৰতৰ অন্যান্য ৰাজ্যক্ষেত্ৰৰপৰা আহি অস্থায়ীভাৱে থকাসকলক চিনাক্তকৰণ কৰি



স্ব ৰাজ্যক্ষেত্ৰত পুনৰ্বাসন দিবৰ বাবে সংশ্লিষ্ট ৰাজ্য চৰকাৰসমূহক আৰু কেন্দ্ৰীয় চৰকাৰক বাধ্য কৰিব লাগে।

(গ) অসমত স্থায়ীভাৱে বসবাস কৰাসকলক, অসমৰ থলুৱা সমাজৰপৰা বিচ্ছিন্ন হৈ একোটা গোট পাতি থকাৰ সলনি থলুৱা সমাজ আৰু সংস্কৃতিৰ লগত মিলি যাব পৰাকৈ বসবাস কৰাৰ সুযোগ দিব লাগে।

(ঘ) প্ৰাথমিক বিদ্যালয়ৰ বাহিৰে অন্য ভাৰতীয় আঞ্চলিক ভাষাৰ বিদ্যালয় স্থাপনত উৎসাহ যোগাব নালাগে তাৰ পৰিৱৰ্তে অসমীয়া ভাষাৰ মাধ্যমেৰে শিক্ষা-দীক্ষা লৈ তেওঁলোক যাতে থলুৱা বাসিন্দা-সকলৰ লগত মিলি নিজেও থলুৱা বাসিন্দালৈ পৰিৱৰ্তিত হ'ব পাৰে তাৰ বাবে যত্ন ল'ব লাগে। সভাই আশা প্ৰকাশ কৰে অসমৰ ৰাইজে সভাৰ দাবীসমূহৰ যথাৰ্থতা আৰু প্ৰয়োজনীয়তা অনুভৱ কৰিব আৰু এই দাবীসমূহ পূৰণাৰ্থে সহযোগিতা দান কৰিব।

৬ নং প্ৰস্তাৱ : অসম সাহিত্য সভাই কেন্দ্ৰীয় লোক সেৱা আয়োগৰ আৰু অসম লোকসেৱা আয়োগৰ পৰীক্ষাসমূহত অসমীয়া ভাষাকো অন্যতম মাধ্যমৰূপে প্ৰয়োগ কৰিবলৈকো দাবী জনাই আহিছে। চলিত বছৰটো ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ পৰামৰ্শৰ ভিত্তিত ৰাজ্যভাষা বৰ্ষৰূপে উদ্‌যাপন কৰিবলৈ সিদ্ধান্ত লোৱাৰ পৰিপ্ৰেক্ষিতত অসম সাহিত্য সভাই দাবী কৰে যে চলিত বছৰৰ-পৰাই লোকসেৱা আয়োগৰ পৰীক্ষাসমূহত অসমীয়া ভাষাক অন্যতম মাধ্যমৰূপে প্ৰয়োগ কৰা হওক আৰু ৰাজ্য চৰকাৰ সকলো বিভাগীয় পৰীক্ষাদিৰ মাধ্যমৰূপে অসমীয়া ভাষা প্ৰৱৰ্তন কৰা হওক।

লগতে অসমৰ ৰাজ্য ক্ষেত্ৰৰ ভিতৰত থকা কেন্দ্ৰীয় চৰকাৰৰ অনুষ্ঠান-প্ৰতিষ্ঠান নিগম আৰু অন্যান্য অৰ্ধচৰকাৰী আৰু বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানৰ পৰীক্ষা আৰু কামকাজৰ মাধ্যমৰূপে যাতে অসমীয়া ভাষা প্ৰয়োগ কৰা হয় তাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰামৰ্শাৱলীৰ ভিত্তিত যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ সভাই ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰক দাবী জনায়।

অসম সাহিত্য সভাই পঞ্চচত্বাৰিংশ সন্মিলনত গ্ৰহণ কৰা প্ৰস্তাৱ দোহাৰি অসমৰ অসম লোকসেৱা আয়োগৰ আৰু অন্যান্য চৰকাৰী পৰীক্ষাসমূহৰ মাধ্যম অসমীয়া কৰিবলৈ ৰাজ্য চৰকাৰৰ ওচৰত দাবী জনায়।

—

## সম্পাদকীয় প্ৰতিবেদন
## ১৯৭৮-৭৯

**প্ৰস্তাৱনা :** শ্ৰদ্ধেয় অসম সাহিত্য সভাৰ সভাপতি ডাঙৰীয়া আৰু মাননীয় প্ৰতিনিধিবৰ্গ : অতি পুৰণি কালৰপৰা বস্ত্ৰ-শিল্পৰবাবে ভাৰত বিখ্যাত শুৱালকুছি নগৰত অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ স্বাৰ্থ-স্বত্ব ৰক্ষাৰ হকে কাম কৰি অহা অসমৰ একমাত্ৰ জাতীয় অনুষ্ঠান অসম সাহিত্য সভাৰ ষট্‌চত্বাৰিংশতম্‌ অধিৱেশন পোনপ্ৰথমবাৰৰ বাবে অনুষ্ঠিত হৈছে। এই অনুষ্ঠানত যোগ দিবলৈ অহা সদৌটিলৈকে আমি আন্তৰিক সন্মান জনাইছোঁ।

আমি কাৰ্যভাৰ গ্ৰহণ কৰাৰ দিন ১০ মাহ ১০ দিন হ'বলৈ এতিয়াও এদিন বাকী। গোলাঘাট অধিৱেশনত ৰাইজে আমাৰ কান্ধত প্ৰধান সম্পাদকৰ গধুৰ দায়িত্ব অৰ্পণ কৰিছিল। এই মাহকেইটাত ব্যক্তিগতভাৱে কেইবাবাৰো শাৰীৰিক অসুস্থতা আৰু দুৰ্ঘটনাৰ সন্মুখীন হ'বলগীয়া হোৱাত আমাৰ কান্ধত পৰা এই মহান জাতীয় দায়িত্ব কি পৰিমাণে পালন কৰিব পাৰিছোঁ নিজেই ক'ব পৰা নাই। তথাপি আমাৰ যত্নৰ ত্ৰুটী কৰা নাছিলোঁ। জ্ঞাত বা অজ্ঞাতসাৰে হোৱা ত্ৰুটী-বিচ্যুতিৰ অকল দায়িত্ব মূৰ পাতিবলৈ এই মাহকেইটাৰ কাৰ্য-বিৱৰণিৰ প্ৰতিবেদন আগবঢ়াব খুজিছোঁ।

**তৰ্পণ :** এই পাৰ হৈ যোৱা বছৰটোত অসম সাহিত্য সভাৰ লগত ঘনিষ্ঠভাৱে জড়িত কেইবাগৰাকীও মহান ব্যক্তিয়ে চিৰবিদায় লয়। তাৰে ভিতৰত প্ৰাক্তন সভানেত্ৰী কবি নলিনীবালা দেৱী আৰু প্ৰাক্তন সভাপতি গিৰিধৰ শৰ্মা, সাংস্কৃতিক সম্মিলনৰ প্ৰাক্তন সভাপতি গহনচন্দ্ৰ গোস্বামীৰ নাম বিশেষ-ভাৱে উল্লেখযোগ্য। তদুপৰি জন-সংস্কৃতিৰ সাধক মঘাই ওজা, অসমীয়া সাংবাদিক জগতৰ উজ্জ্বল নক্ষত্ৰ ড° দীননাথ শৰ্মা, উদীয়মান লেখক অমৃত বৰুৱা, প্ৰবীণ লেখক চিন্তাহৰণ পাটগিৰি, মুকলীৰ বৰুৱা, মহেন্দ্ৰনাথ ভট্টাচাৰ্য আদিয়েও চিৰবিদায় লয়। সদৌটিলৈকে আমি শ্ৰদ্ধা নিবেদন কৰিছোঁ। তদুপৰি অসম-নগালেণ্ড সীমান্তত সশস্ত্ৰ দুৰ্বৃত্তৰ হাতত প্ৰাণ দিয়া আৰু বৰগোলাইৰ কয়লা খনিৰ দুৰ্ঘটনাত পতিত হৈ অকালমৃত্যু বৰণ কৰা শ্ৰমিকসকলৰ আত্মাৰ সদ্‌গতি কামনা কৰি প্ৰাৰ্থনা জনাইছোঁ।

**প্ৰস্তাৱ :** অসম সাহিত্য সভাৰ পঞ্চচত্বাৰিংশ অধি-ৱেশনত গ্ৰহণ কৰা প্ৰস্তাৱকেইটাৰ প্ৰথমটো হ'ল ৰাজ্যিক ভাষা আইনখন পূৰ্ণপৰ্যায়ত কাৰ্যকৰী কৰাৰ দাবী; বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম আঞ্চলিক ভাষালৈ পৰিবৰ্তন কৰা সত্বেও কেন্দ্ৰীয় আৰু ৰাজ্যিক লোকসেৱা আয়োগৰ পৰীক্ষাসমূহত আঞ্চলিক ভাষাক স্বীকৃতি নিদিয়াৰ বাবে ক্ষোভ প্ৰকাশ কৰি মৰ্যাদাৰ দাবী কৰা গাঁও, পাৰ্বত্য অঞ্চল আৰু চাহ বাগিচাত শিক্ষাৰ প্ৰসাৰ সাধন; শিলচৰ অনাতাঁৰ কেন্দ্ৰত অসমীয়া মাধ্যমৰ অনুষ্ঠান প্ৰচাৰৰ দাবী; চৰকাৰী প্ৰশাসনীয় পৰিভাষাৰ পাৰিভাষিক অভিধান যুগুতকৰণ; অসমৰ কেন্দ্ৰীয়



বিদ্যালয়সমূহত আঞ্চলিক ভাষা অসমীয়াৰ প্ৰচলনৰ দাবী জনাই প্ৰস্তাৱ গ্ৰহণ কৰিছিল। এই প্ৰস্তাৱসমূহ কাৰ্যকৰী কৰিবৰ বাবে আমি চৰকাৰক স্মাৰক-পত্ৰযোগে দাবী জনাইছোঁ।

**ৰাজ্যিক ভাষা :** ৰাজ্যিক ভাষা আইনখন পূৰ্ণ-পৰ্যায়ত কাৰ্যকৰী কৰিবৰবাবে আমি ৪ এপ্ৰিল তাৰিখে এটি সঁজাতী দলে মুখ্যমন্ত্ৰীক ব্যক্তিগতভাৱে লগ ধৰি এখন স্মাৰকপত্ৰযোগে দাবী জনাওঁ। ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰৰ সৰ্বভাৰতীয় ভাষা সম্মিলনে নতুন দিল্লীত ১৯৭৮ চনৰ ১,২ আৰু ৩ মাৰ্চত সভাত কৰা সিদ্ধান্ত আৰু পৰামৰ্শাৱলী আমাৰ হাতত পৰাত আমি পুনৰ ডিচেম্বৰ মাহৰ ২৭ তাৰিখে মুখ্যমন্ত্ৰীক লগ ধৰি ইয়ালৈ আঙুলিয়াই স'কিয়াই দিওঁ। ইতিমধ্যে চৰকাৰে ১৯৭৯ চনটো ৰাজ্যিক ভাষাবৰ্ষ হিচাপে ঘোষণা কৰি এইবছৰৰ ভিতৰত প্ৰশাসনীয় কাম-কাজ ৰাজ্যিক ভাষালৈ পৰিবৰ্তন কৰিবৰবাবে ৩০।১২।৭৮ তাৰিখে সকলো বিভাগলৈ এখন আদেশ জাৰী কৰিছে। তদুপৰি চৰকাৰৰ অনাঅসমীয়াভাষী বিষয়া আৰু কৰ্মচাৰীসকলক অসমীয়া ভাষাৰ মাধ্যমিক পৰ্যায়ৰ এটি প্ৰশিক্ষণ দিবৰবাবে সাহিত্য সভালৈ আঁচনি বিচাৰি অনুৰোধ জনাইছে। সাহিত্য সভাই সেই দায়িত্ব পালন কৰিবলৈ মাত দৈ ইতিমধ্যে এখনি আঁচনি দাখিল কৰিছে। উক্ত আঁচনিখন কাৰ্যকৰী কৰি সকলো পৰ্যায়তে ৰাজ্যিক ভাষা ব্যৱহাৰ কৰিবলৈ ইতিমধ্যে চৰকাৰক সোঁৱৰাই দিয়া হৈছে।

**বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম :** বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম ১৯৭০ চনতেই আঞ্চলিক ভাষা অসমীয়ালৈ সলনি কৰা হ'ল যদিও বিভিন্ন পৰ্যায়ত ইয়াৰ মৰ্যাদা দিয়া হোৱা নাই। সেই কথা লক্ষ্য কৰি গোলাঘাট অধিৱেশনে ৰাজ্যিক আৰু কেন্দ্ৰীয় লোকসেৱা আয়োগৰ প্ৰতিযোগিতামূলক পৰীক্ষা-সমূহত অসমীয়া ভাষা ব্যৱহাৰ কৰিবলৈ বিহিত ব্যৱস্থা গ্ৰহণ কৰিবৰ অৰ্থে চৰকাৰক দাবী জনায়। ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰৰ ভাষা সম্মিলনৰ পৰামৰ্শাৱলীত এই ব্যৱস্থা সন্নিবিষ্ট কৰিছে। ভাষা সম্মিলনৰ ২২ আৰু ২৩ নম্বৰৰ পৰামৰ্শাৱলীত এনেদৰে আছে—

"(২২) লোকসেৱা আয়োগে সৰ্বভাৰতীয় সেৱাৰ পৰীক্ষাসমূহ পৰিচালনা কৰোঁতে ১৯৭৮ চনৰ ভিতৰতে ইংৰাজী প্ৰশ্নকাকতখনৰ বাহিৰে অন্যান্য বিষয়ত উত্তৰ দিওঁতে ৰাজ্যিক ভাষাসমূহক মাধ্যম হিচাপে ব্যৱহাৰ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্ত কাৰ্যকৰী কৰিব লাগে। সকলো ৰাজ্যৰে ৰাজ্যিক ভাষাত প্ৰশ্নকাকত যোগান ধৰিবলৈ আয়োগে প্ৰয়োজনীয় কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিব লাগে। (২৩) সৰ্বভাৰতীয় সেৱাসমূহৰ পৰীক্ষাত সংবিধানৰ ৮ ম অনুসূচীত উল্লেখ থকা যি কোনো এটা আধুনিক ভাৰতীয় ভাষাৰ এখন প্ৰশ্নকাকত বাধ্যতামূলক কৰিব লাগে।"

গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অসমীয়া ভাষাৰে অন্ততঃ অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ বিষয়ে গৱেষণা কৰি ডক্টৰেট ডিগ্ৰী ল'বলৈ সুবিধা দিবৰবাবে অসম সাহিত্য সভাই কেইবাবছৰৰে আগৰপৰা দাবী জনাই আহিছে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ে এই সুবিধা আগ-বঢ়ালেও গুৱাহাটী বিশ্ববিদ্যালয়ে এই সুবিধা নিদিয়াত ২৫।৯।৭৮ তাৰিখে অসম সাহিত্য সভাৰ এটি প্ৰতিনিধি দলে গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্যক লগ ধৰি এখনি স্মাৰক পত্ৰ দি অসমীয়া ভাষাক ডক্টৰেট পৰ্যায়ৰ গৱেষণা কৰিবলৈ দাবী জনায়। কৰ্তৃপক্ষৰ ফালৰপৰা তৎকালে এই ব্যৱস্থা গ্ৰহণ কৰিবলৈ কেতবোৰ কাৰিকৰি অসুবিধা থকাৰ কথা উল্লেখ কৰি নীতিগতভাৱে বিষয়টোত সন্মতি জ্ঞাপন কৰে।

এই প্ৰসঙ্গতে উপাচাৰ্যই অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি বিষয়ক গৱেষণা গ্ৰন্থসমূহ অসমীয়া ভাষালৈ অনুবাদ কৰিবৰবাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ সন্মতি জনায়।

অসমৰ গাঁও আৰু শিক্ষা বিষয়ত পিছপৰা আৰু পাৰ্বত্য অঞ্চল, চাহ বাগিচা অঞ্চলসমূহত শিক্ষাৰ প্ৰসাৰ সাধন কৰিবলৈ ৯।৮।৭৮ তাৰিখে শিক্ষামন্ত্ৰীৰ হাতত এখনি স্মাৰক পত্ৰ দিয়া হয়।

শিলচৰ অনাৰ্তাৰ কেন্দ্ৰত অসমীয়া মাধ্যমৰ অনুষ্ঠান প্ৰচাৰ কৰিবলৈ দাবী জনাই মুখ্যমন্ত্ৰীক দিয়া স্মাৰক পত্ৰত দাবী কৰা হয় আৰু সংশ্লিষ্ট কৰ্তৃপক্ষৰ লগতো যোগাযোগ কৰা হয়।

চৰকাৰী পৰিভাষাখনত কিছু ত্ৰুটী থাকি যোৱা বুলি উক্ত পৰিভাষাখন প্ৰকাশ হোৱাৰ পিছতে সাহিত্য সভাই মত প্ৰকাশ কৰিছিল আৰু সভাৰ পক্ষৰ-পৰা সংশোধনীসহ পৰামৰ্শ আগবঢ়োৱা হৈছিল। এইবছৰ উক্ত প্ৰশাসনীয় পৰিভাষাখন যুগুত কৰিবৰ বাবে চৰকাৰৰ পক্ষৰপৰা বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে বুলিও আমাক জনায় আৰু সাহিত্য সভাৰ পক্ষৰপৰাও প্ৰাথমিক পৰ্যায়ৰ কামখিনি সমাধা কৰা হৈছে।

কেন্দ্ৰীয় বিদ্যালয়সমূহত আঞ্চলিক ভাষাৰ যাৱতীয় মৰ্যাদা দিবৰবাবে বিভাগীয় কৰ্তৃপক্ষৰ লগত যোগা-যোগ কৰা হৈছিল ; কিন্তু বিশেষ ফল পোৱা নহ'ল। ইয়াৰ বাহিৰেও কাৰ্য্যনিৰ্বাহক সমিতিয়ে কেইটিমান গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰিছিল।

১। অসমত অবাঞ্ছনীয়ভাৱে অনুপ্ৰৱেশ কৰা প্ৰব্ৰজনকাৰীৰ গতিৰোধ কৰিবলৈ চৰকাৰক দাবী জনোৱা হৈছিল আৰু ইয়াৰ বাহিৰেও শিক্ষানুষ্ঠানসমূহৰ শিক্ষাৰ মাধ্যম অসমীয়া ভাষা হোৱা সত্বেও কেতবোৰ অসমীয়া ভাষাৰ উপযুক্ত অৰ্হতা নথকা লোকক শিক্ষক হিচাপে নিযুক্তি দি অহা কাৰ্য্যৰ প্ৰতিবাদ জনায় আৰু তেনে কাৰ্য্য বন্ধ কৰিবলৈ চৰকাৰক দাবী জনায়। তদুপৰি অসমৰ জনসাধাৰণৰ মাজত ভাষা আৰু সম্প্ৰদায়ৰ নামত বিদ্বেষ সৃষ্টি কৰিবলৈ স্বাৰ্থান্বেষী মহলত চলি থকা চক্ৰান্তৰ প্ৰতি লক্ষ্য ৰাখি অসমবাসী ৰাইজক সদাসতৰ্ক হৈ থাকিবলৈ আহ্বান জনায়। কাৰ্য্যনিৰ্বাহকৰ পাঠশালা অধিবেশনত এই প্ৰস্তাৱসমূহ কাৰ্য্যকৰী কৰিবলৈ পুনৰ দাবী জনোৱা হয়।

**আঁচনি :** (ক) সভাই বছৰটোৰ আৰম্ভণিতে প্ৰকাশন, লেখক-শিবিৰ, শতবাৰ্ষিকী উদ্‌যাপন, সাংস্কৃতিক ভ্ৰমণ, ভৱন নিৰ্মাণ আৰু সাহিত্য সভা সপ্তাহ পালনৰ বিষয়ে এখনি আঁচনিত অনুমোদন জনায়। সেই আঁচনি অনুযায়ী ইতিমধ্যে কামত আগবঢ়া হৈছে। ইয়াৰ উপৰিও কাৰ্যনিৰ্বাহক সমিতিৰ প্ৰস্তাৱ অনুসৰি বিশ্ববিদ্যালয় অনুদান আয়োগলৈ এখনি আঁচনি পঠোৱা হয়। এই আঁচনিত অসম সাহিত্য সভাৰ লগতে প্ৰস্তাৱিত ৰাধাকান্ত সন্দিকৈ ভৱনত অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ এটি বিশ্ববিদ্যালয় সমপৰ্যায়ৰ গৱেষণা প্ৰতিষ্ঠান গঢ় দি তুলিবলৈ প্ৰস্তাৱ কৰা হয়। ইতিমধ্যে বিশ্ববিদ্যালয় অনুদান আয়োগে অসম সাহিত্য সভাক উক্ত মৰ্যাদা দান কৰি এটি গৱেষণা প্ৰতিষ্ঠানৰ স্বীকৃতি দিবলৈ দিহা কৰাৰ কথা জানিব পৰা গৈছে। ইয়াৰ লগত সংগতি ৰাখি বিশ্ববিদ্যালয় অনুদান আয়োগৰ আগত দাখিল কৰিবলৈ বিস্তৃত আঁচনি যুগুত কৰা হৈছে।

(খ) অসম চৰকাৰে অসমৰ ৰাজ্যিক ভাষা আইনখন পূৰ্ণপৰ্যায়ত কাৰ্যকৰী কৰিবৰ বাবে অনা-অসমীয়াভাষী বিষয়া আৰু কৰ্মচাৰীসকলক মাধ্যমিক



পৰ্যায়ৰ প্ৰশিক্ষণ দিবলৈ দায়িত্ব অৰ্পণ কৰি অসম সাহিত্য সভাক অনুৰোধ জনায়। পোনতে সচিবালয় পৰ্যায়ত, পিছত জিলা পৰ্যায়ত প্ৰশিক্ষণ দিবৰ বাবে এখন আঁচনি, পাঠ্যক্ৰম যুগুত কৰি ইতিমধ্যে চৰকাৰৰ হাতত দাখিল কৰা হৈছে।

**প্ৰকাশন :** প্ৰকাশন আঁচনিৰ অন্তৰ্গত এইবছৰ যিবোৰ পুথি প্ৰকাশ কৰিবলৈ প্ৰস্তাৱ কৰা হৈছিল তাৰ ভিতৰত ইতিমধ্যে ড° মহেন্দ্ৰ বৰা সম্পাদিত 'দুৰ্গেশ্বৰ শৰ্মা ৰচনাৱলী,' অধ্যাপক যতীন্দ্ৰনাথ গোস্বামী আৰু মুৰাৰিচৰণ দাসৰ 'কালিৰাম মেধি ৰচনাৱলী,' ৰামচৰণ ঠাকুৰীয়া সম্পাদিত 'কালিৰাম মেধি স্মৃতিগ্ৰন্থ,' ড° সত্যেন্দ্ৰনাথ শৰ্মা সম্পাদিত কালিৰাম মেধিৰ ইংৰাজী ৰচনাৱলী ('ষ্টাডিজ ইন ডি বৈষ্ণৱাইট লিটাৰেচাৰ এণ্ড কালচাৰ অৱ আসাম), 'অসমীয়া লোকগীত' ( পুনৰ মুদ্ৰণ ), অধ্যাপক শশী শৰ্মা লিখিত 'টলষ্টয়,' গগণচন্দ্ৰ সোণোৱালৰ 'সোণোৱালৰ সাধু,' অধ্যাপক যোগেশ দাস সম্পাদিত, 'হেম বৰুৱা,' ড° হেমন্তকুমাৰ শৰ্মা সম্পাদিত 'নলিনীবালা দেৱী,' অধ্যাপক যতীন্দ্ৰনাথ গোস্বামী সম্পাদিত 'অসম সাহিত্য সভাৰ পত্ৰিকাৰ প্ৰবন্ধ-পঞ্জী,' ড°মহেশ্বৰ নেওগ, অধ্যাপক যোগেশ দাস আৰু অধ্যাপক নাৰায়ণ শৰ্মাৰদ্বাৰা সম্পাদিত 'অসমীয়া গল্পগুচ্ছ' ছপাহৈ ওলাইছে। যজ্ঞেশ্বৰ শৰ্মাৰ এৰিষ্টটলৰ পয়েটিক্স আৰু সৰ্বেশ্বৰ কটকীৰ 'প্ৰাচীন অসমীয়া লিপি' ছপাশালত আছে। ব্ৰজনৰ 'অসমীয়া অভিধান' আৰু 'কালিকা পুৰাণৰ' অনুবাদ আৰু সম্পাদনাৰ কাম আগবাঢ়িছে। আগৰ বছৰতে প্ৰকাশন আঁচনিৰ অন্তৰ্গত চৈয়দ আব্দুল মালিকৰ 'মধ্য এছিয়াৰ শব্দ সম্ভাৰ' আৰু ড° চন্দ্ৰ কটকীৰ 'আধুনিক অসমীয়া কবিতাৰ' ছপাৰ কাম ছপাশালৰ অসুবিধাত আগবঢ়া নাই। ড° প্ৰমোদ ভট্টাচাৰ্য সম্পাদিত 'অসমৰ জনজাতি' পুথিখনৰ পাণ্ডুলিপি পুনৰ মুদ্ৰণৰ অৰ্থে সদ্যহতে পোৱা হৈছে। ভাষাজ্ঞান পৰীক্ষাৰ পাঠ্যপুথি 'পাঠ-চয়ন' বৰ্তমান ছপাশালত আছে। অতুলচন্দ্ৰ বৰুৱা সম্পাদিত 'ৰঘুনাথ চৌধাৰীৰ ৰচনাৱলীৰ' ছপা কাম আগবাঢ়িছে; কিন্তু 'নীলমণি ফুকন ৰচনাৱলীৰ' কাম আগবঢ়া নাই। ৰামচৰণ ঠাকুৰীয়া সম্পাদিত 'গিৰিধৰ শৰ্মা' আৰু অধ্যাপক যোগেন্দ্ৰনাথ ভূঞাৰ 'নীলমণি ফুকন স্মৃতি গ্ৰন্থ' সম্পাদনৰ কাম আশানুৰূপভাৱে আগবাঢ়ে। 'বিংশ শতাব্দীৰ অসমীয়া সাহিত্য' গ্ৰন্থখন পুনৰ সম্পাদনা কৰিবলৈ অধ্যাপক নগেন শইকীয়াক দায়িত্ব দিয়া হৈছে। শ্ৰীমতী নৰমালতী চক্ৰৱৰ্ত্তী ৰচিত আৰু ড' মহেশ্বৰ নেওগ সম্পাদিত 'নগালেণ্ড' নামৰ পুথিখন ছপাৰ শেষ পৰ্যায়ত আছে। ড০ মহেশ্বৰ নেওগ সম্পাদিত 'হস্তমুক্তাৱলীৰ' ছপাৰ কাম কলিকতাৰ ছপাশালত হোৱা ধৰ্মঘটৰ বাবে আৰম্ভ হৈ আছে। 'অসম সাহিত্য সভাৰ ৰূপলেখাৰ' হিন্দী অনুবাদ ইতিমধ্যে ছপাহৈ ওলাইছে। গোলাঘাট আৰু অভয়াপুৰী সন্মিলনৰ বাৰ্ষিকী ছপাহৈ ওলাব লাগিছিল যদিও তেওঁবিলাকৰপৰা প্ৰয়োজনীয় বিত্তীয় অনুদান নোপোৱাৰ বাবে কাম হাতত ল'ব পৰা নহ'ল। অৱশ্যে অভয়াপুৰী সন্মিলনৰ অভ্যৰ্থনা সমিতিয়ে অধিৱেশনৰ আগে আগে বাৰ্ষিকী প্ৰকাশৰ বাবে ধাৰ্য কৰা ১২,০০০'০০ টকাৰ অৰ্ধাংশ ৬,০০০'০০ টকা আদায় দিছে। গোলাঘাট অভ্যৰ্থনা সমিতিৰপৰা ধন পোৱা নাই। সৰ্বানন্দ ৰাজকুমাৰৰ 'অসমীয়া ফকৰা-যোজনাৰ' পুথিখন বিস্তৃতভাৱে সম্পাদনৰ প্ৰয়োজন হোৱাত সময়মতে ছপাশালত দিব পৰা নহ'ল। বেণুধৰ ৰাজখোৱাৰ 'খণ্ডবাক্য কোষ' ছপাশালত দিয়া হৈছে।

**শতবাৰ্ষিকী :** এইবছৰত অসমৰ ভাষাবিদ কালিৰাম মেধিৰ শতবাৰ্ষিকী কেন্দ্ৰীয়ভাৱে গুৱাহাটীত বিস্তৃত কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। অক্টোবৰ মাহৰ ১৬ তাৰিখে শতবাৰ্ষিকী উদ্‌যাপনৰ কাৰ্যসূচী উন্মোচন কৰা হয় আৰু যোৱা ২৪ জানুৱাৰীৰ দিনা সামৰণি

মৰা হয়। এই সময়ছোৱাত গুৱাহাটীত ৰাজহুৱা সভাত স্মৃতি তৰ্পণ, মেধিৰ বাসস্থানত স্মৃতিফলক স্থাপন, মিউজিয়ামৰ সন্মুখত আৱক্ষ মূৰ্তি প্ৰতিষ্ঠা কৰা হয়। জন্মস্থান ৰামদিয়াতো ব্যাপক কাৰ্য-সূচীৰে শতবাৰ্ষিকী পালন কৰা হয়। শতবাৰ্ষিকী উপলক্ষে মেধিৰ ইংৰাজী আৰু অসমীয়া ৰচনাৱলীৰ দুটি সংকলন যথাক্ৰমে ড° সত্যেন্দ্ৰনাথ শৰ্মা আৰু অধ্যাপক যতীন্দ্ৰনাথ গোস্বামী আৰু মুৰাৰিচৰণ দাসে সম্পাদনা কৰি উলিয়ায়। অধ্যাপক ৰামচৰণ ঠাকুৰীয়াই সম্পাদনা কৰা আন এখনি স্মৃতিগ্ৰন্থও প্ৰকাশ কৰা হয়। তদুপৰি অসম সাহিত্য সভাৰ শাখাসভাসমূহেও ৰাজহুৱা সভা, স্মৃতি তৰ্পণ, বক্তৃতা, ৰচনা প্ৰতিযোগিতা আদিৰে শতবাৰ্ষিকী উদ্‌যাপন কৰে। মেধিৰ পৰিয়ালৰ পক্ষৰপৰা কালিৰাম মেধি সোঁৱৰণী বক্তৃতা এটিৰো আয়োজন কৰাৰ অৰ্থে ইতিমধ্যে প্ৰস্তাৱ আগবঢ়াইছে। শত-বাৰ্ষিকী সমিতি আৰু মেধিৰ পৰিয়াললৈ শলাগ জনাইছোঁ। ১৯৮০ চনত বিহগী কবি ৰঘুনাথ চৌধাৰী আৰু বাগ্মীবৰ নীলমণি ফুকনৰ জন্ম শতবাৰ্ষিকী পালন কৰিব লাগিব। সেই উদ্দেশ্যে গুৱাহাটী আৰু যোৰহাটত দুখন শতবাৰ্ষিকী উদ্‌যাপন সমিতি গঠন কৰিবৰলৈকো কাৰ্যনিৰ্বাহক সমিতিয়ে সিদ্ধান্ত গ্ৰহণ কৰে; লগতে চৌধাৰী আৰু ফুকনৰ ৰচনাৱলী প্ৰকাশ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে।

**লেখক-শিবিৰ :** যোৱা কেইবছৰত অনুষ্ঠিত হোৱাৰ দৰে এই বছৰো লেখক-শিবিৰ অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয়। অসমীয়া ভাষাৰ আখৰ জোঁটনিত কেতবোৰ সমস্যাই দেখা দিয়া বুলি সঘনে সমালোচনা হোৱাটোলৈ লক্ষ্য ৰাখি এইবেলি 'অসমীয়া ভাষাৰ আখৰ জোঁটনি' এই বিষয়টিকে লেখক-শিবিৰৰ বিষয়বস্তু কৰি লোৱা হয়। শিবিৰৰ সঞ্চালক আছিল ড° মুকুন্দমাধৱ শৰ্মা আৰু অসমৰ বিশিষ্ট লেখক, শিক্ষক আৰু ভাষাতাত্ত্বিকে ইয়াত ভাগ লয়। লেখক-শিবিৰত হোৱা আলোচনাৰ পৰিপ্ৰেক্ষিতত পৰামৰ্শাৱলী দাঙি ধৰিবলৈ প্ৰধান সম্পাদক, উপসভাপতি যোগেশ দাস, ড° হেমন্তকুমাৰ শৰ্মা, অধ্যাপক নগেন শইকীয়া, অধ্যাপক বিশ্বেশ্বৰ হাজৰিকা, বিশ্বনাৰায়ণ শাস্ত্ৰী, ৰজনীকান্ত দেৱশৰ্মাক লৈ এখনি উপসমিতি গঠন কৰি দিয়া হয়। উপসমিতিয়ে পুনৰ বিষয়টো চালিজাৰি চাই ডিচেম্বৰ মাহৰ শেষ সপ্তাহত একেলেথাৰিয়ে তিনিদিন বহি বিতংভাৱে আলোচনা কৰি পৰামৰ্শাৱলী যুগুত কৰি উলিয়াই। এই পৰামৰ্শাৱলী বিভিন্ন অনুষ্ঠান আৰু ব্যক্তিৰ মতামতৰ অৰ্থে প্ৰচাৰ কৰাৰ পাছত সভাই শেষ সিদ্ধান্ত গ্ৰহণ কৰাৰ বাট মুকলি হৈ আছে। পাঠশালা সাহিত্য সভাই কৃতকাৰ্যতাৰে শিবিৰ অনুষ্ঠিত কৰাৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছোঁ।

**সপ্তাহ পালন :** ১৭ জানুৱাৰীৰপৰা ২৩ জানুৱাৰীলৈ সাহিত্য সভাৰ সপ্তাহ পালনৰ অৰ্থে কাৰ্যনিৰ্বাহক সমিতিয়ে সিদ্ধান্ত গ্ৰহণ কৰে। জ্যোতিপ্ৰসাদৰ প্ৰতিভা সম্পৰ্কীয় আলোচনা-চক্ৰ, ৰাজহুৱা সভা, অসমীয়া সাহিত্য আৰু সাহিত্যিকৰ সমস্যাৰ আলোচনা, সাহিত্যিক সম্বৰ্দ্ধনা, কবি সন্মিলন, লোকসংস্কৃতিৰ সমল সংগ্ৰহ, বিভিন্ন জনগোষ্ঠীৰ সাংস্কৃতিক বৈশিষ্ট্য সম্পৰ্কে আলোচনা, বিভিন্ন জনগোষ্ঠীৰ আৰু ভাষা-গোষ্ঠীৰ মাজত সম্প্ৰীতি স্থাপন, অনগ্ৰসৰ অঞ্চলত ভাষা শিক্ষাৰ প্ৰসাৰ ইত্যাদি কাৰ্যসূচীৰে শাখাসভা-সমূহত এই সপ্তাহ পালনৰ বাতৰি পোৱা গৈছে।

**ভৱন :** ৰাধাকান্ত সন্দিকৈ ভৱন নিৰ্মাণৰ অৰ্থে কেতবোৰ সমল ইতিমধ্যে সংগ্ৰহ কৰা হৈছে যদিও কামত আশানুৰূপভাৱে আগবাঢ়িবপৰা নহ'ল। মূলতে নিৰ্মাণৰ অৰ্থে যি আঁচনি যুগুত কৰা হৈছিল সেই আঁচনিত কেতবোৰ ত্ৰুটী ধৰা পৰাত নিৰ্মাণৰ কাম বন্ধ কৰিব লগা হয়। ইয়াৰ পিছত গড়কাপ্তানী



বিভাগৰ পৰামৰ্শ আৰু সহায় বিচৰাত ৰৰ্ক ডিপজিট স্কিমত তেওঁবিলাকে প্ৰাথমিক কামৰ অৰ্থে ছয়লাখ টকা একেলগে জমা দিয়াৰ প্ৰস্তাৱ কৰে। আমাৰ হাতত ছয়লাখ টকা নথকাত চৰকাৰৰ ওচৰত দাখিল কৰা আবেদন আৰু আঁচনি অনুসৰি প্ৰয়োজনীয় অনুদান লাভ কৰিবলৈ সক্ষম নোহোৱাত গড়কাপ্তানী বিভাগৰ যোগেদি কাম সম্পন্ন কৰিবপৰা নাই। অৱশ্যে ইতিমধ্যে গড়কাপ্তানী বিভাগৰ সহায় নাপালেও নিজাকৈ কাম আৰম্ভ কৰিবলৈ দিহা কৰা হৈছে; কিন্তু গড়কাপ্তানী বিভাগৰপৰা ইতিমধ্যে আশ্বাস লাভ কৰা হৈছে।

**দান-অনুদান :** এইবছৰ শিৱসাগৰৰ শ্ৰীপ্ৰফুল্লচন্দ্ৰ বৰুৱা আৰু শ্ৰীপৰশুৰাম বৰুৱাই সংগীতাচাৰ্য লক্ষীৰাম বৰুৱাৰ স্মৃতিত গুৱাহাটীত এটি তিনি-মহলীয়া ভৱন নিৰ্মাণ কৰিবলৈ সদ্যহতে ১ লাখ টকাৰ দান দিবলৈ এটি প্ৰস্তাৱ আগবঢ়ায়। কাৰ্য-নিৰ্বাহক সমিতিৰ নিৰ্দেশক্ৰমে প্ৰধান সম্পাদক আৰু উপসভাপতি দুয়ো দাতাৰ লগত আলোচনা কৰি চৰ্তসমূহ থিৰাং কৰা হৈছে। ৺গিৰিধৰ শৰ্মাৰ পৰিয়ালৰ পক্ষৰপৰা শ্ৰীপ্ৰশান্তকুমাৰ শৰ্মাৰ যোগেদি নৱ-প্ৰতিভাৰ সন্ধান দিয়াৰ উপন্যাসৰ প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ প্ৰতিযোগীক পুৰস্কাৰ দিবলৈ ৺গিৰিধৰ শৰ্মা সোঁৱৰণী বঁটাৰ বাবে ৩,৫০০ টকাৰ এটি দান পোৱা হয়। গুৱাহাটীৰ বৰুৱা এজেন্সীৰ শ্ৰীবদনচন্দ্ৰ বৰুৱাৰপৰা বিজ্ঞানৰ জনপ্ৰিয় পুথি ৰচনাৰ বাবে উৎসাহ যোগাবলৈ পুৰস্কাৰ দিবৰ বাবে আন এটি ৩,৫০০ টকাৰ অনুদান লাভ কৰা হয়। ৺দুৰ্গেশ্বৰ শৰ্মাৰ উত্তৰাধিকাৰীসকলৰ পক্ষৰপৰা দুৰ্গেশ্বৰ শৰ্মা ৰচনাৱলীৰ স্বত্ব সাহিত্য সভাই দান হিচাপে লাভ কৰে। ৺কালিৰাম মেধিৰ উত্তৰাধিকাৰী-সকলৰপৰা কালিৰাম মেধিৰ ইংৰাজী আৰু অসমীয়া ৰচনাৱলীৰ প্ৰথম সংস্কৰণৰ স্বত্বও অসম সাহিত্য সভাই লাভ কৰে। সেইদৰে ৺সৰ্বেশ্বৰ কটকীৰ উত্তৰাধিকাৰীসকলৰ পক্ষৰপৰা 'প্ৰাচীন অসমীয়া লিপি' পুথিৰ স্বত্বও সাহিত্য সভাই লাভ কৰে। চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ মেৰামতিৰবাবে সদস্য মহত্তম শ্ৰীযুত কৃষ্ণকান্ত সন্দিকৈদেৱৰপৰা ১৪৪৮ টকাৰ এটি দান লাভ কৰে। সদৌটিলৈকে কৃতজ্ঞতা জনাইছোঁ।

**ভাষা-জ্ঞান পৰীক্ষা :** এই বছৰেও ভাষা-জ্ঞান পৰীক্ষা যথানিয়মে অনুষ্ঠিত হয় আৰু পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হোৱা নাই। মুঠ পৰীক্ষাৰ্থীৰ সংখ্যা আছিল ৯৩৬ জন। কেন্দ্ৰ ৩৩ টা। ১৯।২০।২১ তাৰিখে পৰীক্ষা হয় আৰু মাৰ্চ মাহত ফলাফল প্ৰকাশিত হ'ব।

**বঁটা :** এইবছৰ নতুন লেখকক উৎসাহিত কৰিবৰ বাবে ২৫ বছৰ বয়সৰ তলৰ লেখকসকলৰ বাবে উপন্যাস আৰু অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি বিষয়ৰ ওপৰত লিখা মৌলিক ৰচনালৈ একোটাকৈ তিনিশটকীয়া পুৰস্কাৰ আগবঢ়োৱা হয়। উপন্যাসৰ প্ৰতিযোগিতাৰ বঁটা লাভ কৰে শ্ৰীপ্ৰণৱপ্ৰাণ ভট্টাচাৰ্যই। মৌলিক ৰচনাৰ বঁটা দিব পৰা নহল। ৺প্ৰেমধৰ দত্ত সোঁৱৰণী বঁটা লাভ কৰে শ্ৰীযুতীন্দ্ৰনাথ ফুকনে। উপযুক্ত নাটকৰ অভাৱত ডিগবৈ সেৱা সমিতিৰ বঁটা দিব পৰা নহল। সেইদৰে ৺হৰিহৰ চৌধুৰী আৰু বনমালী শইকীয়া বঁটাও প্ৰতিযোগীৰ অভাৱত দিব পৰা নহ'ল। ৰঘুনাথ চৌধাৰীৰ উগ্ৰতৰা বঁটা লাভ কৰে ড° নিৰ্মলপ্ৰভা বৰদলৈয়ে 'দিনৰ পিছত দিন' গ্ৰন্থৰ বাবে। শৰৎচন্দ্ৰ গোস্বামী বঁটা লাভ কৰে গোলাঘাট বঙালী হাইস্কুলৰ ছাত্ৰী শ্ৰীমতী মুনমুন চন্দই। মোহনচন্দ্ৰ সোঁৱৰণী বঁটা, মুদ্ৰণ অলংকৰণ বঁটা এতিয়াও ঘোষণা কৰিব পৰা নহ'ল।

**শুভেচ্ছামূলক ভ্ৰমণ :** বছৰৰ আৰম্ভনিতেই দীঘি-

কাষৰীয়া ৰাজ্য অৰুণাচল, মেঘালয়, মণিপুৰ আৰু নগালেণ্ডৰ উপৰিও উত্তৰ কাছাৰ জিলাত শুভেচ্ছামূলক ভ্ৰমণ কৰাৰ কথা আছিল। তাৰে ভিতৰত মে' মাহত নগালেণ্ড ভ্ৰমণ কৰে এটি সাতজনীয়া প্ৰতিনিধি দলে আৰু সাংস্কৃতিক বিষয়ৰ আদান-প্ৰদানৰ বাবে মন্ত্ৰীসভা আৰু উচ্চ পৰ্যায়ৰ বিষয়াসকলৰ লগত আলোচনা কৰে। উত্তৰকাছাৰ জিলাত ভ্ৰমণ কৰাটো সম্ভৱ ন'হল। সেইদৰে ৰাজনৈতিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত মণিপুৰ ভ্ৰমণৰ আয়োজন কৰিও মূৰকত বাদ দিবলগীয়া হ'ল। লেখক-শিবিৰ, কালিৰাম মেধি শতবাৰ্ষিকী আৰু আখৰ জোঁটনি সমস্যাৰ কেইবাদিনীয়াকৈ পন্থা সভা আদিৰ বাবে অন্যান্য ভ্ৰমণ-সূচী কাৰ্যকৰী কৰিব পৰা নহল।

**সাহায্য দান:** অসম সাহিত্য সভাৰ প্ৰাক্তন উপসভাপতি কৃতী লেখক তৰুণচন্দ্ৰ পামেগাম দীৰ্ঘদিন ধৰি ৰোগশয্যাত পৰি থকাত আৰু আৰ্থিক কাৰণত চিকিৎসা আদি কৰাব নোৱাৰাত সভাৰ পক্ষৰপৰা এটি ৫০০ টকীয়া অনুদান মঞ্জুৰ কৰা হয়। অসম-নগালেণ্ড সীমান্তৰ দুৰ্গত শৰণাৰ্থী-সকললৈকো প্ৰধান সম্পাদকৰ ঐচ্ছিক পুঁজিৰ সমুদায় ধনৰ এশ টকাৰ কাৰ্যনিৰ্বাহকে ৪০০ টকা টকা, মুঠ ৫০০ টকাৰ এটি সাহায্য টোপোলা আগবঢ়োৱা হয়।

**বিত্তীয় অৱস্থা:** সভাৰ বিত্তীয় অৱস্থা সিমান ভাল নহয়। এই বছৰৰ চৰকাৰী অনুদান ৩৫,০০০ টকা এতিয়ালৈকে পোৱা হৈছে। পৰিকল্পনা আঁচনিৰ অধীনত চৰকাৰে ১,৫০,০০০'০০ টকাৰ অনুদান দিবলৈ চৰকাৰীভাৱে জনাইছে। এতিয়াও হাতত পৰাহি নাই। এই বছৰ অভিকৰ্তা নিয়োগ কৰি পুথি বিক্ৰীৰ ব্যৱস্থা কৰাত সেই ধনেৰেই কাৰ্যালয়ৰ যাৱতীয় কাম-কাজ পৰিচালনা কৰা হৈছে। চলিত বছৰত সভাৰ প্ৰকাশন বিক্ৰীৰপৰা ৩৭,৪০০ টকা পোৱা হৈছে। ইয়াৰ ভিতৰত.........টকা প্ৰকাশন অভিকৰ্তাৰপৰা পোৱা হৈছে। ১৯৭৮ চনৰ ৩১ মাৰ্চ পৰ্যন্ত সভাৰ মুঠ আয় ৫,৬১,১০৪'৭১, মুঠ ব্যয় ৫,৫২,২৩৪,'১৬ টকা, বাকি ১৮,৮৭০'৫৫ টকা। সভাৰ গুৱাহাটী আৰু যোৰহাট কাৰ্যালয়ৰ সকলো সম্পত্তিৰ মুঠ মূল্য ৯,১০,৩৪৭'৩৭ টকা।

অভ্যৰ্থনা সমিতিৰ হিচাপ: এতিয়াও হিচাপ পাবলৈ বাকী থকা ডিব্ৰুগড়, মাকুম, মঙলদৈ, টিহু, অভয়াপুৰী আৰু গোলাঘাট অধিৱেশনৰ সম্পূৰ্ণ হিচাপ পোৱা হোৱা নাই। অভয়াপুৰী, গোলাঘাট অধিৱেশনৰ এটি অসম্পূৰ্ণ আৰু অপৰীক্ষিত হিচাপ পোৱা হৈছে। টিহু অভ্যৰ্থনা সমিতিৰ পক্ষৰপৰা বাৰ্ষিকী প্ৰকাশৰ অৰ্থে মাত্ৰ ২০০০ টকা আৰু অভয়াপুৰীৰ অভ্যৰ্থনা সমিতিৰ পক্ষৰপৰা ৬০০০ টকা আদায় দিছে। এতিয়ালৈকে অৱশ্যে গোলাঘাট আৰু অভয়াপুৰীৰপৰা আংশিক হিচাপ পোৱা হৈছে। মঙলদৈ অধিৱেশনৰ হিচাপ পোৱা হৈছে।

**শাখাসভা সংগঠন:** লেখত শাখাসভাৰ সংখ্যা দিনক দিনে বাঢ়িলেও অনেক পুৰণি শাখাসভা নিষ্ক্ৰিয় হৈ পৰাটো সত্য। বৰ্তমান সভাৰ শাখা ৫১০ খন, স্বীকৃত সভা ২২ খন আৰু আজীৱন সভা ৯৬৮ জন। ১৩ খন নতুন, ৬০ জন আজীৱন।

প্ৰতিনিধি ৬৭৩ জন, দৰ্শক প্ৰতিনিধি ২২৩ জন, আজীৱন সভ্য ৫০ জন, মুঠ ৭২৩।

বহুতো শাখাসভাৰপৰা গোটেই বছৰটোৰ ভিতৰত আমাৰ পক্ষৰপৰা পঠোৱা ইস্তাহাৰ চিঠিপত্ৰ আদিৰ কোনো উত্তৰ অহা নাই। শাখাসভাসমূহ আপোনা-আপুনি সক্ৰিয় হৈ নুঠিলে কেন্দ্ৰীয় কাৰ্যালয়ৰ পক্ষৰপৰা প্ৰতিখন শাখাসভা ভ্ৰমণ কৰি কাৰ্যপদ্ধতি



চোৱা আৰু সক্ৰিয় কৰি তোলাটো সম্ভৱ নহয়। সেয়েহে শাখাসভাবিলাকত নীৰৱে কাম-কাজ চলি থাকিলেও সাময়িক প্ৰতিবেদন আদি নোপোৱাত শাখাসভাসমূহৰ বিষয়ে বিতং বিৱৰণ যুগুত কৰিব পৰা নহ'ল। অসমৰ বাহিৰত থকা শাখাসমূহৰ ভিতৰত কহিমা শাখা সাহিত্য সভাই নিজাকৈ প্ৰতীক, পতাকা আৰু পঞ্জীয়ন লোৱাত এক বিশেষ পৰিস্থিতিৰ সৃষ্টি হয়। এই ক্ষেত্ৰত সৃষ্টি হোৱা সাংবিধানিক জটিলতাৰ কথা কহিমা শাখা সাহিত্য সভাক জনোৱা হয়। কহিমা শাখা সাহিত্য সভাই বিশেষ মৰ্যাদা বিচাৰি কৰা আবেদন কাৰ্যনিৰ্বাহকে বিষয়-বাছনী সভালৈ এৰি থয়। দিল্লী, কলিকতা আৰু মাদ্ৰাজত থকা অসমীয়াভাষী লোকৰ সংখ্যালৈ চাই তাত একোখন শাখা বা স্বীকৃত সভা গঠন কৰিবলৈ থল আছে বুলি ভাবি আমাৰ পক্ষৰপৰা যত্ন কৰা হয়। এইবছৰৰ ভিতৰত যদিও কৃতকাৰ্য হ'বপৰা নহল অদূৰ ভৱিষ্যতে আমি সেইবোৰ ঠাইত শাখা বা স্বীকৃত সভা গঠন কৰিবলৈ সক্ষম হ'ব পাৰিম।

১। ডিব্ৰুগড় সাহিত্য সভা,
২। ধুবুৰী সাহিত্য সভা,
৩। বৰবৰুৱা সাহিত্য সভা,
৪। মৰিয়নী সাহিত্য সভা,
৫। ফুলনি সাহিত্য সভা,
৬। ড'াহী সাহিত্য সভা,
৭। দ গাঁও কপজ্যোতি সাহিত্য সভা,
৮। উত্তৰ লক্ষীমপুৰ সাহিত্য সভা,
৯। নলবাৰী সাহিত্য সমাজ,
১০। পূবেৰুণ সাহিত্য সদন,
১১। শিলচৰ শাখা সাহিত্য সভা,
১২। নৱজ্যোতি শাখা সাহিত্য সভা,
১৩। আমচৈ আঞ্চলিক শাখা সাহিত্য সভা,
১৪। বৰপেটা সাহিত্য সভা,
১৫। কামপুৰ আঞ্চলিক সাহিত্য সভা,
১৬ মুকুল সংঘ, দিশপুৰ,
১৭। জ্ঞানোদয় সাহিত্য সভা, ফুলনিবাৰী,
১৮। দুৰ্লভচ'ৰা শাখা সাহিত্য সভা,
১৯। তিতাবৰ সাহিত্য সভা,
২০। দক্ষিণ শালমৰা শাখা সাহিত্য সভা,
২১। লামডিং শাখা সাহিত্য সভা,
২২। গোবিন্দ মিশ্ৰ সাহিত্য সভা, কলাই গাঁও,
২৩। চলাপুৰীয়া সাহিত্য সভা,
২৪। তেজপুৰ সাহিত্য সভা,
২৫। পশ্চিম খিলাধাৰী সাহিত্য সভা,
২৬। ধমধমা আঞ্চলিক সাহিত্য সভা,
২৭। খোৱাং সাহিত্য সভা,
২৮। বৰমা সাহিত্য সভা,
২৯। গোঁসাই গাঁও সাহিত্য সভা,
৩০ ৰঙাপাৰা আঞ্চলিক সাহিত্য সভা,
৩১। ওদালগুৰি সাহিত্য সভা,
৩২। গড়ৰ ভিতৰ সাহিত্য সভা,
৩৩। পূব ডিব্ৰুগড় শাখা সাহিত্য সভা,
৩৪। চামদাং সাহিত্য সভা,
৩৫। গেৰুৱা গোঁসাইপৰীয়া সাহিত্য সভা,
৩৬। লংকা শাখা সাহিত্য সভা,
৩৭। নৈনে শাখা সাহিত্য সভা,
৩৮। হাজো সাহিত্য সভা,
৩৯। বকো সাহিত্য সভা,
৪০। হাইলাকান্দি শাখা সাহিত্য সভা,
৪১। ডিমাপুৰ শাখা সাহিত্য সভা,
৪২। হস্তিনাপুৰ শাখা সাহিত্য সভা,
৪৩। জ্ঞানমালিনী সাহিত্য কানন, ডিব্ৰুগড়,
৪৪। সোণাৰি শাখা সাহিত্য সভা,
৪৫। যোৰহাট সাহিত্য সভা।

উল্লিখিত শাখাসভাসমূহৰপৰা গিৰিধৰ শৰ্মা আৰু নলিনীবালা দেৱীৰ মৃত্যুত পতা শোক সভা, স্মৃতি

দিৱস, আলোচনা-চক্ৰ ; কালিৰাম মেধিৰ শতবাৰ্ষিকী উদ্‌যাপন, সাহিত্য সভা সপ্তাহ পালন আদিৰ প্ৰতিবেদন পোৱা গৈছে। তাৰে ভিতৰত ডিব্ৰুগড় শাখা সাহিত্য সভাই সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা ভৱন নিৰ্মাণৰ কামত বহুখিনি অগ্ৰসৰ হৈছে। নগাঁও শাখা সাহিত্য সভাই জাকজমকতাৰে সৈতে হীৰক জয়ন্তী পালন কৰি ৰত্নকান্ত বৰকাকতি বক্তৃতাৰ আয়োজন কৰে। লামডিং শাখা সাহিত্য সভাই এখনি মুখপত্ৰ প্ৰকাশ কৰিছে। যোৰহাট শাখা সাহিত্য সভাই আলোচনা-চক্ৰৰ আয়োজন কৰি দুৰ্গেশ্বৰ শৰ্মা ৰচনাৱলীৰ প্ৰকাশৰ কাৰ্যত অসম সাহিত্য সভাক সহায়তা কৰে। পাঠশালা শাখা সাহিত্য সভাই ষষ্ঠ লেখক-শিবিৰ নিমন্ত্ৰণ কৰি বিশেষ সফলতাৰে লেখক-শিবিৰৰ কাৰ্য পৰিচালনাত আগভাগ লোৱাৰ উপৰিও ১২খন পুথি প্ৰকাশ কৰে।

**জিলা পৰিষদ :** যদিও অসম সাহিত্য সভাৰ নিয়মাৱলীত জিলা পৰিষদৰ অনুশাসন সম্পৰ্কীয় বিধি বা উপবিধি অন্তৰ্গত হোৱা নাই তথাপি অসম সাহিত্য সভাৰ শাখাসমূহৰ প্ৰতিনিধিক লৈ জিলা পৰিষদসমূহ গঠিত হৈছে। এতিয়ালৈকে ডিব্ৰুগড়, শিৱসাগৰ, নগাঁও, কামৰূপ আৰু মঙলদৈ জিলা পৰিষদ গঠন হৈছে। ইয়াৰ ভিতৰত কামৰূপ আৰু ডিব্ৰুগড় জিলা পৰিষদ আপেক্ষিকভাৱে পুৰণি আৰু কাম-কাজতো সক্ৰিয়। শিৱসাগৰ আৰু নগাঁও জিলা পৰিষদেও যোৱা বছৰটোৰ ভিতৰতে অনেক আগ-বাঢ়ি আহিছে। শাখাসমূহৰ সম্পৰ্ক মূল সভাৰ লগত আপেক্ষিকভাৱে দূৰণিবটীয়া হলেও জিলা পৰিষদসমূহৰ লগত পোনপটীয়া। জিলা পৰিষদসমূহে এইক্ষেত্ৰত মূল সভাক অধিক সক্ৰিয় কৰি ৰখাত সহায়তা কৰিব পাৰে। জিলা পৰিষদসমূহৰ যোগেদি লেখক-শিবিৰ অনুষ্ঠিত হোৱাত আৰু জিলা পৰ্যায়তে অসমীয়া সাহিত্য আৰু সাহিত্যিকৰ সমস্যাৱলী আলোচিত হোৱাত পৰোক্ষে মূল সভাত সহায়তা কৰা হৈছে। জিলা পৰিষদৰ পক্ষৰপৰা আলোচনী, স্মৃতিগ্ৰন্থ আৰু পুথি আদি প্ৰকাশ কৰাটো বিশেষ উল্লেখযোগ্য। জিলা পৰিষদ গঠন সম্পৰ্কত উপ-সমিতি বহি এখনি প্ৰতিবেদন দাখিল কৰিছে।

**অসম সাহিত্য সভা পত্ৰিকা :** অসম সাহিত্য সভা পত্ৰিকাখনি যোৱা দুটা বছৰত বিশেষ মনোগ্ৰাহীকৈ প্ৰকাশ কৰিবলৈ যত্ন কৰা হৈছে। সেই অনুপাতে শাখাসভাসমূহৰপৰা আশানুৰূপ সঁহাৰি পোৱা নাই। এই বছৰ কাৰ্যনিৰ্বাহকৰ নিৰ্দেশক্ৰমে দ্বিতীয় সংখ্যা কাকত ভি, পি, কৰি পঠোৱা হৈছিল ; কিন্তু বহুতো ভি, পি, উলটি অহাত সভাৰ ভালেখিনি অযথা ভৰণি হ'ল।

**নগা সীমান্তৰ অশান্তি :** যোৱা ৫ জানুৱাৰীৰ দিনা ৰাতি অসম-নগালেণ্ড সীমান্তৰ অসমৰ মাটিত বসবাস কৰি থকা নিৰীহ কৃষক ৰাইজৰ ওপৰত নৃশংস অত্যাচাৰ কৰাৰ বাতৰি পাই ইয়াৰ প্ৰতিবাদ জনাই অসমৰ মুখ্যমন্ত্ৰী আৰু ভাৰতৰ প্ৰধান মন্ত্ৰীলৈ উক্ত সীমান্তৰ নিৰাপত্তা বিচাৰি আৰু শৰণাৰ্থীসকলৰ পুনৰ সংস্থাপন কৰিবলৈ দাবী জনাই তাঁৰবাৰ্তা পঠিওৱা হয় আৰু আকাশবাণী আৰু বাতৰি কাকতত বিবৃতি প্ৰকাশ কৰি শাখাসভাসমূহক দান-বৰঙণি সংগ্ৰহ কৰি পঠাবলৈ অনুৰোধ জনোৱা হয়।

---

## ১৯৭৯-৮০ চনৰ কাৰ্যনিৰ্বাহক সমিতিৰ প্ৰথম অধিৱেশন

**স্থান ঃ শুৱালকুছি**

**তাৰিখ ঃ ১২।২।৭৯**

উপস্থিত সদস্যসকল : শ্ৰীঅতুলচন্দ্ৰ বৰুৱা -সভাপতি, শ্ৰীৰজনীকান্ত দেৱশৰ্মা — উপ-সভাপতি, শ্ৰীলীলা গগৈ—প্ৰধান সম্পাদক, ড° নিশিপদ চৌধুৰী—সহকাৰী সম্পাদক, শ্ৰীপ্ৰফুল্ল ভট্টাচাৰ্য—কোষাধ্যক্ষ, ড° পৰীক্ষিত হাজৰিকা -পত্ৰিকা সম্পাদক, সদস্যসকল : (সৰ্বশ্ৰী) নিৰিকান্ত ৰায়, কুমাৰ কিশোৰ, সুপ্ৰভা মেধি, নাৰায়ণ শৰ্মা, মহেশ ভট্টাচাৰ্য —ভাষাজ্ঞান সচিব, চিত্তৰঞ্জন চৌধুৰী, আজিজুৰ ৰহমান বৰভূঞা, প্ৰবীণ দাস।

বিশেষভাৱে নিমন্ত্ৰিতসকল : বিদায়ী উপ-সভাপতি শ্ৰীযোগেশ দাস, বিদায়ী কোষাধ্যক্ষ শ্ৰীনগেন শইকীয়া, শ্ৰীসতীশ চৌধুৰী, শ্ৰীশ্ৰীমান চক্ৰৱৰ্তী।

অসম সাহিত্য সভাৰ নিয়মাৱলীৰ ৫ ছেদ ১৭ অনুচ্ছেদ অনুসৰি কাৰ্যনিৰ্বাহক সমিতিৰ প্ৰথম অধিৱেশন বহে।

১। পুনৰ নিৰ্বাচিত প্ৰধান সম্পাদক শ্ৰীলীলা গগৈয়ে সভাপতি শ্ৰীঅতুলচন্দ্ৰ বৰুৱাক সভা পৰিচালনাৰ বাবে অনুৰোধ কৰে আৰু সভাপতিয়ে আসন গ্ৰহণ কৰে।

২। প্ৰধান সম্পাদকে সদস্যসকলৰ পৰিচয় দান কৰে।

৩। সভাপতি শ্ৰীবৰুৱাই প্ৰধান সম্পাদক প্ৰমুখ্যে সদস্যসকলক ওলগ জনায় আৰু সকলো প্ৰকাৰৰ সহায়-সহযোগিতা কামনা কৰে।

৪। সমিতিয়ে নিয়মাৱলীৰ ৫ম ছেদৰ ১৭ অনুচ্ছেদ অনুসৰি ৪ গৰাকী ব্যক্তিক কাৰ্যনিৰ্বাহক সমিতিৰ সদস্যস্বৰূপে মনোনীত কৰাৰ বাবে আলোচনা কৰে। প্ৰাক্তন কোষাধ্যক্ষই পৰামৰ্শ দিয়ে যে প্ৰধান সম্পাদক পদৰ বাবে প্ৰতিদ্বন্দিতা কৰা প্ৰাৰ্থীসকলৰ ভিতৰত নিৰ্বাচিতগৰাকীৰ পিছতে দ্বিতীয় সৰ্বাধিক ভোট লাভ কৰা প্ৰাৰ্থীগৰাকীক মনোনীত কৰি লোৱা ব্যৱস্থা কৰিব লাগে। সমিতিয়ে পৰামৰ্শ গ্ৰহণ কৰে আৰু তলত নাম দিয়াসকলক মনোনীত কৰে।

(১) শ্ৰীযতীন গোস্বামী, গুৱাহাটী।
(২) শ্ৰীউপেন দাস, টংলা।
(৩) শ্ৰীপ্ৰহ্লাদ ওঝা, জামিৰা, ডিব্ৰুগড়।
(৪) এম, ইলিয়ুদ্দিন দেৱান, বৰপেটা।

৫। সমিতিয়ে সৰ্বসম্মতিক্ৰমে তলৰ প্ৰস্তাৱ তিনিটি গ্ৰহণ কৰে।

(ক) অসম সাহিত্য সভাৰ যোৰহাট আৰু গুৱাহাটীৰ অসম কো'অপাৰেটিভ এপেক্স বেংকত থকা হিচাপ ৩১।৩।৭৯ তাৰিখ পৰ্যন্ত প্ৰধান সম্পাদক শ্ৰীলীলা গগৈ আৰু চলিত বিত্তীয় বছৰৰ কোষাধ্যক্ষ

শ্ৰীনগেন শইকীয়াৰ যুটীয়া স্বাক্ষৰত লেন-দেন হ'ব।

(খ) অসম সাহিত্য সভাৰ যোৰহাটৰ অসম কো'-অপাৰেটিভ এপেক্স বেংকত থকা ৭১৬৫ নং হিচাপ আৰু গুৱাহাটীৰ অসম কো'অপাৰেটিভ এপেক্স বেংকত থকা ৯৩৮৪ নং হিচাপ আৰু অসম কো'অপাৰেটিভ এপেক্স বেংক যোৰহাট শাখাৰ ১২৬৬ নং হিচাপ ১।৪।৭৯ তাৰিখৰপৰা প্ৰধান সম্পাদক শ্ৰীলীলা গগৈ আৰু নিৰ্বাচিত কোষাধ্যক্ষ শ্ৰীপ্ৰফুল্লচন্দ্ৰ ভট্টাচাৰ্যৰ যুটীয়া স্বাক্ষৰত লেন-দেন হ'ব।

এই সিদ্ধান্ত অনুসৰি ব্যৱস্থা গ্ৰহণ কৰিবলৈ সংশ্লিষ্ট বেংক কৰ্তৃপক্ষক জনোৱাৰ বাবে ব্যৱস্থা কৰা হওক।

(গ) সমিতিয়ে সিদ্ধান্ত কৰে যে অসম সাহিত্য সভাৰ নামত বিভিন্ন বেংক আৰু ডাকঘৰত জমা থকা সকলোবিলাক স্থায়ী-অস্থায়ী পুঁজিৰ পৰিচালনা চলিত বছৰৰ বাবে পুনৰ নিৰ্বাচিত প্ৰধান সম্পাদক শ্ৰীলীলা গগৈৰ যোগেদি আদান-প্ৰদান কৰা হ'ব।

৬। অভ্যৰ্থনা সমিতিৰ সম্পাদক বা সমিতিয়ে নিৰ্বাচন কৰি দিয়া এজন ব্যক্তিক কাৰ্যনিৰ্বাহকলৈ বিশেষ নিমন্ত্ৰিত ব্যক্তি হিচাপে নিমন্ত্ৰণ জনাবলৈ কৰ্তৃত্ব দিয়া হয়। তদুপৰি সভাৰ স্বাৰ্থৰ খাতিৰত প্ৰয়োজন হ'লে সভা অনুষ্ঠিত হোৱা ঠাইৰপৰা বিশেষ ব্যক্তিক কাৰ্য-নিৰ্বাহকলৈ বিশেষভাৱে নিমন্ত্ৰণ জনাব পাৰিব।

৭। প্ৰাক্তন কোষাধ্যক্ষই পৰামৰ্শ জনায় যে অসম সাহিত্য সভাৰ কাম-কাজ সম্পৰ্কে বিভিন্ন ব্যক্তিয়ে কাকতে-পত্ৰই বিভিন্ন প্ৰকাৰৰ আলোচনা-সমালোচনা কৰে আৰু দিহা-পৰামৰ্শ দিয়ে। ইয়াৰ পৰিপ্ৰেক্ষিতত সভাৰ পক্ষৰপৰা 'অসম সাহিত্য সভাই কি কৰিব লাগে' এই শিতানেৰে এটা বিজ্ঞাপনৰ প্ৰচাৰ কৰি মতামত পোনপটীয়াকৈ আহ্বান কৰিব লাগে আৰু তেনে মতামত আৰু দিহা-পৰামৰ্শ চালি-জাৰি চাই সাহিত্য সভাৰ কাৰ্যসূচীত যিমানখিনি সন্নিবিষ্ট কৰিব পাৰি সন্নিবিষ্ট কৰিব লাগে।

সমিতিয়ে পৰামৰ্শ গ্ৰহণ কৰে আৰু প্ৰয়োজনীয় ব্যৱস্থা ল'বলৈ প্ৰধান সম্পাদকক পৰামৰ্শ দিয়ে।

৮। সভাৰ নতুন কাৰ্যনিৰ্বাহক গঠনৰ বাবে আয়োজন কৰা নিৰ্বাচনৰ কাম-কাজ সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে সভাৰদ্বাৰা মনোনীত নিৰ্বাচনী বিষয়া শ্ৰীকৃষ্ণ প্ৰসাদ বৰুৱাক সমিতিয়ে ধন্যবাদ জ্ঞাপন কৰে।

৯। সভাত সদস্যসকলে আজীৱন সভ্য ভৰ্তিৰ আৰু শাখাসভাৰ গঠনত সক্ৰিয় ভূমিকা লোৱাৰ কথা আলোচনা কৰে আৰু প্ৰত্যেকগৰাকী সদস্যই এই বিষয়ত ব্যক্তিগতভাৱে যত্ন ল'ব বুলি আশা কৰে।

১০। সভাপতি শ্ৰীঅতুলচন্দ্ৰ বৰুৱাই সদস্যসকলক সভাক গতিশীল কৰি তুলিবলৈ সকলো প্ৰকাৰে যত্ন ল'বৰ বাবে আহ্বান জনায়।

১১। প্ৰধান সম্পাদক শ্ৰীলীলা গগৈয়ে সভাপতি প্ৰমুখ্যে সকলো সদস্যৰ প্ৰতি শলাগ জ্ঞাপন কৰাৰ পিছত সভাপতিয়ে সভাৰ সামৰণি ঘোষণা কৰে।

| | |
|---|---|
| স্বাক্ষৰ—শ্ৰীঅতুলচন্দ্ৰ বৰুৱা | স্বাক্ষৰ—শ্ৰীলীলা গগৈ |
| সভাপতি | প্ৰধান সম্পাদক |
| অসম সাহিত্য সভা | অসম সাহিত্য সভা |
| ১২।২।৭৯ | ১২।২।৭৯ |

## পুথি পৰিচয়

## দৰঙী কলা-কৃষ্টি

সম্পাদক : শ্ৰীবিজয় ভাগৱতী
প্ৰকাশক : অভ্যাৰ্থনা সমিতি, দৰঙী কলা-কৃষ্টি উন্নয়ন সংঘৰ ৪ৰ্থ বাৰ্ষিক অধিৱেশন, ১৯৭৯
পৃষ্ঠা : ৮৩
মূল্য : ৩'৫০ পইচা।

দৰঙী কলা-কৃষ্টিৰ চতুৰ্থ বাৰ্ষিক অধিৱেশন উপলক্ষে প্ৰকাশিত এই স্মৃতিগ্ৰন্থখনি পাঁচটা কবিতা আৰু দহটা কৃষ্টি-সংস্কৃতিমূলক আলোচনাৰে সমৃদ্ধ। কবিতা-কেইটিয়ে প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে দৰঙী কলা-কৃষ্টিৰ ঐতিহ্য বহন কৰিছে। প্ৰবন্ধ আলোচনা-কেইটিত লেখকসকলে দৰঙীয়া কৃষ্টিমূলক বিভিন্ন দিশ দাঙি ধৰিছে। 'বিহংগম দৃষ্টিত দৰঙী কলা-কৃষ্টি' শীৰ্ষক আলচটিত শ্ৰীডিম্বেশ্বৰ শইকীয়াই প্ৰাচীন দৰং ৰাজ্যৰ সাংস্কৃতিক ঐতিহ্য চমুকৈ দাঙি ধৰিছে। দৰঙৰ 'কালি আৰু ঘোৰাকালি', ব্যাস সংগীত, সুকনান্নী গীত, দেওধনি নৃত্য, নাগাৰা নাম, খিয়নাম, জাগৰ গীত, খেৰাই নৃত্য আদি অনেক থলুৱা কলা-কৃষ্টিৰ বিশিষ্ট অংগবোৰ আজিৰ সমাজত অৱহেলিত হোৱা লক্ষ্য কৰি লেখকে আক্ষেপ কৰিছে। সেইবাবে প্ৰাচীন ঐতিহ্যপূৰ্ণ অসমীয়া কৃষ্টিসমূহৰ সামগ্ৰীক বিকাশ সাধনৰ অৰ্থে লেখক শইকীয়াই বাৰটি যুক্তিপূৰ্ণ পৰামৰ্শ আগবঢ়াইছে। 'বাভাসকলৰ ধৰ্মবিশ্বাস' নামৰ প্ৰবন্ধটিত শ্ৰীভৰতচন্দ্ৰ ডেকাই বাভাসকলৰ উৎপত্তি আৰু আদি বাসস্থান সম্পৰ্কে প্ৰসিদ্ধ বুৰঞ্জীবিদ আৰু পণ্ডিতসকলৰ মত উল্লেখ কৰি তেওঁলোকৰ ধৰ্মীয় জীৱনৰ আভাস-চিত্ৰ দাঙি ধৰিছে। 'কেইগৰাকীমান স্বভাৱ-কবিৰ সন্ধানত' শ্ৰীজিতেন ভাগৱতীয়ে আমাৰ তথাকথিত শিক্ষিত সমাজৰ অনাদৃত স্বভাৱ-কবিকেইজনমানৰ পৰিচয় আৰু প্ৰতিভা দেখুৱাইছে। যশস্বী শিল্পী শ্ৰীপ্ৰদীপ চলিহাই লিখা 'অসমীয়া সংগীতলৈ মঙল-দৈৰ অৱিহণা' শীৰ্ষক প্ৰবন্ধটি অতি উৎকৃষ্ট হৈছে; আচলতে এইটিয়েই স্মৃতিগ্ৰন্থখনিৰ অধিক মূল্য বঢ়াইছে বুলি ক'ব পাৰি। নিজে এজন আগশাৰীৰ শিল্পী সংগীতজ্ঞ হোৱা কাৰণে শ্ৰীচলিহা ডাঙৰীয়াই মঙলদৈ অঞ্চলৰ সাংগীতিক ঐতিহ্য আৰু বৈশিষ্ট্য সম্পৰ্কে পুংখা-নুপুংখৰূপে দেখুৱাত সফল হৈছে। ড° কমি বৰুৱাই 'সংস্কৃতি' প্ৰবন্ধত ভাৰতীয় সংস্কৃতিৰ আভাস, ইয়াৰ স্বৰূপ আৰু লক্ষ্য, পূৰ্ণ মানৱতা বিকাশত ইয়াৰ প্ৰয়োজন আৰু ধৰ্মৰ জগত ইয়াৰ সম্পৰ্ক সম্বন্ধে এটি তথ্যপূৰ্ণ আলোচনা দাঙি ধৰিছে। শ্ৰীলক্ষ্মীনাৰায়ণ কোঁৱৰৰ 'বিলুপ্তিৰ পথত দৰঙী সংস্কৃতি' শীৰ্ষক আলচটিত আমি থলুৱা কলা-কৃষ্টিৰ এটি মুমূৰ্ষু চিত্ৰ দেখিবলৈ পাওঁ। শ্ৰীপ্ৰদীপ ৰায় বৰুৱাৰ আলচটিত থলুৱা গাভৰু-মাতৰ সুৰ অনুৰণিত হৈছে। শ্ৰীবৰুৱাৰ তথ্যানুসন্ধিৎসা প্ৰশংসনীয়। শ্ৰীনবেন বৰুৱাই 'মঙলদৈৰ নাগাৰা' নামৰ এটি বিস্তৃত বিৱৰণ দাঙি ধৰিছে। শ্ৰীলখিত শৰ্মা আৰু মঃ ৰফিউল হুছেইনৰ সংগ্ৰহ দুটি ভাল হৈছে।

বিষয়-বস্তু সংগ্ৰহৰ দিশৰপৰা 'দৰঙী কলা-কৃষ্টি' চহকী হৈছে যদিও স্মৃতিগ্ৰন্থখনিৰ বৈষয়িক উপস্থাপন-ৰীতি মনঃপুত হোৱা নাই। কাৰণ প্ৰবন্ধ-পাতি উপস্থাপন কৰোঁতে বৈষয়িক গুৰুত্ব আৰু চিন্তাৰ ধাৰাবাহিকতা পৰিলক্ষিত নহয়। বিষয়-বস্তুৰ পুনৰুক্তি ঘটিছে। এনে বিধৰ আৰু দুই-এটি ত্ৰুটী থকা সত্ত্বেও 'দৰঙী কলা-কৃষ্টি'য়ে যে অসমৰ কলামোদী ৰাইজক কিছুমান নতুন তথ্যৰ সন্ধান দিব তাত কোনো সন্দেহ নাই।

—শ্ৰীখগেন্দ্ৰনাথ চেতিয়া ফুকন

**ঊৰ্মিমালা**

লেখক : শ্ৰীৰমেশচন্দ্ৰ চাংকাকতী, বি, এল

প্ৰকাশক : অধ্যাপক শ্ৰীশৰৎচন্দ্ৰ শৰ্মা, এম. এ, বি,টি
মঙলদৈ কলেজ, মঙলদৈ।

পৃষ্ঠা : ৬+২৪+১০

মূল্য : ৩·৫০ পইচা

"ঊৰ্মিমালা, ডিব্ৰুগড়ৰ পসিদ্ধ আইনজীৱী আৰু বিশিষ্ট সংবাদসেৱী শ্ৰীৰমেশচন্দ্ৰ চাংকাকতীৰ স্বৰচিত ২৯টা অসমীয়া আৰু ৯টা ইংৰাজী কবিতাৰ সংকলন। পুথিখনৰ প্ৰস্তাৱনাত লেখকে কৈছে, "এই গ্ৰন্থত সন্নিৱিষ্ট কৰা কবিতাৱলী মোৰ মনৰ নিভৃতকোণত অনুৰণিত হোৱা ভাবাবেগৰ মুক্ত প্ৰকাশ। বৰ্তমান সময়ত গদ্য আৰু কবিতাত বস্তুবাদী আদৰ্শ নৈতিক আৰু আধ্যাত্মিক আদৰ্শেৰে সিক্ত হোৱা বাঞ্ছনীয়।" লেখকৰ এনে আদৰ্শৰ কথা কেইবাটাও কবিতাত ব্যক্ত হৈছে।

"শৃণ্বন্তু সৰ্বে অমৃতস্য পুত্ৰাঃ···" এনে বাণীৰদ্বাৰা উদ্বুদ্ধ হৈ কবিয়ে কৈছে যে মানুহৰ আশা-আকাংক্ষা আৰু তৃপ্তিৰ শেষ নাই; কিন্তু যেতিয়া মানুহে নিজকে 'অমৃতৰ সন্তান' বুলি জানিব পাৰিব, তেতিয়াই মানৱ আত্মাই 'চিৰ শান্তি', 'পৰম নিৰ্বাণ' লাভ কৰিব পাৰিব (নিৰ্বাণ)। সুখ-দুখ, বিৰহ-বেদনাৰে ভৰা মানৱ জীৱন; কিন্তু এই জীৱনৰো পৰিপূৰ্ণতা আছে কেৱল 'মানৱ সেৱাত' আৰু 'পৰমজনৰ ওচৰত আত্মসমৰ্পণ'ত। এইদৰে কেইবাটিও কবিতাত কবিৰ মানৱ-প্ৰীতি আৰু ভগৱৎ-ভক্তিৰ ভাৱ প্ৰকাশ পাইছে।

কৰ্মই জীৱন। ৰবীন্দ্ৰনাথে কোৱাৰদৰে কবিয়েও কৈছে যে বৈৰাগ্য সাধনত মুক্তি নহয়, অসংখ্য বন্ধনৰ মাজতহে মুক্তি-মহানন্দ। মানুহে কৰ্ম্ম মাজেদি বিশ্বক 'সুন্দৰতৰ আৰু সুমহান' কৰি তুলিব লাগে। মানুহৰ মৃত্যু অনিবাৰ্য যদিও মানুহৰ কৰ্মৰ চিন-স্মৃতি পাথিৱ জগতত ৰৈ থাকে (স্মৃতিৰ সৌৰভ)।

'নীৰৱতালুপ্ত সুৰ-সমলয়' কবিতাত কবিৰ পত্নী বিয়োগজনিত কাৰুণ্য উথলি উঠিছে। চাৰিটি প্ৰশস্তিসূচক কবিতাত কবিয়ে দেশভক্ত তৰুণৰাম ফুকন, হেম বৰুৱা, ৰাধাগোবিন্দ বৰুৱা আৰু যোগীৰাজ বসুৰ গুণ-গৰিমা গাই কবিয়ে শ্ৰদ্ধাঞ্জলি যাচিছে।

'জাগ্ৰত জনতা', 'মহান ভাৰতৰ অগ্ৰগতি', 'জনগণৰ কল্যাণে' আদি কবিতাত কবিৰ স্বদেশ প্ৰেমৰ ভাৱ, নতুন ভাৰত গঢ়াৰ কল্পনা মূৰ্ত হৈ উঠিছে।

আন এটি কবিতাত কবিয়ে স্বাধীন ভাৰতৰ সন্তান সকলক সৰ্বশক্তি প্ৰয়োগ কৰি ভাৰতক মহীয়ান কৰি তুলিবলৈ আহ্বান জনাইছে। তেওঁ আশা কৰিছে ভাৰতৰপৰা দাৰিদ্ৰ্য, নিৰক্ষৰতা, অজ্ঞতা দূৰ হ'ব আৰু ভাৰতৰ সাম্যবাদ গণতন্ত্ৰই সাৰ্থকতা লাভ কৰিব (কৰ্ম মহান)। কোনো কোনো কবিতাত





কবিৰ অতীত স্মৃতিও ৰোমন্থিত হৈছে।

পুথিখনৰ দ্বিতীয় খণ্ডত Happiness, Problems, Sun set, Our Aim আদিকৈ নটা কবিতা আছে। কবিতাকেইটাত কবিৰ সংসাৰৰ বিচিত্ৰ অভিজ্ঞতাৰ কথা, বৰ্তমান সমাজৰ বিভিন্ন অৱস্থাৰ কথা আৰু মনুষ্য জীৱনৰ লক্ষ্য কেনে হোৱা উচিত এই বিষয়ে বৰ্ণনা কৰা হৈছে। এনেবোৰ বৰ্ণনাক ছন্দোবদ্ধভাৱে ৰচিত নীতি-উপদেশ বুলিয়েই ক'ব পাৰি। কিছুমান কবিতাত আকৌ বিষয়-বস্তুৰ সুন্দৰ সংজ্ঞা দাঙি ধৰা হৈছে।

আমাৰ বিশ্বাস, পুথিখনে পাঠক সমাজক কবিৰ সমাজ আৰু সংসাৰ সম্পৰ্কীয় অভিজ্ঞতা আৰু আধ্যাত্মিক ধ্যান-ধাৰণাৰ লগত পৰিচয় কৰি দিয়াৰ লগতে আনন্দও দান কৰিব পাৰিব।

পুথিখনৰ বেচ অলপ চৰা হোৱা যেন লাগিছে। পুথিখনৰ বহুল প্ৰচাৰ কামনা কৰোঁ।

ড° হেমন্তকুমাৰ শৰ্ম্মা।

**অলকানন্দাৰপৰা সাগৰতীৰলৈ**

লেখিকা—শ্ৰীহেমলতা দত্ত, লেখিকাৰদ্বাৰাই ১৯৭৮ চনত প্ৰকাশিত। মূল্য—চাৰি টকা।

সুখপাঠ্য ভ্ৰমণ কাহিনী ৰচনা কৰা বৰ সহজ কাম নহয়, এনে কাহিনী ৰসহীন আৰু 'কেৱল বৰ্ণনা মাথোন' হৈ পৰাৰ আশংকা বৰ বেছি। 'অলকানন্দাৰপৰা সাগৰতীৰলৈ' পুথিখন হাতত লৈও প্ৰথমে চিন্তা লাগিছিল ভিতৰত বা কি পাওঁ? পিছে নামটোৰ দৰেই কাহিনীভাগৰো সৌন্দৰ্য আছে, তাৰো প্ৰকাশক ফুটি উঠিছে লেখিকাৰ সুৰুচিবোধ। গতিকে এনে এখনি ভ্ৰমণ কাহিনীৰ বাবে লেখিকাক ধন্যবাদ নিদি নোৱাৰিলোঁ।

তুষাৰতীৰ্থ কেদাৰনাথ আৰু বদ্ৰীনাথ দৰ্শনৰ পথত পোৱা নানা সৰু-বৰ অভিজ্ঞতা, পথৰ সৌন্দৰ্য, পথচাৰীৰ সান্নিধ্যৰ বৈচিত্ৰ্য, শ্ৰম আৰু আহ্লাদ—এই সকলোবোৰ ৰুচিকৰভাৱে লেখিকাই দাঙি ধৰিছে। নিৰ্জন হিমালয়ৰ বুকুত তেওঁৰ যি সৌন্দৰ্য সন্ধান, তাৰে অন্য এটি বিকশিত ৰূপ ফুটি উঠিছে জনাকীৰ্ণ চহৰ আৰু সাগৰতীৰৰ ভ্ৰমণ কাহিনীত। খুঁটি-নাতিৰ বহুত বৰ্ণনাই হিমালয়ৰ যাত্ৰা-পথৰ ছবি স্পষ্টভাৱে দাঙি ধৰিছে—ইচ্ছুক ভ্ৰমণকাৰীৰ বাবে যিবোৰ পৰম সহায়ক হ'ব। বৰ্ণনাৰ সজীৱতা লেখিকাৰ নিপুণ প্ৰতিভাৰ চানেকি। যি অনাড়ম্বৰ, ঘৰুৱা অথচ মোহিনী ভাষাৰে তেওঁ কাহিনী কৈছে, তাত তেওঁৰ ব্যক্তিত্বৰ অমায়িকতা স্বতঃস্ফুৰ্তভাৱে ফুটি উঠিছে। লেখিকাৰ সহজ প্ৰতিভাৰ অন্যতম নিদৰ্শন হ'ল খাপ-খোৱাকৈ ব্যৱহাৰ কৰা শংকৰী গীত-মাতৰ উদ্ধৃতিবোৰ। এচাম পাঠকে হয়তো পাণ্ডিত্য আৰু উচ্চ চিন্তাৰ চৰ্চা নেদেখি পুথিখনৰ সাহিত্যিক মূল্য সম্পৰ্কে প্ৰশ্ন কৰিব। পিছে যি সূক্ষ্ম ৰসবোধ, জাতীয় চেতনাৰ আচ্ছাদিত আভাস আৰু সময় বুজি কৰা স্মৃতি ৰোমন্থন পুথিখনিত আছে তাৰ সাহিত্যিক মূল্যও কম নহয়। এনে এখন পুথিয়ে অসমীয়া ভ্ৰমণ সাহিত্যৰ সংখ্যা বঢ়োৱাটো নিঃসন্দেহে সুখৰ কথা।

**আৰ্যাবৰ্ত্তৰ সতী**

লেখিকা শ্ৰীহেমলতা দত্ত, প্ৰকাশিকা শ্ৰীজয়শ্ৰী দত্ত। মূল্য—তিনিটকা।

'আৰ্যাবৰ্ত্তৰ সতী' কিশোৰ-কিশোৰীৰ পুথি। গৌৰৱময় ভাৰতৰ অতীতৰ বুকু উজ্জ্বল কৰা চাৰিগৰাকী সতী শৈব্যা, দময়ন্তী, সাবিত্ৰী আৰু চিন্তাৰ কাহিনী ইয়াত দাঙি ধৰা হৈছে। কাহিনী কোৱাৰ এটি

সহজ প্ৰৱণতা লেখিকাৰ কথনভংগীত পোৱা যায়। সতীৰ কাহিনী যদিও, তেওঁ কেৱল সতীৰ কথাতে মগ্ন নাথাকি বহলভাৱে মূল কাহিনী কৈ গৈছে। বোধকৰো কোনো আহি পুথিৰ ছাঁ লৈ কৰা অনুবাদ বাবেই, ইয়াত তেওঁৰ ভাষাৰে মাজে মাজে জথৰতা আহিছে। দুই-এটা বঙলুৱা শব্দই (মাঝি, বাসৰ ঘৰ, অন্ন পাক কৰা) সমগ্ৰ কাহিনীৰে সৌন্দৰ্যত আঘাত কৰিছে। পুথিখনিৰ চাৰিওটা কাহিনীয়ে পাঠকৰ চিনাকি। তাকে কিশোৰৰ উপযোগীকৈ সৰলভাৱে দাঙি ধৰিবলৈ যত্ন কৰা হৈছে। আমাৰ ভাষাত কিশোৰ সাহিত্য নায়েই, সেইফালৰপৰা 'আৰ্যাবৰ্ত্তৰ সতী' পৰম আদৰণীয়।

—কৰবী হাজৰিকা

**বৰবকৰা সাহিত্য সভা পত্ৰিকা :**
১ম বছৰ, প্ৰস্তাৱনা সংখ্যা
মে, ১৯৭৯ চন।
সম্পাদক—নোমলচন্দ্ৰ গগৈ
প্ৰকাশক—বৰবকৰা সাহিত্য সভা
পৃষ্ঠা—৫১। বৰঙনি—অনুল্লেখিত

'বৰবকৰা সাহিত্য সভা পত্ৰিকা' খন ভাষাজননীৰ বেদীত আগবঢ়োৱা বৰবকৰা সাহিত্য সভাৰ প্ৰথম অৰ্ঘ্য। ইয়াত ১৩ জন নবীন আৰু প্ৰবীণ লেখক-লেখিকাৰ সৰ্বমুঠ ৫টা প্ৰবন্ধ, ৬টা কবিতা, এটা গল্প, এটা সাময়িকী আৰু এখন ৰম্য ৰচনা প্ৰকাশ কৰিছে।

তুলাৰাম মাজ্ৰাৱী সোণোৱালে বিহংগমৰ দৃষ্টিৰে বৰবকৰাৰ ঐতিহাসিক আৰু সামাজিক জীৱনত এভুমুকি" মাৰি বৰবকৰাৰ বুৰঞ্জী, অধিবাসী, শিক্ষা, সাহিত্য আদিৰ পৰিচয় এটি দাঙি ধৰিছে। "ভাষা-তত্ত্ব আৰু ব্যাকৰণ," "আধুনিক কবিতা দুৰ্বোধ্য কিয় ?" "ধৰ্ম, দৰ্শন আৰু সাহিত্য", "সামাজিক মূল্যাঙ্কনেৰে দ্বন্দ্বমূলক বস্তুবাদ আৰু ভাৱবাদ" আদি প্ৰবন্ধকেইটাত লেখকসকলে নিজৰ নিজৰ বিষয়-বস্তুৰ লগত পাঠকৰ সম্বন্ধ স্থাপন কৰিবলৈ যত্ন কৰিছে। অন্য এঠাইত দশমমান শ্ৰেণীৰ ছাত্ৰী এগৰাকীয়ে "নলিনীবালা দেৱীৰ কাব্য প্ৰতিভা" বিচাৰ কৰিবলৈ যত্ন কৰাটো শুভলক্ষণ। "ভাষা-জননীৰ শ্বহীদ গিৰীশ আৰু মিনেশ্বৰৰ সৌৰৱণত" এই শিতানৰ সাময়িকীটো পঢ়িলে পাঠকৰ চকুত ১৯৬০ চনৰ ভাষা-আন্দোলনৰ ছবি এখন ভাহি উঠিব।

অভাৱত জুৰুলা হোৱা মধ্যবিত্ত পৰিয়াল এটাই মুমূৰ্ষ ৰোগী এজন আগত লৈ যি মানসিক অন্তৰ্দ্বন্দ্বৰ ছটফটাৰ লাগিছে তাৰে ছবি এখন "কুকুহা" নামৰ গল্পটিত পোৱা যায়। "মই বোন্দামহে কৈছোঁ" নামৰ ৰচনাখনে পাঠকক সকলো সময়তে হহুঁৱাব নোৱাৰিলেও হহুঁৱাবলৈ কৰা যত্ন বিদ্যমান।

ভিন্ন ধৰ্মৰ কবিতাকেইটাই কবিসকলৰ মনৰ ভাব-অনুভূতি চিত্ৰিত কৰাত সাৰ্থক নহৈ থকা নাই।

মুঠতে দুই-এটা মুদ্ৰণ প্ৰমাদৰ কথা নধৰিলে নিঃসন্দেহে ইয়াক এখন সুখ-পাঠ্য আলোচনী বুলি ক'ব পাৰি।

—শ্ৰীখগেন্দ্ৰনাথ চেতিয়াফুকন।

## প্ৰাপ্তি স্বীকাৰ

১। **সাহিত্য সমন্বয়** (ষষ্ঠ খণ্ড)
সম্পাদক — শ্ৰীপৃথ্বীশনাৰায়ণ গোস্বামী
প্ৰকাশক — শ্ৰীচিত্তৰঞ্জন চৌধুৰী
সম্পাদক, কোকৰাঝাৰ সাহিত্য সভা।
মূল্য — তিনি টকা।

২। **উপবন** (সাহিত্য সভা সংখ্যা)
সম্পাদকদ্বয় — শ্ৰীগজেন ডেকা
আব্দুল মতলিব
প্ৰকাশক — উপবনগোষ্ঠী,
ছিপাঝাৰ, মঙলদৈ।
মূল্য — দুটকা।

৩। চাপৰি (কামৰূপ সাহিত্য পৰিষদৰ ৯ম বাৰ্ষিক অধিবেশনৰ স্মৃতিগ্ৰন্থ)
সম্পাদক — মহঃ নাজিম উদ্দিন দেৱান
প্ৰকাশক — এম. ইলিম উদ্দিন দেৱান
সাধাৰণ সম্পাদক, চেনিমাৰী অধিৱেশনৰ অভ্যৰ্থনা সমিতি।
মূল্য — দুটকা পঞ্চাশ পইচা।

৪। **ডাউকী** (কবিতা সংকলন/১ম প্ৰকাশ)
লেখক — শ্ৰীবীৰেশ্বৰ বৰুৱা
প্ৰকাশক — শ্ৰীভাৰত দাস
গুৱাহাটী-২১
মূল্য — দুটকা মাথোন।

৫। **অমিয়া লহৰি** (কবিতা সংকলন/১ম প্ৰকাশ)
লেখক—শ্ৰীকামিনী শৰ্মা শাস্ত্ৰী
প্ৰকাশক—ভুৱনেশ্বৰী গ্ৰন্থাগাৰ,
জানিগোগ।
মূল্য—দুটকা।

৬। **জ্যোতিৰ্ময়ী** (কবিতা পুথি/১ম প্ৰকাশ)
লেখক—শ্ৰীশশীমোহন দাস,
প্ৰকাশক—নবীন প্ৰকাশন, মৰানদীৰ পাৰ, বৰপেটা।
মূল্য—২·২৫ পইচা।

৬। **চেনিমাৰী গীতিকা** (কবিতা সংকলন/১ম প্ৰকাশ)
লেখক—এম, ইলিম উদ্দিন দেৱান,
প্ৰকাশক—মহঃ নাজিম উদ্দিন দেৱান, চেনিমাৰী,
কামৰূপ।
মূল্য—ডেৰ টকা।

৭। **মাঠ-মাটি আৰু ন-অসমীয়া মুছলমান সমাজ** (১ম প্ৰকাশ)
লেখক—এম, ইলিম উদ্দিন দেৱান
প্ৰকাশক—মহঃ নাজিম উদ্দিন দেৱান, বৰপেটা।
মূল্য—তিনিটকা পঞ্চাশ পইচা।

# অসম সাহিত্য সভাৰ প্ৰকাশন

( বৰ্তমান মজুত থকা )

| | | | |
|---|---|---|---|
| ১। আনন্দচন্দ্ৰ আগৰৱালা গ্ৰন্থাৱলী | ৫০·০০ | ৩০। ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়া | ৭·০০ |
| ২। চন্দ্ৰধৰ বৰুৱা গ্ৰন্থাৱলী | ৪০·০০ | ৩১। বেজবৰুৱাৰ চিত্ৰলেখা | ৬·০০ |
| ৩। দুৰ্গেশ্বৰ শৰ্মা ৰচনাৱলী | ২৫·০০ | ৩২। টলষ্টয় | ৬·০০ |
| ৪। ভাষণাৱলী ৪ৰ্থ খণ্ড | ২০·০০ | ৩৩। তিতাবৰ সৌৰভ | ৬·০০ |
| ৫। ষ্টাডিজ ইন দি বৈষ্ণৱ লিটাৰেচাৰ এণ্ড | | ৩৪। অসমীয়া গ্ৰন্থপঞ্জী | ৬·০০ |
| কালচাৰ অৱ আচাম | ২০·০০ | ৩৫। পৰমাচাৰ্য পণ্ডিত হেমচন্দ্ৰ গোস্বামী | ৬·০০ |
| ৬। অসম সাহিত্য সভাৰ ৰূপলেখা | ১৬·০০ | ৩৬। হিতেশ্বৰ বৰবৰুৱা স্মৃতিমাল্য | ৬·০০ |
| ৭। মণ্ডলদৈ মণ্ডলদৈ | ১৫·০০ | ৩৭। অসম সাহিত্য সভাৰ সুৰচনী | ৬·০০ |
| ৮। গোৱালপৰীয়া লোকগীত | ১৫·০০ | ৩৮। অসম সাহিত্য সভাকা ইতিবৃত্ত | ৬·০০ |
| ৯। কামৰূপী লোকগীত | ১৫·০০ | ৩৯। সাহিত্যৰত্ন চন্দ্ৰধৰ বৰুৱা | ৫·৫০ |
| ১০। প্ৰবন্ধ সঞ্চয়ন | ১৫·০০ | ৪০। জগন্নাথ বৰুৱা | ৫·০০ |
| ১১। কালিৰাম মেধি স্মৃতিমাল্য | ১২·০০ | ৪১। তিৰা সম্প্ৰদায় | ৫·০০ |
| ১২। নলিনীবালা দেৱী | ১২·০০ | ৪২। এনেলচ্ অৱ আচাম সাহিত্য সভা | ৫·০০ |
| ১৩। ৰজনীকান্ত বৰদলৈ ৰচনামালা | ১২·০০ | ৪৩। স্নেহৰ অৰুণাচল | ৫·০০ |
| ১৪। আধুনিক অসমীয়া সাহিত্যৰ অভিলেখ | ১২·০০ | ৪৪। শতাব্দীৰ অৰ্ঘ্য | ৫·০০ |
| ১৫। অসমীয়া লোকগীতি সংগ্ৰহ | ১২·০০ | ৪৫। চিকিৎসা বিজ্ঞানৰ ইতিহাস | ৫·০০ |
| ১৬। আনন্দৰাম ঢেকিয়াল ফুকন : প্লি ফৰ | | ৪৬। চেম্যুৱেল জনচনৰ জীৱনী | ৫·০০ |
| আচাম এণ্ড আচামীজ | ১২·০০ | ৪৭। চুটি গল্প | ৫·০০ |
| ১৭। নাগালেণ্ড | ১০·০০ | ৪৮। গাৰো সংস্কৃতিৰ ৰূপৰেখা | ৫·০০ |
| ১৮। অসমীয়া গল্পগুচ্ছ | ১০·০০ | ৪৯। অধ্যয়ন চক্ৰ | ৫·০০ |
| ১৯। বেজবৰুৱাৰ প্ৰবন্ধ-বাছনি | ১০·০০ | ৫০। সোণোৱালৰ সাধু | ৫·০০ |
| ২০ সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা | ১০·০০ | ৫১। দেউৰী চুতীয়া | ৪·০০ |
| ২১। টিহু লখিমী | ১০·০০ | ৫২। কাৰ্বি জনগোষ্ঠী | ৪·০০ |
| ২২। লংকাকাণ্ড ৰামায়ণ | ১০·০০ | ৫৩। ভাৰতৰ স্বাধীনতা আন্দোলনৰ ৰূপৰেখা | ৪·০০ |
| ২৩। ডেভেলেপমেণ্ট অৱ স্ক্ৰিপ্ট ইন | | ৫৪। ডিমাছা | ৪·০০ |
| এনচিয়েণ্ট কামৰূপ | ১০·০০ | ৫৫। আউটলুক অন নেফা | ৪·০০ |
| ২৪। বেজবৰুৱাৰ দিনলেখা ( ২য় খণ্ড ) | ১০·০০ | ৫৬। অসম সাহিত্য সভা বাৰ্ষিকী, বৰ্ডিয়া | ৪·০০ |
| ২৫। তৰুণৰাম ফুকন স্মৃতিমাল্য | ১০·০০ | ৫৭। চুফি আৰু চুফিবাদ | ৪·০০ |
| ২৬। হেম বৰুৱা | ১০·০০ | ৫৮। ধ্বনি আৰু বসতত্ত্ব | ৪·০০ |
| ২৭। চেক্সপীয়েৰ | ১০·০০ | ৫৯। ৰাভা সাধু | ৪·০০ |
| ২৮। অকনোদইৰ ধলফাট | ৮·০০ | ৬০। শিখধৰ্মীয় সাধু | ৪·০০ |
| ২৯। ৰাভা জনজাতি | ৭·০০ | ৬১। বড়ো সাধু | ৪·০০ |

অসম

দানৰ পুঁজিস

(১) ৰাধাকান্ত সন্দিকৈ

| | |
|---|---|
| আৰম্ভণি উদ্বৃত্ত | ৫,৫৩৮·০১ |
| ৰাধাকান্ত সন্দিকৈ ভৱন (চিত্ৰশালা) নিৰ্মাণৰ বাবে অসম চৰকাৰৰ অনুদান | ১,৫০,০০০·০০ |
| অন্যান্য দান | ৬৭০·০০ |
| বেংকৰপৰা সুদ | ২,২৩৪·৪০ |
| | ১,৫৮,৪৪২·৪১ |

(২) শৰতচন্দ্ৰ গোস্বামী

| | |
|---|---|
| আৰম্ভণি উদ্বৃত্ত | ১৫০·৯০ |

(৩) ছপাশাল পুঁজি

| | |
|---|---|
| আৰম্ভণি উদ্বৃত্ত | ৬১·৬৩ |

(৪) ভগৱতী প্ৰসাদ বৰুৱা

| | |
|---|---|
| আৰম্ভণি উদ্বৃত্ত | ৩৩,০২৮·৬২ |
| বেংকৰ সুদ | ১,৪৪১·৪০ |
| | ৩৬,১০০·০২ |

সংশ্লিষ্ট বহী-পত্ৰৰে

সম্পাদক :

...ৌক্তিক হাজৰিকা

# অসম সাহিত্য সভা

## উদ্বৃত্ত-পত্ৰ : ১৯৭৮ চনৰ ৩১ মাৰ্চ পৰ্যন্ত

### পুঁজি আৰু ঋণ

| | | |
|---|---|---|
| সাধাৰণ পুঁজি : পূৰ্ব বছৰৰ মতে | ৩,১৭,৪১২·৪৯ | |
| চলিত বছৰৰ বাহি | ১৮,৮৭০·৫৫ | |
| | ৩,৩৬,২৮৩·০৪ | |
| চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ মুল্যৰ বাবদ | ৮৪,৯০০·০০ | ৪,২১,১৮৩·০৪ |
| **অক্ষয় পুঁজিসমূহ :** | | |
| আজীৱন সভ্যৰ পুঁজি | ৮৯,৬৭৫·০০ | |
| চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত স্মাৰক পুঁজি | ১৭,৪০০·০০ | |
| ,, ,, সামাজিক সমাৰোহ পুঁজি | ১,৫৫০·০০ | |
| দক্ষিণপাট অধিকাৰ পুঁজি | ৫,০০০·০০ | |
| কমলাদেৱী স্মাৰক পুঁজি | ২,০০০·০০ | |
| হৰিহৰ চৌধুৰী বঁটা পুঁজি | ১,০০০·০০ | |
| ডিগবৈ সাহিত্য সেৱা সমিতি পুঁজি | ৫,০০০·০০ | |
| বনমালী শইকীয়া পুঁজি | ১,০০১·০০ | |
| প্ৰেমধৰ দত্ত পুঁজি | ২,০০০·০০ | |
| মোহনচন্দ্ৰ শৰ্মা পুঁজি | ২,৫০০·০০ | |
| উগ্ৰতাৰা ন্যাস পুঁজি | ২,৫০০·০০ | |
| বিষ্ণুৰাম মেধি ন্যাস পুঁজি | ৫,০০০·০০ | |
| ৰাধাকান্ত সন্দিকৈ সামাজিক সমাৰোহ | ২,৫০০·০০ | |
| চন্দ্ৰকান্ত সন্দিকৈ ভৱন অগ্নি বীমা | ৫,০০০·০০ | ১,৪২,১২৬·০০ |
| **অক্ষয় পুঁজিসমূহৰ বাঢ়ি পুজি :** | | |
| চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত স্মাৰক ন্যাস বাঢ়ি পুঁজি | ১,২৪৫·৪৪ | |
| ,, ,, সামাজিক সমাৰোহ ,, | ৫৪৪·৪০ | |
| দক্ষিণপাট অধিকাৰ গোস্বামী পুঁজি ,, | ১,৩১৬·০৪ | |
| কমলাদেৱী স্মাৰক পুঁজিৰ ,, | ৬০৫·৪২ | |
| হৰিহৰ চৌধুৰী বঁটা পুঁজিৰ ,, | ২৩০·৫৩ | |
| ডিগবৈ সাহিত্য সেৱা সমিতিৰ ,, | ২,৪৮১·৩২ | |
| প্ৰেমধৰ দত্ত স্মৃতি পুঁজিৰ ,, | ১৪১·৭৩ | |
| মোহনচন্দ্ৰ শৰ্মা বঁটা পুঁজিৰ ,, | ২১৫·৯৩ | |
| উগ্ৰতাৰা ন্যাস পুঁজিৰ ,, | ২১৪·৩৫ | |
| বনমালী শইকীয়া বঁটা পুঁজিৰ ,, | ৭৬·৪২ | |
| বিষ্ণুৰাম মেধি ন্যাস পুঁজিৰ ,, | ১,২৮৯·৩৮ | |
| ৰাধাকান্ত সন্দিকৈ সামাজিক সমাৰোহ ,, | ১৬০·১৫ | |
| চন্দ্ৰকান্ত সন্দিকৈ ভৱন অগ্নি বীমা ,, | ২৯৫·১০ | ৮,৮১৫·২১ |

পিছপিঠিত

### সম্পত্তি আৰু বিনিধান

| | | |
|---|---|---|
| চন্দ্ৰকান্ত সন্দিকৈ ভৱন ধাৰ্যিত মূল্য | | ৮৪,৯০০·০০ |
| **আঁচবাব আৰু সজুলি :** | | |
| আৰম্ভণি উদ্বৃত্ত | ২৪,৮৯৯·৬৭ | |
| চলিত বছৰৰ জমা | ১,৫৪৫·৬৭ | ২৬,৪৪৫·৩৪ |
| **গ্ৰন্থাগাৰ :** | | |
| আৰম্ভণি উদ্বৃত্ত | ১৫,৮৭৩·৮৫ | |
| চলিত বছৰৰ জমা | ৪৩৬·০০ | ১৬,৩০৯·৮৫ |
| সামৰণি মূল্য প্ৰকাশন আদি | | ১,৯২,৭৭৬·০০ |
| অক্ষয় পুঁজিসমূহৰ বিনিধান | ১,৪১,৬৫১·০০ | |
| অক্ষয় পুঁজিসমূহৰ বাঢ়ি পুঁজি | ৬,৯০৭·৯১ | |
| দানৰ পুঁজিসমূহৰ বিনিধান | ২২২·৫৩ | |
| ৰাধাকান্ত সন্দিকৈ স্মৃতি পুঁজি | ১,৫৮,১৯২·২১ | ৩,০৬,৯৭৩·৬৫ |
| অসম সাহিত্য সভা ( গুৱাহাটী ) পুঁজিৰ বিনিধান | | ১,০২,৯৪৫·৯৭ |
| **ভগৱতী প্ৰসাদ বৰুৱা ভৱন অৱৰক্ষণ পুঁজি :** | | |
| আচবাব পত্ৰ | ১০,৮৬৬·৯৩ | |
| অসম কো: এ: বেংক | | |
| গুৱাহাটীত জমা | ৩৪,৩৮৭·৫০ | |
| হাতে জমা | ৮৩·৯৭ | ৪৫,৩৩৮·৪০ |
| চন্দ্ৰকান্ত অভিধানৰ বাবদ অতিৰিক্ত ব্যয় | | ২,০৩১·৭৫ |
| গোহাঞি বৰুৱা শতবাৰ্ষিকী পুঁজিৰ ঋণ | | ২,৭০২·৬০ |
| বিশেষ পুঁজিৰ বঁটাৰ বাবে দিয়া ঋণ | | ৬০৫·০০ |
| কৰ্মচাৰীৰ ঋণৰ বাকী | | ৩৬১·০০ |
| গোলাঘাট অধিবেশনৰ অভ্যৰ্থনা সমিতি | | ১,৪৯০·০০ |
| মূল পুঁজি আৰু বাঢ়ি পুঁজিৰ জমা | | ৪·৩৪ |

পিছপিঠিত

| পুঁজি আৰু ঋণ | | | সম্পত্তি আৰু বিনিধান | | |
|---|---|---|---|---|---|
| **দানৰ পুঁজিসমূহ :** | | | **সামৰণি উদ্বৃত্ত :** | | |
| ৰাধাকান্ত সন্দিকৈ স্মৃতি পুঁজি | ১,৫৮,৪৪২·২১ | | বেংক : অসম কো: অ: এ: বেংক যোৰহাট | ২৬,৩৭৩·৬৪ | |
| শৰৎচন্দ্ৰ গোস্বামী স্মৃতি পুঁজি | ১৫০·৯০ | | ,, ,, গুৱাহাটী | ৭৪৮·৫৮ | |
| ছপাশাল পুঁজি | ৬১·৬৩ | | নগদ : কেন্দ্ৰীয় কাৰ্যালয় | ২৫৯·৭২ | |
| অসম সাহিত্য সভাৰ গুৱাহাটী ভৱন | ১,০২,৯৪৫·৯৭ | | গুৱাহাটী কাৰ্যালয় | ৮১·৫৩ | ২৭,৪৬৩·৪৭ |
| ভগৱতী প্ৰসাদ বৰুৱা ভৱন অৱৰক্ষণ স: | ৪৫,৩৩৮·৪০ | ৩,০৬,৯৪৯·১১ | | | |
| **অন্যান্য :** | | | | | |
| কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰৰ বিশেষ অনুদানৰ বাকী | ৩০,৪৬৬·৮৫ | | | | |
| প্ৰকাশন এজেণ্টৰ জমা | ৭০০·০০ | | | | |
| ভবিষ্যনিধি কৰ্তন জমা | ১০৭·১৬ | ৩১,২৭৪·০১ | | | |
| | | ৯,১০,৩৪৭·৩৭ | | | ৯,১০,৩৪৭·৩৭ |

আমি অসম সাহিত্য সভাৰ ১৯৭৭-৭৮ চনৰ আজীৱন পুঁজি, বাঢ়ি পুঁজি দান আৰু বিশেষ পুঁজিসমূহৰ হিচাপ কেন্দ্ৰীয় কাৰ্যালয়, আৰু গুৱাহাটী কাৰ্যালয়ৰ হিচাপ বহী আৰু সংশ্লিষ্ট কাগজ-পত্ৰৰে সৈতে পৰীক্ষা কৰি সভাৰ ৭৮ চনৰ ৩১ মাৰ্চ তাৰিখৰ উদ্বৃত্ত-পত্ৰ, ১৯৭৭-৭৮ চনৰ সাধাৰণ পুঁজিৰ আয়-ব্যয়ৰ হিচাপ আৰু উল্লিখিত পুঁজিসমূহৰ আয়-ব্যয়ৰ হিচাপ প্ৰস্তুত আৰু পৰীক্ষা কৰি জনাওঁ যে সকলো হিচাপৰ বিবৃত্তি আৰু ব্যাখ্যা আমাৰ হিচাপ পৰীক্ষাৰ প্ৰয়োজন অনুসৰি আমি পাইছোঁ। আমি জনাওঁ যে— উক্ত উদ্বৃত্ত-পত্ৰ আৰু পুঁজিসমূহৰ আয়-ব্যয়ৰ হিচাপসমূহে আমাৰ বিশ্বাস আৰু উল্লিখিত বিবৃত্তি আৰু ব্যাখ্যা অনুযায়ী সভাৰ উক্ত বছৰৰ প্ৰকৃত অৱস্থা দৰ্শাইছে।

১৮ জুলাই, ১৯৭৮ চন।

( জে-এন শইকীয়া এণ্ড কোং )
চাৰ্টাৰ্ড একাউন্টেন্টচ,
হিচাপ পৰীক্ষক, অসম সাহিত্য সভা।

# অসম সাহিত্য সভা

## ১৯৭৭ চনৰ ১ এপ্ৰিলৰ পৰা ১৯৭৭ চনৰ ৩১ মাৰ্চ পৰ্যন্ত আয়-ব্যয়ৰ হিচাপ

| | | | |
|---|---|---|---|
| ৰৰঙণি : | শাখা সভা | ১৭,১৯৫·০২ | |
| — | স্বীকৃত সভা | ২০·০০ | |
| | আজীৱন সভ্য ভৰ্তি | ৭৬·০০ | ১৭,২৯১·০২ |
| প্ৰকাশন : | সাধাৰণ | ২৭,৯৭০·৯৪ | |
| — | পত্ৰিকা | ৬,০৯২·৫০ | ৩৪,০৬৩·৪৪ |
| অনুদান : | অসম চৰকাৰৰ বাৰ্ষিক | ৩৫,০০০·০০ | |
| — | প্ৰকাশন আঁচনি | ১,৬৭,০০০·০০ | ২,০২,০০০·০০ |
| ভাষাজ্ঞান প্ৰমাণপত্ৰ পৰীক্ষা | | | ৬,৯০৩·২৫ |
| বিবিধ : | সাময়িক দান | ৩৪০·০০ | |
| | পতাকা বিক্ৰী আদি | ৯৪৮·০০ | |
| | পত্ৰিকাৰ বিজ্ঞাপন | ৬৮৫·০০ | |
| | ভৱনৰ ভাড়া | ৩০৫·০০ | |
| | আজীৱন সভ্যৰ পুঁজি বিনিধানৰ সুদ | ৫,০৭৭·০০ | |
| | বেংকৰ সুদ | ৭১৬·০০ | ৮,০৭১·০০ |
| সামৰণি মূল্য : প্ৰকাশন আদিৰ | | | ২,৯২,৭৭৬·০০ |
| | | মুঠ— | ৫,৬১,১০৪·৭১ |

| | | | |
|---|---|---|---|
| আৰম্ভণি মূল্য : প্ৰকাশন আদিৰ | | | ২,৯২,২১০·০০ |
| দৰ্মহা : | কেন্দ্ৰীয় কাৰ্যালয় | ১৯,০৭১·৮০ | |
| | গুৱাহাটী কাৰ্যালয় | ৫,৫৮৩·৮৭ | |
| | প্ৰধান সম্পাদকৰ কাৰ্যালয় | ৫০·০০ | |
| | ভবিষ্য নিধি | ৯৬১·৬৫ | ২৫,৬৬৭·৩২ |
| ভ্ৰমণ বানচ আদি | | | ১২,০৯৯·৫৬ |
| পৰিবহন | | | ১,৮০২·৫১ |
| ডাক আৰু তাঁৰ : | ডাকটিকত | ৭,২২১·৩৫ | |
| | তাঁৰ | ৪৩৪·১৫ | |
| | টেলিফোন | ২,৬৩৫·৯৫ | |
| | অৰ্থপ্ৰেৰণ | ১৮৩·২৭ | ১০,৪৭৪·৭২ |
| খাজনা আৰু কৰ : | মাটিৰ খাজনা | ১৩৬·৫০ | |
| | পৌৰসভাৰ কৰ | ৪৮·২২ | |
| | বিজুলী শক্তি | ৫৪০·৫১ | ৭২৫·২৩ |
| প্ৰকাশন : | সাধাৰণ | ১,০৭,৪৪১·৮০ | |
| | পত্ৰিকা | ২৭,৬২৫·১৫ | ১,৩৫,০৬৬·৯৫ |
| ক্ষুদ্ৰমুদ্ৰণ | | | ১১,৭৪৩·৩২ |
| লেখন সামগ্ৰি | | | ৬,৭২০·৫০ |
| সাধাৰণ প্ৰচাৰ বিজ্ঞাপন আদি | | | ২,২৯৮·৬০ |
| নৈমিত্তিক ব্যয় | | | ৩,৪৫০·৭৫ |
| লেখক শিবিৰ | | | ৪,৪৫৭·৩০ |
| হীৰক জয়ন্তী পালন (উছৱ সমিতিয়ে কৰা সকলো খৰছ বাদে) | | | ১৪,৭৩৪·৩০ |
| ভাষা-জ্ঞান পৰীক্ষা | | | ৬,৫৬৯·৯৮ |
| পুথি বিক্ৰী ব্যৱস্থা প্ৰদৰ্শনী আদি | | | ৩,০৫০·২১ |
| বাৰ্ষিক অধিৱেশন | | | ৩,৫০২·১৫ |
| সমিতি বৈঠক আদি | | | ৯৮৭·৭২ |
| উপাধি প্ৰদান | | | ১,৩২৬·০০ |
| সাংস্কৃতিক ভ্ৰমণ | | | ৫২৭·৬৫ |
| সম্পত্তি প্ৰতিপালন | | | ৮১০·৬৪ |
| হিচাপ পৰীক্ষা, সংকলন আৰু অন্যান্য | | | ৩,২০০·০০ |
| ঐচ্ছিক পুঁজি : | সভাপতি | ২০০·০০ | |
| | প্ৰধান সম্পাদক | ১০০·০০ | ৩০০·০০ |
| চিকিৎসা সাহায্য | | | ৪০০·০০ |
| বেংকৰ ভৰনি | | | ১০৮·৭৫ |
| চলিত বছৰৰ বাহি | | | ১৮,৮৭০·৫৫ |
| | | মুঠ— | ৫,৬১,১০৪·৭১ |

এই তাৰিখৰ টোকা অনুসৰি চহী কৰা হ'ল।

(জে, এন, শইকীয়া এণ্ড কোং)
চাৰ্টাৰ্ড একাউণ্টেণ্টচ্
হিচাপ পৰীক্ষক, অসম সাহিত্য সভা।

তাৰিখ ১৮ জুলাই, ১৯৭৮ চন

# অসম সাহিত্য সভা

## বিশেষ পুঁজি (ক) অক্ষয় পুঁজিৰ (১৯৭৭-৭৮) আয়-ব্যয়ৰ হিচাপ

### (১) আজীৱন সভ্যৰ অক্ষয় পুঁজি

| | | | |
|---|---|---|---|
| আৰম্ভণি | ৮২,০৭৫·০০ | সামৰণি উদ্বৃত্ত : জাতীয় সঞ্চয় পত্ৰ | ৫১,২০৭·০০ |
| চলিত বছৰৰ জমা | ৭,৬০০·০০ | বিনিধান : ষ্টেট বেংক অৱ ইণ্ডিয়া স্থায়ী জমা | ৩৮,০০০·০০ |
| | ৮৯,৬৭৫·০০ | সাধাৰণ পুঁজিত | ৪৭৫·০০ |
| | | | ৮৯,৬৭৫·০০ |

### (২) চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত ন্যাস পঁজি

| | | | |
|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত মূল পুঁজি | ১৭,৪০০·০০ | সামৰণি উদ্বৃত্ত : ষ্টেট বেংক অৱ ইণ্ডিয়া স্থায়ী জমা | ১৭,৪০০·০০ |
| | ১৭,৪০০·০০ | | ১৭,৪০০·০০ |

### (৩) দক্ষিণপাট অধিকাৰ গোস্বামী অক্ষয় পুঁজি

| | | | |
|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত মূল পুঁজি | ৫,০০০·০০ | সামৰণি উদ্বৃত্ত : | |
| | ৫,০০০·০০ | বিনিধান স্থায়ী জমা : ষ্টেট বেংক অৱ ইণ্ডিয়া | ৫,০০০·০০ |
| | | | ৫,০০০·০০ |

### (৪) চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত সামাজিক সমাৰোহ পুঁজি

| | | | |
|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত মূল পুঁজি | ১,৫৫০·০০ | সামৰণি উদ্বৃত্ত | |
| | ১,৫৫০·০০ | বিনিধান স্থায়ী জমা : অসম কো: অ: এ: বেংক, যোৰহাট | ১,৫৫০·০০ |
| | | | ১,৫৫০·০০ |

### (৫) কমলাদেৱী ন্যাস পুঁজি

| | | | |
|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত মূল পুঁজি | ২,০০০·০০ | সামৰণি উদ্বৃত্ত : | |
| | ২,০০০·০০ | বিনিধান স্থায়ী জমা ঐ | ২,০০০·০০ |
| | | | ২,০০০·০০ |

### (৬) হৰিহৰ চৌধুৰী বঁটা পুঁজি

| | | | |
|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত মূল পুঁজি | ১,০০০·০০ | সামৰণি উদ্বৃত্ত : | |
| | ১,০০০·০০ | বিনিধান স্থায়ী জমা ঐ | ১,০০০·০০ |
| | | | ১,০০০·০০ |

### (৭) ডিগবৈ সাহিত্য সেৱা সমিতি ন্যাস পুঁজি

| | | | |
|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত মূল পুঁজি | ৫,০০০·০০ | সামৰণি উদ্বৃত্ত | |
| | ৫,০০০·০০ | বিনিধান স্থায়ী জমা ঐ | ৫,০০০·০০ |
| | | | ৫,০০০·০০ |

সিপিঠিত

(৮) বনমালী শইকীয়া অক্ষয় পুঁজি

| | | | | |
|---|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত মূল পুঁজি | ১০০২·০০ | সামৰণি উদ্বৃত্ত : | | |
| | ১০০১·০০ | বিনিয়োগ স্থায়ী জমা | ঐ | ১,০০০·০০ |
| | | সাধাৰণ পুঁজিত | | ১·০০ |
| | | | | ১,০০১·০০ |

(৯) প্ৰেমধৰ দত্ত স্মৃতি পুঁজি

| | | | | |
|---|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত মূল পুঁজি | ২,০০০·০০ | সামৰণি উদ্বৃত্ত : | | |
| | ২,০০০·০০ | বিনিয়োগ স্থায়ী জমা | ঐ | ২,০০০·০০ |
| | | | | ২,০০০·০০ |

(১০) মোহন চন্দ্ৰ শৰ্মা ন্যাস পুঁজি

| | | | | |
|---|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত মূল পুঁজি | ২,৫০০·০০ | সামৰণি উদ্বৃত্ত : | | |
| | ২,৫০০·০০ | বিনিয়োগ স্থায়ী জমা | ঐ | ২,৫০০·০০ |
| | | | | ২,৫০০·০০ |

(১১) উগ্ৰতাৰা ন্যাস পুঁজি

| | | | | |
|---|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত মূল পুঁজি | ২,৫০০·০০ | সামৰণি উদ্বৃত্ত : | | |
| | ২,৫০০·০০ | বিনিয়োগ স্থায়ী জমা | ঐ | ২,৫০০·০০ |
| | | | | ২,৫০০·০০ |

(১২) শ্ৰীবিষ্ণুৰাম মেধি ন্যাস পুঁজি

| | | | | |
|---|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত মূল পুঁজি | ৫,০০০·০০ | সামৰণি উদ্বৃত্ত : | | |
| | ৫,০০০·০০ | বিনিয়োগ স্থায়ী জমা | ঐ | ৫,০০০·০০ |
| | | | | ৫,০০০·০০ |

(১৩) ৰাধাকান্ত সন্দিকৈ সামাজিক সমাৰোহ পুঁজি

| | | | | |
|---|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত মূল পুঁজি | ২,৫০০·০০ | সামৰণি উদ্বৃত্ত : | | |
| | ২,৫০০·০০ | বিনিয়োগ : ষ্টেট বেংক অৱ ইণ্ডিয়া : স্থায়ী জমা | | ২,৫০০·০০ |
| | | | | ২,৫০০·০০ |

(১৪) চন্দ্ৰকান্ত সন্দিকৈ উত্তৰা অগ্নিবীমা

| | | | | |
|---|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত মূল পুঁজি | ৫,০০০·০০ | সামৰণি উদ্বৃত্ত : | | |
| | ৫,০০০·০০ | বিনিয়োগ : ষ্টেট বেংক অৱ ইণ্ডিয়া : স্থায়ী জমা | | ৫,০০০·০০ |
| | | | | ৫,০০০·০০ |

সংশ্লিষ্ট বহী-পত্ৰৰে সৈতে পৰীক্ষা কৰি সঠিক পোৱা হ'ল।

(জে, এন, শইকীয়া এণ্ড কোং)
চাৰ্টাৰ্ড একাউণ্টেণ্টচ্
হিচাপ পৰীক্ষক, অসম সাহিত্য সভা

# অসম সাহিত্য সভা

## অক্ষয় পুঁজিসমূহৰ বাঢ়ি পুঁজিৰ ১৯৭৭-৭৮ চনৰ হিচাপ

### (১) চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত ন্যাস পুঁজিৰ বাঢ়ি পুঁজি

| | | | |
|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত | ১,৯২৭·৬৪ | চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ মেৰামতি ব্যয় | ৩,৩৭১·৯০ |
| শ্ৰীযুত স।দকৈ ডাঙৰীয়াৰ দান | ১,০০০·০০ | আচবাব পত্ৰ ক্ৰয় | ১,১২৭·৬৭ |
| মূল পুঁজিৰ সুদ | ১,৭৪০·০০ | ডাকঘৰত জমা | ১১৫·৭৩ |
| বাঢ়ি পুঁজিৰ সুদ | ৪৮·৭০ | হাতে জমা | ১·০৪ |
| | ৪,৬১৬·৩৪ | | ৪,৬১৬·৩৪ |

### (২) দক্ষিণপাট অধিকাৰ গোস্বামীৰ অক্ষয় পুঁজিৰ বাঢ়ি পুঁজি

| | | | |
|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত | ৭২০·৮৪ | ডাকঘৰত জমা | ৫৩৮·৫৪ |
| মূল পুঁজিৰ সুদ | ৫৭৭·০০ | হাতে জমা | ০·৫০ |
| বাঢ়ি পুঁজিৰ সুদ | ১৮·২০ | সাধাৰণ পুঁজিত জমা | ৭৭৭·০০ |
| | ১,৩১৬·০৪ | | ১,৩১৬·০৪ |

### (৩) চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত সামাজিক সমাবোহ পুঁজিৰ বাঢ়ি পুঁজি

| | | | |
|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত | ৬৩৭·০১ | বাৰ্ষিক সমাৰোহৰ বাবদ ব্যয় | ১১৩·০০ |
| বাঢ়ি পুঁজিৰ সুদ | ২০·৩৯ | ডাকঘৰত জমা | ৫৪৪·০৬ |
| | ৬৫৭·৪০ | হাতে জমা | ০·৩৪ |
| | | | ৬৫৭·৪০ |

### (৪) কমলাদেৱী স্মাৰক পুঁজিৰ বাঢ়ি পুঁজি

| | | | |
|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত | ৫৯০·৩৭ | ডাকঘৰত জমা | ৬০৪·৫৬ |
| বাঢ়ি পুঁজিৰ সুদ | ১৫·০৫ | হাতে জমা | ০·৮৬ |
| | ৬০৫·৪২ | | ৬০৫·৪২ |

### (৫) হৰিহৰ চৌধুৰী বঁটা পুঁজিৰ বাঢ়ি পুঁজি

| | | | |
|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত | ৫০৯·০৮ | সাধাৰণ পুঁজিৰ ঋণ পৰিশোধ | ৩০০·০০ |
| বাঢ়ি পুঁজি সুদ | ২১·৪৫ | ডাকঘৰত জমা | ২২৯·৬০ |
| | ৫৩০·৫৩ | হাতে জমা | ০·৯৩ |
| | | | ৫৩০·৫৩ |

### (৬) ডিগবৈ সাহিত্য সেৱা সমিতি ন্যাস পুঁজিৰ বাঢ়ি পুজি

| | | | |
|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত | ২,৭৬৪·২২ | সাধাৰণ পুঁজিৰ ঋণ পৰিশোধ | ৫০০·০০ |
| বাঢ়ি পুঁজিৰ সুদ | ২১৭·১০ | অসম কো: এপেক্স বেংকত জমা | ২,৪৮১·৩২ |
| | ২,৯৮১·৩২ | | ২,৯৮১·৩২ |

### (৭) প্ৰেমধৰ দত্ত পুঁজিৰ বাঢ়ি পুঁজি

| | | | |
|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত | ৪১০·০০ | সাধাৰণ পুঁজিৰ ঋণ পৰিশোধ | ৩০০·০০ |
| বাঢ়ি পুঁজিৰ সুদ | ৩১·০০ | অসম কো: এপেক্স বেংকত জমা | ১৪১·৭৩ |
| | ৪৪১·৭৩ | | ৪৪১·৭৩ |

(৮) মোহনচন্দ্ৰ শৰ্মা পুঁজিৰ বাঢ়ি পুঁজি

| | | | |
|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত | ৪৭৯·৩৩ | সাধাৰণ পুঁজিৰ ঋণ পৰিশোধ | ৩০০·০০ |
| বাঢ়ি পুঁজিৰ সুদ | ৩৬·৬০ | অসম কো: এপেক্স বেংকত জমা | ২১৫·৯৩ |
| | ৫১৫·৯৩ | | ৫১৫·৯৩ |

(৯) উগ্ৰতাৰা ন্যাস পুঁজিৰ বাঢ়ি পুঁজি

| | | | |
|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত | ৩৮৪·৭৫ | সাধাৰণ পুঁজিৰ ঋণ পৰিশোধ | ২০০·০০ |
| বাঢ়ি পুঁজিৰ সুদ | ২৯·৬০ | অসম কো: এপেক্স বেংকত জমা | ২১৪·০০ |
| | ৪১৪·৩৫ | | ৪১৪·৩৫ |

(১০) বনমালী শইকীয়া ন্যাস পুঁজিৰ বাঢ়ি পুঁজি

| | | | |
|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত | ২৫৭·২২ | সাধাৰণ পুঁজিৰ ঋণ পৰিশোধ | ২০০·০০ |
| বাঢ়ি পুঁজিৰ সুদ | ১৯·২০ | অসম কো: এপেক্স বেংকত জমা | ৭৬·৪২ |
| | ২৭৬·৪২ | | ২৭৬·৪২ |

(১১) বিষ্ণুৰাম মেধি ন্যাস পুঁজিৰ বাঢ়ি পুঁজি

| | | | |
|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত | ১,২৯৮·৩৮ | অসম কো: এপেক্স বেংকত জমা | ১,২৯৮·৩৮ |

(১২) ৰাধাকান্ত সন্দিকৈ সামাজিক সমাৰোহ পুঁজিৰ বাঢ়ি পুঁজি

| | | | |
|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত | ১০২·০০ | সমাৰোহত ব্যয় | ২০০·০০ |
| মূল পুঁজিৰ সুদ | ২৫০·০০ | ডাকঘৰত জমা | ১৬০·১৫ |
| বাঢ়ি পুঁজিৰ সুদ | ৮·১৫ | | ৩৬০·১৫ |
| | ৩৬০·১৫ | | |

(১৩) চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ অগ্নিবীমা পুঁজিৰ বাঢ়ি পুঁজি

| | | | |
|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত | ১৪৪·০০ | | |
| মূল পুঁজিৰ সুদ | ৫০০·০০ | ভৱনৰ অগ্নিবীমা | ৩৫৬·০০ |
| বাঢ়ি পুঁজিৰ সুদ | ৭·১০ | ডাকঘৰত জমা | ২৯৫·১০ |
| | ৬৫১·১০ | | ৬৫১·১০ |

সংশ্লিষ্ট বহী-পত্ৰৰে সৈতে পৰীক্ষা কৰি সঠিক পোৱা হ'ল।

(জে, এন, শইকীয়া এণ্ড কোং)
চাৰ্টাৰ্ড একাউণ্টেণ্টচ্
হিচাপ পৰীক্ষক, অসম সাহিত্য সভা।

# অসম সাহিত্য সভা

## জমাৰ পুঁজিসমূহৰ ১৯৭৭-৭৮ চনৰ হিচাপ

### (১) ৰাধাকান্ত সন্দিকৈ স্মৃতি পুঁজি

| | | | |
|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত | ৫,৫৩৮·০১ | উদ্যান গঢ়িবৰ বাবে মাটি পৰীক্ষাৰ খৰচ | ২,০১৩·৩০ |
| ৰাধাকান্ত সন্দিকৈ ভৱন (চিত্ৰশালা) নিৰ্মাণৰ | | নক্সাৰ বাবে দেৱিাগ | ৩,৫০০·০০ |
| বাবে অসম চৰকাৰৰ অনুদান | ১,৫০,০০০·০০ | উদ্যানৰ বাবে কাঠ, তাঁৰৰ জাল আদি | ২,৩৯৩·৬৯ |
| অন্যান্য দান | ৬৭০·০০ | মজুত ইটা | ৮,০৬৫·০০ |
| বেংকৰপৰা সুদ | ২,২৩৪·৪০ | মজুত বালি | ৫,৪০০·০০ |
| | ১,৫৮,৪৪২·৪১ | অন্যান্য | ১৪২·৯০ |
| | | | ২১,৫১৪·৮৯ |
| | | হাতত জমা | ৭১,০৪৫·১১ |
| | | অসম কো: এপেক্স বেংকত জমা | ৬৫,৬৩২·৪১ |
| | | সাধাৰণ পুঁজিত | ২৫০·০০ |
| | | | ১,৫৮,৪৪২·৪১ |

### (২) শৰৎচন্দ্ৰ গোস্বামী স্মৃতিপুঁজি

| | | | |
|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত | ১৫০·৯০ | ডাকঘৰত জমা | ১৫০·৯০ |

### (৩) ছপাশাল পুঁজি

| | | | |
|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত | ৬১·৬৩ | অসম কো: এপেক্স বেংকত জমা | ৬১·৬৩ |

### (৪) ভগৱতী প্ৰসাদ বৰুৱা ভৱন অৱৰক্ষণ সমিতি

| | | | | |
|---|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত | ৩৫,০২৮·১২ | সম্পত্তি প্ৰতিপালন | ১৯৯·০০ | |
| বেংকৰ সুদ | ১,৪৪১·৯০ | ভৱনৰ অগ্নিবীমা | ১৪৫·০০ | |
| | ৩৬,১০০·০২ | বানচ | ৫৭২·০০ | |
| | | সমিতি বৈঠক | ২৭৪·১০ | |
| | | নৈমিত্তিক | ৩৯৩·৪৫ | |
| | | পৰিবহন | ৪৫·০০ | ১,৬২৮·৫৫ |
| | | সামৰণি উদ্বৃত্ত : | | |
| | | অসম কো: অ: এপেক্স বেংক, গুৱাহাটী | | ১৪,৩৮৭·৫০ |
| | | হাতত জমা | | ৮৩·৯৭ |
| | | | | ৩৬,১০০·০২ |

সংশ্লিষ্ট বহী-পত্ৰৰ লগত পৰীক্ষা কৰি সঠিক পোৱা হ'ল।

( জে-এন শইকীয়া এণ্ড কোং )
চাৰ্টাৰ্ড একাউন্টেন্টচ,
হিচাপ পৰীক্ষক, অসম সাহিত্য সভা।

## অসম সাহিত্য সভা

### ...মুহৰ ১৯৭৭-৭৮ চনৰ হিচাপ

মৃতি পুঁজি

| | |
|---|---|
| ভৱনৰ বাবে মাটি পৰীক্ষাৰ খৰচ | ২,০১৩·৩০ |
| নক্সাৰ বাবে প্ৰেমিন | ৩,৫০০·০০ |
| ভড়ালঘৰৰ বাবে কাঠ, তাঁবৰ জাল আদি | ২,৩৯৩·৬৯ |
| মজুত ইটা | ৮,০৬৫·০০ |
| মজুত বালি | ৫,৪০০·০০ |
| অন্যান্য | ১৪২·৯০ |
| | ২১,৫১৪·৮৯ |
| হাতে জমা | ৭১,০৪৫·১১ |
| অসম কোঃ এপেক্স বেংকত জমা | ৬৫,৬৩২·৪১ |
| সাধাৰণ পুঁজিত | ২৫০·০০ |
| | ১,৫৮,৪৪২·৪১ |

...তিপুঁজি

| | |
|---|---|
| ডাকঘৰত জমা | ১৫০·৯০ |

| | |
|---|---|
| অসম কোঃ এপেক্স বেংকত জমা | ৬১·৬৩ |

...ভৱন অৱৰক্ষণ সমিতি

| | | |
|---|---|---|
| সম্পত্তি প্ৰতিপালন | ১৯৯·০০ | |
| ভৱনৰ অগ্নিবীমা | ১৪৫·০০ | |
| খানচ | ৫৭২·০০ | |
| সমিতি বৈঠক | ২৭৪·১০ | |
| নৈমিত্তিক | ৩৯৩·৪৫ | |
| পৰিবহন | ৪৫·০০ | ১,৬২৮·৫৫ |
| সামৰণি উদ্বৃত্ত : | | |
| অসম কোঃ অঃ এপেক্স বেংক, গুৱাহাটী | | ১৪,৩৮৭·৫০ |
| হাতে জমা | | ৮৩·৯৭ |
| | | ১৬,১০০·০২ |

...সতে পৰীক্ষা কৰি সঠিক পোৱা হ'ল।

( জে-এন শইকীয়া এণ্ড কোং )
চাৰ্টাৰ্ড একাউন্টেন্টচ,
হিচাপ পৰীক্ষক, অসম সাহিত্য সভা।